# চিক্ষুং গুংগাং

লোক-সাহিত্যৰ বহুঘৰা গ্ৰন্থৰাজি-১

# ॥ চিফুং-গুংগাং ॥

অসমৰ ভৈয়ামৰ জনজাতীয় গোষ্ঠীসমূহৰ গীত-পদ ॥

সম্পাদক

ড° বীৰেন্দ্ৰনাথ দত্ত

সহকাৰী সম্পাদক

শ্ৰীদিলীপ কুমাৰ কলিতা

ECTORATE OF LIBRARY SERVICES • ASSAM, GUW

পৰিবেশক

গ্ৰন্থপীঠ

পাণ বজাৰ : গুৱাহাটী-১

**Siphung-Gungāng :** A collection of essays by various authors on the folksongs of different tribal groups of the plains of Assam. Edited by Dr. Birendranath Datta and published with financial grant from the Directorate of Tribal Research Institute, Assam. First Edition : 1986.

জনজাতীয় গৱেষণা কেন্দ্ৰৰ সঞ্চালকালয় (অসম)ৰ আৰ্থিক অনুদানেৰে প্ৰকাশিত।

প্ৰথম প্ৰকাশ ঃ ১৯৮৬

মূল্য ঃ ২০'০০ টকা

বেটুপাতৰ ছবি ঃ ধ্ৰুৱ ডেকা

ছপা ঃ হেমকোষ প্ৰিণ্টাৰ্ছ, শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

# পাতনি

অসমৰ লোক-সংস্কৃতিৰ এক সামগ্রিক দৃষ্টিৰ বাবে অসমৰ পর্বত-ভৈয়ামৰ বিভিন্ন জনজাতীয় আৰু অ-জনজাতীয় গোষ্ঠীৰ লোক-সাহিত্যৰ সমলৰ বিষয়ে অন্ততঃ কিছু স্পষ্ট ধাৰণা যে অত্যাৱশ্যক, সেই বিষয়ে সন্দেহৰ থল নাই। অ-জনজাতীয় সমাজৰ ঘাইকৈ অসমীয়া ভাষাত প্রাপ্য লোক-সাহিত্যৰ সমল ভালেখিনি সংগৃহীত আৰু প্রকাশিত হৈছে। জনজাতীয় ভাষাৰ সমলো কিছু কিছু সংগৃহীত হৈ গ্রন্থাকাৰে প্রকাশিত হৈছে নাইবা সৰু-বৰ আলোচনীৰ পাতত সিঁচৰতি হৈ আছে। তথাপিও কিছুমান দিশত—বিশেষকৈ বিভিন্ন জনজাতীয় গোষ্ঠীৰ লোক-সাহিত্যৰ ক্ষেত্রত—থূপতে একেলগে পাব পৰাকৈ নির্ভৰযোগ্য আলোচনাৰ পুথিৰ অভাৱ এতিয়াও আছে। তালৈকে লক্ষ্য ৰাখি 'লোক-সাহিত্যৰ বহঘৰা' নামেৰে এলানি গ্রন্থ যুগুতোৱাৰ পৰিকল্পনা কৰা হৈছিল। 'চিফুং-গুংগাং' সেই পৰিকল্পিত গ্রন্থলানিৰ প্রথম খন। অসমৰ ভৈয়ামৰ জনজাতীয় গোষ্ঠীসমূহৰ ভিতৰত পশ্চিম প্রান্তত থকা বড়োসকলৰ 'চিফুং' বাঁহী আৰু পূব প্রান্তত থকা মিচিংসকলৰ 'গুংগাং' অর্থাৎ গগণা—এই দুই লোক-বাদ্য যন্ত্রৰ নামেৰে পুথিখনিৰ নাম 'চিফুং-গুংগাং' থোৱা হৈছে। অসমৰ ভৈয়ামৰ জনজাতীয় লোকসকলৰ গীত-পদ—এই উপ-শিৰোনামটোৱেই ইয়াৰ পৰিসৰৰ স্পষ্ট আভাস দিব।

ইংৰাজী rhyme শব্দটোৰ যথাযথ প্রতিশব্দ অসমীয়াত নাই। 'গীত' আখ্যাৰে সুৰ লগাই গোৱা ধৰণৰ ৰচনা আৰু অকল আওৰোৱা ধৰণৰ ৰচনা উভয়কে সামৰা হয়। 'পদ' কথাটোৰে পৰম্পৰাগত ভাৱে ছন্দোবদ্ধ ৰচনা verse অক বুজোৱা হৈ আহিছে যদিও rhyme অৰ সমার্থক হিচাপে ব্যৱহাৰ হোৱাৰো উদাহৰণ আছে। আমি ইয়াত পিছৰ অর্থতে 'পদ'ৰ ব্যৱহাৰ কৰিছো। লোক-সংস্কৃতিৰ বিদ্যায়তনিক আলোচনাৰ ক্ষেত্রত তেনে এক বিশেষ অর্থবাহী শব্দৰ প্রয়োজন আছে।

ওপৰত উল্লেখ কৰা মতে এই গ্ৰন্থমালানিৰ প্ৰস্তুতিৰ কথাহে চিন্তা কৰা হৈছিল, প্ৰকাশৰ বিষয়ে কোনো বাস্তৱ আঁচনি আমাৰ হাতত নাছিল। সৌভাগ্যক্ৰমে অসমৰ জনজাতীয় গৱেষণা কেন্দ্ৰৰ সঞ্চালকালয়াৰ ফালৰ পৰা এই প্ৰথম গ্ৰন্থখনি প্ৰকাশৰ বাবে আৰ্থিক অনুদান অহাত আমাৰ পৰিকল্পিত গ্ৰন্থৰাজিৰ প্ৰকাশৰ পথত প্ৰথম নিশ্চিত পদক্ষেপ লোৱা সম্ভৱ হ'ল। এই ক্ষেত্ৰত জনজাতীয় গৱেষণা কেন্দ্ৰৰ সঞ্চালক শ্ৰীবুদ্ধীন্দ্ৰনাথ বৰদলৈদেৱৰ ব্যক্তিগত আগ্ৰহ আৰু সক্ৰিয় সহায়েই আমাক মূল পাথেয় যোগাইছে। তেখেতৰ ওচৰত আমি বিশেষভাৱে ঋণী।

গ্ৰন্থখনিৰ কলেৱৰ গঢ় লৈছে বিভিন্ন জনৰ ৰচনাৰ সম্ভাৰেৰে ঃ আমাৰ অনুৰোধ ৰক্ষা কৰি কেইবাগৰাকী সুধী ব্যক্তিয়ে এই গ্ৰন্থৰ বাবে নতুনকৈ প্ৰবন্ধ ৰচনা কৰি দিছে নাইবা পূৰ্বৰ ৰচনা আমাৰ উদ্দেশ্য আৰু প্ৰয়োজনৰ লগত ৰজিতা খোৱাকৈ সাল-সলনি কৰি ল'বৰ অনুমতি দিছে। সংশ্লিষ্ট ব্যক্তিসকলৰ সহৃদয় সহযোগিতাই যে আমাৰ এই প্ৰচেষ্টাৰ ৰূপদানৰ মূল ভিত্তি—এই কথা অকপটে স্বীকাৰ কৰি আমি তেখেতসকললৈ অন্তৰেৰে শলাগ যাচিছোঁ।

ইয়াৰ উপৰিও আমাৰ বিশেষ ধন্যবাদৰ পাত্ৰ হৈছে প্ৰবন্ধসমূহৰ নকল প্ৰস্তুত কৰি দিয়া বাবে সৰ্বশ্ৰী দিলীপ বড়া, বিৰিঞ্চি বৰকটকী, মুকুন্দ শৰ্মা, খনিন চক্ৰৱৰ্ত্তী, জ্যোৎস্না শৰ্মা বেজবৰুৱা, নয়নী কলিতা, মোহন ৰাজবংশী হেম বৰুৱা, বিনোদ দাস, কনক বৰুৱা, গৰিমা কলিতা, উদ্দালক দত্ত আৰু নিৰ্মালী কলিতা ; বেটুপাতৰ ছবি আঁকি দিয়া বাবে শিল্পী শ্ৰীধ্ৰুৱ ডেকা; আৰু ততাতৈয়াকৈ ছপাৰ কাম কৰি দিবলৈ গাত লোৱাৰ বাবে হেমকোষ প্ৰিন্টাৰ্ছ।

সীমিত সময়ৰ ভিতৰত সম্পাদনা আৰু মুদ্ৰণৰ কাম কৰি উলিয়াবলগীয়া হোৱাত দুয়ো ক্ষেত্ৰত কিছু ত্ৰুটি বৈ গ'ল। কেইটিমান গোষ্ঠীৰ বিষয়ে আলোচনা অন্তৰ্ভুক্ত কৰিব পৰা নগ'ল। ভৱিষ্যতৰ সংস্কৰণত সংশোধন-পৰিবৰ্দ্ধন কৰাৰ ইচ্ছা থাকিল।

এই গ্ৰন্থখনিয়ে পঢ়ুৱৈসমাজৰ সমাদৰ পালে আমাৰ পৰিকল্পিত গ্ৰন্থৰাজিৰ অন্যান্য গ্ৰন্থ প্ৰকাশ কৰাৰ বাবেও আমি উৎসাহ পাম।

৩১ আগষ্ট, ১৯৮৬

লোক-সংস্কৃতি গৱেষণা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

শ্ৰীবীৰেন্দ্ৰনাথ দত্ত
শ্ৰীদিলীপ কুমাৰ কলিতা

ড° প্ৰফুল্লদত্ত গোস্বামীৰ ওচৰত
শ্ৰদ্ধাৰে নিবেদিত

# সূচী-পত্ৰ


॥ ১ ॥ ভূমিকা ॥ '০১

॥ ২ ॥ বড়ো লোক-গীতি ঃ মধুৰাম বড়ো ॥ ১

॥ ৩ ॥ তিৱা (লালুং) গীতমাতৰ বহঘৰা ঃ ইদ্ৰিছ আলি ॥ ৩২

॥ ৪ ॥ ৰাভাসকলৰ লোকগীত ঃ ৰাজেন ৰাভা ॥ ৪৪

॥ ৫ ॥ মিচিং লোক-গীতৰ সম্পদ ঃ গণেশ পেগু ॥ ৭৮

॥ ৬ ॥ ভৈয়াম-কাৰ্বি গীত-পদৰ ভঁড়ালত এভুমুকি ঃ তীৰ্থ ফুকন ॥ ৯৪

॥ ৭ ॥ ভৈয়ামৰ কাৰ্বি সমাজত প্ৰচলিত গীত-মাত ঃ ৰাজেন টাৰ ॥ ১০৪

॥ ৮ ॥ দেউৰী লোকগীত ঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী ॥ ১১৮

॥ ৯ ॥ হাজং সকলৰ লোকগীত ঃ পৰেশ হাজং ॥ ১৩২ ,

॥১০॥ সোণোৱালসকলৰ লোকগীত ঃ দেৱযানী শইকীয়া (খনিকৰ) ॥১৫৩

॥১১॥ পৰিশিষ্ট ॥ ১৬৯


দ্ৰষ্টব্য ঃ ৬ আৰু ৭ সংখ্যক প্ৰবন্ধ দুটা পূৰ্বে প্ৰকাশিত ৰচনাৰ সম্পাদিত ৰূপ। 'কাৰ্বি' বানানটো লেখক দুগৰাকীয়ে লিখা মতেই ৰখা হৈছে। সম্প্ৰতি অৱশ্যে 'কাৰ্বি' ৰূপটোৰ হে অধিক প্ৰচলন।

# ভূমিকা

## লোক-সংস্কৃতিৰ অধ্যয়নত লোক-সাহিত্যৰ গুৰুত্ব ঃ অসমৰ ভৈয়ামৰ জনজাতীয় গীত-পদৰ বিশেষ উল্লিখনৰে সৈতে

অসমকে ধৰি উত্তৰ-পূৱ ভাৰতক নৃতত্ত্ববিদৰ স্বৰ্গ বুলি অভিহিত কৰাটো যদি যথাৰ্থ হয়, তেনেহ'লে সম্ভৱতঃ এই অঞ্চলক অধিক যৌক্তিকতাৰে লোক-সংস্কৃতিবিদৰ স্বৰ্গ বুলি আখ্যা দিব পাৰি। এই অঞ্চলৰ পৰ্বত আৰু ভৈয়ামত বিভিন্ন আৰু বিচিত্ৰ জনজাতীয় আৰু অ-জনজাতীয় গোষ্ঠী অকল সহ-অৱস্থান কৰিয়েই থকা নাই, সেই-বিলাকৰ ভিতৰত প্ৰচুৰ সংযোগ আৰু সংমিশ্ৰণ ঘটিছে। এই সংযোগ আৰু সংমিশ্ৰণৰ পৰিণতি আৱয়ৱিক উপাদানৰ ক্ষেত্ৰত যিমানখিনি লক্ষণীয় , তাতোকৈ বহু বেছি তাৎপৰ্য্যপূৰ্ণ আৰু আকৰ্ষণীয়ভাৱে প্ৰতিফলিত হৈছে সাংস্কৃতিক, মূলতঃ লোক-সংস্কৃতিক, উপাদানৰ ক্ষেত্ৰত। বিশেষকৈ অসমত এহাতে যেনেকৈ আৰ্য্য-প্ৰভাৱ-যুক্ত অসমীয়া-হিন্দু সমাজ আৰু সংস্কৃতিয়ে এই অঞ্চলৰ থলুৱা আৰ্য্যেতৰ-ঘাইকৈ মঙ্গোলীয়—গোষ্ঠীৰ আৱয়ৱিক আৰু সাংস্কৃতিক উপাদানেৰে পুষ্ট হৈ এক স্বকীয় ৰূপ ধাৰণ কৰিছে, সেইদৰে আকৌ ইয়াৰ জনজাতীয় গোষ্ঠীসমূহৰ ওপৰত বিভিন্ন দিশত আৰু বিভিন্ন স্তৰত অসমীয়া-হিন্দু সমাজৰ ধ্যান-ধাৰণা, মাত-কথা আৰু আচাৰ-আচৰণৰ প্ৰভাৱ পৰিছে। সেই কাৰণেই উচ্চ বা শিষ্ট (elite) স্তৰত যিয়েই নহওক, লোকায়ত স্তৰত অসমীয়া সমাজত জনজাতীয় আৰু অ-জনজাতীয়ৰ মাজৰ সীমাৰেখাডাল যথেষ্ট অস্পষ্ট। এইটো ঠিক যে সমগ্ৰ ভাৰততে সংস্কৃতি-সংক্ৰমণ (acculturation), সমন্বয়ীকৰণ (integration) আৰু আত্মীকৰণ (assimilation) আদি প্ৰক্ৰিয়াৰ দ্বাৰা বিভিন্ন যুগত

জনজাতীয় গোষ্ঠীসমূহ বৃহত্তৰ আৰ্য্য হিন্দু গাঁথনিৰ অন্তৰ্ভুক্ত হৈছিল। ভাৰতৰ অন্যান্য অঞ্চলত এই প্ৰক্ৰিয়াসমূহৰ গতি ভালেমান দিনৰ পৰা ৰুদ্ধ হৈ আহিছে। অসমত পিছে সৌ সিদিনালৈকে এই প্ৰক্ৰিয়াবোৰ কাৰ্য্যকৰী হৈ আছিল, আৰু আজিও সেইবোৰ সম্পূৰ্ণ নিষ্ক্ৰিয় হৈ যোৱা বুলি ক'ব নোৱাৰি।

ওপৰত বৰ্ণোৱা সাংস্কৃতিক পটভূমিত লোক সাহিত্যৰ সমলসমূহৰ অসাধাৰাণ গুৰুত্ব আছে। লোক-সাহিত্য একোটা গোষ্ঠীৰ পৰম্পৰাগত সাংস্কৃতিক উপাদান-বিশেষেই নহয়, গোষ্ঠীটোৰ সাংস্কৃতিক দাপোণ স্বৰূপো। লোক-সাহিত্যই (লোক-সঙ্গীত আৰু লোক-নৃত্যৰ সহযোগত) যিদৰে গোষ্ঠীটোৰ নান্দনিক আত্মপ্ৰকাশৰ নিদৰ্শণ দাঙি ধৰে, সেইদৰে তাৰ মাজেৰে প্ৰতিফলিত হয় গোষ্ঠীটোৰ ধ্যান-ধাৰণা, প্ৰজ্ঞান-প্ৰমূল্য আৰু আদৰ্শ-আকাঙ্ক্ষা।

লোক-সাহিত্যই লোক-সংস্কৃতিৰ অন্যান্য উপাদানৰ সৈতে—একোটা গোষ্ঠীৰ পৰম্পৰাৰ সাক্ষৰ বহন কৰে ঠিকেই; কিন্তু যিহেতু কোনো জীৱিত পৰম্পৰাই স্থৱিৰ বা নিশ্চল নহয়, লোক-সাহিত্যৰ বিভিন্ন সমলত সেইবাবে গোষ্ঠীটোৰ সংস্কৃতিৰ ভিতৰত ঘটা পৰিৱৰ্তনৰ চিত্ৰও বিধৃত হৈ থাকে। অসমৰ জনজাতীয় গোষ্ঠীসমূহৰ—বিশেষকৈ ভৈয়ামত থকাখিনিৰ—লোক-সাহিত্যৰ মাজেদিও আমি প্ৰতিটো গোষ্ঠীৰ সাংস্কৃতিক স্বকীয়তাৰ নিদৰ্শন পোৱাৰ লগতে পাওঁ বৃহত্তৰ অসমীয়া সমাজৰ সংস্পৰ্শ আৰু সংযোগৰ মাজেদি তেওঁলোকৰ সংস্কৃতিলৈ অহা পৰিৱৰ্তনৰ সম্ভেদ। উদাহৰণ স্বৰূপে, মিচিংসকল পূৰ্বতে অৰুণাচলৰ পৰ্বতৰ 'আদি' গোষ্ঠীৰ সমগোত্ৰীয় লোক আছিল আৰু তেওঁলোকে কোনো এসময়ত অসমৰ ভৈয়ামলৈ নামি আহি নৈৰ পাৰে পাৰে স্থায়ীভাৱে থাকিবলৈ লয়। মিচিংসকলৰ মূল পৰ্বতীয়া সংস্কৃতিৰ ভৈয়ামৰ নৈ-পৰীয়া সংস্কৃতিলৈ ঘটা ৰূপান্তৰৰ তথ্য মিচিং লোক-সাহিত্যত বিদ্যমান। প্ৰকৃততে, মিচিংসকলৰ বিখ্যাত 'ঐনিতম' গীতো নতুন পৰিস্থিতিত সৃষ্টি হোৱা ৰচনাহে। সেইদৰে কাৰবিসকলো মূলতে পাহাৰৰ অধিবাসী। ভৈয়ামত বসবাস কৰা কাৰবিসকলে ঝুম খেতিৰ ঠাইত পানী-খেতিৰ পদ্ধতি গ্ৰহণ কৰিলেও তেওঁলোকৰ 'আৰা কুৰা' গীতত ঝুম খেতিৰ সোঁৱৰণী ৰৈ গৈছে। আনহাতে ভৈয়ামৰ পৰিৱেশত দোমাহী বা বিহুক আপোন কৰি লোৱাৰ

সাক্ষ্য বহন কৰিছে তেওঁলোকৰ 'দমাহী আলুন' অৰ্থাৎ বিহুৰ গীতে। সোণোৱালসকলৰ লোক-সাহিত্যত, বিশেষকৈ সৃষ্টিতত্ত্বমূলক হাইদাং গীতত, তেওঁলোকৰ অসমীয়া ভাষা-গ্ৰহণৰ আদি অৱস্থাৰ চিন ৰৈ গৈছে ।

ভাষাৰ বিষয়টোও লোক-সাহিত্যৰ ক্ষেত্ৰত অতি প্ৰাসঙ্গিক। কাৰণ ভাষাই হৈছে সাহিত্যৰ বাহন। অসমৰ ভৈয়ামৰ জনজাতীয় গোষ্ঠী-সমূহৰ লোক-সাহিত্যৰ সমলৰ লেখ ল'লে দেখা যায় যে এই সমলৰ একাংশহে জনজাতীয় ভাষাত, বাকী অংশ অসমীয়াৰে বিভিন্ন থলুৱা উপভাষাত ৰচিত। বৃহত্তৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ ৰূপ-গ্ৰহণৰ ক্ষেত্ৰত আমি পূৰ্বতে উল্লেখ কৰা যিবোৰ প্ৰক্ৰিয়াই কাম কৰিছে সেইবোৰত এটা অতি শক্তিশালী অনুঘটক (catalytic agent) হিচাপে কাম কৰিছে অসমীয়া ভাষাই। ভৈয়ামৰ জনজাতি-বিলাকৰ ভিতৰত কেইবাটাও গোষ্ঠীয়ে সামগ্ৰিকভাৱে আৰু আন কিছুমান গোষ্ঠীৰ বৃহৎ অংশই পূৰ্বৰ জনজাতীয় ভাষাৰ ঠাইত অসমীয়া ভাষাৰ থলুৱা ৰূপকে নিজৰ মাতৃভাষা ৰূপে গ্ৰহণ কৰিছে, আৰু লগতে সেই থলুৱা ৰূপটোক নিজস্ব বৈশিষ্ট্য প্ৰদান কৰিছে। বাকী যিসকলে নিজৰ নিজৰ ভাষাক ৰক্ষা কৰি আছে সেইসকলেও অসমীয়া ভাষাক বাহ্যিক আদান-প্ৰদানৰ ভাষা হিচাপে ব্যৱহাৰ কৰাৰ ফলত এহাতে সেই ভাষাবোৰত অসমীয়া ভাষাৰ প্ৰভাৱৰ চিন স্পষ্টকৈ পৰিছে আৰু আনহাতে অসমীয়া ভাষাতো সেই সেই ভাষাসমূহৰ উপাদানৰ প্ৰৱেশ ঘটিছে। লোক-সাহিত্যৰ সমলতো এই ভাষাতাত্ত্বিক আদান-প্ৰদানৰ চিত্ৰ প্ৰতিফলিত হৈছে ঃ সোণোৱাল, হাজং আদি গোষ্ঠীৰ লোক-সাহিত্যৰ সকলোখিনি সমলৰ বাহন অসমীয়া ভাষাৰ থলুৱা ৰূপ ; তিৱা, ৰাভা আদি গোষ্ঠীৰ সমল নিজ নিজ জনজাতীয় ভাষা আৰু থলুৱা অসমীয়া—উভয়তে প্ৰাপ্য ; আৰু বড়ো, মিচিং আদি গোষ্ঠীবিলাকৰ ক্ষেত্ৰত যদিও প্ৰায় সমস্তখিনি সমল নিজ নিজ জনজাতীয় ভাষাতেই ৰচিত, তথাপি ঠায়ে ঠায়ে অসমীয়া ভাষাৰ লগত ঘটা সংযোগৰ চিহ্নও বৰ্তমান। গতিকে অকল লোক-সংস্কৃতিৰ দিশৰ পৰা নহয়, ভাষাতাত্ত্বিক দিশৰ পৰাও এই সমলবোৰৰ প্ৰচুৰ মূল্য আছে।

আমি ইমান পৰে কৰা আলোচনা সাধাৰণ ভাৱে লোক-সাহিত্যৰ

বিভিন্ন শ্ৰেণী বা বৰ্গৰ বাবে সমভাবে প্ৰযোজ্য। কিন্তু লোক-সাহিত্যৰ বিভিন্ন বৰ্গৰ ভিতৰত লোক-গীতৰ কিছুমান অতিৰিক্ত গুৰুত্ব আছে। প্ৰথম কথা, লোক-গীত অকল সাহিত্যৰে সমল নহয়, সঙ্গীতৰো বাহন। তাৰ উপৰি, জনজাতীয় সমাজত সাধাৰণতে লোক-গীতৰ লগত নৃত্যৰ অঙ্গাঙ্গী সম্বন্ধ থাকে। ফলত লোক-গীতৰ প্ৰসঙ্গৰ লগতে আনুষঙ্গিক-ভাবে লোক-সঙ্গীতৰ আৰু কিছুদূৰ লোক-নৃত্যৰ প্ৰসঙ্গও নিহিত থাকে। আকৌ ভালেমান লোক-গীত আৰু মন্ত্ৰজাতীয় পদৰ লগত থকা উৎসৱ-অনুষ্ঠান আৰু ক্ৰিয়া-কাণ্ডৰ নিবিড় সম্পৰ্কৰ দিশটোও উপেক্ষা কৰিব নোৱাৰি ঃ সংশ্লিষ্ট উৎসৱ-অনুষ্ঠান আৰু ক্ৰিয়া-কাণ্ডৰ তাৎপৰ্য্যৰ পৰিপ্ৰেক্ষিতহে সেইবোৰ সমলৰ সম্পূৰ্ণ অৰ্থ অনুধাৱন কৰাটো সম্ভৱ। সেই বাবেই লোক-গীতৰ আলোচনাৰ ক্ষেত্ৰখন এহাতে যিদৰে অধিক চিত্তাকৰ্ষক আনহাতে তেনেকৈ অধিক জটিলো।

ভাৰতৰ বিভিন্ন অঞ্চলৰ জনজাতীয় লোক-সাহিত্যৰ সমলৰ ৰূপৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে সাধাৰণতে অন্যান্য ৰূপতকৈ গেয় ৰূপৰ সমলৰ পৰিমাণ সৰহ। উত্তৰ-পূব ভাৰতৰ, আৰু অসমৰো, জনজাতীয়সকলৰ ক্ষেত্ৰত এই কথা বিশেষভাবে প্ৰযোজ্য। উদাহৰণ-স্বৰূপে, ইউৰোপীয় পৰম্পৰা অনুসৰি লোক-সাহিত্যৰ বিদ্যায়তনিক আলোচনাসমূহত সাধাৰণতে পুৰা-কাহিনী (myth), কিম্বদন্তী (legend) আৰু সাধুকথা (tale)---কাহিনীজাতীয় এই তিনিও-বিধকে যদিও গদ্য-ৰূপৰ সমল বুলি ধৰা হয়, দৰাচলতে আমাৰ এই অঞ্চলৰ জনজাতীয় পৰম্পৰাত ইয়াৰে প্ৰথম দুবিধক প্ৰায় গীত অৰ্থাৎ কাব্যিক আৰু গেয় ৰূপতহে পোৱা যায়। সেই দিশৰ পৰাও আমাৰ ইয়াৰ লোক-সাহিত্যত গীত শ্ৰেণীৰ সমলৰেই প্ৰাধান্য।

অতি সম্প্ৰতি লোক-গীতসমূহৰ লগত এক নতুন ধৰণৰ তাৎপৰ্য্য যুক্ত হৈছে। বিভিন্ন কাৰণত পৰম্পৰা-আশ্ৰয়ী জনগোষ্ঠীসমূহে সত্তাৰ সঙ্কট (identity crisis) প্ৰত্যক্ষ কৰি আতঙ্কিত হৈছে আৰু নিজৰ নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰাৰ আগ্ৰহত পৰম্পৰাগত সাংস্কৃতিক সম্পদসমূহক আড়ম্বৰেৰে পুনঃপ্ৰতিষ্ঠা কৰা কামত লাগিছে। যিবিলাক সমলক এই পুনঃপ্ৰতিষ্ঠাৰ কামত লগোৱা হৈছে সেইবিলাকৰ ভিতৰত গীত আৰু নৃত্যই প্ৰাথমিক স্থান পাইছে। ইয়াৰ কাৰণ,

লোক-গীত আৰু নৃত্যই থিতাতে আৰু প্ৰায় একে চমকতে যিদৰে একোটা সাংস্কৃতিক পৰম্পৰাৰ শ্ৰুতি আৰু দৃষ্টি-নন্দন আভাস দিব পাৰে, আন সমলে তেনেদৰে নোৱাৰে।

এইখিনিতেই আহি পৰে আজিৰ দিনত লোক-গীত-নৃত্যই মঞ্চ আৰু বিভিন্ন গণ-মাধ্যমৰ আশ্ৰয় লোৱাৰ বিষয়টো। এহাতে যেনেকৈ ৰাজহুৱা মঞ্চ, ৰেডিঅ', টেলিভিশ্যন, চিনেমা আদিৰ শক্তিশালী মাধ্যমৰ যহত অৱহেলিত, অল্পখ্যাত গীত-নৃত্যসমূহে নতুন পৃষ্ঠপোষকতা আৰু ব্যাপকতৰ স্বীকৃতি লাভ কৰিছে, আনপিনে তেনেকৈ অনিবাৰ্য্যভাৱে সেইবোৰৰ বিষয়-বস্তু আৰু আঙ্গিকত অৰ্বাচীন উপাদানৰ অনুপ্ৰৱেশ ঘটিছে। ফলত পৰম্পৰাৰ বিকৃতি ঘটা বুলি ৰক্ষণশীল মহলত ত্ৰাসৰ সৃষ্টি হৈছে। লোক-সংস্কৃতিৰ বিদ্যায়তনিক মহলতো এনে বিকৃত সমলক 'নকল লোক-সংস্কৃতি' (fakelore) নাম দি তাৰ বিৰুদ্ধে সাৱধানবাণী শুনোৱা হৈছে। অৱশ্যে এচাম নবীন লোক-সংস্কৃতি-বিজ্ঞানীয়ে পৰিৱৰ্তিত মানসিক আৰু প্ৰযুক্তিগত পৰিস্থিতিত অৱশ্য-ম্ভাৱী হিচাপে অহা এই 'নতুন ধৰণৰ' লোক-গীত আদিক সম্পূৰ্ণ নাকচ নকৰি সেইবোৰৰ মাজেদি লোক-সংস্কৃতিৰ 'দ্বিতীয় অস্তিত্ব' (folklorismus) প্ৰত্যক্ষ কৰিছে আৰু সেইবোৰৰ বিজ্ঞানসম্মত অধ্যয়ন আৰু মূল্যায়ন কৰাৰ পোষকতা কৰিছে। অসমৰ ভৈয়ামৰ জনজাতীয় গীত-পদৰ মাজেদিও এই নতুন বিদ্যায়তনিক দৃষ্টিৰ প্ৰয়োগৰ প্ৰচুৰ সম্ভাৱনা আছে।

শ্ৰীবীৰেন্দ্ৰনাথ দত্ত

# বড়ো লোক-গীতি

শ্ৰীমধুৰাম বড়ো।

বড়ো লোক-গীতি বড়ো লোক-সাহিত্যৰ এটা অঙ্গ। বড়ো লোক-সাহিত্যক গদ্য আৰু গীতি-কবিতা—এই দুভাগত ঘাইকৈ বিভক্ত কৰা যায়। বড়ো লোক-গীতিসমূহ গীতি-কবিতা বিভাগৰ অন্তৰ্ভুক্ত। এইবোৰ গীতৰূপে গাব আৰু কবিতাৰূপে পঢ়িব পৰা যায়। গীতি-কবিতাবোৰৰ ভিতৰত পৰে বিভিন্ন গীত, প্ৰাৰ্থনা, বীৰ-গাথা, তন্ত্ৰ-মন্ত্ৰ আৰু বিভিন্ন প্ৰবচনমূলক কবিতা আদি। বড়ো লোক-গীতিৰ এইদৰে বিভিন্ন দিশ থাকিলেও ইয়াৰ প্ৰধান দিশটো হ'ল গীত ৰূপে গাব পৰা বিষয়টোহে। গীত ৰূপে গাব পৰা বড়ো লোক-গীতিৰ মূল বিভাজনসমূহ হ'ল—বীৰ-গাথা নতুবা কাহিনী গীত, স্বদেশ প্ৰেমমূলক গীত, চহা জীৱনৰ গীত, নিচুকনি গীত, প্ৰেম-পীৰিতিৰ গীত, উৎসৱ-পাৰ্বনৰ গীত, গৰখীয়া গীত, বিবাহ সম্পৰ্কীয় গীত, ধৰ্ম-কৰ্মৰ গীত, বিহু গীত, ধেমেলীয়া গীত, ৰং ৰহইচৰ গীত, খেলা-ধূলাৰ গীত, ইত্যাদি। বড়োসকলে এই লোকগীতিবোৰৰ লগত সময়মতে স্বকীয় বাদ্য খাম (মাদল), ছেৰ্জা (চেৰেঙা), চিফুং (দীঘল বাঁহী), জথা (তাল), জাবখ্রেং (জাপতাল), গংগনা (গগনা), থৰ্খা (টকা) আৰু নৃত্যৰো সংযোজনা কৰে। প্ৰকৃততে কবলৈ হলে বাদ্য আৰু নৃত্যৰ অবিহনে বড়ো লোক-গীতিৰ কথা কল্পনাই কৰিব নোৱাৰি। এই ক্ষেত্ৰত আধুনিক বড়ো গীতবোৰৰ কথা অৱশ্যে সুকীয়া।

বীৰগাথা বা কাহিনী গীতবোৰৰ ভিতৰত বড়োসকলৰ মাজত আদা বাছিৰাম, দাওহাৰাম, জীহীলাও, দৈমালু, চেওবাৰ, সোমদীন, তুলাৰাম সেনাপতি, জাওলীয়া দেৱান, গাম্বাৰী, বিৰগ'শ্ৰী ছিখ্লা আদি বীৰ-বীৰাঙ্গনাৰ কাহিনী জনপ্ৰিয়ভাবে প্ৰচলিত হৈ আছে। সেইবোৰৰ ভিতৰত বড়ো ৰাজ্যৰ সীমান্তত থকা ভোটসকলৰ লগত সঘনে লাগি থকা যুদ্ধৰ কাহিনী সম্বলিত গীতৰ উদ্ধৃতি তলত দিয়া হ'ল—

গৰায়া দাব্রায়দী বাছিৰাম জীহীলাও
গংগাৰ ছুবায়া ফৈলায়গৌ
(ঘোঁৰা চেকুৰোৱা, বীৰ বাছিৰাম,
ভোটবোৰ দলে বলে আহিব লাগিছে---)

আকৌ,

দানহাং ছুহাং আদা বাছিৰাম সান্‌মৌখাং
থাঙা থাংলাইগীন হাজী খৰোআও দাওহা নাংনী
থৈয়া থৈলাইগীন হাজী খৰোনি গংগাৰ ছুবাফীৰ ।

(হে সূর্য্যশক্তিমান বাছিৰাম ককাইদেউ, কাটোঁ কি নাকাটোঁ, মৰোঁ কি নমৰোঁ, পাহাৰৰ ভোটবোৰৰো মৰণ আছে ।)

বাছিৰামৰ সঙ্গী দাওহাৰামকো আগুৱাই যাবলৈ আহ্বান জনোৱা কাহিনী গীতৰ অংশটোত আছে---

আদা দাওহাৰাম জীহীলাও,
নীংবী দাওগালাংদী
নীংবী মৈদেৰভীং
লামায়াও বেংছোহৈদী ।

(দাওহাৰাম বীৰ ককাইদেউ, তুমিও আগুৱাই গৈ শত্রু সৈন্যৰ বাট ভেটা দিয়া)

গীতবোৰত ঢাল-তৰোৱাল, হাতী-ঘোঁৰাৰ উল্লেখে যুদ্ধত সেইবোৰৰ ব্যৱহাৰৰ সাক্ষ্য দিয়ে। জাতিৰ বীৰ সন্তানসকলকো বাছিৰামৰ সহযোগত যুঁজ কৰিবলৈ আহ্বান জনাই গোৱা গীতফাঁকিৰ উদ্ধৃতি তলত দিয়া হ'ল---

ফৈ ঐ বড়োফিছাফীৰ নীংছীৰী ফৈ
দাওহা নাংনী থাংদিনি,
দাহাল থুংগ্রি লানানৈ
বিখা ফীৰদান্‌নানৈ
দুশ্‌মনফীৰখী হীছীদিনি

(আহা বড়োৰ বীৰ সন্তানসকল, ঢাল-তৰোৱাল লৈ, বুকু ফিন্দাই গৈ শত্রু সৈন্যক আক্রমণ কৰোঁহঁক ।)

এইদৰে বীৰাঙ্গনা গাভৰু আৰু তিৰোতাসকলে বীৰ ৰুকায়েক-হঁতক সম্বৰ্দ্ধনা জনাই যুঁজৰ বাটত মাঙ্গল্য বনিৰে শুভেচ্ছা প্ৰকাশ কৰি আগুৱাই পঠিয়াইছিল। স্বামীসকলক ৰণলৈ আগবঢ়াই দি নিজেও বহি নাথাকি আৱশ্যক হলে হাতত ঢাল-তৰোৱাল লৈ দেশ-মাতৃৰ কাৰণে বীৰ সৈন্যসকলৰ লগত সকলোকে আগুৱাই যাবলৈ আহ্বান দি গাইছিল---

ফৈ, ফৈদী বড়ো ফিছাফীৰ
নীংছীৰবী ফৈদী দাওহায়াও থাংদিনি
বিখা ফীৰ্দান্নানৈ
আখাইয়াও থুংগ্ৰি দৈনানৈ
হাজী গফায়াও দাওহা নাংনী
থৈয়া থৈলাইগীন শুথুৰ সাক্ৰীফ্ৰা
ফৈদী, বয়ৰী খৌচে যাদী।

(আহা বড়ো সন্তানসকল, হাতত তৰোৱাল লৈ, বুকু ফিন্দাই একত্ৰিত হৈ আগুৱাই আহা, পাহাৰৰ গহ্বৰত শত্ৰু সৈন্যক নিধন কৰোঁগৈ আহা।)

ৰূপৱতী, গুণৱতী, সমাজসেৱী আৰু সম্ভৱত অসমৰ নাৰীসকলৰ মাজত একমাত্ৰ গমাৰী কাঠৰ ব্যৱসায়ী গাম্বাৰী ছিখ্লাৰ কাহিনী বড়ো সমাজত প্ৰচলিত আছে। তেওঁ হাতত তৰোৱাল লৈ বিদেশী মুছলমান শত্ৰুৰ সৈতে ৰণছালি ধৰিছিল। কাহিনীত আছে---

ছীৰবা বাঙ্গাল ফৈবায়
মালায়নি দেশখৌ ছেখোফৈবায় ;
দাগি দাগি ৰৌণিয়াফীৰ
দং জীংহাৰী গাম্বাৰী ছিখ্লা
জেনথা জীংৰী বিছীৰজা আলামালা।

(কোনোবা বিদেশী মুছলমানে আহি দেশ আক্ৰমণ কৰিছে। হে যুঁজাৰুসকল, ভয় নকৰিবা। আমাৰ সৈতে গাম্বাৰী গাভৰু আছে, আমি সহজে পৰাজয় বৰণ নকৰোঁ।)

গাম্বাৰী গাভৰুৱে ঘোঁৰাত উঠি, হাতত তৰোৱাল লৈ ঝাংসীৰ

ৰাণী লক্ষ্মীবাঈৰ দৰে যুঁজ কৰিছিল। সেইদৰে বিৰগ'শ্ৰী ছিখ্লায়ো মোগল সেনাপতি ৰামসিংহৰ সৈতে যুদ্ধ কৰাৰ কাহিনী বড়ো কাহিনী-গীতত প্ৰচলিত আছে।

ঐতিহাসিক কাহিনী-গীতৰ ভিতৰত ভাৰতৰ স্বাধীনতাৰ আগ-মুহূৰ্তত বৃটিছৰ সহযোগত শিক্ষিত উকিল চেওবাৰ জীহীলাওৱে উত্তৰ কামৰূপ অঞ্চলৰ পৰা ভোটসকলক খেদি পঠিয়াই জয়লাভ কৰাৰ কাহিনী আছে---

মেনা মুনা গংগাৰফীৰা আঁংখাৰবীগৌ
চেওবাৰ জীহীলাওখৌ বুথাৰনী ফালীফালী।

বীৰ চেওবাৰক হত্যা কৰিবলৈ ভোটসকল দলে-বলে আহিব লাগিছে।

চেওবাৰ জীহীলাওৱা লানানৈ বৃটিছ ৰৌগিয়া
ফৈগৌ গংগাব ছুবাখৌ গাওথাৰনী ফাৰি ফাৰি।

বীৰ চেওবাৰে ভোটসকলক গুলীয়াই নিহত কৰিবলৈ বৃটিছ যুঁজাৰু আনিছে।

সেইদৰে এই কুৰি শতিকাৰ মাত্ৰ ১৯৭৪ চনত বড়ো ভাষাৰ কাৰণে ৰোমান লিপিৰ দাবীত বৰপেটা ৰোডৰ পুলিচৰ গুলীত বলি হোৱা আম্লাৰাম বড়ো আৰু শিৱৰাম বড়োৰ সোঁৱৰণত এটি কাহিনী-গীত ৰচিত হৈছে---

আয়ো, অম্লা শিৱনি জীউ গীমালাংবায়
ৰোমান হাংখীনি হাংগামায়াও
বুহমনি গেজেৰাও গাওজীং লীগীচে
হাৰীখৌ চিনায় হীবায় মুংখ্লং যানানৈ।

(হায়! অম্লা শিৱৰ জীৱন ৰোমান লিপিৰ সংগ্ৰামত হেৰাই গ'ল। নিজে শ্বহীদ হৈ পৃথিৱীক জাতিৰ পৰিচয় দিলে।)

স্বদেশ প্ৰেমমূলক গীতবোৰৰ ভিতৰত জন্মভূমিৰ প্ৰতি ভালপোৱাৰ লগতে প্ৰকৃতিৰ ৰূপলাৱণ্যৰ কথাও উল্লেখ আছে---

আয়ো আংগী হাদাব,
দৈমা দৈছা জিৰি জিৰি
বম্ফাং লাইফাং শাৰী শাৰী
ছুমোনাংথাও, নাইবায় থাথাও
সৌজিগিৰি সৌজিনায়---

(সৃষ্টিকাৰীৰ সৃষ্টি জিৰ জিৰ নৈ নিজৰা আৰু সেউজীয়া গছ-পাতেৰে ভৰপূৰ হে মোৰ স্বদেশ, তোমাক চাই থাকিলেও মোৰ হিয়া-মন জুৰ নপৰে ।)

স্বদেশ প্ৰীতিৰ আন এটি নমুনা পোৱা যায় এইফাঁকি গীতত---

জীংনি আসামপুৰী
আই এ, জীংনি জীনীম বিমা,
গয় খান্হাল ঔৱা খাইজৌ শাৰী শাৰী
ছাখাথি ফাখাথি দৈমা দৈছা জিৰি জিৰি
যেবৈবী নুহৰজীবী হাজীনি মালা
নিদান গৈয়া, থৈনায় গৈয়া জীংনি ৰাইজীআ ।

(আমাৰ জনমভূমি হে অসম মাতৃ, তামোল, কঠাল, আম, বাঁহ গছেৰে শাৰী শাৰী, নাষৰে পাজৰে জিৰ জিৰ নৈ-নিজৰা, য'লৈকে চোৱা যায় কেৱল পাহাৰৰ শাৰী ; ইয়াত ৰাইজৰ অভাৱ নাই, মৃত্যু নাই ।)

তলৰ আন এটি স্বদেশপ্ৰেমমূলক গীতত বীৰ চপল ডেকা-গাভৰুৱে নিজৰ ৰাজ্যত শত্ৰুৰ অনুপ্ৰৱেশ হ'লে কিদৰে ব্যৱস্থা লব তাৰে কথা গাইছে---

জীহীলাও জালিয়া গথফীৰ জীং
জীংলাই ৰাওখৌৰী গিয়া গিয়া,
দাহাল থুংগ্ৰিয়ানী জীংনি গেলেগ্ৰা মুব্ৰা মুব্ৰা ।
ছীৰবা শুথুৰ গাগ্লীবফেৰা জীংনি ৰাইজীআও
দানগীন ছুগীন, গাওগীন,
জীংলাই ৰাইখৌৰী গিয়া গিয়া ।

(আমি উন্মত্ত ডেকা গাভৰু, আমি কালৈকো ভয় নকৰো, চাল-তৰোৱালেই আমাৰ খেলৰ সঙ্গী, কোনোবা শত্ৰুৱে আমাৰ ৰাজ্য আক্ৰমণ কৰিলে সিহঁতক আমি কাটিম, হানিম আৰু গুলীয়াই দিম ।)

খেতি-পথাৰ, নৈ-পাহাৰ, গৰু-ম'হৰ লগতে জীৱন অতিবাহিত কৰা গাঁৱৰ হোজা চহাসকলৰ হাঁহি-কান্দোন, আশা-নিৰাশা, সুখ-দুখৰ বিৱৰণ চহা জীৱনৰ গীতত এইদৰে প্ৰকাশ পায়---

আজ্লং বিজ্লং
জীংনি শ্বআ গশ্লং
দাহাছৈ অখা দাহাছৈ।

+ + +

অখা হাদীং দ্রাম দ্রাম
অখা থাংশ্লা যাগীন স্রাং
থাবায়নী মীনগীন গ্রান গ্রান।

(আমাৰ জুপুৰী ভগা, নাহিবা বৰষুণ, তুমি নাহিবা। টোপ টোপকৈ বৰষুণ আহিল। বৰষুণ কমিলে ব'দ দিব, আমি শুকান বাটেৰে খোজ, কাঢ়িম।)

তলৰ গীতফাকিত কৃষি জীৱনৰ প্ৰাণ গৰুক উপদেশ দিয়া হৈছে—

এংখীৰ খিলি গ্ৰৌ গ্ৰৌ
মাবাৰ্জা উদৈ ছুমুং
নীংছীৰ যাগীন গুফুং গুফুং

(ইকৰাবোৰ নকৈ গজিছে, শীঘ্ৰে খোৱা আৰু পেট পুৰোৱা তেহে শকত আবত হবা।)

খেতিয়কসকলে খেতিমাটিত বন-জাবৰবোৰত জুই লগাই মাটিবোৰ খেতিৰ উপযোগী কৰি তুলিবলৈ কৰা চেষ্টাত বায়ু ৰাজক সহায় কৰিবলৈ বাঁহীৰ সংযোগত সুৰ লগাই তলৰ গীতফাঁকি গায়---

ৰিউ ৰিউ ৰিউ
ওায়ো হে বাথা ৰাজায়া দেৰহাবায়,
বৰমা ৰাজায়া জেন্নাংবায়।
ফেদী হে বাওবুলি মহাৰাজা,
সহায় হীফেদী গাজা গীমজা।

(ৰিব ৰিবকৈ বতাহ বলিলে; হে বায়ুৰজা, তুমি বিজয়ী হ'লা, ব্ৰহ্মৰাজ হাৰিল। হে বায়ুৰজা, আমাক আগ্ৰহেৰে সহায় কৰা।)

খেতিয়কসকলৰ কৃষিজাত সামগ্ৰীবোৰ নিজৰ চাহিদাতকৈ অধিক হোৱা কাৰণে সেইবোৰ লৈ যাবলৈ বণিকসকলক আহ্বান জনাই নদীৰ পাৰত বাঁহীৰ (চিফুং) সুৰ তুলি, মাদল (খাম) বজাই তলৰ গীতফাকি গাইছিল---

ঐ সৌমাৰ, ঐ সৌগাৰ,
নাওৱা লাবৗদৗ
জৗংনি মাই দৈ, ফাথৗ বেসৰ
গাছৈবৗ লাংফেদৗ

(হে বণিক, নাও চপোৱা, আমাৰ ধান, মৰাপাট, সৰিয়হবোৰ লৈ যোৱাহি ।)

সুখ-দুখ, হাঁহি-কান্দোনৰ মাজেৰে সংসাৰী জীৱন যাপন কৰা পুৰুষৰ সৈতে বড়ো নাৰীসকলেও কৰ্মময় ব্যস্ত চহাজীৱনৰ পৰিচায়ক গীতবোৰ গাই নাচিছিল—

ঐ জৗংনি গৗদৗনিনৈ বাজৈ
সত্যযুগাওনি
বেদৰনি আলি জৗনি ফুখ্রি
বহা থাংখৗ মৈ বাতৈ
বহা থাংখৗ

\+ \+ \+

ঐ ঐ বৈমৗন ছেমৗন ছিখলামৗন
খাংগৗৰাং খুগুলুব মৗছাদে
খাংগৗৰাং খুগুলুব মৗছাদে ।

(আমাৰ পুৰণি সত্যযুগৰ মণ্ডহৰ ৰাস্তা, মদৰ পুখুৰী কলৈ গ'ল, হে বৌ, কলৈ গ'ল ?

\+ \+ \+

তথাপি হে বৈমৗন ছেমৗন গাভৰুহঁত, হাঁহি-ধেমালি নাচি আনন্দ কৰা ।)

বড়ো তিৰোতাৰ গৃহকৰ্মৰ শিক্ষা বংশানুক্ৰমে চলিছিল, গাভৰুহঁতে বুঢ়ীমাকহঁতৰ পৰা তেনে বিদ্যা শিকি লৈছিল । সেয়ে গীতত আছে—

দে হায় লৗগৗ বিমা বুৰৈনি
দানায় লুনায় আগৰ এৰনায়খৌ ছৗলৗংদিনি
ছিখিৰি ৰিদৈ ছৗবনায়,
অখ্রাঙাও দাও বিৰনায়,
আগৰ এৰৈ এৰৈ

বয়নিবী ছিগাঙাও
খিন্থানি লীগী খিন্থানি।

(হে লগবী, আহা আমি বুঢ়ীআইৰ পৰা বোৱাকটা আৰু ফুলবছা কাম শিকি লওঁ, পখিলাৰ ফুলৰ মধুপান, আৰু আকাশত চৰাইৰ উৰণৰ ছবি কাপোৰত তুলি সকলোকে দেখুৱাই দিওঁ।)

ঘৰুৱা জীৱনত সৰু ল'ৰা-ছোৱালীবোৰক সান্ত্বনা দিয়াৰ প্ৰয়োজন হোৱাত বড়োসকলৰ মাজতো বিভিন্ন নিচুকনি গীতৰ সৃষ্টি হৈছে। গীতবোৰৰ কিছুমান জোন-তৰা, কীট-পতঙ্গ, চৰাই-চিৰিকতি, জীৱ-জন্তুক লৈ ৰচনা কৰা হৈছে। তলত জোনক লৈ সৃষ্টি কৰা বহুতো গীতৰ ভিতৰত এফাঁকি উদ্ধৃত কৰা হ'ল—

অখাফীৰ অখাফীৰ থালিৰ থাইচে হৰ,
থালিৰ থাইচে নাঙা, থালিৰ থাইনৈ হৰ,
মাখৌ হীনী আংলাই
দাংচেমানি দাওখা জালাংবায়

(হে জোনবাই, কল এটি দিয়া; এটি নহয়, দুটি দিয়া। কলেই নাই, মই কি দিম! এথোককৈ কাউৰীয়েই খাই গ'ল।)

বড়ো নিচুকনি গীতৰ সংখ্যা তাকৰ নহয়। ল'ৰা-ছোৱালীবোৰক নিচুকাবলৈ বাছবালন্দা বোলা এজন বৰলাৰ কাহিনী, ফুল আৰু আহুধানৰ জন্মৰ কাহিনীৰ দৰে দীঘলীয়া প্ৰশ্নোত্তৰৰ আহিত ৰচিত কিছুমান নিচুকনি গীত আছে। তলত আহুধানৰ জন্মৰ কাহিনীৰ গীতফাঁকি তুলি দিয়া হ'ল---

আশু লৈ আশু নীং মানী ব'ৰ'আ?
আংলাই বজ'য়ী মীছৌআনী গাগ্লিয়া।
মীছৌলৈ মীছৌ নীং মানী গাগ্লিয়ী?
আংলায় গাগ্লিয়া লাওখাবানী গুমা।
লাওখাৰলৈ লাওখাৰ নাং মানী গুমা?
আংলায় গুমী লাওথিয়ানী গৈয়া।
লাওথিলৈ লাওথি নীং মানী গৈয়া?
আংলায় দংো ছাথায়ানী গৈয়া।

ছাথালৈ ছাথা নীমানী গৈয়া ?
আংলায় দঙো অখায়ানী হায়া।
অখালৈ অখা নীমানী হায়া ?
আংলায় হায়ী এম্মুৱানী গাবা।
এম্মুলৈ এম্মু নীং মানী গাবা ?
আংলায় গাবী জিবৌআনী ছৌআ।
জিবৌ লৈ জিবৌ নীমানী ছৌআ ?
আংলায় ছৌআ ৰাজায়ানী থীনী।
ৰাজা লৈ ৰাজা নীং মানী থীনী ?
আংলায় থীনা গাওনী ৰাগ খৰিয়া।

(আহুধান আহুধান, তই কিয় গজা নাই ? মইতো গজো, গৰু-ৰেহে গছকে। অ' গৰু অ' গৰু, তই কিয় গছক ? মই নগছকো, গৰখীয়াইহে নৰখে। অ' গৰখীয়া অ' গৰখীয়া, তই কিয় নৰখ ? মইতো ৰখোঁ, এচাৰিহে নাই। অ' এছাৰি, তই কিয় নাই ? মইতো আছো, ছাতিহে নাই। অ' ছাতি, তই কিয় নাই ? মইতো আছোঁ বৰমুণহে নিদিয়ে। অ' বৰমুণ, তই কিয় নিদিয় ? মইতো দিওঁ, ভেকুলীয়েহে নামাতে। অ' ভেকুলী, তই কিয় নামাত ? মই মাতোঁ, সাপেহে খোটে। অ' সাপ, তই কিয় খোট ? মই নোখোটোঁ, ৰজাইহে আদেশ দিয়ে। অ' ৰজা, তই কিয় আদেশ দিয় ? মইতো নিদিওঁ, সি নিজেই বৰ খঙাল।)

চনচাভীয় শিশুৱে কেকোৰা খায়, বোকোচা ভাল পায়। সেয়েহে তলৰ গীতটিৰ সৃষ্টি---

ফৈ ফৈ বাদিনি ফৈ
দা খাংখ্ৰাই লাইনী থাংগীন---

(আহা বোকোচাত লওঁ, পিছত কেঁকোৰা আনিবলৈ যাম।)

শিশুৱে হঠাৎ কান্দে, হঠাৎ হাঁহে। তাৰে এটি নমুনা চাওক, চৰাইৰ উপমাৰে গাইছে---

দাও খুম্থুলু খুন্হুলু
খম্ফাং মৰানি থিয়া
আলাই বিলাই গাৱবাবী

ৰাওবী লানাই গৈয়া ;
ভগ্ৰব ভগ্ৰব মীছাবাৰী
ৰাওবী নাইনায় গৈয়া ।

(অ' হেট্টুলুকা চৰাই, অ' গছৰ মূৰৰ টিঁয়া চৰাই, হিয়াধুনি কান্দিলেও লওঁতা নাই, জপিয়াই নাচিলেও চাওঁতা নাই ।)

কেতিয়াবা খেলোতে আঙুলি কাটে, চকুত বালি সোমায়, তেতিয়া কান্দিলে ওভালিৰ ছলেৰে ভৰা-ফুকা কৰি সান্ত্বনা দিয়াব এটি আৰ্হি চাওক---

চিলা চিলা, নীংনি মেগন মীগাঙা লাবী
আগৈনি মেগন গাভ্ৰিয়া লাং
উহ্ ফুঃ ।
হনৈ চিলায়া খিৰনাংবায় ।

(হে চিলনী চিলনী, তোমাৰ ভাল চকুটো আনা, পোনাটিৰ বেয়া চকুটি নিয়া । উহ ফুঃ ! সৌৱা চিলনীজনী উৰি গ'ল ।)

ডেকা গাভৰুৱে মুক্তমনে থাকোঁতে প্ৰেম-পীৰিতি জাগে । প্ৰেম-বিৰহ, মিলন-বিচ্ছেদ, আশা-নিৰাশাই হৃদয়ত যি ঢৌ তোলে তাৰে প্ৰতিফলন স্বৰূপে স্বতঃস্ফূৰ্ত গীত নিগৰিত হয় । এনে গীতত উপমা-অলঙ্কাৰৰ প্ৰাচুৰ্য্য দেখা যায় । গাভৰুৱে প্ৰকৃতিৰ মনোমোহা ৰূপ দেখি গাইছে---

বাৰ চিউ চিউ বাৰদীং
গাওলাং গাওদাং বিবাৰা হনৈ বাৰদীং
ছিখ্ৰিয়া বাহাং বিৰহাং বিদৈ ছীবদীং
হাবাব্ ইনায়নী মীদীম ফৈদীং
বণ্ফাঙাও বানানৈ লাফা ছায়খো দাওৱা গাবদীং
বৈছুমৈ মৈছুমৈ ছন্দে বন্দে ৰিংলাংদীং
আয়ো হাবাব মা এচে মীজাং দিন যাদীং ।

(ৰিব্ ৰিব্ বতাহ বলিছে, ফুলৰ পাহিবোৰ মেল খাইছে, পখিলাই পৰোঁ-নপৰোঁকৈ ফুলৰ মৌ খাইছে, কি মধুৰ গোন্ধ ওলাইছে, গছত বহি কেতেকী চৰায়ে গীত গাইছে, গীতৰ সুমধুৰ ছন্দ বিস্তৃত হৈছে । আহ ! কি মধুৰ দিন হৈছে !)

প্ৰকৃতিৰ এনে পৰিৱেশত ডেকা-গাভৰুৰ হিয়াত প্ৰেম জাগ্ৰত হোৱাটো স্বাভাৱিক। গীতত তাৰেই প্ৰকাশ ঘটে---

হাবাব! গীসী বীৰহীগ্ৰা মাদি দঙো বিনিয়াও
গীসী বাওহায়ী বিনি ৰায়নায়াও
ছায়া এৰায় এৰায় থাখীলাবী
উছাও বাদাও যায়ী মানী
বিনি বুংনায় ৰায়নায়াও।

(হায়! হিয়া মতলীয়া কৰা তেওঁৰ গাত কিযে মোহিনী আছে তেওঁৰ মাতত মন উৰাউল হয়, নিজকে পাহৰি যাওঁ। তেওঁৰ কায়াই এৰা দিলেও, ছাই এৰা নিদিয়ে।)

ভালপোৱাত জাত-কুলৰ বান্ধোন আছে। মিলনত বাধা পাই গাভৰুৱে গাইছে---

বাগুৰুম্বা বাগুৰুম্বা হায় বাগুৰুম্বা
জাত নঙাবীলা খুল নঙাবীলা
থাবীৰীম বামনানৈ লাগৌমীনবা।

(জপিয়াই জপিয়াই নাচা; জাতকুল নিমিলাহেঁতেন টপৰাই কোলাত তুলি ললোঁহেঁতেন।)

প্ৰেমত বিৰহ আছে, আশাত নিৰাশা আছে; সেয়েহে গাভৰুৱে গায়---

আই আফায়াবী হাবা হব
বিদা ফংবায়দীংবী ৰায়লায়থাওৱা
বীথীৰা থাংবায় খীন্দী খীন্দী
জীংনি বৈসীআবী থাংবায় হালী দৈলী

(মা দেউতায়ো বিয়া নিদিয়ে, ভাই-ককাইৰ সৈতেও মনৰ কথা ভাঙি কব নোৱাৰি; দিনবোৰ বতৰবোৰো খণ্ড খণ্ডকৈ গুচি গ'ল, আমাৰ বয়সবোৰো তিল তিলকৈ যাব লাগিছে।)

বিৰহত আতুৰ পূৰ্ণযৌৱনা গাভৰুৱে নিজৰ অৱস্থাক ফুল এপাহৰ লগত তুলনা কৰি গায়---

ৰিবাৰ বিবাৰ গেওলাং

হাছিথৈ বাৰনানৈ হাছিথৈ ৰহায় লাংবায়
জীংনি বৈসীআবী ৰাগোলাংবায়

(হে পূৰ্ণবিকশিত ফুল, অকলে ফুলি অকলে লেৰেলি যাব ধৰিছা। আমাৰ পূৰ্ণ যৌৱনৰ বয়সো তোমাৰ দৰে ঊৰলি যাব ধৰিছে।)

আকৌ তৃষ্ণাতুৰ চৰাইৰ লগত তুলনা কৰি গায়—

ফানফেওৱালি দাও গাবদোং
নখ্রাং নাইদাও নাইদাও
মোদৈ কখু কখু মানো গাবদোং!
+ + +
অখা হাবোলাবো বানা লোমবোলাবো
মানো গাংগায়া নোংনি জোউৱা?

(পানীপিয়া চৰায়ে চকুলো টুকি টুকি আকাশলৈ চাই কিয় কান্দিছে? বৰষুণ পৰিলেও, বানপানী আহিলেও তোৰ তৃষ্ণা কিয় পূৰ নহয় বাৰু?)

আকৌ গাইছে—

দালায়াও বানানৈ দিখাৰ নাংগা নাংগা
দাওৱালায় মানো গাবদোং
হাবাব দুখাৰু নাংবোছো আংবাদি
গোসোনি দাহা নামা?
দাওনো হৰদোং হায় জোনোমাও জুলি
আংনো হৰদোং হায় দাহালো খালি—

(গছৰ ডালত বহি মনৰ ধিক্কাৰত চৰায়ে কান্দিব লাগিছে, হে তাপিত চৰাই, তোমাৰো মোৰ দৰেই মনৰ বেদনা নেকি? চৰাইক জন্মতে মিলন দিছে, কিন্তু মোক হ'লে কেৱল বেদনাহে দি পঠিয়াইছে।)

নিৰাশাৰ মাজতো প্ৰেমত মাজে মাজে মিলনৰ আশাই দেখা দিয়ে। সেয়ে গাভৰুৱে গাইছে—

থোসি ছুনায়াওবো গোসোখাঙো
দৈ গাথোনাওবো গোসোখাঙো,

(হায় তোমাক কাঁহী ধুলেও মনত পৰে, পানী ঘাটতো মনত পৰে।

গাভৰুৰ ডেকালৈ মনত পৰিবই। কিয়নো—

উথুম বেহানি ছিলিমালা
আদানি গীদীনাও নাইৰীলা ৰেনমালা

(ঘৰৰ চালৰ চেলা পোকৰ দৰে প্ৰিয়তমৰ গলতো সুন্দৰ ৰুমাল মেৰখাই আছে।)

আনপিনে ময়ূৰৰ নেজৰ পাখি লৈয়ে প্ৰিয়তম আকৰ্ষণীয় হৈ পৰিছে---

দাওবায় লাঙাই লা
ঐ আদা বিলীৰাম জাঙ্গি জাঙ্গেলা

(হে বিলীৰাম ককাই, ময়ূৰৰ নেজডাল লোৱা,
তোমাৰ কঁকালখন কিযে মুঠিতে লুকোৱা!)

প্ৰিয়তমক ভালপোৱাৰ আন এটা কাৰণ হ'ল এনেকুৱা—

বাৰী খোনানি থাসি জোৰ
ঔ আদা মুলুক ছিংখাওনানৈ
নাইবায় আং
নাংখৌলো আঙী সেন নীজীৰ

(গোটেই পৃথিৱীত বিচাৰি চালোঁ। প্ৰিয়তম, কেৱল তোমাতহে মোৰ চকু পৰিল।)

ডেকাও প্ৰেয়সীৰ ৰূপত বিভোৰ। কিয়নো---

আয়ো হাবাব আগৈয়া
নাইৰীলা জাঙ্গি জাঙ্গেলা

\+ + +

নলবাৰীনি খায়াবাবুনি খুন্দুংমুথা
অ' আগৈ সোনা নাংনি মীদীমাও
নাইৰীলা আগৰ গোথা।

\+ + +

বাৰী খোনানি মৈথা দেমৰ্লাই
অ' লৈ আগৈ নীংনি খানাইআ দনখাওবায়।

(হে প্ৰেয়সী, মোৰ দৃষ্টিত তোমাৰ কঁকালখন মুঠিতে লব পৰাকৈ

চিয়াঁ। নলবাৰীৰ কেঞ্চা বাবুৰ সূতাৰ মুঠি, তোমাৰ গাত গোট গোট বহা ফুলৰ চানেকি যুক্ত কাপোৰ। বাৰীৰ চুকৰ 'মেচেতা' টেঙা হেলনীয়া, তোমাৰ চুলিৰ খোপা জোনৰ দৰে ঘূৰণীয়া।)

প্ৰেয়সী ৰূপৱতী হলেনো কি হব? ডেকা নিজেই নিঃস্ব, প্ৰেয়সীৰ সৈতে বিয়া পাতিবলৈ ধন নাই। সেয়ে মাছৰ দৰৰ সৈতে উপমা দি গাইছে—

বিলৌ বুদাংনি না বিংছি
আয়ো নীংলায় না এচে দাম বিছি
নীংখৌ লাংনীবীলা
নাংলায়গীন বানচে থাখা
হাবাব গৰীৱ গুন্ধায়া
মালায়গীন জালা জাখা

(উপচি পৰা পানীৰে ভৰা বিলৰ বেছা মাছ, তোমাৰ দাম ইমান বেছি। তোমাক নিবলৈ মোক লাগিব এভাৰ টকা, মই নিছলা মানুহ, সেয়ে নিৰুপায়।)

প্ৰেয়সীৰ দাম নিশ্চয় বেছি। নিজেই গাইছে—

জাস্ফে দাৰিয়ানি বিহুং গালি
নাঙা নাংলায়গীন আংখৌলাইনীবীলা সোনাহালি।

(দোওৰ সিপাৰে গজা বিহলঙনি গছ, মোক নিবলৈ হলে লাগিব সোণৰ মণি।)

তথাপি গাভৰুৱে সহজ চৰ্তত প্ৰেমিকৰ সৈতে বিয়া সোমাবলৈ সন্মতি দি গাইছে—

হাজী খৰোনি হলো লোখা
আংজীং বাইজী জাগীনা নীংলোখা
আদা হাঠাইশালীনি থাওদিংগ্রিলো বাইখা
আছান মুথা মুগামালা গৌজীৰ্ দীনখা।

(পাহাৰৰ ওপৰৰ হলোলখা বন, মোৰ সৈতে বিয়াত বহিবলৈ তুমিয়েই একমাত্ৰ যোগ্য পুৰুষ, কেৱল তুমি বজাৰৰ পৰা তেলৰ বটল, খাৰু আৰু মুগা বৰণৰ মালা কিনি থবা।)

তাতোকৈ সহজ উপায় ঘৰৰ পৰা পলুৱাই নি খিয়া পতা। ডেকাই তেনে ইচ্ছা প্ৰকাশ কৰাত গাভৰুৱে বাধা দি গাইছে—

অ' আদা মালুৰাম
লাখি লাখি নাম,
ছুছুৰ মাছুৰ থানী হায়া
আই আফাজি শ্বআও,
দিনা থাংগীন, খীথায়া থাগীন
বড়ো বীৰাইনি নেমাও।

(হে মালুৰাম ককাই, তেনে কাম নকৰি সন্মান ৰক্ষা কৰা। মঁা পিতাৰ ঘৰত উছ পিছ কৰিলেই জগৰ। দিন যায় কিন্তু কথাবোৰ ৰয়। বেয়া কাম কৰিলে বড়ো বুঢ়াৰ নিয়মত বৈ যায়।)

তাৰে সলনি মাক পিতাকৰ লগত সহজভাবে কথা কৰলৈ কৈছে—

বাৰী খোনানি মিস্থিয়াথাং
খিজানি যাবায়বায়ী খীমা হৈথাং

(বাৰীৰ কোণৰ পমা গছ, কিজানি বিয়া পাতেই, কাণ ছুওৱাগৈ)।

ইমান ইচ্ছা থাকিলে আৱশ্যকমতে ঘৰজোঁৱাই থাকিও বিয়া পাতিবলৈ কৈছে, নতুবা নিজেও প্ৰিয়তমৰ ঘৰলৈ যাবলৈ সাজু আছে—

গীসী থীয়ীবীলা খুছি যায়ীবীলা
গীৰজিয়া থাফে আদা গীৰজিয়া থাফে
নীং ছৈয়ীবীলা গীৰজিয়া থাফে
আই আফায়াবী নাগিৰ ৰীংলিয়া
আংহাবী খাফালাও মীম্বী গৈলিযা
আংবী আগৰ ৰীঙা আদা
নাংবী লেখা ৰীঙা
আং আগৰ ৰীঙা শ্বলাৰী শাল মাথানিনী
ফালি হীৰ্লাং দানানৈ হীগীন আং আদা
নীং ফৈয়াবীলা আং থাংগীন
নীংলো খৰৰ হী আদা।

(অন্তৰত ভালপোৱা আছে যদি ঘৰ জোঁৱাই থাকাহি। মা-দেউতাই বিচাৰি দৰা নাপালে, মোৰো কপালত নাই।ময়ো ফুল বাছিব নাজানো, তোমাৰো বিদ্যা নাই। তোমাক ফুলাম গামোছা নহলেও নিজে বোৱা উকা গামোছাকে দিম। তুমি নাহিলে খবৰ দিবা, ময়ে যাম।)

এনেদৰে ভালপোৱাৰ পৰিণতি উপহাৰ প্ৰদান আৰু পলায়ন--- এইবোৰ বড়ো সমাজত পুৰণি কালৰে পৰা চলি আহিছিল।

উৎসৱ পাৰ্বনৰ গীতৰ ভিতৰত বিভিন্ন ক্ৰিয়া কৰ্মৰ গীতবোৰেই প্ৰধান। কৃষিনিৰ্ভৰ বড়ো সমাজত বৰষুণ নাহিলে ভেকুলীৰ বিয়া পাতি বৃষ্টি দেৱতাক সন্তুষ্ট কৰাৰ ৰীতি আছিল। উত্তৰ কামৰূপ অঞ্চলৰ পুৰণি বড়ো সমাজত ই বিশেষভাৱে পৰিলক্ষিত হৈছিল। মানৱ সমাজত প্ৰচলিত বিবাহৰ গীতবোৰকেই আৱশ্যক হলে ভেকুলীৰ নাম উল্লেখ কৰি ভেকুলী বিয়াত গোৱা হৈছিল। তাৰে নমুনা এফাকি তলত দিয়া হ'ল---

এমুলু খুংগুৰী হায় আগৈ
সোনা এমুলু খাংগুৰী
ৰাজানি খুংগুৰ এমুলু খুংগুৰ
ফিসাই ভনীছী হাবা খাউৰী
হায় সোনা হাবা খাউৰী।

(হে ভেকুলী কুঁৱৰী ভনীটি, ভেকুলীৰ ৰাজকোঁৱৰৰ সৈতে বিয়া পাতিবলৈহে এনে বিবাহৰ পয়োভৰ।)

কৰ্মময় ব্যস্ত জীৱনত বিভিন্ন কাম-কাজৰ লগত জড়িত বিভিন্ন গীত যৌথ জীৱনত আৰু ডেকা গাভৰুৰ মাজত প্ৰচলিত আছে। হালবোৱা, ধানকটা, ধানৰোৱা, ধানবনা, কাপোৰ ধোৱা, ভোজ বন্ধা, চিকাৰলৈ যোৱা, হাতী আৰু ম'হ চৰোৱা, গছ কটা আদি কাৰ্যত তেনে গীতৰ প্ৰচলন হয়। হালবোৱা আৰু ধানৰোৱাৰ সময়ত নতুবা মহাজনৰ ঘৰত একেলগে কাম কৰা ডেকা গাভৰুৰ মাজত গীতৰ ছলেৰে কথা কটাকাটি চলে---

গাভৰু ঃ আদা জাংগিলা মিনি ছীবা
আলিয়া খীফৈ'দ'

আদা আলি' খীফেদ'।

ডেকা ঃ আয়ো জাবশ্ৰী মিনিছিৰি

গয় খাওনানৈ মাবাৰ জানানৈ

মাই গাইনায়াও থাংদিনি।

(গাভৰু ঃ হে হাঁহিমুখৰ ককাইদেউ, ধানৰ আলি বন্ধাহি।

ডেকা—হে জাৰশ্ৰী ভনীটি, শীঘ্ৰে তামোল খাই ধান ৰুবলৈ যাওঁ আহা।)

কাপোৰত ফুল বাছিবলৈ নজনা গাভৰুজনীয়ে নবৌৱেকক শিকাই দিবলৈ গাইছে—

ছৌৰাংগী আগৰখৌ

মকৰ্ দমা আগৰখৌ

আংনী ফীৰীংফৈ বাজৈ

আংনী ফীৰীংফৈ

(হে বৌজনী মোক চৌৰাংগী আৰু মোকৰ্দমা ফুলৰ চানেকী শিকাই দিয়াচোন।)

আকৌ ধান বানিব নজনা কাৰণে বৌৱেকক ধেমালিতে জোকাইছে-

দিংখি ছৌনী বানানৈ

বাজৈয়া দিংখি লাজায়াও

জনা থাছৈ।

(ঢেঁকী দিবলৈ এলাহ কৰি বৌজনীয়ে ঢেকীৰ ফিছাতে বহি থাকে।

ভিনিহিয়েকে পাহাৰত গছ কাটিবলৈ যাওঁতে খুলশালীয়েকে তাঁত-শালৰ যোগাৰ আনি দিবলৈ অনুৰোধ কৰি গীত গাওঁতে ভিনিহিয়েকে উত্তৰত গাইছে—

খুলশালী ঃ হাজী খৰো হাজী খৰো

বন্‌ফাং দাম্নী থাংবীলা

শালজোৰা মাখুজোৰা

লাবী লাবী গুমৈ লাৰু বান্দাৰু

ভিনিহি ঃ দে লাবীগীন আগে
গয়ছিৰী মাইনাও
জৌ বিদৈ দাওছা গীর্লৈ
দীনথা আগে গয়ছিৰী মইনাও।

(খুলশালী—পাহাৰৰ মাজত গছ কাটিবলৈ গ'লে শাল আৰু মাকোজোৰ আনিবা, লাৰু বান্দাৰু ভিনিহি।

ভিনিহি—আনিম দেই গয়শ্রী ভনীটি, কেৱল মদ আৰু গজ্লা কুকুৰা চৰাইৰ যোগাৰ ৰাখিবা।

ডেকা গাভৰুৰ অপৈণত হাতেৰে ৰাজহুৱা ভোজ ভাত ৰান্ধোতে দোষ থাকিবও পাৰে। সেয়েহে গাভৰুজনীয়ে গাইছে—

বাৰী আঠিয়ানি থাইজৌৱা
খৈৰীম দৈৰীম লাগী,
মীদাই বাৰীনি ছেংগ্রাফাৰা
ভজো ছুংনায়া বালা খ্রেব খ্রেব।

(আটিয়াৰ আম গছৰ ফল টেঙেচি। মীদাই গাঁৱৰ ডেকাসকলৰ ভোজৰ খাদ্যও বালিময়।)

এনেদৰে ডেকা গাভৰুৱে কৰ্ম্মৰ মাজেৰে ধেমালি কৰে আৰু দুখ ভাগৰ পাহৰি থাকে।

গৰখীয়াবোৰে গৰু-ম'হ চৰাওতে খেল-ধেমালি কৰি বিভিন্ন গীত গায়। চহা-বনুৱাসকলৰ সন্তান এই গৰখীয়া ল'ৰাবোৰৰ গীতৰ সৈতে গাঁৱৰ চহা জীৱনৰ সম্বন্ধ আছে। গৰু-ম'হৰ শ্রীবৃদ্ধিয়েই সিঁহতৰ লক্ষ্য। সেয়ে সিহঁতে গায়—

এংখাৰ খিলি গ্রৌ গ্রৌ
মাবাৰ জা উদৈ ছুফুং
নীংছীৰ থাগীন গুফুং গুফং
দাহ্রি গাংছী দাজা, খিস্রাইগীন
হাল বীআবীলা মানজায়া বাগীন।

(ইকৰা বন গজি ভাল ঘাঁহ হৈছে। গোটেইখিনি খাই শকত হোৱা। কুমলীয়া ঘাঁহ নাখাবা, পেটৰ অসুখ হ'ব। বলদ হৈ হাল টানিবা, নহ'লে এচাবিৰ কোৰ পাবা।)

গধূলি গৰু ঘৰলৈ খেদি নিওঁতে নিজে এনে গীত গাই যায়—

লাওখাৰফীৰ লাওখাৰফীৰ
মীছৌৰা হীদী হৈহা হৈহা
সানা হাশ্বায় সীনাবহা
গাওবাগাও মীছৌ হীখ'
গলিয়াও হীলাং থখ' থখ'
গলিনি দৰা মীজ্বাঙৈ খানানৈ ফৈ
মীছা ৰাংখিনীয়া যাদীং ছীফৈ ছীফৈ
বুন্দায়া থৈবায়, বুন্দীয়া দং
গাবৈ গাবৈ যাবায় খৰংমৰং।

(হে গৰখীয়াহঁত, গৰুবোৰ খেদা, পছিমত বেলি মাৰ গ'ল। নিজ নিজ গৰু গোহালিলৈ খেদি নি দুৱাৰবোৰ ভালকৈ বন্ধ কৰি আহা। মতা বাঘ মৰাৰ পিচত মাইকীজনী শুকাই খীণাই গৈছে, গোহালিৰ কাষে কাষে ঘূৰি ফুৰে।)

বিবাহ সম্পৰ্কীয় গীত, অনুষ্ঠান মূলক উৎসৱৰ গীত। অৱশ্যে আধুনিক যুগত বড়োসকলৰ বিবাহ পদ্ধতি সলনি হৈছে। কিছুমান ব্ৰহ্মধৰ্মী, শৰণীয়া আৰু খৃষ্টান বড়োৱে নিজ নিজ ধৰ্মানুযায়ী বড়ো ভাষাতে পূজাৰ মন্ত্ৰ, প্ৰাৰ্থনা আদিৰে বৈদিক হিন্দু নাইবা খৃষ্টান ধৰ্মমতে বিবাহ সম্পন্ন কৰে। কিন্তু পূৰণি প্ৰথামতে বড়োসকলৰ বিবাহ মণ্ডপ, ভোজ ভাত, নৃত্য-গীত ৰং-ধেমালিৰে উৎসৱ মুখৰ হৈ উঠে। বিয়াত দৰা-কইনাক লক্ষ্য কৰি নানা ধৰণৰ ধেমেলীয়া গীত গোৱা হয়।

তামোলখন সন্মানৰ প্ৰতীক, কইনা ঘৰীয়াই দৰাঘৰীয়াৰ ওচৰত তামোল পাণৰ বিষয়ে মিছা ওজৰ দেখুৱাই গায়—

গয় বিৰা বিৰা, ফাথৈ বিৰা বিৰা হীআবীলা
নৈ হিজাও গীদান খৌ লাংফিয়ীছে
(আমাক সঘনে তামোল পাণ নিদিলে ন কইনাক ওভোটাই নিম।)

সেইদৰে মদ আৰু আজাক লৈয়ো ধেমেলিয়া গীত গায়—

ইজুৰ খোনানি গীমীথিং
নীংনি হাবানি জৌৱা খৈথিং থিং

ছে ছেলেংখা দাওখা
হৌৱা গীদাননি অমা বাইনায়া জোখা।

(হে ন-পুৰুষ দৰা, তুমি দিয়া মদ পুৰণি, টেঙা, তুমি কিনা গাহৰিৰ মাংসও কোনোমতে হিছাবৰহে)

বড়োসকলৰ পুৰণি প্ৰথামতে বিবাহ উৎসৱত নাচিবলৈ আৰু তামোল-পাণেৰে ৰাইজক আপ্যায়িত কৰিবলৈ বাৰলাংফা আৰু বৈৰাথী থাকে। তেওঁলোকক লৈয়ো ৰং-ধেমালি চলে। তলৰ ফাঁকি গীত বাৰলাংফাই "বৈৰাথীক"[১] লক্ষ্য কৰি গাইছে---

নীংনি থাইগিৰ ফিথাইবাদি
লাথিম লুথিম মীখাঙা
নীংনি মেওৱা খিথাবাদি আদৈয়া
নীংনি মীজলাই জাঞ্জিৰাদি জাঞ্জিয়া
দন খাওখাই খানাই থৌখ্রি জংখ্রি জাংখ্রি'
নীংনি থালিৰ ফছলা বাদি আখাইয়া
নীংনি থৰল' দেম্হাবাদি আছিজোং
গয়া ৰানদী আগৈ বৈৰাথী ললিয়া ·

(হে যৌতুকী, তোমাৰ মুখখন ঔটেঙাৰ দৰে ঘূৰণীয়া, কলাফুল বাহঁৰ গাজৰ দৰে, কঁকালখন বঙা পিপৰাৰ দৰে চিয়াঁ, চুলিৰ খোপা দোনৰ দৰে ঘূৰণীয়া, বাহুভোৰ কলৰ পচলাৰ দৰে, ভেটফুলৰ ঠাৰিৰ দৰে কুমলীয়া আঙুলিৰে আমাক তামোল পাণ বিলাই দিয়া।)

বিবাহ সম্পন্ন হোৱাৰ পিচত ৰাইজে নৱদম্পতীক আশীৰ্বাদ দি গায়- -

দাওমা দাওছা হালি হালি
মানখি জাথিখৌবী বিদিনী
খালাম হৰদীংছৈ জুলি
আফাফীৰ বীজাবদী ৰংজাদী আইফীৰ
বীৰ হীলাং জুলি গীদান খৌ
ৰাইজী জাথীংছৈ আলী আলী

---

১ বৈৰাথী—বৈৰাতী।. বিয়াৰ মাঙ্গলিক কামত বিশেষভাৱে নিযুক্ত তিৰোতা।

(চেৰাই চিৰিকতিবোৰ থাকে হালে হালে, মানুহকো স্ৰজিছে যোৰে যোৰে, হে পিতাসকল, আইসকল, গোল্লা, খেমালি কৰা, আশীৰ্বাদ দিয়া নৱদম্পতীক, যাতে সুখেৰে সংসাৰ চলাৰ পাৰে।)

বিয়াৰ কইনাই মৰমৰ মাকৰ ঘৰ এৰি যাবৰ সময়ত কান্দিলে বয়সিয়াল সকলে বুজনি দি গায়—

দাগাবছৈ আয়ৈ দাগাবছৈ
মেলান হৌৱানী হৰাখৈ
হাৰ্সা হৌৱানী হৰাখৈ
বড়ো হৌৱানী বাইজো জানীছৌ
হৰদীং আয়ৈ হৰদংৗ।

(হে আই নাকান্দিবা, তোমাক নেপালী নাইবা অ-বড়োৰ লগত বিয়া দিয়া নাই, বড়ো ডেকাৰ লগতহে সংসাৰ পাতিবলৈ বিয়া দিছে।)

বিদায়ৰ সময়ত মাক দেউতাকে, লগৰীয়া ভাঙৰ সৰু সকলোৱে বিলাপ কৰে। মাকে বিননি তোলে—“দৈ লাইনায়নি লৌগৌমৌন নীং আয়ৈ”—হে আই তুমি মোৰ পানী অনাৰ লগৰী আছিলা। সমনীয়া সকলে কান্দে—

হায় বৈনী ঐ বৈনী
দৈ লাইনানায়নি লৌগৌমান
মৈগং, খানায়নি লৌগৌমৌন।

(হে ভনী, তুমি পানী অনা আৰু শাক তোলাৰ লগৰী আছিলা।)

ন-কইনাক দৰা ঘৰলৈ নি তাতে আকৌ আন এখন “হাবা খুৰছুলি” নতুবা “হাথা ছুহনি” বিয়া পাতি ন-কইনাৰ হাতেৰে ৰাইজে ভাত এসাজ খায়। তাতো ৰং খেমালি নৃত্য চলে। তাৰে নমুনা তলত চাওক—

দে আইফৌৰ দে
এচে আথিংনি ফাও
এচে আখাইনি ফাও
খিন্থিদী দে খিন্থিদী দে
হাইলাজা হইলাজা মৌছাদীদে

ইছিং খোননি দাও জাঁখিখৌ
হমনানৈ মাৰীবায় জাঁং

(হে আইসকল, অলপ হাত ভৰিৰ চালনাৰে মুদ্ৰা দেখুৱাই হালি-জালি আনন্দ কৰা। আমি যেন ঘৰৰ চুকৰ কুমলীয়া কুকুৰাজনীক ধৰি লৈ আহিছো।)

বড়ো সমাজত ধৰ্ম-কৰ্ম নতুবা ক্ৰিয়া কাণ্ডৰ ভিতৰত বিভিন্ন দেৱ-দেৱীৰ লগতে মৃত পূৰ্ব-পুৰুষসকলৰ পূজা-অৰ্চনা চলে। ঘৰুৱা দেৱতাৰ উপৰিও প্ৰকৃতিৰ বুকুত বাস কৰা দেৱতাসকলৰ কাৰণেও 'গাৰ্জা' পূজা কৰা হয়। ঘৰুৱা দেৱতাৰ ভিতৰত মহাদেৱেই প্ৰধান। মহাদেৱৰ আৰু তেওঁৰ অনুচৰসকলৰ সন্তুষ্টিৰ কাৰণে প্ৰাৰ্থনা জনাই গায়—

এহেম বুৰা বাথৌ মহাদেব
আঁজীং হায় ছীৰ ছীৰ দং ?

(হে বুঢ়া বাথৌ মহাদেৱ, ইফালে কোন কোন আছে ?

উক্ত মন্ত্ৰেৰে প্ৰাৰ্থনা আৰম্ভ কৰি অন্যান্য দেৱতাসকলকো নাম কাঢ়ি কাঢ়ি পূজাৰ ভাগ গ্ৰহণ কৰিবলৈ আৰু ৰাইজৰ দায়দোষ ক্ষমা কৰিবলৈ আহ্বান জনায়—

গথ' গথায় আব্ৰা আখুৰা দং
নীংথাংমীনহা সান্নানৈ নীইনাংগীন।
নীংথাংমীনা দানি মীদাই নঙা
অবাই দিননি মীদাই দাওদাই
নীংথাংমীনানী নৌ-নাৰী ফীৰজা
আই আফাফীৰখৌ নাইনাংগীন
আইয়া থৈবায় আইখৌ গাৰবায়
আফায়া থৈবায় আফাখৌ গাৰবায়
নীংছীৰখৌলায় গাৰাখৈ জাঁং।

(অভলা, অকৰা ল'ৰা আছে, তোমালোকে বিচাৰ কৰি চাব লাগিব। তোমালোক আজিৰ দেৱতা নোহোৱা, সৰ্বকালৰ দেৱতা, নৰ-নাৰী প্ৰজা সন্তানসকলক ৰক্ষা কৰিব লাগিব। মা-দেউতা মৰি গ'ল, তেওঁলোকক এৰি দিলো, তোমালোকক হ'লে আজিও এৰা নাই।)

মহাদেৱৰ লগতে দেৱী ভগৱতীৰ পূজা অৰ্চনা চলে। দেওধনীক মধ্যস্থ হিচাপে লৈ ভজাই দেৱীৰ প্ৰাৰ্থনাত গায়—

অ আই বৌজী সোৰা
সাননি গিৰি সানজা
বুহমনি গিৰি ৰাজা
মা খালামবাওগীন আয়ৈ
অন্নাইনি গিৰি খেমানি গিৰিৰাথো নীংছীৰনী

(হে আই সৰ্বজ্ঞানী, সূৰ্যৰ গৰাকী পূৰ, ভূমিৰ গৰাকী ৰজা, দয়া আৰু ক্ষমাৰ গৰাকী তোমালোকেই।)

দেৱী সন্তুষ্ট হলে দেওধনীৰ জৰিয়তেই বাণী শুনাই গায়—

ঐ ঐ নৌনীগীৰলি বড়ো ফিছাকীৰ
আংনি বাথ্‌য়া খীনাছুং
দাগি নীংছীৰ দাগি, দাগিদে ফিছাফীৰ
নীংছীৰখৌলায় আং গীবাগীন
দাওখায়ালায় ফুৰাখৈ দাওব'আলায় ছীমাখৈ
সাগৰনি দৈয়ালায় উন্‌থা বীহৈয়াখৈ
দঙো ফিছাফ্ৰাৰ দঙো, সৈখীআ দাবীনী দঙো

(হে নৌ নগৰৰ বড়ো সন্তানসকল, মোৰ কথা শুনা, তোমালোকে ভয় নকৰিবা, মই তোমালোকক বুকুত আঁকোৱালি লম। সত্য এতিয়াও আছে। কাৰণ কাউৰী বগা হোৱা নাই, বগলী ক'লা হোৱা নাই, সাগৰৰ পানী উলটি বোৱা নাই)।

অনেক প্ৰাৰ্থনা গীতত এইদৰে গভীৰ দৰ্শন আৰু ভক্তিতত্ত্ব সোমাই আছে।

বড়োসকলৰ বহাগ বিহু অন্যান্য অসমীয়াসকলৰ বিহু উৎসৱ পালনৰ নিয়মৰ সৈতে প্ৰায় একে। বহাগৰ নতুন দিনত বতৰৰ পৰিবৰ্তন হোৱাৰ লগে লগে ডেকা বুঢ়া সকলে মন প্ৰাণ ঢালি বিভিন্ন বাদ্যযন্ত্ৰ লৈ নৃত্যগীত কৰে। প্ৰকৃতিৰ মোহনীয় ৰূপ দেখি গায়—

বৈশাগু বীথীৰনি অথা হানায়জীং
বন্দ্ৰাং বিলায়াৰী থৰ থৰ আথাই থৰী
জীংনি গীসীআৰী ৰাগ্ৰুম ৰাগ্ৰুম মীছানী
জুবৈ থাঙী হায় জীগী জুবৈ থাঙী।

(বহাগৰ বতৰত ৰৰঝুণ পাই গছৰ পাতে আনন্দত হাত চাপৰি বজাইছে। হে বন্ধু, আমাৰ অন্তৰেও জপিয়াই নাচিবলৈ ইচ্ছা কৰিছে।) ঠিক তেনেকৈ আনন্দমুখৰ প্ৰকৃতিৰ ৰং ৰহইচৰ সৈতে তাল মিলাই সকলোকে হাত মেলি নাচি ৰং ধেমালি কৰিবলৈ আহ্বান কৰি গায়---

বৈশাগু আয়ে বৈশাগু
বীথীৰ গীজামা থাংলায়বায়
বীথীৰ গীদানা ফৈলায়বায়
বীথীৰ গীদাননি বাৰ মীন্নানৈ
দৈছা দৈখবা, ৰম্ফাং লাইফাঙা
দাওমা দাওছায়া ৰংজালায়বায় হনৈ
ফেদী দিনৈ ফেদী বয়বী
বীৰায় বুবৈ ছেংগ্লা ছিংলা
গথ' গথায় ৰংজাদিনি---।

(পুৰণি বছৰ গ'ল, নতুন বছৰ আহিল ; নতুন বছৰৰ বা লাগি নৈ-পুখুৰী, গছ-লতা, চৰাই,-চিৰিকতি সকলোৱে আনন্দত মতলীয়া হৈছে। আহা আমিও আজি বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, ল'ৰা-ছোৱালী মিলি ৰং-ধেমালি কৰো।)

বিহু হুচৰিৰ সময়ত মাগি ফুৰাৰ প্ৰথা আছে। তেনেকৈ মাগি ফুৰোঁতে গায়---

দিন জীৱনায়নি বীথীৰ গীদাননি
মাগিয়ী জীং অৰাইবী দৰখং
আয়ৈ নীং হীআবীলা
নীংনি বে খামছালিয়াও
উন্দুনানৈ থানীছৈ জীং---

(দিন যোৱাৰ পিছত নতুন দিন আহিল, আমি সকলোৱে দুৱাৰে দুৱাৰে খুজি ফুৰিছো ; তুমি নিদিলে তোমাৰ কাখিতে আমি শুই পৰিম। কামৰূপ অঞ্চলত তেনে অসমীয়া ভাষা মিহলি হুচৰি গীত গায়---

ইহঁতৰ গিৰি কহাঁয় গেল
চৰাই হাল বায়
দখিনা দিবাৰ ডৰতে
বেৰা ভোলোঙাই চায়।

নতুন বছৰৰ প্ৰকৃতিৰ মুক্ত পৰিবেশত বিহুৰ সাতদিন ডেকা গাভৰুৰ মন অঘৰী হৈ যায়। সেয়ে গায়---

হলাং দৈমানি না মাওৱা
বে সাতদিনা জীংবী খালায়বায় আওবা ফাওৱা।

(হলাং নদীৰ মোৱা মাছৰ দৰে, আমিও এই বিহুৰ সাতোটা দিন অনাই বনাই ঘূৰি ফুৰিছো)।

এনে ৰং ধেমালিৰ মাজতেই ডেকা গাভৰুৰ মাজৰ প্ৰেম-প্ৰীতিৰ, মিলন বিচ্ছেদ, আশা-নিৰাশাৰ ভাব জাগি উঠে। নৃত্যত গাভৰুসকলে ডেকাক লক্ষ্য কৰি গায়---

খাম চিফুং দাম আদা
জোথা থৰখা দাম
জাৎ বেজাৎ দাম।

(মাদল, বাঁহী, তাল, টকাৰ সুৰ-বেসুৰৰ সমন্বৰ বজোৱা)

ডেকাসকলেও ৰঙিলী গাভৰু সকলক নাচিবলৈ আহবান কৰি গায়---

আথিঙা ফীলাও ৰংজালীফাৰ
আথিঙা ফীলাও
ছেভ'া চিফুং মিলৌহাৰ
হাংমা গীলাও।

(হে ৰঙিলী গাভৰুহঁত, ভৰি দীঘলকৈ মেলি দি নাচা, চেৰেঙা আৰু বাঁহীৰ দীঘলীয়া সুৰ মিলি গৈছে)।

প্ৰেমত মতলীয়া হৈ মূল উদ্দেশ্য পাহৰা দেখি ডেকাই গাভৰুক সঁকিয়াই দি গাইছে---

খিংথা খিংথা দেনায় জোথা
গীসীআ সোণাফ্ৰীৰ মীজাং হমথা

(চিং চিং তালৰ বাজনাত তাল মিলাই মন খিককৈ ধৰি ৰাখিবা) গাভৰুৱে এইবাৰ গাইছে---

ঔৱা দেওনি থৰ্খা আদা
দেও গীনাং খীথা আদা
মানাংগীন মুগা লাথা
ৰাওনীবী মেশ্লাবী দাখীন্থা

(হে ককাইদেউ, দেও লগা বাহৰ টকাৰ বাজনাত মন হৰি গ'ল। পিছে কাকো নকবা লঘুহে হ'ব লাগিব।)

ভালপোৱাজনৰ প্ৰেমৰ চানেকিৰ উপহাৰ দিয়া প্ৰথা আছে। এনে এজনী বিৰহিনীয়ে বিচ্ছেদৰ আশঙ্কাত উপহাৰ আগবঢ়াই গাইছে—

দেংলায় বৈশাগুৱাও হাংমা হাংছানি
ফালি গাংচেখৌনী লাংফ্রেত্ৰাদী
আদা বে জীনীমাও মীনাশ্লাবী
বৈ জীনীমাও মীনহৈ থীংছৈ

(এই বছৰ বহাগত হা হুমুনিয়াহৰে উকা ৰুমাল এখনকে লৈ যোৱাহি ককাইদেউ, এই জনমত নহ'লে পৰজনমত যেন আমাৰ মিলন হয়।

দলবদ্ধভাৱে কৰা নৃত্যৰ প্ৰসঙ্গতে ধেমেলীয়া জোৱায়েক আৰু শাহুয়েকৰ মাজতো কথা কটাকটি হয়। জোৱায়েকে নিজকে মিছা প্ৰশংসা কৰি গায়—

আদৈ থিলালা আয়ৈ নীংজামাদৈয়া
গম্বুং জাজিবজিৰ আয়ৈ নাইনী-বীলা
নাইকৈ আয়ৈ জুমাই লান্নানৈ

(তোমাৰ জোৱাইৰ কলাফুল সৰু আঁটিল, নাক সৰু দীঘল, চাব খোজা যদি মদৰ ভেটি দি চোৱাহি)।

শাহুয়েকেও প্ৰত্যুত্তৰত গাইছে—

মেগন দেলুন লুন আয়ৈ
জীংনি জাবৈয়া
গম্বুং থবছা ছা আয়ৈ
জীংনি জাবৈয়া

(আমাৰ জোৱাইৰ চকুযোৰ টেলেকা, নাকটো থেপেচা।)

এনেদৰে ৰং ধেমালি কৰিয়েই বিহুৰ সাতদিন অতিবাহিত কৰে। কিন্তু আজিকালিৰ অভাৱ-অভিযোগৰ দিনত সেই ৰং-ধেমালিৰ

পয়োভৰ কমি আহিল। তাকে সোঁৱৰণ কৰি এজন ডেকাই বৌৱেকক সঁকিয়াই গাইছে—

ঔৱানি খানজং খানাই খানখী
গীদীনি দিনা বীজীং থাংখী ?
আঁংখামনি আলি বেদবনি আখায়
জৌনি ফুখ্রিয়া গৈলিয়া লৈ বাজৈ গৈলিয়া

(হে বৌদেউ, বাঁহৰ ফণিৰে মূৰ চোঁচা দিন আৰু নাই, ভাতৰ উভৈনদী নাই, মদৰ পুখুৰীও আৰু নাই।)

মানুহৰ বং ধেমালিৰ মাজতো খেতিয়ক সকলে গৰুৰ সেৱা সৎকাৰৰ কথা নাপাহৰে। গৰুবোৰ নৈ পুখুৰী আদিত ধুৱাৰলৈ নিও তে গায়—

দীঘলতি লাউথি, মীছৌনি মুলি
দুদালি যাসীন গাই খুখিলী,
দীঘলতি লাউথি খ্রি খ্রি গাছি,
জীংনি মীছৌৱা যাগীন বলদ জাথি।

(দীঘলতি লাখুটি গৰুৰ ঔষধ, দীঘলতি লাখুটিব ঘন ঘন গাথি, আমাৰ গৰু হ'ব বলধ জাতি।)

গা ধুৱাই উঠি গৰুৰ গালৈ লাউ বেঙেনাব টুকুৰা দলিয়াই গায়—

লাও জা ফাম্থাও জা
বীছীৰ বীছীৰ এৰ হাজা হাজা

(লাউ খোৱা, বেঙেনা খোৱা, বছৰে বছৰে দলে দলে বাঢ়ি যোৱা)

অন্যান্য জনজাতীয় লোকসকলৰ দৰে বড়োসকল হোজা, সৰল, পোনপটীয়া আৰু ধেমেলীয়া স্বভাবৰ। কঠোৰ পৰিশ্ৰমী বড়োসকলে নানা বং ৰহইচ আৰু ধেমালি ধুমুলাৰ মাজেদি দিনৰ ভাগৰ পাহৰিবলৈ নৃত্যগীত কৰে। বিভিন্ন বং ধেমালি আৰু খুহুতীয়া গীতবোৰ লগৰ সমনীয়া ডেকা গাভৰু, বৌ, দেওৰ, ভিনিহি, খুলশালী, গিৰিয়েক, ঘৈণীয়েক, শাহু, জোঁৱাইৰ মাজতো চলে। এজন বুঢ়াকুৰা বন্ধুক লক্ষ্য কৰি আনজনে ধেমালিতে গাইছে—

দে জাদিনি দে লীংদিনি
হাম্রায় হৌৱায়া নাইখা জীহীজাও
হাৱাও মাৱাও জানাই হৌৱায়া
বাদাৰী খাংখুৱা।

(দে খাওঁ, দে পিওঁ বোলা পুৰুষৰ নাম 'নাইখা', কৰমৰকৈ দাঁত উলিয়াই খোৱা পুৰুষজন কাঠকটীয়া খকুৱা।)

ডেকা গাভৰুৰ মাজত কথা কটাকটিৰে ধেমেলীয়া গীত চলে। শালি ধানৰ আলি বন্ধা ডেকা এজনক জোকাই এজনী গাভৰুৱে গাইছে—",

হাথৰ্খি ৰথো ৰথো
থাংখু থোফোলা
আলি খীনাই হৌৱায়া
হাম্থু থোফোৰা

(চিক্‌মিক তৰা, ধপাতৰ টোপোলা, আলি বন্ধা পুৰুষৰ আঠুটুপুৰা)

মাছ মৰা গাভৰুজনীলৈ ডেকাজনে প্ৰত্যুত্তৰ দি গাইছে---

সান্দুং থিং থিং গীৱীমদৈ ৰো ৰো
না গুৰনাই হিজাওৱা
হাম্থু থোফোৰাখৌ মীনাবীলা
মীখাং চাইৰোৰো

(টিংটিঙীয়া ৰ'দত ঘামি জামি জাকৈ বোৱা তিৰোতাই আঁঠুটুপুৰা' পুৰুষক নাপালে মুখ ক'লা পৰি যায়।)

শাহুৱেক আৰু জোৱাঁয়েকে একেলগে বহি মদ খাওঁতেও ৰগৰ চলে। তলৰ গীতত জোৱাঁয়েকে শাহুয়েকক লক্ষ্য কৰি গাইছে—

আয়ৈ আয়ৈ নাংনি ফিছাজীৱা
না বাথীনখৌনৌ দেনী ৰীঙা

(হে শাহুআই, তোমাৰ জীয়েৰাই মাছ পিটিকা তৈয়াৰ কৰিব নাজানে।)

তেতিয়া শাহুয়েকে প্ৰত্যুত্তৰত গাইছে—
ৰীঙাছী জাৱৈছী জীলৈ মীজাং
গাওনী লাইনী ৰীঙা গাওনী জানী ৰীঙা

(হয় দিয়া জোৱাঁই, তুমিহে হবলা মাছ আনিব নোৱাৰা আৰু খাবও নাজানা।)

টোপনি সেকৰা খুলশালীয়েকে ভিনিহিয়েকক নিজৰ মাকৰ লগত জোৰাই ধেমালিতে গাইছে—

উথুম বেছানি খাংখীমা
আয়ো গুমৈয়া আই লিংগ্রীখৌছী
লাংগীন খীমা।

(চালৰ পঁইতাচৰা, অ' আমাৰ ভিনিহিদেৱে আমাৰ লেঙেৰী আইকহে বিয়া কৰাই নিবলৈ আহিছে হবলা।)

তাকে দেখি খশুৰ ভাও জুৰি ভিনিহিয়েকে খুলশালীয়েকলৈ ঠাট্টাৰ সুৰত গাইছে—

ছৈ ছৈ ছৈমা দাদুৰী বি বি
দৰ ফাংথে ফাংথে খোনা লায়ৈ লায়ৈ
নাইখীমা নাই হিঞাওৱা উন্দু গাদুৰী।

(ছেই ছেই, খহলী কুকুৰনী, দুৱাৰ জপাই জপাই বেৰৰ কোণৰ জলঙাৰে চোৱা ছোৱালীজনী নিশ্চয় ঘুমটি সেকৰা।)

ঠিক তেনেকৈ বিবাহিত গিৰিয়েক ঘৈণীয়েক, বুঢ়া-বুঢ়ীৰ মাজতো ৰং ধেমালি চলে। বুঢ়াই এনেহৱা ঘৈণীয়েকক গীততে জোকাই গাইছে—

বুৰী ঐ ঐ বুৰী ঐ
অখা নাইছি নাইছি খুন লুনাইয়া
হনৈ লাফা ছায়খোআলাই
উৰাও মাৰি মাৰি গাবলাংবায়।

(অ' বুঢ়ী, অ' বুঢ়ী, তই দোকমোকালিতে উঠি সূতা কাটিলি, নহয়নে? পিচে সৌৱা চাচোন, ৰাতিপুৱাৰ কেতেকী চৰায়ে উৰি উৰি গীত গাই গ'ল।)

বুঢ়ীয়েও এনেহৱা বুঢ়াক ঠাট্টা কৰি উত্তৰ দিছে—

বীৰাই ঐ ঐ বীৰাই ঐ
অখা নাইছি নাইছি
হাল হীলাং নাইয়া
হনৈ সানজাহা সানালায় জৌলাংবায়

(অ' বুঢ়া অ' বুঢ়া, তয়ো দোকমোকালিতে উঠি হাল খেদি নিজি নহয়নে ? সৌৱা চাচোন, পূবত সূৰ্য্য উঠি ওপৰ পাইছেহি ।)

ওপৰত উল্লেখ কৰি অহা লোক-গীতি কেইবিধৰ বাহিৰেও বড়ো সম্প্ৰদায়ৰ মাজত আন এবিধ গীত সাধু-সন্যাসী আৰু ভকতৰ দৰে বয়সিয়াল মানুহে হাতত চেৰেঙা বা তেনে বাদ্য-যন্ত্ৰৰ সহায় লৈ সমাজৰ মাজত বাটে পথে গাই ফুৰা পৰিলক্ষিত হৈছিল। এনে গীতৰ ভাব ভঙ্গিমা চাৰণ কবিৰ গীতৰ সৈতে মিল আছে। এনে গীতক বড়ো ভাষাত 'বৈদাশী মেথায়' নাইবা 'বৈদাশী চাৰিনায় মেথায়' বুলি কোৱা হয়। বৈদাশী নতুবা বৈদাশী চাৰিনায় শব্দৰ অৰ্থ বিদেশী নাইবা বিদেশ চাৰি যোৱা অৰ্থাৎ সাংসাৰিক মায়া মোহ ত্যাগ কৰি বাহিৰ জগতত সন্যাসীৰ দৰে ঘূৰি ফুৰা। ব্যক্তিগত জীৱনৰ দুখ যাতনা সহ্য কৰিব নোৱাৰি গোৱা এনে গীত এফাঁকি তলত দিয়া হৈছে—

আয়ো হাবাব, আংহালায়
মানি দাহা,
ছীৰখৌথী খিস্থানী
ছীৰনী বুংবাওনী গীসীনি দাহাখৌ
মানীথী ৰাওবীনী মিন্থিছোআ।
আয়ো আয়োহায় মানষিজীলৈ
গীসীনি অৰদাব জুজায়নি দাওদাব
বিখায়াও খামকক থাবুক
থৈনীছৈ আংবীনী জীউগীলৈ

(হায়, মোৰ কিনো বেদনা! কাক কওঁ, কোনে বুজি পাব ? মানব জাতি মই, তুঁহ জুইৰ চৌকা বুকুত উমি উমি জ্বলিছে, মোৰ কুমলীয়া দেহা অচিৰে পুৰি ছাই হৈ যাব।)

ব্যক্তিগত জীৱনতকৈ সমাজৰ সামূহিক জীৱনকলৈ ৰচিত হোৱা এনে লোকগীতি বড়ো ভাষাত যথেষ্ট বেছি। ঈশ্বৰৰ নামত দোহাই দি নিজ বড়ো জাতিৰ বিশৃঙ্খল অৱস্থা দেখি সংসাৰত ভালদৰে চলিবলৈ উপদেশ দি গাইছে—

অবং লাউৰী বড়ো হাৰি
ৰাইজীখৌ জানাংগীন ফাৰি ফাৰি
আনান গোসাই, বিনান গোসাই
বড়োৰা খাবায় আলায় চিলায়।

(হে সৰ্বব্যাপী ঈশ্বৰ, বড়োসকল আলৈ আহুকালত পৰিল, তেওঁ-লোক সংসাৰত ভালদৰে চলিবলগীয়া হৈছে।)

সুন্দৰ উপমা অলঙ্কাৰৰ সৃষ্টি কৰি গোৱা তলৰ আন এটি গীতত বড়ো সম্প্ৰদায়ৰ দুঃখ-বেদনাৰ প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে—

বিসায়া মিথিয়া গথ' গাবাবীলা
আহাৰ দৌনী
ৰাওবাঁ মিথিয়া মা নাংগৌ
ছীৰ হাৰিনী ?
অৰণ দান্দালিয়াও অৰ খামীবীলা
সংসাৰা নুয়ী
হাৰিনি বিখায়াও অৰখামীবীলা
ছীৰ নুয়ী ?

(যিদৰে কেচুৱাই নাকান্দিলে মাকে আহাৰ খুৱাব নাজানে, সেই-দৰে কোন কোন জাতিৰ কি অভাৱ হৈছে আনে নাজানে। হাবিত জুই লাগিলে সংসাৰৰ মানুহে দেখে, এটা জাতিৰ বুকুত জুই লাগিলে কোনেনো দেখিব বাৰু ?)

# "তিৱা (লালুং) গীত-মাতৰ ৰহঘৰা"

—ইদ্ৰিছ আলি

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য কিৰাত-মঙ্গোলীয় গোষ্ঠীৰ দৰেই তিৱাসকলৰ মাজতো নানান গীত-মাত প্ৰচলিত আছে। এইবোৰৰ সৰহভাগেই লোকগীতৰ অন্তৰ্ভুক্ত যদিও আধুনিক গীত-মাতো তিৱাসকলৰ মাজত ৰচিত তথা প্ৰচলিত হোৱাটো লক্ষ্য কৰা যায়। তিৱা গীত-মাত মুখ্যতঃ তেওঁলোকৰ উছৱ-পাৰ্বনৰ অপৰিহাৰ্য্য অঙ্গ। কৃষিজীৱী জনগোষ্ঠী হিচাপে তিৱা জীৱন প্ৰৱাহৰ বৃহদংশ সাঙোৰ খাই আছে কৃষিকেন্দ্ৰিক উৎসৱ অনুষ্ঠানৰ লগত। ক'বলৈ গলে তিৱা গীত-মাতৰ প্ৰণালীবদ্ধ সংগ্ৰহ আৰু অধ্যয়নে তিৱা সংস্কৃতিৰ পূৰ্ণাঙ্গ স্বৰূপ দাঙি ধৰাত যথেষ্ট সহায় কৰিব, তাত সন্দেহ নাই। স্বভাৱ শিল্পীৰ সৃষ্টি প্ৰক্ৰিয়াৰ ফলত মূৰ্তমান তিৱা গীত-মাতৰ বেছি ভাগ ৰচিত হৈছে তিৱা ভাষাত (যাক তেওঁলোকে 'দোৱান' বোলে) আৰু কিছু অংশ ৰচিত হৈছে অসমীয়া ভাষাত। তিৱা-মিশ্ৰিত অসমীয়া ভাষাত ৰচিত গীত-মাতো তিৱাসকলৰ মাজত প্ৰচলিত আছে। এনে মিশ্ৰিত ভাষাৰ ৰূপক 'নাগামিজ'ৰ অনুকৰণতে 'তিৱামিজ' বুলি নামকৰণ কৰিব পৰা যায়। তিৱা ভাষা কোৱা তিৱা গোষ্ঠীৰ সৰহ ভাগ মানুহেই পাহাৰত বাস কৰে যদিও ভৈয়ামতো তিৱাভাষী লোক কিছু আছে। ভৈয়ামৰ তিৱাসকলৰ ক্ষেত্ৰত অসমীয়া-ভাষী বা হিন্দু সমাজভুক্ত হোৱাৰ প্ৰক্ৰিয়া চলি থকা সত্ত্বেও তেওঁলোকৰ ভিতৰতো পৰম্পৰাগত জনজাতীয় আচাৰ অনুষ্ঠান আৰু গীত-মাতৰ প্ৰচলন নথকা নহয়। তিৱা ভাষাত ৰচিত গীতবোৰৰ ভিতৰত "ছগ্ৰা মি চাৱা" (বসন্ত উৎসৱ) নৃত্যৰ সৈতে গোৱা গীতসমূহ অতি মনোৰম। তলত ছগ্ৰা গীতৰ দুটা নিদৰ্শন দাঙি ধৰা হ'ল ঃ

চন্দি নাৱানে দাও দাও
জনাই নাৱানে দাও
আমুন্সী বালিক' নিখাল থ'
ম্যাংথ' ম্যাং কৰা দাও
খাচুখী বালিক' নিখাল থ'
জনাই লিখা মখাং ৰলাও।

(মোৰ সোণজনীৰ ভৰি দুখনলৈ চোৱাহঁকচোন, কেনেনো ধুনীয়া। ভৰিৰ পতাকিখনলৈ চোৱাহঁকচোন কেনে তেওঁৰঙা গোলাপৰ দৰে আৰু (তেওঁৰ) মুখনি যেন সাইলাখ পূর্ণিমাৰ জোনটিহে!)

খলচিং খাবাল' অদাল্ অদাল্
খুলচিং খাবাল' অদাল্
আমুখী বালিনে নানা লিৱানা
অঙা খুচা কাদাল
খাচুখী বালিনে নানা লিৱানা
অঙা খাংচী ৰাদাল।

(চোৱাহঁক চোৱা, মই সোণজনীৰ ঘৰলৈ গ'লেই তেওঁ সকলোকে পিচ পেলাই মোকেইহে আগতে নতুন বাটিত 'চ্যু' (মদ) খাবলৈ দিয়ে। মদ খাই হলে তেওঁ মোৰ বাবে সজাই-পৰাই আহাৰৰ যোগান ধৰি অন্তৰৰ গভীৰ ভালপোৱা প্ৰকাশ কৰে।)

ছগ্ৰা-গি-ছৱা আমাৰ নিচুৰ লেখীয়া তিৱাসকলৰো প্ৰেম আৰু যৌৱনৰ উৎসৱ। সমূহীয়া নৃত্যগীতৰ পয়োভৰৰ মাজেৰে এই উৎসৱ পালিত হয়। এই উৎসৱত তিৱা ডেকা-গাভৰুৱে মনৰ হা-হুতাহ প্ৰকাশ কৰে মুক্তভাৱে। তলৰ গীতৰ পংক্তিত প্ৰীতিৰ অকৃত্ৰিম গভীৰতা প্ৰকাশ পোৱা দেখা যায়। ছগ্ৰা-মি-ছৱা উৎসৱৰ সময়ত ছামদিৰ (ডেকা চাং) সমুখত জ্বলোৱা জুইৰ চাৰিওফালে ঘূৰি ঘূৰি নৃত্য কৰা ডেকা-গাভৰুৱে গায়ঃ

ছামাদিনা খালং খালং
ছামাদিনা খালং
লক বইচ্যা পাহাই বইচ্যা
মিসাই মুসুই খালং

(ডেকা চাঙলৈ পলাই যাওঁ। মোৰ কোনো লগৰী নাই। নাচি-বাগি পলাই যাওঁ---পলাই যাওঁ ডেকাচাঙলৈ।)

অ' পাপ্পাই ৰ' হাদালিৱানে কই কই
অ' খৰলা ৰ' খদালিৱানে ক্ষান ক্ষান।

(অ' ডেকাহঁত, অ' গাভৰুহঁত---হাট বজাৰৰ পৰা ঘূৰি আহা। তামোল-পাণ খাই মিলিজুলি নাচিবলৈ আহা।)

ওপৰৰ গীত দুফাঁকিৰ প্ৰথম ফাঁকিত তিৱাসকলৰ মাজত ছামাদিৰ অৱস্থান আৰু ইয়াৰ ভূমিকা সম্পৰ্কে স্পষ্ট ইঙ্গিত নিহিত আছে। আকৌ দ্বিতীয় ফাঁকিত প্ৰকাশ পাইছে ডেকা-গাভৰুৰ প্ৰণয়াসিক্ত উৎসাহ লগতে তিৱা সমাজত তামোল-পাণৰ সামাজিক প্ৰাধান্য।)

ছগ্ৰা-মি-ছাৱা এসপ্তাহ ধৰি চলে। চাংদলৈ, চাংমাজি, কৰাই-মাজি লৰ' আদিয়ে ফা-মহাদেউ অৰ্থাৎ প্ৰধান দেৱতাক উদ্দেশ্য কৰি আগেয়ে কোনেও ননচা সাতোটা নৃত্য কৰে। শেষৰ দিনা পুৰোহিতে নতুন নৃত্যৰে উৎসৱৰ সামৰণি মাৰে। ছগ্ৰা-মি-ছাৱা উৎসৱত সামৰণিৰ দিনা তিৱাসকলে গায় ঃ

তুগে তুগলৰী খাগে খাগলাৰী
আয়ুসন ছদে নাছনী বাঙা
আয়ুসন ছদে ফাগুনী বাঙা
পাৰ মাখানে পল চল লাৱে
পাৰ থুং গানে লাইচল লাবে
নাগ ফুডিগাং অ' নাচনী ৰাঙা
নাগ ফালে গাং অ' ফাগুনী ৰাঙা
যানে পাখু যাও ছদে গাং
মানে খাংৰা খাং খাও ছদে গাং
অ' ছদে নাচনী ৰাঙা
অ' ছদে ফাগুনী ৰাঙা॥

(অশেষ কষ্ট কৰি পাহাৰৰ পৰা পাট-খৰি আদি আনি নাচনী ৰঙা আৰু ফাগুনী ৰঙাক পূজিলোঁ। খেতিৰ শেষত নাচনী ৰঙাৰ হাতত আমাৰ দা-কুঠাৰ কোৰ আদি গতাই দিলোঁ।)

গীতবোৰ ভাবাধৰ মাজত কৃষিজীৱী জনগোষ্ঠীৰ জীৱন প্ৰবাহৰ সুন্দৰ চানেকী ফুটি উঠিছে। ছগ্ৰা-মি-ছাৱা যৌৱনৰ উপৰিও যে কৃষি প্ৰজননৰ উৎসৱ গীতবোৰে তাৰে ইংগিত বহন কৰে।

তিৱাসকলৰ ৱান ছাৱা বা পিঠা গুড়ি খুন্দা উৎসৱত তিৱা ডেকা-সকলে চাৰি ভাই, লামফা বগো আৰু ফা মহাদেৱক উদ্দেশ্য কৰি স্তুতি গীত গায়। ছন্দায়িত গতিৰে উড়লত চাউল খুন্দি খুন্দি ডেকা-লোকে গায় ঃ

ঐ খৰ চাৰি ভাই
লামফা ৰাজানে নেম কৰাডাং
লামফা ফাৱানে নেম্ কৰাডাং
তিওে গুৰুনে দখ্যা কৰাডাং
তাৰে ফাগা ছিয়া দচশ হাগাৰ ফিৰিনে গৰা
এৰে নিয়ম তিওে নেম খাদং
তিওে লোক বৰেনা মৰঙা বৰেনা
তিওে ৰাজা পাথ' জলম মখলাই থল কুৱৰী পাথ' জলম
মিৰি দেশ পাথ' জলম। —ইত্যাদি।

(আমি চাৰি ভাই আৰু লামফা বগোৰ নিয়ম-নীতি এৰা নাই। উড়লত পিঠাগুড়ি খুন্দি এই নিয়ম হাজাৰ হাজাৰ বছৰ ধৰি পালন কৰি আহিছো। আমাৰ সন্তি-সন্ততি বাঢ়ক। আমাৰ বগোৰ পাহাৰত জন্ম, কুঁৱৰীৰ মিৰিৰ দেশত জন্ম। তাৰ পৰাই আমাৰ নিয়ম-নীতি নিৰ্দ্ধাৰিত হয়।)

ৱান ছাৱা উৎসৱত ডেকা গাভৰুৱে মনৰ ভাববো আদান-প্ৰদান কৰে। তলৰ গীতফাঁকিত তিৱা ডেকাই পিঠাগুড়ি যাচি তিৱা গাভৰুক মনৰ মৰম যাচে ঃ—

ঐ হে ওৱাথি তানানে চিউ চিউ
ওৱাফাং তানানে চিউ
আমুখী ৱালিক নিখালথ'
কাইছং খজম কানা চিউ।
থাচুখীৱালিক নিখাল্ থ'
কাইছং গজা কানা চিউ॥

তিৱাসকলে জংখং পূজা (শস্যৰ দেৱতা) কৰিহে বছৰৰ প্ৰথম খেতি পথাৰত নামে। জংখং পূজাত কৃষিৰ সা-সঁজুলি ভিক্ষা কৰি দেৱতাক অৰ্চনা কৰে। তলত তেনে এটি স্তুতি গীত তুলি দিয়া হ'ল ঃ

এহে তিৱা পান্থাইৰ'। এহে তিৱা খৰলাৰ'
ছাৰ নাম হেবে এহে দেই
চাৰি ভাই চাৰি কৰাণে নেম এহে দেই
মাথি চাৰজেনা নাও।
মাথি চ্যাচোন
ছুং চ্যাচোন ঐ চাৰি ভাই চাৰি কৰা
মাথি চৰজেনা নাও ——(ইত্যাদি)

গীতটোৰ সম্পূৰ্ণ ভাবাৰ্থ হ'ল---'হে চাৰি ভাই চাৰিকৰা প্ৰমুখ্যে দেৱতাসকল! আমাৰ মাটি নাই, নাঙল যুঁৱলি নাই, বিধানৰ কঠিয়া নাই। আমি কিহেৰে খেতি কৰিম? তোমালোকে আমাৰ বাবে উপযুক্ত মাটি, কঠিয়া, নাঙল, যুঁৱলিৰ সৃষ্টি কৰি দিয়া। পানী নাই। জান-জুৰিৰ সৃষ্টি কৰি তোমালোকে আমাৰ বাবে পানীৰ যোগান ধৰা।' কৃষিজীৱী তিৱাসকলৰ গীত-মাত কৃষি উৎপাদনৰ বাবে দেৱ-দেৱতাক সন্তুষ্ট কৰিবৰ বাবেই ৰচিত যেন অনুভৱ হয়।

লাংখুন পূজাও তিৱাসকলৰ এক অন্যতম উৎসৱ। হাবিৰ পৰা বাঁহ কাটিবৰ বাবে দেৱতাক সন্তুষ্ট কৰিবলৈ এই উৎসৱ পালন কৰে। নানান স্তুতি কৰি তিৱাসকলে বাঁহ গছৰ ভাৰ বহন কৰা পৃথিৱী আৰু বাঁহ গছ সৃষ্টি কৰা দেৱ-দেৱীৰ স্তুতি-গীত উচ্চাৰণ কৰি লাংখুন পূজা উদ্‌যাপন কৰে। তলত লাংখুন পূজাৰ গীতৰ নিদৰ্শন দাঙি ধৰা হ'ল ঃ

জুলাই কুবাই ফ্রিদং অ'বা বিজুলী ৰাউন
মাই লাঙ কুবাই ফ্রিদং অথা চিলজা ৰাজা
নি ছাজ' বিজিলি খুৰৱীগ লানা
নি তিজ' মাহাদি খুৰৱীগ লানা
তেৰ' জু-লাউ জানা, তেৰ মাই লাউ জানা
চা চাংদলৈ নে চা চাংমাজিনে
চা চা বুলানে চা চা মেথানে অই।

(হে বিজুলী কুঁৱৰীৰ পিতৃ চালঙ্গা ৰজা। তোমাৰ জীয়ৰীক আমি চাংমাজি ছাংদলৈ বুলামেথা সকলোবে আদৰি নিবলৈ মদৰ লাড আনিছোঁ। তামোল-পাণৰ বঁটা আনিছোঁ। তুমি মদৰ লাড লোৱা, তামোল-পাণৰ বঁটা লোৱা, তোমাৰ জীয়ৰীক দিয়া।)

লাংখুন পূজা সমাধা কৰি তিৱাসকলে বাঁহৰ জোপাৰ পৰা বাঁহ কাটে। তাৰ পিছত সিবোৰ চুচি ফুল ফুলায়। লগতে কিছুমান মদাৰৰ ডালো কাটে। তাক মালৱাৰী বোলে। সিবোৰতো ফুল ফুলাই বিচিত্ৰ ৰঙেৰে বোলায়। পূজাৰ শেষত বিভিন্ন ক্ৰিয়া কলাপ কৰি মালৱাৰীবোৰ গাৱঁৰ দূৰৰ এফালে পেলাই থৈ আহেগৈ। মাল-ৱাৰীবোৰ পেলোৱাৰ সময়ত তিৱাসকলে গায়---

হেবে তেশে ফাৰা হুনি চিকাইলাং
হেবে ৰাছে ফাৰা পিঘিনি চিকাইলাং
তাবে ফাৰাও লিও নাহায় লিব
আফত চিকাইলাং বিফত বুজাই লাং
খালগ' চিকাইলাং খুলিকগ' চিকাইলাং
অ' মা বিজিলী খুঁৱৰী মা ছালংা মাহাদই ঐ।

(এই দেশৰ পৰা হানি বিঘিনি, অপায় অমঙ্গল সকলো খেদি নিবি। বিপদ-আপদ লুইতত জাহ যাবি। সাগৰত ডুব যাবি। হে চালঙ্গা ৰজাৰ জীয়ৰী বিজুলী কুঁৱৰী আমাৰ সকলো বিপদ-বিঘিনি খেদি লৈ যাবি।)

লাংখুন পূজাৰ শেষত ছখ্রা-মি-ছাৱা উৎসৱত গোৱাৰ দৰেই তিৱাসকলে বাউচি জুৰি গায়ঃ

নগাঁও জিলানে খাৰমাই আলবি হালং
গৌহাটী জিলানে খুমুনলাই পচনবি হাৱং
পাখা বৰলোকে চাজমুনা অই
পাখা বৰ মুনুহনে তিজমুনা অই
হেবে আলনগ' মানা তালাগাই
হেবে পাচনগ' মানা তালা গাই
মাৱন ওবমুৰে দেই, মাংখা ওবমুৰে দেইনাগ'।

(নগাঁও জিলাৰ তেলফুল লৈ, গুৱাহাটী জিলাৰ তেল ফুল লৈ (আমি) তোমাৰ আল-পৈচান ধৰিম। তুমি বৰ মানুহৰ জীয়ৰী---এই

আল-পৈচান ধৰা কথা মাৰা আৰু পিতাৰাক নকৰা। গোপনে ৰাখিলা---ক'লে ক'ৰবাত মাৰিব পাৰে।)

লালী হিলালী লাই এই তিনিও ভনীৰ পৰা লালুং, বড়ো-কছাৰী আৰু মিকিৰ জাতিৰ উৎপত্তি হোৱা বুলি লোকগীতত আছে। তলত গীতটি দিয়া হ'ল ঃ

লালী হিলালী লাই
দৈৰ পথাৰত ঘৰাই দৈ থাকিল
আ'লা লালুঙৰ পায়।

এই তিনিও ভনীৰ মাজৰ সম্পৰ্ক উল্লেখ থকা অন্য এফাকি গীত এনে ধৰণৰ

এ ভৰাং লা এই হোৱাং
চাংমাৰি বালাংলো
চাংমাৰি কমাই মাৰি এডিং কলিগা
ডিংক বাকাবে থাং।

(তিনিও ভনীয়ে তেওঁলোকৰ আদি দেৱ লংলা মহাদেৱৰ পৰা বিদায় লৈ আহি কোনো এঠাইত ধ্যানস্থ হ'লহি যেতিয়া তেওঁলোকে ইষ্ট দেৱতাৰ সাক্ষাৎ পালে তেওঁলোকৰ অভীষ্ট সিদ্ধ হ'ল। দেৱতাও অদৃশ্য হ'ল।)

এই তিনিও ভনীৰ মাজত পৰস্পৰৰ সম্বন্ধৰ লগতে চাৰিত্ৰিক বৈশিষ্ট্যও তলৰ লালুং গীতফাকিত বিদ্যমান। গীতফাকি অসমীয়া ভাষাত ৰচিত।

লালুঙৰ লেলেপাং কছাৰীৰ কেলেপাং
মিকিৰৰ ঘনে ঘনে গাঁঠি
ধৰিব নেৰাখে খেদিও নপঠায়
চোতে পুৱাই যাওক ৰাতি।

পাহাৰী তিৱাসকলৰ মাজত জুম খেতি কৰা প্ৰণালী অতীতৰে পৰা চলি আহিছে। জুম খেতিৰ পথাৰলৈ অহা-যোৱা কৰিবৰ বাবে হাবি কাটি বাট-পথ উলিয়াওতে নওা নামৰ এজন ৰজাৰ এজন লগুৱাই হঠাতে এটা কেৰ্কেটুৱাৰ নেজডাল কাটিলে। তাৰ ফলতনো কি হ'ল

তাকে কেন্দ্ৰ কৰি তলৰ কাহিনী গীতটিৰ জন্ম পালে। গীতটিৰ সংগ্ৰাহক খ্ৰাৰাপসিং দেউৰী। এইটো এটা কাহিনী গীত ঃ

নঙা পেবে লাম হোকা
মঠাল লেংগাই টান গানকা ;
মঠাল আৰ' ইন্দা বি কা ?
থুই মৰম কুঠি গাকখ্ৰো লিকা ;
থুই মৰম আৰ' ইন্দা ৰি কা ?
ৰা টান ডালে কুনথিউ ক'কা
বা টান ডাল আৰ' ইন্দা বি কা ?
ফেম্পৰ বাচ গ কাৰো লিকা
ফেম্পৰ্ আৰ' ইন্দা ৰি কা ?
বাতুলি ঝৃঙাও না না লিকা ;
বাতুলি আৰ' ইন্দা ৰি কা ?
মচ্ বৰ'নে খান জৰ' পা পা লিবা ;
মচ্ আৰ' ইন্দা বি কা ?
টক্ক বাচ গ' কাৰো লিকা ;
টুক্ক আৰ' ইন্দা বি কা ?
হাদিনে মৃৰি গপাৰ্ জি হাল্ কা ;
হাদি আৰ' ইন্দা ৰি কা ?
বাজ নে ন না ফি হাল্ কা ;
বাজা আৰ' ইন্দা ৰি কা ?
নঙা গ' বান তন কা।

(নঙা আৰু পেবেই বাটি মাফা কগোতে কেৰ্কেটুৱাৰ নেগুডাল কটা গ'ল। কেৰ্কেটুৱাই পাছত কি কৰিলে? থুই-মৰম গছৰ গুটি ভোকাৰি গ'ল। থুই-মৰম গছৰ গুটিয়ে কি কৰিলে? এদল গাহৰিৰ থুতৰিত পৰিল। গাহৰি দলে কি কৰিলে? পলাই যাওঁতে পকৰাৰ বাহ গছকি গ'ল। পকৰাভাকৰ পিছত কি হ'ল? সিহঁত গৈ বাদুলিৰ চুঙাত সোমাই পৰিল। সেই বাদুলিয়ে কি কৰিলে? হগা পহুৰ কাণত সোমাই পৰিল। সেই পহুৱে কি কৰিলে? বন কুকুৰাৰ বাহ গছকি গ'ল। সেই কুকুৰাই কি কৰিলে? হাতীৰ মূৰত আচুৰি

গ'ল। হাতীটোৱে কি কৰিলে? ৰজাৰ ঘৰ ভাঙি পেলালে। ৰজাই পাছত কি কৰিলে? নঙাকহে দণ্ড দিলে।)

ভৈয়াম অঞ্চলৰ তিৱাসকলে সমূহীয়াভাৱে ৰব ঘৰত সন্তানৰ অশৌচ খেদা কৰ্ম পালন কৰে। তাক তিৱাসকলে 'মনুশ্ব' বোলে। এই 'মনুশ্ব' উৎসৱত তেওঁলোকে লালী-হিলালীৰ গীত গোৱা প্ৰথা প্ৰচলিত আছে। এই লালী হিলালী গীতৰ অঞ্চলভেদে সুৰৰ তাৰতম্য আছে বুলি কোৱা হয়। তলত বাৰ পুঞ্জীয়া অঞ্চলত প্ৰচলিত লালী-হিলালী গীতৰ চানেকী দাঙি ধৰা হ'ল। তিৱা ভাষাতো লালী-হিলালী গীত থকাৰ সম্ভেদ পালেও আজিলৈকেপতি সি উদ্ধাৰ হোৱা নাই।

লেচাৰী--- এহে এই তে হে লীয়া লিলাও
কজলা কাজলী অ'-ই-ন হংগা
হাঁ হ'লে ডাকচা কপা কাৰণে ডা-ক-চা এ-হে
থজে হ ৰনীয়া অ-ই-ন হংগা।
ঘাই--- লালি লাং লাহৈ ল'লাই
লালা হেলয়া লাই।
পালি--- হোত লালি লাং লাহৈ লবাই
লা লা হেলয়া লাই। ইত্যাদি।

ভৈয়ামৰ তিৱাসকলৰ মাজত প্ৰচলিত কিন্তু অধুনা লুপ্ত ভুঞা গীত বা বাৰকুলীয়া গীতৰ নমুনা তলত দিয়া হ'ল। এই গীত জনা লোকজনৰ মৃত্যু হ'লে তেওঁৰ মুখাগ্নিৰ সময়ত হেনো জুই নেলাগে। এনে জনবিশ্বাসৰ প্ৰভাৱতে নিশ্চয় তিৱাসকলৰ মাজত এই গীত গোৱা লোকৰ সংখ্যা তাকৰ হৈ পৰিছে। তলত ভুঞা গীতৰ দুটা পংক্তি উদ্ধৃত কৰা হ'ল ঃ

ভকত ভমৰা চৰণ পখৰা
ভকতে ধৰিলে দায়
অ' দেশৰে দেচী
আউনী আটীয়া ভকত হ'বৰ পৰা
গৰু ছাগ কামোৰা নাই
অ' দেশৰে দেচী।

এটা নাৰৰীয়া দুটা নাৰৰীয়া
খাই যাহি একঠি চাউল
অ' দেশৰে দেচী
আৰু নাৰৰীয়া চপাই আন বোপাই অ'-ই
ফকৰাৰ ভাঙি যা আউল
অ' দেশৰে দেচী।

পাহাৰী লালুংসকলৰ মাজত মৰণা মৰা নৃত্য প্ৰচলিত আছে। ই অতি আকৰ্ষণীয় নৃত্য। মৰণা মৰাৰ সময়ত তলত দিয়া গীত গাই তেওঁলোকে মনোমোহা নৃত্য কৰে।

ছনিয়া দন খুৰতুলিও য়ে
চলিছে পান্ ঠাই নে
ৰাফিয়া দন খুৰতুলিও য়ে
চলিছে খৰলা নে
আল কুমুন মানম বে চাত ঐ বনি
আলছে লানা ফই
চন কুমুন মানম বে বাৰ ঐ বনি
ছানছে লানা ফই।

(সোণ ৰূপৰ মৰণা মৰা চোতালত ডেকা গাভৰুৰ আল-পৈচান পাবা। গতিকে হে সাত ভনী, হে বাৰ ভনী! আহা আমাৰ শুশ্ৰূষা লোৱাহি।)

তিৱাসকলে লক্ষ্মী দেৱীৰ সাত ভনী আৰু বাৰ ভনী থকা বুলি বিশ্বাস কৰে। খেতি কৰি পেটৰ ভাত মোকলোৱাৰ বাবে পাহাৰী লালুংসকলে কিমান কষ্ট কৰিব লাগে তাৰ স্পষ্ট ইঙ্গিত ফুটি উঠিছে তলৰ গীতফাঁকিত ঃ

চালছে ফতালে য়ে
আলছে বিৱানে আই
চালছে ফতালে য়ে
চনছে ৰিৱানে আই
এথাব বিং আলছে
চাত ঐ বনি
আলছে লানা থৈ

এথাৰ বিং চনছে
বাৰ ঐ বনি
চনছে লানা ফই।

(হে আই আমাৰ ল'ৰা-ছোৱালী কোবাই কিলাই তোমাৰ আদৰ যতন লৈছোঁ। আহা দেৱী এতিয়াও আমি তোমাৰ আদৰ-যতন ল'ম।)

নগাঁৱৰ পশ্চিম অঞ্চলত তিৱাসকলে বৰতপূজা পালন কৰে--- কাতি বিহুৰ দিনা খনৰ পৰা পুহ মাহৰ পূর্ণিমা তিথিলৈকে এই বৰত (ব্রত) পূজা চলে। তিৱাসকলৰ বিশ্বাস মতে বৰত পূজা পালন কৰিলে খাজাৰ পৰা হানি বিঘিনি আঁতৰি যায়। তলত বৰত পূজাৰ গীত এফাকি উদ্ধৃত কৰা হ'ল।

আজিনো যাং বৰতক কালিনো যাং বৰতক
বৰতৰ ধেপেলা পাত
বৰতক যাংতে চোৱাতে ডাকিলে
নিহা নাইকিয়া গাত।

ওপৰৰ গীতফাঁকি তিৱা মিশ্রিত অসমীয়া ভাষাত ৰচিত। এনে মিশ্রিত ৰূপৰ ভাষাত ৰচিত গীত-মাত তিৱাসকলৰ মাজত সম্প্ৰতিলৈকে প্রচলিত থকা দেখা যায়। বিশেষকৈ দাঁতিৱলীয়া অঞ্চলৰ তিৱা-সকলৰ মাজত। তিৱা আৰু অসমীয়া মিশ্রিত এই ভাষাৰ ৰূপক "তিৱামিজ" বুলি অভিহিত কৰিব পৰা যায় নিশ্চয়।

ভৈয়ামৰ তিৱাসকলৰ মাজত ৰাতি সেৱা বা ভিতৰ সেৱা পূজা অনুষ্ঠানটি বৰ সেৱা আৰু আইৰেয়া সেৱা ৰূপে বছৰত দুবাৰকৈ পালিত হয়। এই পূজাত গোৱা গীতৰ ভাষা শুদ্ধ অসমীয়া। বুঢ়া ভকতজনে গোৱা গীত এফাঁকি এনে ধৰণৰ ঃ

সত্যে দুৱাপৰে নপুংসক ধ্বজ হয়
কিন্তু কুমাৰৰ চাকি
কলিৰ যুগতে সনিয়হৰ তেলে
আছে ধৰমকে ৰাখি।

ৰাতি সেৱা পূজাত ভকতসকলে গোৱা অন্য এফাঁকি গীত হ'ল ঃ

এযুৰি গুৱা-পাণ শংকৰৰ মাননি
এযুৰি গুৱা পাণ মূলে
এযুৰি গুৱা পাণ থালেৰ কি মাননি
গুৰুক আগবঢ়াই দিছোঁ।

উছৱ-পাবণ বা আনুষ্ঠানিক গীত-মাতৰ উপৰিও তিৱা ভাষাত অনেক গীত-মাত ৰচিত হৈছে। কোনো চহা তিৱা কবিৰ এটি লোক গীত তলত দাঙি ধৰা হ'ল। গীতটিৰ ভাব যৌৱনৰ উত্তেজনা সনা। ডেকা এজনৰ অন্তৰৰ গোপন বিননি প্ৰতিধ্বনিত হৈছে। গীতটি শ্ৰীইন্দ্ৰচিং দেউৰীয়ে সংগ্ৰহ কৰা।

মাৰজঙে চাগ্ৰাঙ আঙে অই নোৱা
খৰলা কিছা
নিনা অই নিঠাৰে, মিনিছে চুমে চুমে ৰিউ
বেক নোৱা তুৰি
আঙে মন নাখি হুক্কা
থিচ বিচ ৰিনাছে হুক্কা।—— ইত্যাদি।

গীতৰ ভাবাৰ্থ হ'ল---মাৰজঙৰ ছগ্ৰা উৎসৱত মই দেখা গাভৰু-জনী ধুনীয়া। তাইৰ মুখত হাঁহি বিৰিঙি থাকে। তাইক দেখাৰে পৰা জানো মোৰ মনটোৰ কি হ'ল। মন চেপিচাই থাকে। খোৱাতো মন নবহে, বন-বাৰিতো মন নবহে। মনে মোৰ তাইকহে বিচাৰে। তাইৰ নামটো হলে মই নকওঁ। কেতেকী ফুল থকা গাঁৱৰ ছন্দই বোলাজনী বন্ধু। আমি দুয়ো কথা পাতিলোঁ। দুয়ো চা-চিনাকি হলোঁ। তাইৰ লেখা-পঢ়া নজনাটোহে কাল হ'ল। বিধা-তাই তাইক মোৰ বাবেই সৃজন কৰিছে। তাই সৃষ্টিকৰ্তাৰ সাৰ্থক সৃষ্টি।

# ৰাভাসকলৰ লোক-গীত

ৰাজেন ৰাভা

ৰাভাসকল অসম, মেঘালয় আৰু পশ্চিমবঙ্গৰ কোচবিহাৰ, জলপাইগুৰি জিলাৰ বিভিন্ন ভৌগোলিক পৰিবেশত বসবাস কৰি আছে। অৱশ্যে পশ্চিম অসমতেই তেওঁলোকৰ সংখ্যা সৰহ। তেওঁলোক পাতি, ৰংদানি, মায়তাৰি, কোচ, দাহৰি, বিটলীয়া টোটলা, হানা আদি বিভিন্ন শাখাত বিভক্ত। তেওঁলোক নিজস্ব লোকগীতত চহকী। আদিতে তেওঁলোকৰ সকলোৰে লোক-গীতবোৰ সম্ভৱতঃ একেই আছিল, কালক্ৰমত বিভিন্ন সামাজিক আৰু ধৰ্মীয় ৰীতি-নীতিৰ প্ৰভাৱত প্ৰভাৱান্বিত হৈ বৰ্তমান ৰংদানি, মায়তাৰি আৰু কোঁচ শাখাৰ বাহিৰে বাকী শাখাবোৰে প্ৰাচীন লোক-গীতবোৰৰ বহুতো হেৰুৱাই পেলাইছে। পাতি, দাহৰি আদি শাখাৰ ৰাভাসকলে ৰাভা ভাষাৰ ঠাইত অসমীয়া ভাষাকেই গ্ৰহণ কৰিছে আৰু তেওঁলোকৰ গীত-মাতৰ মাধ্যমো অসমীয়াহে। বিভিন্ন শাখাত পৰম্পৰা-গতভাৱে প্ৰচলন হৈ থকা লোক-গীতবোৰ সংৰক্ষণৰ ব্যৱস্থা কৰিলে নিশ্চয় জাতীয় সাহিত্য আৰু জাতীয় সংহতি ৰক্ষাৰ ক্ষেত্ৰত অৰিহণা যোগাব পৰা যাব।

আলোচনাৰ সুবিধাৰ বাবে এই প্ৰবন্ধত ৰাভা সমাজৰ বিভিন্ন শাখাৰ মাজত প্ৰচলিত লোক-গীতসমূহক মাইকৈ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি কেইটামান বহল শ্ৰেণীত বিভক্ত কৰা হৈছে আৰু প্ৰতি শ্ৰেণীৰ বিভিন্ন ধৰণৰ গীতৰ থূল-মূল বিৱৰণেৰে সৈতে কিছু নমুনা দিবৰ চেষ্টা কৰা হৈছে।

## ১। পূজা-পাতলৰ গীত

### (ক) মায়তাৰি ৰাভাসকলৰ খোক্‌চি (দাদুৰি) পূজাৰ গীত ঃ

ৰাভাসকলৰ এটি প্ৰধান উৎসৱ হ'ল খোকচি বা বায়খো পূজা। মায়তাৰি ৰাভাসকলৰ মতে তেওঁলোকৰ প্ৰাচীন বীৰাংগনাসকল

হ'ল---তামাই, দাদুৰী আৰু নাকাটি। সেয়ে খোৰ্চি বা বায়খো পূজাত তেওঁলোকে এই তিনিগৰাকী বীৰাংগনাকে মুখ্য অধিষ্ঠাত্ৰী দেৱীৰূপে জ্ঞান কৰি পূজা অৰ্চনা কৰে। অঞ্চলভেদে তেওঁলোকে ক্ৰমে তামাই, দাদুৰী আৰু নাকাটিৰ পূজা কৰে। এই পূজা উৎসৱ প্ৰতি বছৰে নিৰ্দিষ্ট ঠাইত (থানত) বহাগ-জেঠ মাহত সামূহিক ৰূপত পালন কৰা হয়। আগতে এই পূজা উৎসৱ সাত দিন সাত ৰাতি-লৈকে চলিছিল। বৰ্তমানেও তিনিদিন তিনিৰাতিলৈ এই পূজা উৎসৱ চলি থাকে।

উৎসৱৰ প্ৰথমদিনাখনক 'নক্ খিঠাৰকায়' বা ঘৰ শুদ্ধিকৰণ বুলি কয়। উক্ত দিনা সন্ধিয়া নিয়োজিত ওজা-পালিসকলে প্ৰত্যেকজন গৃহস্থৰ ঘৰৰ চালে চালে চাউলৰ পিঠাগুৰি চতিয়াই যায়। ইয়াক 'নক জুমকায়' বোলে। এই সময়ত গোৱা কিছুমান গীতৰ এফাঁকি তলত উল্লেখ কৰা হ'ল ঃ

"ফই ফই হাছি ছানি কুৰি ছাওৰাটাংও
কুৰি ছানি চিংৰা টবালাটি,
কুৰি খেৰে ছানো লাগিয়া।
চিং বা টোখা গান্দা-ছে পুই খেৰেছে
ছাই বেঙা লাগিয়া।"

সৰলাৰ্থ ঃ আহা, আহা ল'ৰা-ছোৱালীবিলাক। আহা, আমি চাটক-চকোৱাৰ দৰে হাঁহি-খেমালি কৰি কাম কৰি খাই যাওঁ। আহা, আমি কাউৰীবোৰৰ দৰে উৰি খেলি জীৱন ধাৰণ কৰোঁ। এনেবোৰ গীতে উঠি অহা ল'ৰা-ছোৱালীবিলাকক কৰ্ম প্ৰেৰণাৰ প্ৰতি ইংগিত দিয়ে।

'নকজুমকায়' কৰি তেওঁলোক প্ৰধান ওজাৰ (পূজাৰী) ঘৰলৈ গৈ 'হৈ মাক' গীত গায়। এই গীত ওৰে ৰাতি গায়। পূজাৰ থলীতো এই গীত লানি নিছিগাকৈ গাই থাকে। এই গীত বৰ দীঘল। তলত এফাঁকি উল্লেখ কৰা হ'ল ঃ

"হৈ মাক হৈ মাক, আ---হা
বিছাই দিমচা মাই বাদি আৱা তামাই,

ছংদা চোঙা হাদামী দুমচাই---বা আয়া তামাই
বিছাই তাক ছামাই বাদি
ছাটা চাঙা হাদামী
বাতো খুৰাং হাদামী
বিছাই তইম্যুং আয়া তামাই
বাকাই ছানাং হাদামী তইম্যুং
বি হাওয়ো মানিম্যুং আয়া তামাই
হানু হাওয়ো মানিম্যুং আয়া তামাই
খুছান তিনি হাবাং য়ো মানিম্যুং আয়া তামাই
খুমান তিনি মানিম্যুং আয়া তামাই।"

অসমীয়া অৰ্থ ঃ হে আই তামাই ! তুমি কিয় কঠীয়াতলত নগজা ? আহু পথাৰত নগজা ? শালি পথাৰত নগজা ? যদিহে নল-খাগৰি আৰু বিৰিণা বনৰ পথাৰত নগজা, তথাপি বৰষুণ হোৱা পথাৰত, দিনৰ বেলিকা সূৰ্য্যৰ তাপ পোৱা আৰু ৰাতি চন্দ্ৰৰ পোহৰ পোৱা ঠাইত গজিবা। হে আই তামাই, তুমি দ আৰু সাৰুৱা মাটিতে গজিবা।

এইবোৰ বন্দনা জাতীয় গীত। ইয়াত 'তামাই' সম্বোধনে লক্ষ্মীকেই নিৰ্দেশ কৰিছে, যাক কৃষিৰ অধিষ্ঠাত্ৰী দেৱী ৰূপে পূজা কৰা হয়।

পূজাৰ থলীলৈ যোৱা পথত কাঠেৰে এটি কৃত্ৰিম 'কিল্লা' অৰ্থাৎ দুৰ্গ সজ্জিত কৰা হয়। পূজাৰ অন্তত ওভতি ঘৰলৈ ভক্তি আহোঁতে পূজাৰ থলীলৈ যোৱা আৰু নোযোৱা মানুহবিলাকৰ মাজত এই কিল্লাত কৃত্ৰিম যুদ্ধ হয়। ইয়াক 'কিল্লা ভঙোৱা' অনুষ্ঠান বুলি কোৱা হয়। কৃত্ৰিম যুদ্ধৰ ফলত কিল্লাটো ভাঙি যোৱাৰ পিছত এটি সমবেত নৃত্য-গীত সেই ঠাইতে পৰিবেশন কৰা হয়। গীতটি উল্লেখ কৰা হ'ল ঃ

"অৰেহং অৰেহং আয়া
নামা নাইচং চায়াচং আয়া অৰেহং।
হেৰ জামা ছাৰিয়া আয়া
নামা নাইচং চায়াচং আয়া অৰেহং।"

সৰলাৰ্থ ঃ হে আই চোৱা আমাৰ বাহুবল। আমি বিশ্ববিজয়ী বীৰ। আমাক অলপ পোহৰ আৰু শক্তি দিয়া, যাতে আকৌ বিশ্ব জয় কৰিব পাৰোঁ।

(খ) ৰংদানি ৰাভাসকলৰ বায়খো (ছিছোৱা) পূজাৰ গীত ঃ

ৰংদানি ৰাভাসকলৰ মতে---তেওঁলোকৰ প্ৰাচীন বীৰাংগনা হ'ল ছিছোৱা বা ছুছুৰী। সেয়ে এই বীৰাংগনা ছিছোৱাকে তেওঁলোকে খোক্‌চি বা বায়খো পূজাৰ মূল অধিষ্ঠাত্ৰী দেৱীৰূপে জ্ঞান কৰি পূজা কৰে। তলত দেৱীৰ আৰাধনাৰ গীত এটি উদ্ধৃত কৰা হ'ল ঃ

"হোয়ও আয়া ছিছোৱা,
আয়া ছিছোৱাণী পৰানো ইনাদে
আয়া ছিছোৱা।"

সৰলাৰ্থ ঃ হে আই, ছিছোৱা দেৱী। তুমি আমাৰ আন্তৰিক ভক্তিত সন্তুষ্ট হোৱা।

"আয়া ছিছোৱাণী, কান কানিনা দণ্ডা
তেমাছে হোয়ও আয়া ছিছোৱা।"

সৰলাৰ্থ ঃ হে দেৱী ছিছোৱা! আমাৰ ভক্তি পুষ্পাঞ্জলি গ্ৰহণ কৰা।

"আয়া ছিছোৱা, তন ছাৰা দণ্ডা তেমাছে,
হোয়ও আয়া ছিছোৱা।"

সৰলাৰ্থ ঃ আই দেৱী ছিছোৱা, আমাক ধন-ধানেৰে ঐশ্বৰ্য্যশালী কৰা।

"অঁচিমে মাৰুক্ষেত্ৰী জোৱা ইনাদে,
হোয়ও আয়া ছিছোৱা।"

সৰলাৰ্থ ঃ আমি বীৰ মাৰুক্ষেত্ৰীৰ বংশধৰ। বীৰৰ দেশতে আমাৰ জন্ম।

"অচিমে গেৰোক পাৰ্ছা
খেৰ্‌না লাগিয়া ইনা দে,
হোয়ও আয়া ছিছোৱা।"

সৰলাৰ্থ ঃ সেয়েহে, আমি সকলোৱে মিলি তোমাৰ চৰণত ভক্তি অৰ্চনা কৰিছোঁ, যাতে আমাকো তোমাৰ দৰে মহাশক্তিশালীকৰি তোলা।

"এ হেম্ প্রেমে !
ইউ-ইবা বছৰনি মাৰাংবা মাথাইৰা
নাঙো বা ৰাখুইতা পুৰেতা।
ইউ-ইবা নাঙোবা টৌ বানাং কুকুনাং ৰাখুৱে
ধূপি খ্যমান ৰায়েম্যন
বাম্চি খ্যমান ৰায়েম্যন্
নাঙো বা ৰাখুইতা পুৰেতা।
চিঙি চং, চিঙি হাদাম
হাচু গান্দা চুইটং লাগিয়া,
উনি বাদাং নাঙো বে, ৰাখুইতা পুৰেতা।"

সৰলাৰ্থ ঃ হে আই দেৱী ! আগন্তুক বছৰটোত তুমিয়ে আমাৰ কু-গ্ৰহৰ পৰা ৰক্ষাকৰ্ত্ৰী। সেয়ে, কুকুৰা বলি দি, ধূপ-ধুনা, পিঠাগুৰিৰে নৈবেদ্য আগবঢ়াইছোঁ। তোমাৰ আশীৰ্বাদত যাতে আমাৰ গাঁও, আমাৰ জন্মভূমি পৰ্বতৰ চূড়াৰ দৰে উচ্চ শিৰে নিৰাপদে থাকিব পাৰে।

(গ) ৰংদানি ৰাভাসকলৰ হাছং পূজাৰ গীত ঃ

ৰংদানি ৰাভাসকলে তেওঁলোকৰ প্ৰাচীন বীৰাংগনা ছিছোৰাক খোক্‌চি পূজাত মূখ্য দেৱী ৰূপে আৰোপ কৰিলেও বৰ্তমান কোনো কোনো অঞ্চলৰ ৰংদানি ৰাভাসকলে 'খোক্‌চি' পূজাৰ সলনি 'হাছং' বা বাস্তুদেৱতাৰহে পূজা কৰে। কিছুমানে হাছঙক দেৱী মহামায়া হিচাপেও গণ্য কৰে। এই পূজাৰ সময়ত সামূহিকভাবে আৰাধনা কৰি কৰা গীতৰ এফাঁকি উল্লেখ কৰা হ'ল ঃ

"ফই মাছি, ফই মায়, উই-উই-উই,
বান্‌চে, খকচে--ওয়ে-ওয়ে-ওয়ে"———ইত্যাদি

সৰলাৰ্থ ঃ আহা শস্য, আহা ধান, এখন কুলা নাইবা এটি খাং ভতি হৈ আহা।

(ঘ) ৰংদানি-মায়তাৰি ৰাভাসকলৰ অগ্নিপূজাৰ গীত ঃ

ৰংদানি আৰু মায়তাৰি ৰাভাসকলে সামূহিকভাৱে অগ্নিপূজা কৰে। কিছুমানে এই পূজা 'খোক্‌চি' পূজাৰ লগতো সহযোগী অনুষ্ঠান হিচাপে পালন কৰে। কাঠ বা বাঁহৰে সাত থাক (খলপা)

চিতাৰ দৰে সাজে। পূজাৰ শেষত ইয়াক পুৰি পেলায়। অগ্নি পূজাৰ আৰাধনাৰ গীত তলত যৎকিঞ্চিৎ উল্লেখ কৰা হ'ল ঃ

"আগাৰানী ছানা দে---এ আয়া
ব্ৰহ্মাণী ছানা দে---এ আয়া
নাঙি পূঠানি আচাৰ বানি বিচাৰ বানি ৰায়,
নাঙি খোৰপ্ থানি খাবেয়ান তোবেক্ থে-এ
চিঙি পালি প্ৰহৰিটাং, নাঙি চালাম চিঙি ৰায়।"

সৰলাৰ্থ ঃ হে আই অগনি দেৱী। মাতৃ স্বৰূপিনী। আমি প্ৰাচীন আচাৰ-নীতি সাৰোগত কৰি পৰিত্ৰ ঘিলা গুটিৰে মিহলি পৰিষ্কাৰ পানীৰে স্নান কৰি আহিছোঁ। আমি তোমাক সকলোৰে দেৱী জ্ঞান কৰি, ভক্তি বিশ্বাসেৰে প্ৰণাম কৰি শ্ৰদ্ধাৰে অঞ্জলি যাচিছোঁ।

(ঙ) কোঁচ ৰাভাসকলৰ ৰুণটুক বাছেক পূজাৰ গীত ঃ

কোচবিহাৰ, জলপাইগুৰি জিলাত আৰু গোৱালপাৰা জিলাৰ উত্তৰ অঞ্চলত বাস কৰা কোঁচ ৰাভাসকলে গৃহদেৱী হিচাপে ৰুণটুক আৰু বাছেক পূজা কৰে। এই পূজা কৰা হয় ভূত-প্ৰেত, বেমাৰ-আজাৰ, বিপদ-আপদৰ পৰা হাত সাৰিবলৈ। তদুপৰি, ধন-ধান কামনা কৰাও এই পূজাৰ অন্যতম উদ্দেশ্য। তেওঁলোকৰ ধাৰণা, ৰুণটুক আৰু বাছেক বায়েক-ভনীয়েক। সেয়ে, একেলগে দুয়ো দেৱীক পূজা কৰে। পূজাৰ সময়ত দেউৰীয়ে (পূজাৰী) তলত উদ্ধৃত স্তোত্ৰ উচ্চ সুৰে গাই দেৱীৰ আৰাধনা কৰে ঃ

"হল জল জিনীউ,
হল জল জিনীউ,
সোনা নাগী নাৱীউ,
সোনা নাকটাং নাবীউ,
হাতীৰাই টাছাই
ধোঁৰা বীউ টাছাই,
হল জল জিনীউ,
হল জল জিনীউ।"—ইত্যাদি

সৰলাৰ্থ ঃ হে আই কনটুক, বাছেক ! তোমালোক দুয়ো বাই ভনী।
হে কনটুক ! তোমাৰ কাৰণে সোণৰ ঘৰৰ ব্যৱস্থা কৰিছোঁ।
হে বাছেক ! তোমাৰ কাৰণেও ৰূপৰ ঘৰৰ ব্যৱস্থা কৰিছোঁ !
আমাৰ প্ৰতি কৃপা আছে নে ? হাতীৰ পিঠিত উঠি উভতি
নাযাবা। ঘোঁৰাৰ পিঠিত উঠিও উভতি নাযাবা। হে কনটুক,
হে বাছেক ! আমাৰ প্ৰতি কৃপাপৰবশ হোৱা।

(চ) গ্ৰিমবুদাৰ গীত ঃ

গ্ৰিমবুদা (দাৰ্মাং) পূজা ৰংদানি আৰু মায়তাৰি সকলৰ এটি শাৰদীয় প্ৰধান উৎসৱ। ই প্ৰধানকৈ খেতি উৎসৱ। গ্ৰিমবুদাৰ লগতে কেবাটিও সহযোগী দেৱ-দেৱীৰ পূজা কৰা হয়। তাৰ ভিতৰত 'তুৰা লাক্ষী' শস্যৰ ৰক্ষাকৰ্ত্ৰী আৰু পোক-পৰুৱা নিবাৰণকাৰী দেৱী। 'লক্ষী'ৰ পূজা মণ্ডপত পূজাৰ আগতে গাঁৱৰ প্ৰতিজনৰ খেতি-পথাৰৰ পৰা এথোককৈ ধান আনি জমা ৰখা হয়। গ্ৰিমবুদা পূজাৰ অন্তত ঘৰলৈ অহাৰ সময়ত প্ৰত্যেক ঘৰৰ অকুমাৰী ছোৱালীয়ে সেই মণ্ডপৰ পৰা এথোককৈ ধান নতুন 'কাম্বুং' কাপোৰেৰে বোকোচাত বান্ধি ঘৰলৈ লৈ আহে। সিহঁতৰ পিছে পিছে ৰাইজে তলত লিখা গীতটি গাই গাই নাচি বাগি আহে।

"কৈ হাম্বিছা কৈ কুৰিছা কৈ,
হি হি ওই।
কৈ আছু, কৈ শালি কৈ
হি হি ওই।
কৈ হাম্পা কৈ মাই কৈ
হি হি ওই —ইত্যাদি

সৰলাৰ্থ ঃ আহা ৰাইজ, আহা। আহা শালি, আহা। আহা আহু, আহা। আহা কঁপাহ, আহা। আহা লক্ষী আহা।

(ছ) বেমাৰ আজাৰৰ লগত জড়িত দেৱতাৰ পূজাৰ গীত ঃ

ৰাভাসকলে অপায়-অমঙ্গল আৰু বেমাৰ আজাৰৰ লগত্তো বিভিন্ন দেৱতা-অপদেৱতা আদি জড়িত থকা বুলি বিশ্বাস কৰি তেওঁলোকক

পূজা-সেৱা আগবঢ়ায়। তেনে কৰোতেও গীত-মাত পৰিবেশন কৰা হয়। উদাহৰণস্বৰূপে পৰিয়ালৰ কোনো মানুহৰ সন্ধ্যাৰ সময়ত সদায় জ্বৰ হৈ থাকিলে গৃহস্থৰ চোতালত এটি পূজা কৰা হয়। পূজাৰীয়ে তলৰ গীতফাঁকি স্তোত্ৰ আকাৰে উচ্চ সুৰে গায়ঃ

অহো! খুছামি ৰাই জকদি।
হানাছে বিছাই তইমেন?
খ্যোছান্ তিনি তইমেন?
কাৰাহা তইমেন?
কামাহা তইমেন?
খ্যোছান্ তিনি হাদামী তইমেন?
ক্যেমান্ তিনি হাদামী তইমেন?

\+ \+ \+

মেৰামতি ৰাইমেন
খ্যোম্পাৰ মতি ৰাইমেন
বাম্চি পিঠাৰ ৰাইমেন
ৰাইচিদুৰি ৰাইমেন
ৰাবাদুৰি ৰাইমেন
বলিৰো তুনুৰা—বাদাবো তুনুকা।—ইত্যাদি

সৰলাৰ্থ ঃ হে সন্ধ্যাৰ দেৱতা! তুমি ক'ত আছা? ঠাওাত আছ নেকি? ওখ ঠাইত আছা নেকি? নামনি ঠাইত আছা নেকি? যতেই নাথাকা কিয় মেৰা গছ লৈ, মাৰ্লঞ্চি ফুল লৈ, পবিত্ৰ, চাউলৰ গুৰি লৈ, পবিত্ৰ চাউলৰ পিঠা লৈ, কলৰ পাত লৈ নৈবেদ্য লৈ, বলি বিধান দি তোমাৰ পূজা কৰিছোঁ। —ইত্যাদি। সাধাৰণতঃ অবিৰাম জ্বৰ, মূৰ আৰু সৰ্বশৰীৰৰ বিষ-বেদনা

আদিৰ লক্ষণত ঝাকুৰা বা বাক্ৰাবায়ৰ পূজা কৰা হয়। ৰোগীৰ ঘৰৰ চোতালত কলগছ আৰু তাৰ বাকলিৰে যোঁবাৰ আকৃতিৰে এটি প্ৰতিকৃতি তৈয়াৰ কৰা হয়। প্ৰধান দেউৰীয়ে এটা লাউ-টোকাৰী বজাই স্তোত্ৰ আকাৰে উচ্চ সুৰে গীতটি গায়, সহকাৰী দেউৰীজনে তাল বজাই যায়। গোটেই ৰাতি জানি নিছিগাকৈ গীত গায়। গীতৰ

সকলো মানুহে সেই ৰাতি উজাগৰে থাকিবলগীয়া হয়। ৰংদানি-মায়ভাবি ৰাভাসকলে এই ধৰণে পূজা কৰে। অন্যান্য ৰাভাসকলে এই পূজা কৰিলেও পূজাৰ পৰিবেশন-পদ্ধতি বেলেগ বেলেগ। তলত থলুৱা অসমীয়া ভাষাত ৰচিত গীতৰ এটি অংশ নমুনা হিচাপে উল্লেখ কৰা হ'ল—

| | |
|---|---|
| ভজৰে বুঢ়া লাওাই, | ভাৰিয়া ভাৰিয়া ল— |
| ভজৰে বুঢ়া লাওাই, | ভাৰিয়া ভাৰিয়া ল— |
| মাথাৰে বিষ বান | গলাতে নাম, |
| গলাৰে বিষ বান | বুকুতে নাম, |
| বুকৰে বিষ বান | পেটতে নাম, |
| পেটৰে বিষ বান | কোমৰতে নাম, |
| কোমৰৰে বিষ বান | গাট্টুতে নাম, |
| গাট্টুৰে বিষ বান | গাওঁতে নাম |
| ভজৰে বুঢ়া লাওাই | ভাৰিয়া ভাৰিয়া লং—ইত্যাদি। |

পূজাৰ অন্তত মণ্ডপটো ভাঙিবৰ সময়ত তলৰ গীতটি গায়—

| | |
|---|---|
| এ, পুবেৰ শৰ, | না পশ্চিমেৰ শৰ ? |
| উত্তৰেৰ শৰ, | না দক্ষিণেৰ শৰ ? |
| ৰামেৰ শৰ, | না লক্ষণেৰ শৰ ? |
| ভাঙিয়া চিঙিয়া | তামাতিক্লি কৰ। |
| এ, ভজৰে বুঢ়া লাওাই | ভাৰিয়া ভাৰিয়া লং —ইত্যাদি |

(ভ) বীৰা খেদাৰ মন্ত্ৰ ঃ

লোক বিশ্বাস মতে বীৰা এবিধ অপ-দেৱতা। বীৰাই মানুহৰ ঘৰত কাঠৰ টুকুৰা, শিল, মাটি আদিৰে দলিয়াই অত্যাচাৰ কৰে। কিছুমান হিংসাকুৰীয়া ওজাই তেওঁলোকৰ শত্ৰুৰ পৰিয়ালৰ মানুহৰ ওপৰত এনেধৰণে অত্যাচাৰ কৰিবলৈ নিজৰ পোহনীয়া বীৰাক নিয়োজিত কৰে। এই সময়ত মানুহজন বলিয়াৰ দৰে হৈ পলাই যাব খোজে। তেতিয়া এই বীৰাক পূজা দি মন্ত্ৰৰ দ্বাৰা খেদিবলগীয়া হয়। এই বীৰা দেখা মন্ত্ৰ বোৰকেই ওজাই উচ্চ সুৰে গীত আকাৰো গায়। তলত এটি অংশ উদ্ধৃত কৰা হ'ল। ইয়াৰো ভাষা থলুৱা অসমীয়া—

ওই, ডালৰে বীৰা, না পাতৰে বীৰা ?
আকাশৰে বীৰা, না পাতালৰে বীৰা ?
হা বীৰা, হা বীৰা, হা—
ওই বীৰ মন চাইতে কায়ও নাৰাছে
হা বীৰা, হা বীৰা, হা—
ছেওৰা গাছৰ পাতে জনম পায়য়া,
ছেওৰা গাছৰ পাততে কৰম পায়য়া
বীৰানি হাম্বা-—ও বীৰানি হাম্বা,
বীৰানি হাম্বা ও বীৰানি হাম্বা।

## ২॥ বিবাহ শ্ৰাদ্ধাদি সামাজিক অনুষ্ঠানৰ গীত

(ক) ৰংদানি ৰাভাৰ ফাৰকান্তিৰ গীত ঃ

ৰাভাসকলে জন্মান্তৰবাদ স্বীকাৰ কৰে। ৰংদানি ৰাভাসকলে মৃত্যুৰ পিছত পোনপটীয়াকৈ মানুহ জন্ম পাবলৈ কামনা কৰে। সেয়ে মৃতকৰ ফাৰকান্তিৰ (আদ্যশ্ৰাদ্ধ) দিনা মৃতকৰ আত্মাক সম্বোধন কৰি আত্মীয়-কুটুম্বসকলে কৰুণ সুৰে গীত গায়। গীতৰ কিছু অংশ তলত তুলি দিয়া হ'ল ঃ

ফেনচা নাং নেম্‌কায় ৰাভানি নাকী জনম ৰাখু।
পানফাৰ-চাম জনম টাৰাখু, ফাৰনি বাৰ ছয় ছানো।
টো হানছিং জনম টাৰাখু, কায়াটাং থতকায় ছানো।
মাছু মিছি জনম টাৰাখু, কায়টাং হাল বায়নো।
চং-কাংকু জনম টাৰাখু, টো খিজান ছানো। ইত্যাদি

সৰলাৰ্থ ঃ পুনঃ তুমি সম্ভ্ৰান্ত ৰাভা পৰিয়ালত জন্ম গ্ৰহণ কৰিবা।
গছ-গছনি ঘাঁহ বন হৈ জন্ম নলবা,
বনৰ জুয়ে পুৰি মাৰিব।
হাঁহ-কুকুৰা হৈ জন্ম নলবা,
মানুহে মাৰি খাব।
গৰু-ম'হ হৈ জন্ম গ্ৰহণ নকৰিবা,
মানুহে হাল বাব।
পোক-পৰুৱা হৈও জন্মলাভ নকৰিবা,
চৰাইবোৰে খাব।

(খ) মায়তাৰি ফাৰকান্তি বা তবাং কান্তিৰ গীত ঃ

মায়তাৰি বাভাসকলে বিশ্বাস কৰে যে মৃতকৰ আত্মা ফাৰকান্তি বা তবাংকান্তি অনুষ্ঠান সমাধা নোহোৱালৈকে ধৰাহৰূপী ভগৱানৰ লগত লীন হৈ থাকে। তাৰ পিছতহে কৰ্মফল অনুযায়ী জন্মান্তৰ ঘটে। সেয়ে ফাৰকান্তিৰ দিনা বাঁহ্ৰ টঙালেৰে এটা গাহৰি আৰু এটা বাঘৰ খাং তৈয়াৰ কৰা হয়। সমাজৰ দুজন মানুহে এই খাং পিন্ধে। গাহৰিৰ খাং পিন্ধা মানুহজন বাৰীৰ কোণত লুকাই থাকে আৰু বাঘৰ খাং পিন্ধা মানুহজনে তাক ধৰিবলৈ লুকাই থাকে। চোতালৰ মণ্ডপত মৃতকৰ আত্মাক অৰ্পণ কৰা সকলো বস্তু যতনাই থোৱা হয়। তাৰপিছত মৃতকৰ ভাগিনীয়েক-জনীয়ে মৃতকক গীতৰ সুৰে চিঞৰি চিঞৰি মাতিবলৈ ধৰে—

"ফই ফই খাছি আতানা
এঞ্চক ছানি তামান চাকি তোৱা
নাঙো মাচ্ছা কাবাই, মাধা কাকাই
লক্ৰা কাকাই ফই ফই ফই---"

সৰলাৰ্থ ঃ আহা, আহা, আহা খাহী গাহৰি। কিয় ইমান পলম কৰি আছা। তোমাক বাঘে খায়, ভালুকে খায়, লক্ৰায়ো খায়। সোনকালে আহি তোমাক দিয়া ভোজনখিনি খাই যোৱা। আহা, আহা—আহা—

মাত শুনিলেই গাহৰিৰ খাং পিন্ধা মানুহজন গাহৰিৰ দৰে খোজ কাঢ়ি আহিবলৈ ধৰে। বাটত বাঘৰ খাং পিন্ধা মানুহজনৰ লগত কৃত্ৰিম যুঁজ হয়। যুঁজত বাঘৰ খাং পিন্ধা মানুহজন হাৰি পলাই যায়, আৰু গাহৰিৰ খাং পিন্ধা মানুহজনে চোতালৰ মণ্ডপলৈ আহি মৃতকৰ আত্মাৰ কাৰণে সজাই ৰখা প্ৰত্যেকটো পাত্ৰ স্পৰ্শ কৰি যায়।

(গ) দাহৰি ৰাভাৰ তৰঙাৰ গীত ঃ

দাহৰি ৰাভাসকলো পুনৰ্জন্ম বিশ্বাসী। তেওঁলোকেও মৃত্যুৰ পিছত মানুহ জন্ম গ্ৰহণ কৰা ধাৰণা নকৰে। সেয়েহে তৰঙাৰ (আদ্যশ্ৰাদ্ধ) দিনা মৃতকৰ আত্মাক সম্বোধন কৰি জ্ঞাতি-কুটুম্বসকলে সমস্বৰে গায় ঃ

"অ' বাবাৰে, ক'ত গেলিৰে আমাক এৰিয়া বাবা
ক'ত গেলিৰে আমাক ছাৰিয়া বাবা—
নিজৰ হাতে ভাজিলং ভাজিলং কাৰা—
খায়য়া যা খায়য়া যা বাবা—"

\+ \+ \+

"অ' বাবাৰে, বাঘ হইয়া—নলবি নলবি জনম,
ঝাপ পাৰেয়া মাৰিব মাৰিব তোক।
টুৱাৰ হইয়া—নলবি নলবি জনম,
জাল পাৰেয়া মাৰিব মাৰিব তোক।
চৰে হইয়া—নলবি নলবি জনম,
গুটি আহিলে মাৰিব মাৰিব তোক।"

\+ \+ \+

"গুগু হইয়া নাহিবি—কান পাৰেয়া খাব।
গৰু হইয়া নাহিবি—হাল বায়য়া খাব।
মাছ হইয়া নাহিবি—জাকা মাৰিয়া খাব।
মানু হইয়া আহিবি—আতিবি ৰে বাবা—
অ—হো—হো।"

মানুহ জন্ম নাপাই অন্য জন্ম পালেও তেওঁলোকে কামনা কৰে সাক্ষাত, পৰিচয় আৰু যোগসূত্ৰ—

"গুগু হইয়া দিবিৰে মোকে দেখা,
চাকক হইয়া কবিৰে মোকে কাথা।
তৰমুচি হইয়াৰে খুজিবি খুজিবি পানী,
বাটি ভৰাইয়া দিমৰে তোক আনি।" ইত্যাদি

(ঘ) দাহৰি ৰাভাসকলৰ তৰঙাত ভূত-প্ৰেতাদি খেদা গীত :

দাহৰি ৰাভাসকলে তৰঙাৰ (আদ্যশ্ৰাদ্ধ) পিছতো মৃতকৰ ঘৰৰ পৰিবেশৰ কোনো ঠাইত শ্মশানৰ ভূত-প্ৰেতাদি লুকাই থাকে বুলি সন্দেহ কৰে। সেয়েহে শ্ৰাদ্ধৰ কাম সমাপন হৈ যোৱাৰ পিছতো সমাজৰ প্ৰত্যেক মানুহে গৃহস্থৰ প্ৰত্যেক ঘৰৰ চাল-বেৰ, বাৰীৰ

গছ-গছনি, খেৰ-পুঁজি আদিত মাৰি বা লাঠিৰে কোবাই কোবাই ভীষণ শব্দ কৰে, যাতে কোনো ঠাইত লুকাই থকা ভূত-প্ৰেতাদি ভয়তে পলাই যায় আৰু লগে লগে তলৰ গীতফাঁকি উচ্চ সুৰে গাই জীৱন কোঢ়াল লগায় ঃ

"হিউ হিউ হিউ তয় খালিছা (ভাই), ময় খালিচা
একটা বিলৰ মাছ,
তয় মৰিলে ময় মৰিলে
কোমৰত ধৰিয়া নাচ।"

(ঙ) কোঁচ ৰাভাৰ শ্ৰাদ্ধৰ গীত ঃ

কোঁচ ৰাভাসকলেও আদ্য শ্ৰাদ্ধৰ দিনা মৃতকৰ আত্মাক মায়-চকো (ভাত-আঞ্জা) অৰ্পণ কৰি উচ্চ স্বৰে গীতৰ আকাৰে এইদৰে গায়—

"লেম্‌মতে লমাইম্যান, লায়ীতানা না না,
চংমতে চঙাই তানা—
নংনি আকাই পাগালি জু লায়ী তানা,
নুংনি হুতং তেনে মীনা দাঙা না দাঙাইচাং—"

সৰলাৰ্থ ঃ তোমাৰ জেঠায়েৰাই ৰান্ধি বাঢ়ি তোমাক খাবলৈ দিছে। তোমাৰ মুখত ৰুচি হয়নে নহয় নাজানো খোৱা।

## ৩॥ প্ৰেম আৰু আসক্তিৰ গীত

(ক) মায়তাৰি ৰাভাসকলৰ মাজত কিছুমান প্ৰেম আৰু আসক্তিৰ গীত পোৱা যায়। এইবোৰৰ সৰহভাগতে প্ৰতিধ্বনিত হৈছে—অবিবাহিত যুৱক-যুৱতীৰ পৰস্পৰৰ যৌন মিলনৰ বাবে অন্তৰৰ আকুতি। কিছুমানত ব্যক্ত হৈছে—স্বামী-স্ত্ৰীৰ অভিমানজনিত প্ৰেমৰ প্ৰতিফলন। কিছুমানত জীৱন্ত হৈ উঠিছে নাৰীৰ বিৰহ-বেদনাজনিত মনৰ ক্ষোভ আৰু কিছুমানত প্ৰকাশ পাইছে ভিনীহিয়েক খুলশালীয়েকৰ সম্বন্ধৰ মাজত থকা সৰল বা গোপন আসক্তজনিত প্ৰেমৰ গভীৰ অনুৰাগ। ইয়াৰে সৰহভাগ গীত ডেওঁলোকৰ ৰাজহুৱা

ধৰ্মীয় বা কৰ্ম-কাণ্ডমূলক অনুষ্ঠানৰ ভিতৰুৱা, ব্যক্তিগত অনুভূতিৰ প্ৰতিফলন নহয়।

(ক) বায়খো ট্ৰিক্‌কায় চায় (চাথাৰ) ঃ

ৰংদানি মায়তাৰি ৰাভাসকলৰ বছেৰেকীয়া জাতীয় উৎসৱ বায়খো পূজাত ‘বায়খো ট্ৰিক্‌কায়’ গীত অবিবাহিত ডেকা-গাভৰুসকলে পৰিবেশন কৰে। তেওঁলোকৰ ধৰ্ম কিম্বা বিশ্বাসমতে বসুমতী আৰু কোনোবা অজানা পুৰুষৰ যৌন মিলনতহে পৃথিৱীত জনন-শক্তিৰ বিকাশ হৈছে। এই সৃষ্টি কল্পনাক কেন্দ্ৰ কৰিয়েই তেওঁলোকেও এই উৎসৱত ডেকা-গাভৰুৰ প্ৰণয়মূলক নৃত্য-গীত পৰিবেশনৰ দ্বাৰা, যৌন মিলনৰ এটি অনুভূতি যোগাবলৈ বসুমতীক ইংগিত দিয়ে যাতে তেওঁলোকৰ খেতি-পথাৰ শস্যৰে নদন-বদন হয়। বিবাহিত কোনো মতা-তিৰোতাই এই নৃত্য-গীতত অংশ গ্ৰহণ কৰিব নোৱাৰে, এনেকি শ্ৰোতাও হব নোৱাৰে। এই নৃত্য গীত ওৰে ৰাতি পৰিবেশন কৰা হয়। ডেকা বা গাভৰুৰ যি কোনো দলৰ নায়ক বা নায়িকা নৃত্য-গীতত পৰাজিত হব লগা হলে বাধ্যতামূলকভাবে সিদিনাই তাৰ প্ৰতিদ্বন্দ্বী নায়িকা বা নায়কে সামাজিকভাবে বিবাহপাশত আবদ্ধ হব লাগে। তদুপৰি আন কোনো ডেকা গাভৰুৰ মাজতো এই প্ৰণয় ভাব জন্মিলে সিহঁতৰ মিলন হোৱাত কোনো বাধা নাই। বৰং এই দাম্পত্য মিলনক পবিত্ৰ মিলন বুলিহে ধৰি লোৱা হয়। এই গীতৰ নমুনা কেইটিমান তলত উল্লেখ কৰা হ'ল—

গাভৰুদল ঃ “আলি আলি বেৰালি আলি চিনাজোক
চি এনা এনচানি সালে,
বাতাপাৰা লোকৰে বাতপাৰা লোক। (হৰাছৈ, হৰাছৈ)
সাৰা হাতু ঘৰাইবা, দয় ভাঙান ভংচা,
আতা বায়খো, চায়বা সালে,
মুকবাৰ কায়ো ভংচাৰে মুকবাৰ কায়ো ভংচা।”

সৰলাৰ্থ ঃ আলিয়েদি খোজ কাঢ়োতে চিনাজোক পোৱা যায়। হে বন্ধু, চিনি পোৱা নে নোপোৱা? আমি বাতাপাৰৰ গাভৰু। পাহাৰে পাহাৰে ঘূৰি ফুৰিও—আমলা টেঙাৰ গছ এজোলকে দেখা

নাপাওঁ। (হয়, হয়,) এনেকি এই বাৰখো পুজাতে আহিও পছন্দ হোৱা বন্ধু এজনকো দেখা নাপাওঁ।

ডেকাদল ঃ "আঙান তোৱা।"

সৰলাৰ্থ ঃ ময়ে আছোঁ দেখোন ?

গাভৰুদল ঃ "মায় ৰবং চাকায়বে, চাক ৰবেং ৰবেংবে
চাক ৰবেং, ৰবেং,
চিঙি মুকবাৰ বাকায় বে সালে। (হৰছৈ, হৰছৈ)"

সৰলাৰ্থ ঃ ধানৰ জন্ম নৌহওঁতে পাতবোৰ দেখিবলৈ খুব ধুনীয়া। হে বন্ধু! আমাৰ পছন্দ হোৱা মানুহজনৰ মুখখনো তদ্ৰূপ ধুনীয়া। (হয়, হয়)

ডেকাদল ঃ "আতো টেমো আগ্ৰো ববায়নো,
মনে ৰিবাচাৰে, মনে ৰিবাচা,
নাৰং পেকে, সাথাৰ টেমো সালে,
মনে ৰিবাচাৰে, মনে ৰিবাচা। (হৰছৈ, হৰছৈ)।"

সৰলাৰ্থ ঃ কি কম, কি নকম, তোমাক কবলৈ কথা মনত নপৰে ; আৰু তোমাৰ লগত গাবলৈও গীত মনত নপৰে। (হয়, হয়)।

গাভৰুদল ঃ "লামদানি মাছুচিকায়, কেংজু বক্চো চৰো,
চিঙি মুকবাৰ বাকায়-বে সালে,
ভাকাম বক্চো চৰোৰে-ভাকাম বক্চো চৰো।"

সৰলাৰ্থ ঃ ভৈয়ামত মৰা গৰুৰ হাড়বোৰ বগা হৈ পৰি থকাৰ দৰে আমাৰ পছন্দ হোৱা বন্ধুজনৰ দাঁতবোৰো দেখিবলৈ বগা।

ডেকাদল ঃ "লামদিনি হৰিতাল, লেক্ষাং ফাঙি পাকা
বিচিনে-বে, দৰায়তাং সালে,
চিঙি কানো পাকাৰে, চিঙি কানো পাকা।"

সৰলাৰ্থ ঃ ভৈয়ামৰ হৰিতাল চৰাই পাখিৰ (বট) গছত পৰাৰ দৰে কোনোবা বান্ধৱীও অজানিতে আমাৰ গাত হাত দিছে।

গাভৰুদল ঃ "আচৰ মায়নি চকো ৰাংচি, বেংস্লি-বা তাচি
মুক্বাৰ কায়ো, মানচা দংবে সালে,
ফেনে-বা তাচিৰে—ফেনে বা তাচি।"

সৰলাৰ্থ ঃ হে বন্ধু, বৰা চাউলৰ মদৰ ৰস নাখাবা, মোৰ পিনেও দৃষ্টি নকৰিবা। হায়, হায়! পছন্দ হোৱা বন্ধু এজনকো লগ নাপালোঁ।

ডেকাদল ঃ দহলায়নি নালুক বে

ৰৰদাম টৈপু টৈপুৰে, ৰৰদাম টৈপু টৈপু,
ৰাতাপাৰা দৰায়া সালে সালে।"

সৰলাৰ্থ ঃ হে বান্ধে! নামনিত থকা সৰু সৰু বেংবিলাকৰ পেটবোৰ ডাঙৰ ডাঙৰ। তেনেকৈ ৰাতাপাৰাৰ গাভৰুসকলৰ পেটবোৰো ডাঙৰ ডাঙৰ।

গাভৰুদল ঃ "দুতি বা লেমা-জেমা, দো চিবা নায়,
মুককানি চতৰ ৰতৰ সালে সালে
টেকা বা নায়ৰে, টেকা বা নায়।"

সৰলাৰ্থ ঃ গামোচাখন দীঘল ওলমি পৰা। কিন্তু ঘৰত চাকি জ্বলাবলৈ শলিতা এডালিও নাই। মুখখনহে কেৱল কথা-চহকী। টকা পইচা কিন্তু নাই।

ডেকাদল ঃ "লামদানি পচো মুনকায়,
চিমে আশা খাৰ্চাৰে, চিমে আশা খাৰচা,
নাৰং দৰায় তংৰা না সালে সালে। (হৰছৈ হৰছৈ)

সৰলাৰ্থ ঃ ভৈয়ামত থকা পকা আম খাবলৈ আশা নকৰাৰ দৰে তোমালোকৰ দৰে গাভৰুকো পাবলৈ আৰু আমি আশা নকৰোঁ (হয়, হয়।)

(খ) বংদানি ৰাভাৰ ভিনীহি খুলশালী সম্বোধনযুক্ত গীতৰ নমুনা ঃ

গাভৰুদল ঃ "প্যাজাৰ বক্কায় কানে নামে, চাঙো তোৱা চামে
অ' সোনা গিমিকায় বিচি তোৱা নামে?

তোৱা দংৰে নাঙি চাংৰা, সোনা নুক্বাৰ কায়,
সোনা দাৰায় অ' দঙো কানি চিঙামান্দায়

সৰলাৰ্থ ঃ অ' ভিনীহি, তোমাৰ স্বভাৱ নুবুজিলোঁ আজি,
কাৰবাবে আছা ভিনিহী শুৱনিকৈ সাজি ?
আছে বোধহয় তোমাৰ ভিনীহি কোনোবা এজন
মৰমৰ গাভৰু তোমাৰ কোননো সিজনী ?

ডেকাদল ঃ "চিঙা কাইয়ান নেমচাৰে, টোংচা নুকবাৰ কায়,
জিব্ৰা-বাব্ৰা তোবা চিঙি, চিঙা 'মাঙাৰ' কৰায়।
আছাৰ মাছি ৰাংফাকায়, ঢোক-বকি নুক্জো,
বায়খো হাদা মিছে বান্দায়, নাৰন্তি মুখাং নুক্জো।"

সৰলাৰ্থ ঃ আমি কুৎসিৎ মানুহ, হায়, নহওঁ দেখনিয়াৰ,
পিতা-মাতা আছে আমাৰ, বাৰায় মাঙাৰ।
আহাৰ মাহৰ বৰষুণৰ দেখিলো ঢলপানী,
বায়খো পুজাত দেখিলোঁ চেনাই, তোমাৰ মুখখনি।

গাভৰুদল ঃ "হাঙাৰ গাণ্ডা থাকেটং, ৰাংগ্ৰে গাণ্ডা দংচা
মুকবাৰ কায়ো মানচা দংৰে মুনি শান্তি টোংচা।"

সৰলাৰ্থ ঃ চন্দ্ৰ বিনে হাঙাৰ তৰাই কিবা শোভা পায় ?
চকুত লগা জনৰ বিনে শান্তি নাই।

ডেকাদল ঃ "আতা ছাতা ছাতাৰে দাপোন লো ছাতা,
মুকবাৰ কায়ো নুক্ দংবে,
নাৰন্তি মুনিন ব্ৰাতা।"

সৰলাৰ্থ ঃ শিমলুৰে তুলাবোৰ উৰি উৰি গই
খাগৰিৰ আগলিতে পৰি থাকে ৰই।
তোমাৰ কোমল মনটিও উৰি ঘূৰি হায়!
মনে খোৱাজনৰ হিয়াত লাগি পমি যায়।

গাভৰুদল ঃ "টোপলা আছাম কুই বাঁটা
লাগিয়া ৰাংছাং পৰছা।
মানছা উনান মিনি খেৰকায়,
টিং টিং টাং টাং কাথা।"

সৰলাৰ্থ ঃ তিনি টোপোলা তামোল কটাৰ খাই এটালোঁ
এটি বেলি দুয়ো বহি কথাতে কটালো।
তথাপি নাপালোঁ বন্ধু, তোমাৰ সঁহাৰি
একেবাৰে নিদিলা তোমাৰ মনৰ খাতিৰি।

ডেকাদল ঃ "টুখুৰ মান্দায় মিলে পুৰে,
কাৰাং তোৰা কিড়ুঙে।
দুখী হাংসিং চিম্‌কায় চাতালী,
বিৰে তোৰা কিড়ুঙে।"

সৰলাৰ্থ ঃ কপৌটিয়ে ৰুণ দিয়ে উৰি আকাশত,
হাঁহিটিয়ে দেখি থাকে জেকা চোতালত।
হায় বান্ধৈ! তুমি কপৌ দূৰ আকাশৰ,
হাঁহিটি যে মই বান্ধৈ, জেকা চোতালৰ।

(গ) দাহৰি ৰাভাৰ প্ৰণয়মূলক গীত ঃ

দাহৰি ৰাভাসকলৰ তৰঙাত (শ্ৰাদ্ধত) অবিবাহিত ডেকা গাভৰু-সকলে প্ৰণয়মূলক নৃত্য-গীত পৰিৱেশন কৰে। এনেবোৰ গীতৰ মাজেৰে তেওঁলোকে মুক্ত আৰু স্বাধীনভাবে যৌবনৰ অনুভূতি দিবলৈ সুবিধা পায়। লগতে এটি হাস্যমধুৰ পৰিৱেশ সৃষ্টি কৰি সমজুৱাৰ চিত্ত বিনোদন কৰে। বিবাহিত মতা-তিৰোতাই এই নৃত্যগীতত অংশ গ্ৰহণ কৰিব নোৱাৰিলেও শ্ৰোতা হোৱাত কোনো বাধা নাই। এনে গীতৰ নমুনা তলত উদ্ধৃত কৰা হ'ল ঃ

ডেকাদল ঃ ঝাকে উৰে, ঝাকে পৰে কাণ কৰালী চাৰুক
কাপুৰতে বান্দিয়া দিম মন ভুলানী দাৰুক।

গাভৰুদল ঃ ছোটপাৰা ডাঙৰ হলং, আয়া নিদিলে বিয়া,
অ বাবাও নিদিলে বিয়া;
দাৰুক নালাগে—নালাগে ভাই, যাম মন্ন যাচিয়া।

ডেকাদল ঃ কালাই খাওয়া চগৰা, লেটু ভম্ভৰা,
জোৰ হাঞ্চা পিন্দাগো, মোৰহে খখৰা।
অ' ঝাৰে ঝাৰে বেৰালং ৰাখো পাগলা,
মন্ন মন খাৱা গো চালী মুৰু চাকালা।

গাভৰুদল ঃ ঢাক বাজায় ঢাকুৱা, ঢাকৰ বচকে নাই,
ওই বাজি দিয়াবে ভাই, কিয় আমাক ভুলাবা চায়।

ডেকাদল ঃ ঢাকক কান্দে চুই-চাই চুই-চাই,
কাশৰ আগালিত চালী,
নাচিবাক নাজানে নাজানে চালী,
নাম তাৰ তবেং পাগালী।

গাভৰুদল ঃ মাছ মাৰং নামাৰং, জাখা হেলেঙা
ভাই, জাখা হেলেঙা,
কুন গায়াঁ চেংৰা ভাই দেক পাকেয়া।

(ঘ) কোঁচ ৰাভাৰ ব্যংগমূলক গীতৰ মাজেৰে কোঁচ ৰাভাৰ ডেকা গাভৰুৰ মাজৰ আকৰ্ষণ প্ৰকাশিত হয়। কঠোৰ কৰ্মব্যস্ততাৰ মাজতো বিভিন্ন ব্যংগ গীতৰ মাধ্যমেৰেই তেওঁলোকে জীৱনৰ আনন্দ উপভোগ কৰে। তেনে গীতৰ নিদৰ্শন দাঙি ধৰা হ'ল।

ডেকাদল ঃ "আঁই আনাও গাগৰাইজু
কীমলৌ কাপ্‌চা
কীমতাং কাপচাজু
আঁই আনাও মসল লংজু
চাং হীনা নীঙো
চাং লানা নীঙৌ---নে আনাও।"

সৰলাৰ্থ ঃ অ' মোৰ মৰমৰ ভনিটী
তুমি ভাল শিপিনী নোহোৱা।
তুমি নাজানা কেনেকৈ চলিব লাগে,
নাইবা প্ৰিয়জনক কেনেকৈ চলাব লাগে।
তোমাক কোনেও বিয়া নকৰাব।
তেতিয়া গাভৰুসকলেও তাৰ যথাযথ উত্তৰ দিয়ে

গাভৰুদল ঃ অ' মোৰ ভিনীহি দেউ!
অ' মোৰ কুঁজা ভিনিহী দেউ!
তুমি বাঁহৰ চাৰি তৈয়াৰ কৰিব নাজানা,

তুমি বাঁহৰ খৰাহিও তৈয়াৰ কৰিব নাজানা
তোমাক নো কোনে বিয়া কৰাব ?
তুমি কেবল গলগণ্ডৰ বোজা লৈ আছা।

## ৪ ॥ কাহিনী গীত

ৰাভাসকলৰ মাজত কিম্বদন্তী আৰু অন্যান্য কাহিনী সম্বলিত ভালেমান গীত আছে, তাৰে কিছুমান নমুনা তলত তুলি ধৰা হ'ল—

(ক) ৰংদানি মায়তাৰিৰ নলুৱা-চলুৱাৰ গীত ঃ

ৰাভাসকলৰ মতে নলুৱা-চলুৱা নামৰ দুই ভাই-ককায়েই তেওঁলোকৰ পূৰ্বপুৰুষ। তেওঁলোকৰ দলটোৱে পোন প্ৰথমে নানা ঘাত-প্ৰতিঘাত, বিপদ-আপদ অতিক্ৰম কৰি বৰ্তমানৰ বাসভূমিলৈ প্ৰব্ৰজন কৰি আহিছিল। এই ঠাইত স্থায়ীভাৱে শান্তিৰে বসবাস কৰাৰ পিছত নলুৱা চলুৱাই গীতৰ আকাৰে তেওঁলোকৰ অতীত জীৱনৰ স্মৃতি-বিজড়িত দুখৰ কাহিনী প্ৰকাশ কৰিছিল। এতিয়াও এই কাহিনী-গীত ৰংদানি-মায়তাৰি ৰাভাসকলৰ মাজত প্ৰচলিত হৈ আছে। তাৰে এফাঁকি উল্লেখ কৰা হ'ল ঃ

"চিগৰী-নিগিৰী পাণ্ট্রে, ৰুং মান্দি, চংমান্দি প্রোঙে
চন্দাৰতা নুকছাবায়, মাছু মাথায় বংচা বায়,
টৌ-বাক্ নুকছা বায়, হাতু হাজেক পাণ্ট্রে বিবানগা।"

সৰলাৰ্থ ঃ ইকৰা, নল-খাগৰিৰ বোজাৰে ভুৰ সাজি
কিমান যে নদ-নদীৰে উটি ভাহি আহিছো
কিমান যে জোন, বেলি ওৰাৰ পোহৰ নোপোৱা
ঠাই অতিক্ৰম কৰি আহিছোঁ—কিমান যে পৰ্বত
পাহাৰ বগাই বগাই বাট কুৰি বাই আহিছোঁ।
সেয়ে এতিয়া ক্লান্ত হৈ পৰিছোঁ।

(খ) ৰংদানি মায়তাৰিৰ দদান গীত ঃ

ৰাভাসকলে এতিয়াও 'দদান'ক তেওঁলোকৰ আদি ৰজা (দলপতি) বুলি ভাবে। কাহিনীমতে দদানৰ সমূহ প্ৰজাই শান্তিৰে বসবাস

কৰিছিল। বাডাসকলৰ বিভিন্ন ঠাইত প্ৰব্ৰজন হোৱাৰ ফলত বিভিন্ন খেল অচিনাকী হৈ পৰাত তেওঁলোকৰেই বংশধৰ 'চামক্ৰোং' আৰু 'বাংক্ৰোং' ৰজাই উভয়ে চক্ৰান্ত কৰি দদান ৰাজ্য আক্ৰমণ কৰি ছাৰখাৰ কৰে। দদানৰ কাহিনী-গীতত এই সকলো মৰ্মন্তুদ ঘটনা পৰিস্ফুট হৈ আছে। এই কাহিনী-গীত ৰংদানি-ময়তাৰি ৰাভাসকলৰ মাজত সংৰক্ষিত হৈ আছে। তাৰে এফাঁকি তলত উল্লেখ কৰা হ'ল।

"অতো তেমা জোৰাইজো চামক্ৰোং ৰাজা,
আতো তেমা জোৰাইজো বাংক্ৰোং ৰাজা।
উয়ান দদানি ছাকাই ৰংকাই নাইয়ান চামক্ৰোং ৰাজা,
উয়ান দদানি ছাকাই ৰংকাই নাইয়ান বাংক্ৰোং ৰাজা।
উয়ান উনা নাকাৰে চামক্ৰোং ৰাজা,
উয়ান কাকায়নি দংজি হাইনিপাৰা মাংছাইমুং
বাংকোং ৰাজা।
উয়ান একোৰা বুদ্ধি অলংকাৰ খাৰিমুং চামকোং ৰাজা,
উয়ান একোৰা বুদ্ধি বাকৰছাৰি বুদ্ধি অলংকাৰ খাৰিমুং
বাংক্ৰোং ৰাজা।
আতা বেখ্ৰে ভণ্ডুৰা চামক্ৰোং ৰাজা,
আতা বেখ্ৰে চাণ্ডুৰা বাংক্ৰোং ৰাজা।"

সৰলাৰ্থ : হে চামক্ৰোং ৰাজা! হে বাংক্ৰোং ৰাজা,
কি কথাৰ পাক লগালা, কি কথাৰ বান্ধ লগালা।
সুখেৰে খাই থকা; শুই থকা দেখি
কিনো কথাত দদানক জগৰ লগালা।
কোন অৰণ্যৰ ধুমুহাৰ ৰজা হে চামক্ৰোং ৰাজা,
কি বুদ্ধিৰ দ্বাৰা হে বাংক্ৰোং ৰাজা,
দদানক জ্ঞাতি-কুটুম্ব সংহাৰি—
ৰণচালি ধৰিলা আজি।
ৰজাক খেদি—নিজ জ্ঞাতি কুটুম্ব সৱক,
ঘন ঘোৰ ৰাতি---
বান্ধি নিয়া, ধৰি নিয়া স্বৰাজ্য বুলি।
হায়! তুমি বৰ কৌশলী চামক্ৰোং ৰাজা,
হায়! তুমি বৰ চক্ৰান্তকাৰী বাংক্ৰোং ৰাজা।

(গ) বন্দনা-চন্দনাৰ গীত (দোহৰি ৰাভাৰ) ঃ

দাহৰি ৰাভাসকলৰ মাজত পৰম্পৰাগতভাৱে চলি থকা বন্দনা-চন্দনাৰ কাহিনী অতি সকৰুণ। ই বিয়োগান্ত কাহিনী। এই কাহিনীক ভিত্তি কৰি এতিয়াও তেওঁলোকে কৰুণ সুৰেৰে গীত গায়। এটি উদাহৰণ উল্লেখ কৰা হ'ল।

"অ বন্দনা ও—অ চন্দনাও
অ নাৰং কি জোৰা ৰায়ে
বিচিনা নীল নীচুমুনি ও—
ৰাখাটে প্ৰোঙে প্ৰোঙে কৰংজা--"

সৰলাৰ্থ ঃ হেৰা বন্দনা! হেৰা চন্দনা! তোমালোক দুয়ো কুকুৰ দুটা লগত লৈ নিজৰ নিজৰ ঘৈণীয়েৰাহঁতক (নীল-নীচুমণিক) নিৰাশ্ৰয়া কৰি থৈ কলৈ যাবলৈ ওলাইছা?

## ৫ ॥ ৰং-ৰহইচৰ গীত

(ক) পাতিৰাভাৰ বহৰাঙী গীত ঃ

বহৰাঙী বা বগেজাৰী গীতবোৰ মতা-তিৰোতাৰ মাজৰ আক্ৰমণ-প্ৰত্যাক্ৰমণসূচক ধেমেলীয়া গীত। আজিকালি বিভিন্ন উপলক্ষ্যত ডেকা গাভৰুৱেও এই গীত গায় যদিও এইবোৰ মূলতে ডেকা-গাভৰুৰ প্ৰণয়মূলক গীত নাছিল—আগতে এইবোৰ গীত বুঢ়া-বুঢ়ী আৰু বয়সীয়া মতা-তিৰোতাইহে গাইছিল। যেতিয়া জীয়েকক বিয়া দিছিল, তাইৰ মাক-বাপেকে নতুন বিয়ৈ-বিয়ৈনীৰ ঘৰলৈ আহি মদ ভাত খাইছিল। মদৰ মিঠা ৰাগীত উৎফুল্ল হৈ পৰম্পৰে চিত্ত বিনোদনৰ বাবে এই গীতবোৰ গাই আনন্দ উপভোগ কৰিছিল। কিছু আদি ৰং-ৰহইচৰ অনুষ্ঠানতো এনে গীত গোৱা হৈছিল। এই গীত-বোৰৰ যোগেদি কোনো ব্যক্তিগত আসক্তি বা প্ৰেমৰ উন্মেষ ঘটা নাছিল—ই আছিল আনন্দ-ৰগৰৰ গীতহে। বিয়েই নহওক কিয়, এই গীতবোৰ স্ত্ৰী-পুৰুষৰ গাত থকা বিবিধ বিসংগতি আৰু দুৰ্বলতাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি গোৱা ব্যংগ গীত আৰু কৌতুক ৰসেৰে

ৰসাল। এই গীতবোৰে অশিক্ষিত ৰাভাসকলৰ পর্য্যবেক্ষণ আৰু ৰচনা শক্তিৰ স্বাক্ষৰ বহন কৰে। সাধাৰণতঃ এই গীতবোৰ গাভি ৰাভাসকলৰ মাজত পোৱা যায়। তাৰেই নমুনা কিছুমান তলত উল্লেখ কৰা হ'ল ঃ

নহয়না কিতো বিয়ানী, গোৰা মদকে,
এক জোঙা গোৰা হল, আৰো জোঙা খুজে।

তাতেঁৰ খুটা পুতংৰে, তাঁতেৰ খুটা পুতং,
আমাৰ বিয়ানী মাছক যায়, ঘৰ বান্দি থং।

নহয়না কিতো বিয়ানী, পৰেৰ মুখেৰ কাথা,
চল যাং ধতুঁৰা বাৰীত, ফুলে ভৰাং মাথা।

এক পৰীয়া বাঁমৰে ; পাকাং চালাঙী,
আজিকালিৰ আপী কয়টা, ভাতাৰ ফালাঙী।

লাঙা মাৰা কাপতে জাৰী ফুকৰা,
হেকেৰ-হুকুৰ কান্দি ফুৰে ঝোওয়া ডাকুৰা।

নহয়না কিতো বিয়ানী, লেবেৰা জাৰা,
তোলা চাওয়া হেম্বেলায়, কোলা নলওয়া।

গাছু কাটং, নাকাটং, গাছু বেকেৰা,
নাচিবাকে নাজানং, চোতাল বেকেৰা।

খেৰৰে পুজিৰে, খেৰৰে পুজি,
বুঢ়া-বুঢ়ী গল্প কৰে, পালাবাৰে বুধি।

দুৱাৰ হেকং হেকংৰে, দুৱাৰ হেকং হেকং,
দুৱাৰখানি মিলি চালে, আৰো জোঙা দেখং।

বুন বাতালাৰে, বুন বাতালা,
'ঘটে' লাগা ভাতাৰগো গাও পাতালা।

তিনদিনীয়া গোৰা মদ, লাগিল কপালত,
মায়ৰা হেনা পৰিলং ; শাহুৰ চোতালত।

নাহৰে জৰীখানি তিনিকুনীয়া,
ভিকা দিবা ভৰতে, যায় সোমায়য়া।

লাউ পাত ধাপা ধাপা, মিঠা নালাগো,
সোনা হেনা বেটীটাক জাওই নালাগে।

বেং কান্দে তৰোৰত চাপৰা মাটিৰ তলত,
ভাতাৰ গিছে দিশপুৰত, তিৰী কান্দে ঘৰত।

(খ) লাখৰ গীত :

লাখৰ শব্দৰ অৰ্থ গৰখীয়া। পাতি, বিটলীয়া আৰু দাহৰি ৰাভাসকলৰ মাজত 'লাখৰ গীত' পোৱা যায়। সাধাৰণতে এই গীত-বোৰ কম বয়সীয়া চেংেলীয়া ডেকা লৰাবিলাকেহে গায়; বিবাহিত বা পূৰ্ণ বয়সৰ ডেকাই এই গীত নাগায়। এই গীতৰ লগত ২।৩ ফুট দীঘল দেও বাঁহৰ কেবল দুটা বিন্ধাযুক্ত বাঁহীৰ সুৰ সংগত কৰা হয়। ডেকা লৰাবিলাকে গৰু চৰাবলৈ হাবিলৈ যায় আৰু ইজনে সিজনক আক্ৰমণ কৰি কৰি এই গীতবোৰ গায়। এই গীতবোৰত পৰিহাস আৰু কৌতুক প্ৰিয়তাৰ লক্ষণ দৃষ্ট হয়। ডেকা ল'ৰাবিলাকে নিজস্ব সৃজনী শক্তিৰ দ্বাৰা এই গীতবোৰ গোৱাৰ বাবে সেইবোৰত তৰুণ-সুলভ বিলাসী চিন্তাধাৰাৰহে প্ৰাধান্য পৰিলক্ষিত হয়। সিপিঠিত কেইটিমান গীতৰ নমুনা দাঙি ধৰা হ'ল।

(১) পানী পৰে চিপুৰ-চাপা
নাই পাৰাং ঘুণী,
তোৰ বাইক নাই পাং
নুবুলিবি ভিনী।

(২) নাক চিল্‌কি উৰাং-ফাৰাং
তলৰ পাংখা লেখং,
হাতৰ শাংকা গলাৰ মণি
তিৰী হেনা দেখং।

(৩) হাতী কান্দে কুকং-কাৰাং
ভেঁকু কান্দে দলত,

তোৰ বইনী    ৰহি আছে
ভুলকা বাঁশৰ তলত।

(৪) ভাওৰ নদী    উকুল-বুকুল
ভাসি যায় লুক,
তোৰ বাপৰ    দুইটা তিৰী
একটা চাবায় গৰু।

(৫) চাউল চুকং    নুচুকং
বোৱালী মাছৰ ফিছা,
কোন শালাই    বাং দিছে
সকল কিৰাই মিছা।

(৬) শাল গাছৰ    নাওল-থুওল
গামিৰী গাছৰ পীৰা,
কোন শালাই    বাং দিছে
ৰৰমানীৰ কিৰা।

(৭) ৰংজুলী পাথাৰত গাৰি আহিলাং গাছা,
দলেং-দফেং পিন্ধি থৈছে মুই দিয়া হাছা।

(৮) বাং বাং    নলী টাং
খাটি খুন্দে গুই,
তোৰ বৈনী    মৰি গিছে
কায় দিব জুই।

(৯) গৰু মিল, গৰু মিল লাখৰ,
অ' লাখৰ তোলা গৰু মেনা
কিসেৰ বাদে কান্দে ময়না।
অ' লাখৰ—ভংলতে লুকায় ও লাখৰ
অ' বাং—আৰো নলী টাং,
তোলা গৰু ঝাৰত সোমায় ৰে লাখৰ।

(১০) অ' লাখৰ! গৰু মিলাও গৰু মিল ও—
মাটি আংচুৰায় ও গুই,
উজানতো ঘাস নাই, ভাটিতো ঘাস নাই
দাৰাকোনাত চাৰাৰি ও তুই।

ঝাৰা ঘাটত মাছ মাৰে হকজো মামাৰ বিটী ও
তাকো নঝংকাৰি ও তুই
হকজো মামাৰ বিটীগো, ঠেং চিক্কা ও,
চকু একটা খানি তাৰ ফেৰা। ইত্যাদি

## ৬ ॥ কর্ম গীতি

(ক) কৃষিৰ লগত জড়িত গীত ঃ

ৰাভাসকল কৃষিজীৱী। পথাৰৰ শস্যৰ খেতি আৰু তাৰ লগত জড়িত জীৱনেই হৈছে ৰাভাসকলৰ মূল সংসাৰ। আভিজাত্য, ধন-দৌলত ৰাভাসকলৰ বিশেষ কাম্য নহয়। সহজ-সৰল চহা জীৱনৰ সৰ্বাধিক প্ৰিয় বস্তু হ'ল পথাৰ আৰু তাৰ নদন বদন শস্য। কৃষিক কেন্দ্ৰ কৰি ৰাভা সমাজত প্ৰচলিত কিছুমান গীত পোৱা যায়। যেনে—
মেছা (পুৰুষ) ঃ "হাল বাকায়নি ছাৱা চিমে

পাথাৰিয়ান খেঙে তঙো
পাথাৰিয়ান তোৱা চিঙি চাপ্কি-বে,
পাথাৰিয়ান তোৱা চিঙি
সোনা-ৰূপা ধন।"

সৰলাৰ্থ ঃ কৃষকৰ সন্তান আমি। পথাৰতে জীয়াই থাকিম। পথাৰতে আমাৰ প্ৰাণ আছে। পথাৰতে আমাৰ ধন-দৌলত আছে।

মিছা (মহিলা) ঃ "ইয়ান আঙি চাৰ্পাকান, ইয়াৰ আঙি চাৰ্পাক
পাথাৰিনি মায় নাৰি, ইয়ান আঙি চাৰ্পাক;
পাটা হায়নি পাটা নাৰি, ইয়ান আঙি চাৰ্পাক।"

সৰলাৰ্থ ঃ পথাৰৰে কোমল ধান, এয়ে আমাৰ প্ৰাণ,
পথাৰৰে কোমল মৰাপাট, এয়ে আমাৰ প্ৰাণ।

মেছা (পুৰুষ) ঃ "নাঙি ছাহান টোংচা, উচি আঙি ৰাতু তোৱা।"

সৰলাৰ্থ ঃ অকল তোমাৰ নহয় প্ৰাণ, মোৰো যে আছে তাতে প্ৰাণ।

মিছা (মহিলা) ঃ "চিণ্ডি ছাছনি, টোংচা, উদি ছাকায়নিয়ান তোৰা।"

সৰলাৰ্থ ঃ অকল তোমাৰেই নহয় প্ৰাণ
তাতে সবাৰো আছে প্ৰাণ।

আনিংবা (উভয়ে) ঃ

"ইয়ান চিণ্ডি চাৰ্পাক, ইয়ান চিণ্ডি চাৰ্পাক,
পাথাৰিনি মায় নাৰি, ইয়ান চিণ্ডি চাৰ্পাক,
পাটা হায়ানি পাটা নাৰি, ইয়ান চিণ্ডি চাৰ্পাক,
হিৰি হিৰি খিছিন ৰাম্পাৰ
চাক তমোতে ৰেঙা,
চিকুৰ চিকুৰ নুজে কাকায়
চিণ্ডি থাপাক খিছিমা মাত
চিণ্ডি থাপাক খিছিনা।"

সৰলাৰ্থ ঃ এই পথাৰৰ কোমল ধান, এয়ে আমাৰ প্ৰাণ, এই পথাৰৰ
কোমল মৰাপাট, এয়ে আমাৰ প্ৰাণ।
ৰিব্ ৰিব্ বতাহে কেনে ঢৌ তুলি যায়,
নিমজ-চিকুণ ৰূপত আমাৰ
প্ৰাণ পৰশি যায়, কেনে জুৰ পেলায়।
কৃষকৰ সন্তান আমি পথাৰতে থাকিম জীয়াই।

(খ) মদ-প্ৰস্তুতিৰ গীত ঃ

প্ৰায় প্ৰতিটো জনজাতীয় জনগোষ্ঠীৰ মাজত থকাৰ দৰে ৰাভা-সকলৰ মাজতো সামাজিক আৰু ধৰ্মীয় জীৱনৰ সঙ্গস্বৰূপে লাওপানী মা মদৰ প্ৰচলন পৰম্পৰাগত। তেওঁলোকৰ বিশ্বাসমতে মদ ঈশ্বৰ প্ৰদত্ত পানীয়। সেয়ে মদ প্ৰস্তুত কৰা কামকো তেওঁলোকে অতি পৱিত্ৰ বুলি জ্ঞান কৰিছিল। মদ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কিছুমান বিশেষ সতৰ্কতা অৱলম্বন কৰিব লগা হয়—বাখৰ প্ৰস্তুতিৰ পৰা মদৰ ভাতত বাখৰ সনা, জোঙাত ভৰোৱা আৰু সংৰক্ষণ কৰালৈকে। সেয়ে মদ প্ৰস্তুত কৰাৰ সময়ত প্ৰস্তুতকাৰক সংৰক্ষণৰ কাৰণে কেইটামান গীত গাইছিল। সাধাৰণতঃ বাখৰ আৰু মদ প্ৰস্তুত

মহিলাইহে কৰে। বৰ্তমানে খোৱা মদ প্ৰস্তুতিৰ সময়ত নাগালেও দেৱ-দেৱীক অৰ্পণ কৰা মদ প্ৰস্তুতিৰ ক্ষেত্ৰত এইবোৰ গীত গায়— যাতে আপদীয়া চৰাই-চিৰিকতি, পোক-পৰুৱা আৰু ভূত-প্ৰেত আদিয়ে মদৰ কলহটো (জোঙা) নষ্ট কৰিব নোৱাৰে।

"টোৰাং মিছি কিুঙা ?
না—টোখা মিছি কিুঙা ?
আঙি চকো তানকায় আনা
টোখা আক্‌কায় ধুঙা।"

সৰলাৰ্থঃ গঙা চিলনী ক'ৰ— ক'ত ?
ইনাই বিনাই মাতিছে।
ঢোৰা কাউৰী ক'ৰ— ক'ত ?
মই এটা মদৰ জোঙা প্ৰস্তুত কৰিছোঁ।
এই জোঙা মদ তইঁতে নষ্ট নকৰিবি।

"কাংকু তামান্ কাবেং তামান্
আং চকো তানা ;
আঙি চকো তান্‌কায় আনা
কুবেং কুবেং দ্যাঙ্কাঙা।"

সৰলাৰ্থ ঃ কৰ তই পৰুৱা কৰ তই পোক ?
কাষলৈ নাহিবি,
মই জোঙা মদ কৰিছোঁ প্ৰস্তুত
তইঁতে নষ্ট নকৰিবি।

যিসকল দেৱ-দেৱীলৈ বুলি মদ প্ৰস্তুত কৰে তেওঁলোকলৈ উদ্দেশ্য কৰি গায় ঃ—

"হাংগাৰ জোৰছা ৰাখুইতা
মেমাং গীজাৰ না,
ৱেক গছ অলাইতা
মিছি গীজাৰ না ;
আঙি চকো তান্‌কায় আনা
মেমাং মিছি চাপা।"

সৰলাৰ্থ ঃ জোঙাৰ ভিতৰত এজোৰ এঙাৰ দিছোঁ। ভূত-প্ৰেতৰ লোভ সহ্কৰাবলৈ জোঙাৰ ওপৰত মাউ টোকোৰাও (ব্ৰেক) এটা দিছো। এয়া মই মদ প্ৰস্তুত কৰিছো, যাতে ভূত-প্ৰেতে নষ্ট নকৰে।

মদৰ জোঙাটো যথাস্থানত সংৰক্ষণ কৰাৰ সময়ত এই গীতটি গায় ঃ

"গিমাৰ ছিনি থে অ'
আং চকো তানা,
কায় পাগ্না চাঙে ৰ্যাংদং
দঙা লাগিয়া।"

সৰলাৰ্থ ঃ মই ইয়াক সযতনে ৰাখিছোঁ, যাতে ই অতি উৎকৃষ্ট হয়। ইয়াক পান কৰিলে যাতে নিচাত মতলীয়া হয়।

(গ) গছ কটা গীত ঃ

অতীজতে ৰাভাসকলে বসবাস কৰা ঠাইবোৰ অটব্য হাবি-বননিৰে পৰিপূৰ্ণ আছিল। এই হাবিৰ ডাঙৰ ডাঙৰ গছবোৰ কাটি খেতিৰ উপযোগী কৰি মাটি তৈয়াৰ কৰিছিল। এই গছবোৰ পৰস্পৰৰ সহায়-সহযোগৰ দ্বাৰা কাটিছিল। এনে সমূহীয়া কামক ছাউৰী খোৰা বুলিছিল। এই ডাঙৰ গছবোৰ কাটি মুকলি কৰোঁতে গছ-কটা গীত গাইছিল। এই গীতৰ লহৰে লহৰে তেওঁলোকে প্ৰত্যেকে শাৰীৰিক শক্তি প্ৰয়োগ কৰি গছৰ ডাঙৰ ডাঙৰ টুকুৰাবোৰ এফলীয়া কৰিছিল। এতিয়াও ডাঙৰ গছ কাটি এফলীয়া কৰোঁতে এইবোৰ গীত গায়।

বাৰ কাম্‌লাৰ ভৰ ওই-
তেৰ যুৱানৰ বল--- এ হেইয়া।
মহামাই নাম ধৰিয়া---
গাছ কাটিং আমি--- এ হেইয়া।
মহামাই দিলে বৰ---
গাছ টানং ঝৰ্‌ঝৰ্--- এ হেইয়া।
আমালাগা গাছখানি নদীত যায়া পৰ---এ হেইয়া।

\+ + +

বাৰ কাম্লাৰ ভৰৰে
তেৰ যুৱানৰ বল—— এ হেইয়া।
বিছুকৰমৰ নাম ধৰিয়া,
গাছ টানং আমি—— এ হেইয়া।
সোণা হেনা দেখে,
ৰূপা হেনা জ্বলে—— এ হেইয়া।
আমাৰ গাছ খানি,
আপোন হৈতে আহে---- এ হেইয়া।
---এ, মহামাইৰ বল---- এ হেইয়া।
---এ, বিছুকৰমৰ বল---- এ হেইয়া।
মহামাই বিছুৰকম দিয়া আমাক বৰ,
আমাৰ গাছখানি নদীত যায়য়া পৰ—এ হেইয়া।

## ৭॥ বিবিধ গীত

(ক) নৱ-বৰষৰ গীত ঃ

ৰাভাসকল নীতিপৰায়ণ আৰু আচাৰনিষ্ঠ। ৰাভা সমাজত বিবাহ-বহির্ভূত অপবিত্ৰতা প্ৰায় দেখা নাযায়। পুৰুষ আৰু মহিলা উভয়ে কৰ্মপটু। তেওঁলোক উভয়ে ঘৰুৱা আৰু বাহিৰা কাম কৰে। সমাজলৈ তেওঁলোকৰ সাংস্কৃতিক অবদান যথেষ্ট আছে। নৱ বৰষৰ লগে লগে উপত্যকা, নদীৰ পাৰ, শস্যৰ পথাৰ, হাবি-বননি আদি তেওঁলোকৰ স্বতঃস্ফূৰ্ত গীতৰ প্ৰতিধ্বনিৰে মুখৰিত হয়। ৰাভা মহিলাই হাবিত খৰি-কটা, বিলত মাছ-মৰা, পথাৰত ধান কটা, ধান ৰোৱা কামৰ সময়তো আপোন পাহৰা হৈ গীতৰ লহৰ তোলে। সেইদৰে পুৰুষ সকলেও পবিত্ৰ নৱ-বৰষৰ দিনত আৰু শস্য চপোৱাৰ সময়ত আনন্দেৰে নৃত্য-গীত কৰে।

"বাউ চাউৰ পিদান সকক্ৰৌ
শুন দোবান পুইজৌ,
নাই লাউ-পাউ লাউ-পাউ নং
বাউ আউল দিক সকক্ৰৌ—নে।"

সৰলাৰ্থ ঃ সুখৰ নৱ-বৰষ প্ৰায় সমাগত,
উৰণীয়া মনবোৰ ধাবিত ঊৰ্দ্ধত
আহা, গা ঢালি দিওঁ আনন্দ হিল্লোলত,
অতীতৰ বেদনাই হানে হৃদয়ত।
"বাঁচাৰ পিদান সক্‌ফেজৌ
শুং দোৱান পুইজৌ
নাই লাগী লাগী নাং
বাঁসান দিন সকফেজৌ—নে।"

সৰলাৰ্থ ঃ মধুৰ নৱ-বৰষ আহিছে।
আমাৰ মনবোৰ উৰিছে।
আহা, আমি আনন্দিত হওঁ।
আমি মধুৰ দিন পাইছোঁ।

ৰাভা যুৱতীৰ কোমল মনবোৰ প্ৰকৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হয়। পূৰ্ণ বিকশিত ফুলৰ দৃশ্যৰাজিত সিহঁতৰ মনত প্ৰকাশ পায় এক অনিন্দনীয় আনন্দ। সেয়ে, সিহঁতেও দল বান্ধি বান্ধি আনন্দতে আত্মহাৰা হৈ নৃত্যগীত কৰে।

"পাৰ বুতুল পাৰ্‌জৌ,
শুং ৰসং সাক্‌জৌ।
নিনি ইনি কাৰাউ দোৱান।
নামপাৰাই পুইজৌ---নে।"

সৰলাৰ্থ ঃ ফুলবোৰ ফুলিছে। আমাৰ মনবোৰো ফুলিছে। আৰু আমাৰ মিঠা মিঠা কথাবোৰো বতাহৰ লগে লগে উৰি উৰি ফুৰিছে।

এই সুন্দৰ আৰু পবিত্ৰ নৱ-বৰষৰ দিনত ৰাভা গৃহিণীসকলেও হাত সাৰতি বহি নাথাকে। তেওঁলোকেও নিজকে পাহৰি মধুৰ উৎফুল্লিত গীতেৰে নৃত্য-গীত কৰে।

"বাঁচান সম সকফেজৌ
ৰাভা বাঁচাৰ সকফেজৌ।
আম্ৰাও আম্ৰাও বাঁসিদে,
দে বাঁসিদে---দে।"

সৰলাৰ্থ ঃ আমাৰ নাচনৰ দিন আহিছে।
ৰাভাসকলৰ নতুন বছৰ আহিছে।
দলে দলে আনন্দেৰে নাচা আৰু গীত গোৱা।

যুৱতীসকলেও যুৱকসকলৰ লগত একেলগ হৈ এই পবিত্ৰ নতুন দিনত আনন্দ উপভোগ কৰিবলৈ আকাংক্ষা প্ৰকাশ কৰে। সেয়ে তেওঁলোকৰ সমবেত নৃত্য-গীতত প্ৰকাশ পায়—

"হাসং তৌস্তৌ আংজৌ,
চায় হৰাং নানং জৌ।
বাঁস্টাই মিচান স্নাগী,
নাং বাঁখান নিগি জৌ।"

সৰলাৰ্থ ঃ জগতখন সুন্দৰ আৰু সুখী আৰু ইয়াত অফুৰন্ত আনন্দৰ সুৰ শুনা যায়। আহা! আমি যুৱক-যুৱতীসকলে একেলগ হৈ আনন্দত আত্ম-বিভোৰ হৈ গীত গাওঁ আৰু নাচোঁ।

এনেবোৰ গীত উত্তৰ গোৱালপাৰা, জলপাইগুড়ি আৰু কোচবেহাৰ জিলাৰ কোঁচ ৰাভাসকলৰ মাজত পোৱা যায়।

(খ) ভালুক নাচনৰ গীত ঃ

পাতিৰাভা আৰু বিটলীয়া ৰাভাসকলৰ মাজত ভালুক নাচনৰ গীত পোৱা যায়। এই গীত সাধাৰণতে ডেকা ল'ৰাসকলে আঘোণ মাহৰ পূৰ্ণিমাত ওৰে ৰাতি ঘৰে ঘৰে গাই ফুৰে আৰু গৃহস্থই যি চাউল-পইচা দি বৰঙণি দিয়ে পিছদিনাখন তাৰেই সিহঁতে আনন্দেৰে ভোজ খায়। এই অনুষ্ঠানত এটি ডেকা ল'ৰাক শুকান কলপাত, মৰাপাটৰ আঁহেৰে ভালুক অনুৰূপ সজায় আৰু ভালুকৰ অংগী-ভংগীৰে তাক মাজত ৰাখি নচুৱায় আৰু নিজেও নাচে। এই গীত পৰম্পৰাগতভাৱে চলি আহিছে। অতীজতে ৰাভাসকলৰ খেতি পথাৰৰ চৌ কাষে অৰণ্য আছিল। আঘোণ মাহৰ সময়ত বনৰীয়া ভালুকবোৰে আহি পকা ধান সৰিয়হ আদি খাই খান্তাং কৰিছিল। তেওঁলোকৰ দৃঢ় বিশ্বাস—এই অনুষ্ঠান কৰিলে ভালুকে আহি খেতিৰ পকাধান সৰিয়হ আদি খাই নষ্ট নকৰে। সেয়ে এই গীতক "ভালুক

খেদা” গীতো বোলে। এই অনুষ্ঠান উপলক্ষে কোনো পূজাৰ ব্যৱস্থা কৰা নহয়। তলত কেইটিমান গীতৰ নমুনা উল্লেখ কৰা হ'ল।

পোনতে গৃহস্থৰ নওলাৰ মুখত গায়ঃ

ভালুক যায়, ভালুক যায়,
হাড়ী খক্‌ৰাই ভাত খায়,
ভালুক নাচন চাই যদি,
ঘৰৰ পৰা ওলাই আয়।

+ + +

ওলাওৰে গিৰিঘৰ,
ছাতি পোহৰ দিয়া,
আমাৰ ভালুক নাচন দে
কোমৰ হেলান দিয়া।

+ + +

আগ দুৱাৰে দুব্‌লা বন
মিৰি মিৰি গাজে,
আমাৰ ভালুক নাচন দে,
হি, হি, হি, হাঁসে।

গীত গাই গাই সিহঁতে পৰিচয় দিয়ে—
তেতেলিৰে গুটিনা
ভীম কলৰ গুটি
চিনে না নিচিনে
ঠেকাছ্‌ গায়াঁ গুটি।

গৃহস্থক ব্যংগ কৰি গায়—
কলপাত ঝিলি মিউ
ৰাতি কুকুৰ ভুকে
ছাওয়া নাই ছোট নাই
প্ৰাণ স্ফুৰ্তি থাকে।

ভিক্ষা নিদিয়া যেন পালে গৃহস্থক নিন্দা কৰি গায়—

বাঙাল পল্টাত আছেৰে ভাই
বৰ ইংকৰা,
এই গিৰি মানুষটা
বৰ চিপিৰা ।

গৃহস্থই ভিক্ষা দিয়া যেন পালে গায়—

কাঠলৰে মুচিৰে ভাই
কাঠলৰে মুচি,
ভাল কৰিয়া ভিক্ষা দিৰি
আমি যাং শুচি ।

ভিক্ষা লৈ যোৱাৰ সময়ত ৰসপূৰ্ণ ভঙ্গীৰে গায়—

নদী কোলাত উৰিয়া যায়
বগা বগিলা ।
ভালুক নাচন চাই যদি
আয় গধূলা । ইত্যাদি ।

ইয়াৰ উপৰিও আন বহুতো ৰং-ৰগৰৰ গীত গায়—

হে, হে—শিমলা গুৰিতে বাঘ গুজৰে,
আমাৰ ভালুক নাচিচে, ধূলা উদ্ধৰে ।
হে, হে—তোৰ বাৰীৰ আদা, না মোৰ বাৰীৰ আদা,
তোৰ বাপে আদা খাইছে, মোকে বোলে দাদা ।
হে, হে—তোৰ বাৰীৰ ঝালুক না মোৰ বাৰীৰ ঝালুক,
তোৰে বাপে ঝালুক খাইছে মোকে বোলে ভালুক ।
হে, হে—তোৰ বাৰীৰ বাশ না মোৰ বাৰীৰ বাশ,
বাশে বাশে ঠেকা লাগে, আৰো ছয় মাস ।

ওপৰত বিৱৰণ দিয়া গীতসমূহৰ উপৰিও বিশেষকৈ অসমীয়া ভাষী ৰাভা সমাজৰ মাজত ভাৰী গান, মাৰে গাম, বেনা গান, পদ্ম পুৰাণ আদি নাটকীয় আৰু অৰ্ধ-নাটকীয় অনুষ্ঠানৰ গীত, বিয়াৰ গীত আৰু ল'ৰা-ছোৱালীৰ খেল-ধেমালিৰ বিবিধ গীতকে ধৰি আন ভালেমান গীতৰ প্ৰচলন আছে । কিন্তু এইবোৰ অকল ৰাভা সমাজৰ সুকীয়া সম্পদ নহৈ সংশ্লিষ্ট অঞ্চলৰ উমৈহতীয়া সাংস্কৃতিক পৰম্পৰাৰ সম্পদ বুলি ইয়াত সন্নিবিষ্ট নহ'ল ।

# মিচিং লোক-গীতৰ সম্পদ

—গনেশ পেগু

পৃথিৱীৰ আন আন জনগোষ্ঠীসকলৰ দৰেই মিচিংসকলো স্বকীয়লোকগীত সম্পদেৰে চহকী অসমৰ এক জনগোষ্ঠী। প্ৰত্যেক জনগোষ্ঠীৰে নিজস্ব ভাব প্ৰকাশ কৰি সুন্দৰক আৰধনা কৰা স্বকীয় লোক-গীত মাত আছে। তদনুৰূপ মিচিংসকলেও স্বকীয় বৈশিষ্টপূৰ্ণ লোক-গীতৰ সম্ভাৰৰ গৰাকী হিচাপে পৰিচয় দি আহিছে। সেই লোক-গীতসমূহ কোনে কেতিয়া ৰচনা কৰিছিল তাৰ সঠিক সময় নিৰ্দ্ধাৰণ কৰা টান। বিভিন্ন সময়ত বিভিন্ন পৰিস্থিতি আৰু পৰিবেশত প্ৰয়োজন আৰু সৃষ্টিৰ তাগিদাত এই লোক-গীতসমূহ ৰচিত হৈছিল। সাধাৰণ চহা মানুহৰ দ্বাৰাই আৰু মুখ বাগৰি বাগৰি অনাখৰি জনসাধাৰণৰ মাজতেই সেইবোৰ জীয়াই আছে। এই বিভিন্ন গীতবোৰৰ মাজত আছে মিবু আঃবাং (দেওধাইৰ গীত), কাবান্ (বিননি গীত), লুগাং নিঃতম্ (আলি আই লৃগাঙৰ গীত), দঃয়িং নিঃতম্ (মালিতা জাতীয় গীত), মিদাং নিঃতম্ (বিবাহৰ গীত), ক-নিঃ নাম্ (ল'ৰা নিচুকুৱা গীত), চ্ঃলুং নিঃতম্ (বনগীত), মমান্ নিতম্ (ধেমেলীয়া গীত) আৰু মিচিংসকলৰ অতি জনপ্ৰিয় বিহুগীতৰ সমপৰ্য্যায়ৰ অই নিঃতম্।

আলোচনাৰ সুবিধাৰ বাবে মিচিং লোকগীতসমূহক কেইটামান বহল শ্ৰেণীত বিভক্ত কৰিব পাৰি।

(ক) ধৰ্মীয় আৰু আচাৰমূলক গীত ঃ ইয়াৰ ভিতৰত প্ৰধান হ'ল মিবু আঃবাং বা দেওধাইৰ গীত।

(খ) বিভিন্ন অনুষ্ঠান-উৎসৱৰ গীত ঃ লিগাং নিঃতম্, যাৰনী-কাৰনাম আৰু মিদাং নিঃতম্ আদি পৰে। বিশেষ অনুষ্ঠান উপলক্ষে গোৱা হ'লে অইনিতমকো এই শ্ৰেণীত পেলাব পাৰি।

(গ) আখ্যানমূলক বা মালিতা জাতীয় গীত ঃ বাবুগেলা আৰু পিচিৰিং, মাম অইয়াচলি, মিলন আৰু বুপুৰীৰ প্ৰণয় থকা গীত, তীৰ তীকা, দেস্তালিব নিঃতম ইত্যাদি এই শ্ৰেণীৰ গীত। কাহিনী জড়িত গীত বাবে এই শ্ৰেণীৰ গীতক দঃয়িং নিঃতম্ আখ্যা দিব পাৰি।

(ঘ) আন বিভিন্ন বিধৰ গীতসমূহ হ'ল ঃ কঃনিঃ নাম, চ্লং, নিঃতম্, মমান নিঃতম্ (ধেমালিৰ গীত), চ্লু নিঃতম (বনগীত) কাবান (বিলাপ গীত) ইত্যাদি। আকৌ ঘাইকৈ প্ৰেম প্ৰণয়ৰ ভাব প্ৰকাশিত হোৱা বাবে অই নিঃতম্ আৰু চ্লু নিঃতমক পীৰিতিৰ গীত বুলিও শ্ৰেণীভুক্ত কৰিব পাৰি।

আমি এতিয়া বিভিন্ন শ্ৰেণীৰ অধিক গুৰুত্বপূৰ্ণ ধৰণৰ গীত-মাতসমূহৰ চমু আলোচনা মূলক খিৱৰণ দিবৰ চেষ্টা কৰিম। অই নিঃতম্সমূহে যিহেতু বৰ্তমান মিচিং লোক সমাজৰ আটাইতকৈ জনপ্ৰিয় আৰু গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে সেইবাবে সেই শ্ৰেণীৰ গীতৰ বিষয়ে কিছু বিশদ আলোচনা কৰা হৈছে নিবন্ধৰ শেষৰ পিনে।

মিবু আবাং ঃ মিবু আঃবাং হ'ল বিভিন্ন দেৱতাক উদ্দেশ্য কৰি মিবু অৰ্থাৎ দেওধাইয়ে একশ্ৰেণীৰ লোকগীত। মিবুৰ সৃষ্টি হোৱাৰ লগে লগে মিবু আঃবাং সমূহৰো সৃষ্টি। মিবুৰ সৃষ্টি যেনেদৰে ৰহস্যজনক, মিবু আঃবাঙৰ সৃষ্টিও ঠিক তেনেদৰে ৰহস্যজনক। এইবিধ গীত যিকোনো অ-মিবুৱে গাব নোৱাৰে। বিশ্বাস কৰা হয় যে মিবু আঃবাং দেৱতাই মিবুক দিয়া গীত। ইয়াৰ ভাষাও দেৱতাৰ ভাষা। সাধাৰণ ভাষাৰ লগত ইয়াৰ ভাষাৰ মিল নাই।

মিবুৱে যিজন দেৱতাৰ পৰা উক্ত গীত আহৰণ কৰে তেওঁৰ উপাসনাৰ বাবেই উক্ত গীত মিবুৱে গায়। কাৰণ মিবু আঃবাঙত উপাস্য দেৱ-দেৱীসকলৰ নাম প্ৰকাশিত হয়। মিবুৱে আঃবাং গোৱাৰ সময়ত ডেকা-গাভৰুৰ অংশ গ্ৰহণ মন কৰিবলগীয়া। প্ৰথমে মিবুজনে এফাঁকি গীত গোৱাৰ পিছতে মিবুৰ লগত অংশ গ্ৰহণ কৰা ডেকা-গাভৰুসকলে দ্বিতীয়শাৰী পদ উচ্চাৰণ কৰি লগে লগে গায়।

অন্যান্য মিবুসকলৰ আবাঙৰ তেনে কোনো নিৰ্দ্ধাৰিত ৰূপ নাই। বেলেগ বেলেগ দেৱতাৰ পৰা শক্তি পোৱা মিবুৱে বেলেগ বেলেগ ধৰণে আঃবাং গোৱা শুনা যায়। যি নহওক, আঃবাংবোৰৰ ৰূপ বেলেগ হলেও কিছুমান মৌলিক মিল নথকা নহয় আৰু সিহঁতৰ মূল অৰ্থবো পাৰ্থক্য নাই।

কোনো এঘৰত মঙ্গল চাবৰ কাৰণে প্ৰথমে স্তুতিমূলক আঃবাং গাব লাগে। ইয়াত বংশ পৰিয়ালৰ গুঃমিনৰ (পূৰ্বপুৰুষৰ গোত্ৰৰ) প্ৰাৰ্থনাসূচক আঃবাং গোৱাৰ নিয়ম। উদাহৰণ স্বৰূপে পেগু গুঃমিনৰ বংশজাত মানুহ হ'লে মিবুৱে প্ৰথমে এইদৰে আঃবাং আৰম্ভ কৰিব—

"কিবা আ-নে গুঃমিনে পৈগু আনে গুঃমিনে
গুঃমিন দঃক্ৰিয়ে লয়ি দলংকা
পি-দে লাতবাঙে তেত দলংকা।" ইত্যাদি

("ঘৰৰ পালিত গোত্ৰৰ পিতৃ-মাতৃসকল, কোনো বাধা-বিঘিনি নোহোৱাকৈ বংশৰ উজ্জ্বল পথৰে মোক (মিবুক) লক্ষ্যস্থানত উপনীত হ'বলৈ দিয়া আৰু ঘৰৰ আপদ বিপদৰ পৰা সম্পূৰ্ণ সকাহ পাবলৈ দিয়া।")

এই গীতবোৰত সৃষ্টিকৰ্তা (মিবুক) সকলৰ গুণানুকীৰ্তনৰ পৰা আৰম্ভ কৰি প্ৰকৃতিৰ নৈ-নিজৰা, পৰ্বত-পাহাৰ আদিৰ বৰ্ণনাও পোৱা যায়।

মিবু আঃবাংবোৰ সংগ্ৰহ কৰি লিখিতভাৱে এতিয়ালৈকে প্ৰকাশ হোৱা নাই। ফলত বহুতো মূল্যবান মিবু আঃবাং কালৰ বকুত হেৰাই যোৱাৰ উপক্ৰম হৈছে।

লৃগাং নিঃতম: আলি আই লৃগাং উৎসৱত ঘৰে ঘৰে বিহু মৰাৰ আনন্দমুখৰ পৰিবেশত গোৱা নিঃতমবোৰকে লৃগাং নিঃতম বুলি কোৱা হয়। এই নিঃতমবোৰৰ যোগেদি আলি আই লৃগাঙৰ তাৎপৰ্য্য বিবিধ ধৰণে বৰ্ণনা কৰা হয়। গাঁৱৰ ডেকা-গাভৰু, ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী, আটায়ে গাঁৱৰ ইমুৰৰ পৰা সিমুৰলৈ হাতত ঢোল, তাল, পেপা, গগনা, টকা, ল-লং, মাৰ্‌বাং আদি বিবিধ বাদ্যযন্ত্ৰ লৈ লৃগাং নিঃতমৰ সুৰে সুৰে গুম্‌ৰাগ নৃত্যৰ ছন্দেৰে মুখৰিত কৰি তোলে। তলত কেইফাকিমান লৃগাং নিঃতমৰ উদাহৰণ দিয়া হ'ল—

"নলুকে এৰাঙা কেৰাঙে নিকুম্‌চুদুং
আপিন্‌ক বিতকা আপংক বিতকা
লতোল কেবাঙে গিকুম্‌চুদুং নলুচিন পেচলাংকা
ৰকপুঙে আপিনদীম্‌ বিতেদ্‌কা
প-কাঙে আপ্‌দীম বিতেকৈ
লেলেং দ্‌ঃদুবং
চিলকী লঙচ লক্‌কিয়ীম লুচিন
দ্‌ঃচাঙাউ দ্‌ঃদুবং।"

উক্ত গীতফাঁকি প্ৰথমে যি ঘৰত বিহু মাৰিবলৈ যোৱা হয় তাতেই গোৱা হয়। ঘৰৰ গৃহস্থক লতাদ্‌চুনাম্‌ অৰ্থাৎ আগজাননী দিয়ে যে আমি তোমালোকৰ ঘৰত আজি নৃগাং বিহু মাৰিবলৈ ৰাইজখনে গোট খাইছো। ভাত, ছাইমদ আৰু আন যি পাৰা আমাক খাবলৈ দিয়া। ৰাইজখনক ভয় কৰিবা। ধৰকাঁহ বজাইছো, লক্ষ্মীক আদৰি আনিছোঁ। তোমালোকৰ মঙ্গলৰ বাবে আমি এইয়া নৃগাংনাচ চোতালত নাচিছোঁ। তোমালোকে সমাজক ভয় কৰি আমাক সোনকালে বিদায় দিয়া ইত্যাদি। এনেকুৱা মঙ্গলসূচক গীত গাই গাই প্ৰত্যেকৰ ঘৰে ঘৰে নৃগাং বিহু মাৰি যায়। আনন্দত ডেকা-গাভৰু, ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী মতলীয়া হয়। এনেকৈ প্ৰত্যেকৰ ঘৰত গুম্‌ৰাগ্‌ নৃত্য নাচি যাওঁতে নানা ধৰণৰ নৃগাং গীত গোৱা হয়। ইয়াত মাত্ৰ সামান্য উদাহৰণ দিয়া হ'ল।

মিদাং নিতম্‌ ঃ মিচিং বিবাহ উপলক্ষে মিদাং গীত বুলি এবিধ বিশেষ গীত গোৱা হয়। উক্ত গীতক অসমীয়া বিয়া-গীতৰ শাৰীত পেলাব পাৰিনে নোৱাৰি সেইটো বিতৰ্কৰ বিষয়। বহুতো পণ্ডিতে দৰা-কইনাই বিয়াত মাক-বাপেক, লগৰ সমনীয়াক এৰি পেলাবলগীয়া হোৱাৰ বাবে দুখতে কান্দি পেলোৱা সুৰটোকে মিদাং গীত (বিয়া গীত) বুলি ক'ব বিচাৰে। প্ৰকৃততে দৰা-কইনাই দুখ-বিষাদত কন্দাটোক মিদাংগীত বুলিব পাৰিনে নোৱাৰি সন্দেহ, কাৰণ কইনাই বিয়াৰ সময়ত কন্দা কান্দোনৰ সুৰটোক মিচিঙত 'যামনী কাবনাম' (কইনাৰ কান্দোন) বুলি কোৱা হয় ।

আনহাতে বিয়া সম্পৰ্কত আৰু এটা বিশেষ শ্ৰেণীৰ গীত গোৱা শুনিবলৈ পোৱা যায়। তেনে গীতকো কোনো কোনো অঞ্চলৰ মিচিং-সকলে মিদাং গীত বুলি কব বিচাৰে। সম্ভৱতঃ বিয়াৰ সম্পৰ্কত গোৱাৰ বাবেই উক্ত গীতক মিদাং গীত বুলিব খোজা হয়। কিন্তু বিয়াৰ উপলক্ষ্যত বিভিন্ন গীত-মাত পৰিবেশন কৰা দেখা যায়, পিছে বিয়াত গোৱা গোটেইবোৰ গীতেই বিয়াগীত হ'ব নোৱাৰে। পিছত উল্লেখ কৰা বিবিধ গীতক বৰ্তমানে মিদাংগীত বুলি কোৱা হৈছে। সেইবিধ গীত বিশেষ এটা সময়ত কেইজনমান ৰসিকতাপ্ৰিয় আদ-হীয়া মানুহে কইনাজনী দৰাঘৰত উঠাৰ আগমুহূৰ্তত আগভেটি ধৰি জোকাই ৰং-ৰহইচ কৰে। তেনে গীতৰ উদাহৰণ হ'ল---

তৌৰীৰী তৌৰীৰী তৌৰী ৰীতৌৰা
মাঃম কাম্‌প চাঃপয়কা তৌৰী ৰীতৌৰা
তৌৰীৰী তৌৰীৰী তৌৰী ৰীতৌৰা
বাজি কঃবাং পামাদাকী তৌৰী ৰীতৌৰা
তৌৰীৰী-- -
চাঃলাং কুকা তৌৰী ৰীতৌৰা
বাজি কঃ-বাং পায়েমূল তৌৰী ৰীতৌৰা। ইত্যাদি।

অৰ্থ এনে ধৰণৰ—"বগী কইনা নুঠিবা নুঠিবা। এতিয়া নতুন বাজি কাঠৰ জখলা কটা হোৱা নাই। বগী কইনা। যেতিয়া বাজি কাঠৰ নতুন জখলা কটা হ'ব তেতিয়াই উঠিবা।" অশ্লীলতাৰ গোন্ধ থাকে। গীত গাই কিছু সময় কইনাজনীক চাঙৰ ওপৰলৈ উঠিবলৈ নিদি ৰখাই থোৱা হয়। সাধাৰণতে ৰসিক বয়স্কসকলে কানি খোৱা পৰিমাণৰ টকা-সিকা উলিয়াই নিবৰ বাবে এনেদৰে ধেমেলিয়া গীত গায়। পিছে সামাজিকভাৱে বিয়া পাতিলে মিচিং সমাজতো দৰা-কইনাক নোৱাবলৈ-ধুৱাবলৈ পানী আনে আৰু তেতিয়া অসমীয়া বিয়া গীতকে গোৱা শুনা যায়। এইটো সম্ভৱ মিচিংসকল ভৈয়ামলৈ নামি অহাৰ পিছত অসমীয়া সমাজ সংস্কৃতিৰ লগত বিলীন হোৱাৰ উপক্ৰমৰেই পৰিচায়ক।

ম্যাৱনীকাৱনাম (কইনাই কন্দা গীত)ঃ বিয়া উলিয়াই দিয়াৰ সময়ত কইনাজনীয়ে পূৰ্বৰ কিছুমান ঘটনা সুঁৱৰি কান্দে। এনেদৰে

কন্দা সুৰটোৱে মিচিংসকলে যাৱনীকাৱনাম বুলি কয়। আনহাতে কেতিয়াবা দৰাৰ ঘৰত বিভিন্ন দুখ কষ্ট ভুগিব লগা হোৱাৰ বাবেই কইনাজনীয়ে দুখতে মাক-বাপেকক মনত পেলাই তাইক পুনৰ ঘৰলৈকে ঘূৰাই লৈ যাবলৈ কাতৰ বিননিৰ সুৰ তোলে। তাকো যাৱনী-কাৱনাম বুলি কোৱা হয়। তেনে গীতৰ উদাহৰণ হ'ল—

(১) না-নী-না-না চত্তুমী ৰংঙামী য়েপী ঔ ঔ
না-নী-না-না চিল কলক্‌কী অকুম্‌চী
ৰংঙামী য়ে কৃপী ঔ-ঔ

(২) চা-চী-চা-চা নলুক্‌কী আয়াঙীম্
মী পাগ্‌লা গ্‌য়েবং
আজন্ বুলুম্ আমাঙীম তপান্‌লা
গ্‌য়েবং ঔ-ঔ

মাকক উদ্দেশ্য কৰি—

(১) আই অ' আই, আজিৰ পৰা মোৰ শোৱনি কোঠালী নীৰৱ পৰিব। আই অ' আই, আজিৰ পৰা গোটেই ঘৰখনেই নীৰৱ পৰিব।

ককায়েকক উদ্দেশ্য কৰি—

(২) "ককাইদেউ, ককাইদেউ, তোমালোকৰ মৰমবোৰ এৰি থৈ আৰু লগৰীয়াহঁতৰ মৰমবোৰ এৰি থৈ যাবলৈ ওলাইছোঁ।

এনে বিষাদভৰা কান্দোনৰ সুৰে গোটেই ঘৰখনকেই ভাৱাক্ৰান্ত কৰি তুলিব। এনে বিননিত কাৰো বেদনাৰ অশ্ৰু নোবোৱাকৈ থাকিব নোৱাৰে।

দয়িং নিঃতম (কাহিনী গীত): দয়িং নিঃতম সমূহ কোনো বিশেষ ব্যক্তিৰ জীৱনত ঘটা ঘটনাৰ আধাৰত ৰচিত একশ্ৰেণীৰ গীত। এইবোৰ মালিতা শ্ৰেণীৰ গীত। এনে ধৰণৰ গীতৰ ভিতৰত উল্লেখযোগ্য হ'ল তীৰ তীকাং বু গেলা আৰু পিৰিৰিং, মঃমে অইয়া চলি, মিলন আৰু বুন্দুৰী আৰু দেন্তালিৰ কাহিনী সম্বলিত গীত। তেনে এটি গীতৰে তলত কেইফাকিমান উদাহৰণ দাঙি ধৰা হ'ল—

"অইয়া লীঃনিপী দৃচ্ঙী লীঃনিপী
মেৰয়া মুবুঙী কুৰম্ চুতাগাই
মেৰয়া এম্নাম কাঃ লুবী নম্দানী।"
"অইয়া তাৰুঙী ৰংপম্ চুইকা
দঃলং তাৰুঙী ৰংপুম্ চুইকা
মেৰয়া নমদানী আঙ্কাৰ নমদানী।
অইয়া মীৰাল জঃপুম্ চুইকা
মীনীকী মীৰাল জঃপুম্ চুইকা
মেৰয়া নম্দীনী আঃপুগী নম্দানী
অইয়া আঁত্কিল তুঃপুম্ চুইকা
বাঃনী আঁত্কিল তুঃপুম চুইকা
মেৰয়া নম্দানী কালুঙ নম্দানী।" ইত্যাদি

ওপৰত উল্লেখ কৰা দয়িংনিঃতমটো এহাল অবৈধ ভাৱে প্ৰেমত লিপ্ত হোৱা যুৱক-যুৱতীৰ কাহিনী। সমাজৰ আগত থিয় কৰাই সেই অবৈধভাৱে সংঘটিত হোৱা প্ৰেমক কেন্দ্ৰ কৰি সমাজে কীবাং পাতিব। আৰু উক্ত কীবাঙত তেওঁলোকৰ গুৰুতৰ বিচাৰ হ'ব। কীবাঙত দোষী যুৱক-যুৱতী হালক নিৰ্মমভাৱে শাস্তি বিহা হ'ব আৰু সেই শাস্তি তেওঁলোকে লব লাগিব; কিন্তু দুয়োৰে ইচ্ছা যেন তেওঁলোকক একে শালতে বলি দিয়ে। মৃত্যুৰ পিছতো তেওঁলোকৰ এই প্ৰেমক কোনেও বিছিন্ন কৰিব নোৱাৰে। এই বেদনাদায়ক কাহিনীৰে ৰচিত ওপৰৰ গীতটো। এনে ধৰণৰ প্ৰণয়মূলক দঃয়িং গীত বহুতো আছে যদিও ঠাইৰ অভাৱত এইবোৰ উল্লেখ কৰিব পৰা নহ'ল।

ক-নিঃ নাম (নিচুকনি গীত): কেচুৱাই কান্দিলে কেচুৱাক নিচুকাবলৈ বা টোপনি নিয়াবলৈ কেচুৱা যিবোৰ বস্তুৰ প্ৰতি বেছি আগ্ৰহশীল সেইবোৰ বস্তুৰ উল্লেখ কৰি গীত গোৱা প্ৰথা সকলো সমাজতে আছে। মিচিং সমাজত এনেদৰে গোৱা গীতক ক-নিঃনাম বুলি কোৱা হয়। এনে এটি গীতৰ উদাহৰণ হ'ল—

কউৱা কালপীঃ ষক্
পীক্কাউৱা দীঃ মাদ
দীঃ দুদ কাপ্লাংন

"মইনা তুমি নাকান্দিবা। কপৌ চৰাইৰ পোৱালীবোৰ এতিয়াই উৰিবৰ হোৱা নাই। যেতিয়া উৰিবৰ সময় হ'ব তেতিয়া কান্দিবা।"

কেতিয়াবা আকৌ কেচুৱাৰ কান্দোন বেছি হলে কেচুৱাক ভয় দেখুৱায়ো টোপনি নিয়াবলৈ চেষ্টা কৰা হয়। তলৰ গীতটোত তেনে উদাহৰণ আছে।

চাহাৰী চাহাবা মিমি অতৈকা
মিমি ঔ মাঃমূল মেলচুৰুং গাম্‌যোপৌনম্‌।

"মইনা মোৰে বাছা! টোপনি যোৱা দেই, টোপনি নগলে শিয়ালে খাবলৈ আহিব তোমাক।")

মমান্‌নিঃতম (ধেমেলীয়া গীত ): মমান নিঃতম হ'ল কিছুমান বিসদৃশ দৃশ্যৰ বৰ্ণনা ছন্দোবদ্ধভাৱে সজাই পৰাই ধেমেলীয়া সুৰত গোৱা গীত। এই গীতৰ ভাষাবোৰ সহজ সৰল শব্দৰ গাঠনিও শ্ৰুতি-মধুৰ। গীতবোৰ ল'ৰা-ছোৱালীৰ আমোদ যোগাব পৰাকৈ ৰচনা কৰা হৈছে। কোমল মনত এনে গীতবোৰে হাঁহিৰ যোগান নধৰাকৈ নাথাকে। যেনে—

দন্‌শিৰি দন্‌বৰা
বেন্‌নী চাতি অ্‌গ্‌বৰা
নাপ্‌পাঃ দীচিন্‌ নাৱবৰণ
খেৰুদীচিন্‌ তাম্‌বৰা
আমিগ্‌দীঃচিন্‌ মিগ্‌বৰা
আয়েদী ঃ চিন্‌ কতৰা। ইত্যাদি

অসমীয়া ভাঙনি হ'ল—

ধনশিৰি পাৰৰ ধনবোৰ
ফটা ছাটি মেলিছে
মুখখনো বহল
কাণ দুখনো বহলকৈ মেলা
দাঁত দুপাৰি ওলোৱা হাঁ-হাঁ।

এই ধৰণৰ গীত গাই হাঁহি-কিৰিলি পাৰি কণ কণ মইনাহঁতে স্ফূৰ্তি কৰে।

কাবান নিঃতম (খিননি গীত): কাবান নিঃতমবোৰ জীৱনৰ

দুখ-বিষাদেৰে আৰু হা-হতাশাৰ মাজৰ পৰা স্বতঃস্ফূৰ্তভাৱে ওলাই অহা গীত। সেয়েহে কাবান গীতক বিষাদৰ গীত বা বিননি গীত বুলি কব পাৰি। যেতিয়া কোনো চহা ডেকা-গাভৰুৰ মন বিষাদৰ ছঁাই আবৰি ধৰে, তেতিয়া তাকেই প্ৰকাশ কৰি মনৰ দুখ-বোৰ পাতলোৱাৰ চেষ্টা কৰি কাবান গীত গোৱা হয়।

মানুহৰ জীৱনৰ বিশেষ বিশেষ মুহূৰ্তত যেতিয়া পৰাজয় বা শূন্যতাৰ গ্লানিয়ে অভিভূত কৰে, তেনে বিশেষ সময়তহে কাবান গীত মৰমৰ মনৰ জনৰ লগত গোৱা হয়। কোনোৱে পিতৃ-মাতৃক হেৰুৱায়, কোনোৱে সম্বন্ধ হেৰুৱাই পেলায়, তেনে অৱস্থাত কাবানৰ সুৰ মনৰ ভিতৰৰ পৰা আপোনাআপুনি ওলাই আহে। কাবানাৰ সুৰ বাজি উঠে কোনোবা শালিধানৰ পথাৰত, কঠিয়াতলিত প্ৰেম বিনিময়ত সোণালী পথাৰত, তাঁতৰ শালত, মাছমৰা বিলত, বন নিৰোৱা ধাননি তলিত, অকলশৰে নিজান গছৰ তলত আৰু মিচিং গাভৰুৰ কাবান গোৱাৰ সোণালী ঠাইত।

আকৌ কোনোবা ভালপোৱা প্ৰিয়াক কোনোবা শতৰুৱে নিজৰ কৰি ললে, প্ৰেমিকে প্ৰেমিকাৰ বিষাদত অলিয়া-বলিয়াৰ দৰে কাবানৰ আশ্ৰয় লৈ মনত ক্ষোভ বিষাদ জ্বালা যন্ত্ৰণাৰ পৰা মনক কিছু সকাহ দিবলৈ চেষ্টা কৰে। এনেদৰে হোৱা কাবান গীতৰ উদাহৰণ হ'ল—

(১) অইয়া দক্‌কীবং কনী ৰুদক কীব ;  
আতীৰ ক-নম্ কাঃ লুগ্ চুতা গায়  
লঃতু ময়াপি মাংপান, চুতনী অই অইয়া।

"-অ মোৰ পিয়া। তোমাক সকটি কালৰে পৰাই মই পছন্দ কৰিছিলো। এতিয়া কালৰ সোঁতৰ চকৰিয়ে দুয়োকে আঁতৰাই পেলালে।"

(২) অইয়া বলনা মাক্ৰিং বলনা  
অইয়া বলনা য়ুম্‌মাং বলনা অই  
অইনম্ মাক্ৰিৰ মাঃ পাংলাং ফুলা  
মীব ও কাব্‌দুনী লংগং লং গলা অই তাইয়া।

"অ মোৰ চেনাই। তোমাক সপোনত দেখি মোৰ শোৱা হোৱা

নাই। টৌপনি গলেই তোমাৰ ছাঁকে সপোনত বাৰে বাৰে দেখোঁ আৰু তাতে ইনাই বিনাই তোমাক বিচাৰি কান্দো।"

(৩) অইয়া চ্‌ংচা তানি গ্‌ঃদাচ
অইয়া গ্‌ঃদাচ তানি আমঃচ অই অইয়া
কাং কিন্‌ চুতাগাই আজন্‌ জন্‌ তাগাই
অচিনং আগমক্‌ লুক চুতাগাই অই অইয়া।

"--অ চেনাই, এই মানুহৰ পৃথিৱীত তোমাৰ সতে মোৰ প্ৰথম চিনাকি আৰু তোমাৰ সতে লগৰীয়া হৈ ফুৰি তোমাৰ সতে মনৰ কথা পাতিছিলো।

(৪) কিন্তু,
অইয়া-ঙান্‌ কাম্‌পৌ ঙান্‌ব চুতাগাই
নেইকী নীঙান্‌পী ঙান্‌ব চুতাগাই
অক্‌কাই পৃঃনীব্ব পৃঃপান্‌ চুতনী আই অইয়া।

"--বসন্তৰ নতুন গছৰ পাতৰ দৰে একেলগে পাত মেলিছিলো কিনো বিধতাই আমাৰ মিলনক বিচ্ছেদ কৰিলে।"

চ্‌ঃলুঃনিঃতম (বনগীত)ঃ এই বিধো প্ৰেম প্ৰীতিৰ গীত কিন্তু এইবোৰ যিকোনো সময়তে যিকোনো ঠাইতে গোৱা নহয়। ইয়াৰ ভাৱ-ভাষাত যৌৱনৰ বাসনাৰ অবাধ প্ৰকাশ থাকে বাবে কেৱল বনৰীয়া গীত হিচাপেহে ব্যৱহাৰ কৰা হয়। চ্‌ঃলুংনিঃ তমতো প্ৰেম পীৰিতি, দুখ বেদনা পোৱা-নোপোৱা আশা আকাঙ্ক্ষাৰ অসমীয়া বনঘোষাৰ নিচিনাকৈ সেইবোৰো প্ৰকাশ আৰু পৰিবেশন কৰা বিধৰ নহয়।

অইনিঃতম—বৰ্তমান সময়ত অইনিতঃমেই মিচিং সমাজত অতি জনপ্ৰিয় গীতৰূপে পৰিচিত। অইনিঃতম কোনে কেতিয়া ৰচনা কৰিছিল তাক সঠিককৈ কোৱা টান। কিন্তু অইনিঃতমৰ কিছুমানৰ ভাব-ভাষাই সেইবোৰ কোন সময়ৰ সৃষ্টি সেই বিষয়ে উমান নিদি-য়াকৈ নাথাকে। মিচিং অইনিঃতম সম্ভৱ ১৯০০ চনৰ পৰা ১৯৪০ চনৰ ভিতৰত সৃষ্টি হোৱা এক জনপ্ৰিয় জনগীত। ইয়াৰ আগলৈকে বৰ্তমানে মিচিং সমাজত প্ৰচলিত অইনিঃতমৰ সুৰ আৰু ভাব পোৱা নাযায়। ইয়াৰ আগতে "মিজন" আৰু বুন্দুৰীৰ" প্ৰণয় থকা নিঃতম-

টোৰ উৎপত্তি কাল প্ৰায় ৬০ বছৰৰো আগৰ। এনেদৰে "কাকুলি ঘাটৰ বদনাম" নিঃতমটো তাতকৈ ৭০ বা ৮০ বছৰৰো আগৰ পুৰণি নিঃতম।

আজিৰ পৰা ৮০ বা ১০০ বছৰৰ পূৰ্বে মিচিং সমাজত অসমীয়া বনগীতৰ প্ৰচলন যিমান আছিল আজিকালি সিমান নাই। আজিকালি অইনিঃতমেহে প্ৰাধান্য লাভ কৰিছে। মিচিংসকলৰ সামাজিক, ধাৰ্মিক বিবিধ আচাৰ ক্ৰিয়াৰ বনগীতৰ প্ৰচলনৰ বিষয়ে, মিৰু তাবাং আদিৰ বিষয়ে ৰজনীকান্ত বৰদলৈদেৱৰ 'মিৰি জীয়ৰী' উপন্যাসত যথাযথ বিৱৰণ দিছে, কিন্তু তাত অইনিঃতমৰ কোনো উল্লেখ নাই। যিমানদূৰ সম্ভৱ তেতিয়া অইনিঃতম্‌বোৰ মিৰু আঃবাঙৰ সুৰতেই গোৱা হৈছিল। সেই কাৰণে তেতিয়া হয়তো ইয়াক (অইনিঃতম) কোনোৱে আঃবং বুলিছিল। যিহেতু আজিকালিও কোনো কোনোৱে অইনিঃতমক "অবে" বুলিও কয়। সেইবাবেই হবলা বৰদলৈদেৱে অইনিঃতমক মিৰু আঃবাং বা দেওধাই গীত বুলি ধৰি লোৱাটো অসম্ভৱ নহয়।

অইনিঃতম সৃষ্টি হোৱাৰ আগতে মিচিং মানুহ ভৈয়ামৰ অসমীয়া সমাজখনৰ লগত পোন প্ৰথমেই মিচিং সমাজত বনগীতৰ প্ৰভাৱ পৰে। এই প্ৰক্ৰিয়াত সহায় কৰিছিল আহোম স্বৰ্গদেউসকলৰ মিচিং নাচৰ পৃষ্ঠপোষকতাই। ৰংপুৰ নগৰত সাত বিহুৰ উৎসৱত বিভিন্ন নাচ গানৰ ভিতৰত মিচিং নাচকো প্ৰাধান্য দিয়া হৈছিল আৰু তেতিয়া আহোম ৰাজত্বৰ ছত্ৰছায়াৰ তলত অসমৰ বিভিন্ন সম্প্ৰদায়ে নিজৰ নিজৰ স্বকীয় কৃষ্টি প্ৰদৰ্শন কৰোতে ভাৱ আৰু ভাষাৰ অবাধ আদান প্ৰদান হৈছিল। সেই ভাৱৰ আদান প্ৰদানৰ জৰিয়তে বনগীতত মিচিং সমাজৰ লোক গীতত প্ৰচুৰভাৱে প্ৰসাৰ লাভ কৰাটো অস্বাভাৱিক নাছিল। সেই পুৰণি দিনৰ স্মৃতি ৰোমন্থন কৰি আজিও কিছুমান বুঢ়া-বুঢ়ীয়ে লগভাগ হলেই গোৱা শুনিবলৈ পাওঁ—

স্বৰ্গদেউ ওলালে এই ঘাটে চৰাৰ মুখলৈ
ৰইলা ৰইলা কে হু ৰইলা হেই হেই
শ্যাম্ বৰণীয়া শ্যামতী কলীয়া কেকুৰইলা হেই হেই

অইনিঃতম এই শব্দটো দুটি পদৰ সমষ্টি যাৰ অৰ্থ বিচাৰিলে

অ মি পাওঁ এনেদৰে---অই শব্দই সম্বোধনত মৰমৰ চেনেহৰ প্ৰিয়জন আদিক বুজায়। মিচিং ভাষাত যিকোনো ব্যক্তিয়েই বক্তাজনতকৈ সৰুজনক 'অই' বুলি মাতিব পাৰে। আনফালে প্ৰেমিক-প্ৰেমিকাই অতি আপোনজন বুলি মৰমতে ইজনে সিজনক 'অই' শব্দৰে সম্বোধন কৰে।

নিঃতম শব্দত কাৰোবাক উদ্দেশ্য কৰি নিচুকুৱা বা মৰমৰ, কথাৰে মন ভুলোৱা এনে ভাব নিহিত আছে।

গতিকে অইনিঃতমৰ অৰ্থ হব প্ৰেমক উদ্দেশ্য কৰি গোৱা গীত বা একে আষাৰে ইয়াক প্ৰেমৰ গীত বুলি কব পাৰি। এইফালৰ পৰা চালে অসমীয়া বনগীত, বিহুগীত, বনঘোষাৰ ভাব-ভাষাৰ লগত নিঃতমক ৰিজাব পাৰি।

আনহাতে অইনিঃতমত প্ৰায়ে তুমি মই আদি সৰ্বনামৰ বিশেষ উল্লেখ নাই। সি গায়ক অৰু শ্ৰোতাৰ দুইটাৰে তুমি আৰু মইহে অইনিঃতমত প্ৰকাশ পায়। অইনিঃতম অন্য সময়ৰ ভাষাৰ গীত নহয় বা'বে সি সকলো সময়ৰ মানুহৰ অন্তৰত সহজে প্ৰবেশ কৰিব পাৰে আৰু সকলোৰে প্ৰাণৰ ভাষা, প্ৰাণৰ গীত হিচাবে সাৰ্বজীননতা লাভ কৰিব পাৰে।

অইনিঃতমৰ বিষয় বস্তুৰেই প্ৰধানকৈ প্ৰেম সম্পৰ্কীয় যদিও সেইবোৰ বিভিন্ন ৰসৰে পৰিপূৰ্ণ। ইয়াত নানাজনৰ আশা-নিৰাশা, মিলন-বিচ্ছেদ, হাঁহি-কান্দোন, দুখ-বিষাদ, ঠাট্টা-বিদ্ৰুপ, নিন্দা-প্ৰশংসা আদি সকলো ভাব আৰু আবেগেই প্ৰকাশ পায়। ইয়াৰ উপৰিও অইনিঃতমত বিভিন্ন সময়ৰ ঘটনা প্ৰবাহৰ বিৱৰণৰ লগত সমসাময়িক সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনৰ চিত্ৰও অঙ্কিত হয়। মুঠ কথাত, যি সময়ত যি ঘটনা ঘটে সেই সময়ৰ লগত সঙ্গতি ৰাখি আৰু তাক পটভূমি হিচাপে অইনিঃতমত সন্নিবিষ্ট কৰি গোৱা হয়। অইনিঃতমত কোম্পানী জাহাজ, এৰোপ্লেন, চীনা-যুদ্ধ, ভাৰত-পাকিস্থান যুদ্ধ, মহাত্মা গান্ধী, মটৰ-গাড়ী, পাণ্ডু দলং, তাজমহল, কলিকতাৰ স্কুল-কলেজ, খেতি পথাৰ, লুইত-সোৱণশিৰি (অৱণৰি) নদী আৰু তাৰ পাৰত গজি উঠা নল-খাগৰি, কঁহুৱা ফুল ইত্যাদিৰ ব্যৱহাৰেই ইয়াৰ প্ৰমাণ।

সাধাৰণতে অইনিঃতম দুটা পংক্তিত বিভক্ত। প্ৰথম পংক্তিত নৈসৰ্গিক ৰূপৰ বৰ্ণনা আৰু দ্বিতীয় পংক্তিত প্ৰকৃতিৰ সৈতে অইনিঃতমৰ গায়ক-গায়িকাৰ ব্যক্তিগত জীৱনৰ সমস্যা ৰাজিৰ উপমা বা তুলনা। ইয়াৰ বিশেষ মন কৰিবলগীয়া কথা যে অইনিঃতমৰ প্ৰথম পংক্তিত যি বিৱৰণ বা উপমা দিয়া হয়, দ্বিতীয় পংক্তিয়ে তাৰেই ভিত্তিত গায়কৰ ব্যক্তিগত পোৱা-নোপোৱাৰ, আশা-আকাংক্ষাৰ নেতি বাচক বা ইতিবাচক ইঙ্গিত বহন কৰে। তলত কেইফাকিমান উদাহৰণ হিচাবে দাঙি ধৰা হ'ল—

পাণ্ডুঘাট দলংবীম্ অকমিস্ত্রি সকামী
আইনৰ দুখ্‌গা গ্দীম্ অকাবদিব বংকামী।

"পাণ্ডুঘাটৰ দলংখন কোন মিস্ত্রিয়ে বাৰু সাজি উলিয়ালে। অ' মোৰ মৰমৰ চেনাই, তোমাৰ লাহতী খোপাটো বাৰু কোনজন বিধতাই ইমান ধুনীয়া কৰি সৃজিলে।"

আচি গুলা মনীদী কোম্পানী জাহাজী
আচিন্ গুলা মনীদী নাজ্ৰি কাঃকুক্ অমীদী।

"কোম্পানী জাহাজে পানী ঘোলা কৰি দিয়াৰ দৰে তুমিও চেনাই মোৰ দেহ মন ঘোলা কৰি দিলা।"

গান্ধী বাবুক্ তপইচা বাৰত চাদিন্ লীগাঙী
আইঙামিক তপইচা অকুম ৰমনা দনামী॥

"মহাত্মা গান্ধীৰ তপস্যা আছিল ভাৰত স্বাধীন কৰাৰ আৰু এতিয়া তোমাৰ মোৰে একমাত্ৰ তপস্যা হল এখন সুখৰ সংসাৰেৰে জীৱন যাপন কৰাটো।"

"ৰকেত দাঃ পী মীঃ মৃল পঃলতী অদ্‌কণ্
আইপী মীঃ পী অীম্‌মৃল দঃলুএঃ তীদ্ অদ্‌কন্॥"

"উৰাজাহাজ উৰো বুলিলে জোনৰ দূৰত্বনো কিমান? অ' চেনাই ভাল পাওঁ বুলিলেনো তোমাৰে মোৰে গাঁৱৰ দূৰত্বনো কিমান?"

এইদৰে প্ৰকৃতিপ্ৰেমী মিচিংসকলে প্ৰকৃতিৰ মাজত সহজ সৰল ভাবে জীৱন যাপন কৰি প্ৰকৃতিৰ লগত সংগতি ৰাখি অই নিতমৰ মাজেৰে মনৰ ভাব প্ৰকাশ কৰে। সাধাৰণতে মিচিং লোকসকলে

নৈৰ পাৰত বাস কৰি ভাল পায়। এই সোৱণশিৰিৰ (অৱণৰি) শীতল কোলাত প্ৰাণ ঢালি মিচিং ডেকা-গাভৰুৱে জাকে জাকে গ। ধুই দেহা শীতল কৰে। দিহিং দিচাং লুইত, সোৱণশিৰি (অৱণৰি) নৈ আৰু লুইতৰ শুকুলা বালি পাৰৰ চাপৰি, গগনাৰ মাত, পৰ্বতৰ দাঁতি ইত্যাদিয়ে মিচিং অইনিঃতমত ঠাই দখল কৰি আছিছে। খেৰকটা, লুইত, সোৱণশিৰি, বুৰই ভৰলীৰ পাৰে পাৰে ঘৰ বান্ধি টুলুঙা নাৱৰে উজনি ভাটি কৰি অইনিঃতমৰ সুৰেৰে কোনোৱা দুষ্ট ডেকাই কনেংওৰ মন জুমি চালে "কনেং তোমাৰ মোলৈ কেনেকুৱা মন" চতুৰ গাভৰুৱে ডেকাৰ মন বুজি পাই গগনাৰ সুৰত বুকু উদং কৰি জনাই দিলে, "নমেই মৌঃ লুক চুমাও।" অৰ্থাৎ বৈত্যালৈ অখুচি মন। এনেদৰে মিচিং মানুহে নৈৰ পাৰে পাৰে নল খাগৰীৰ মাজে মাজে অঘৰীৰ দৰে অস্থায়ী ঘৰ বান্ধি যুগে যুগে জীৱন ধাৰণ কৰি আছিছে। সেইবাবে মিচিং মানুহৰ জীৱনৰ দুখ-শোক, হাঁহি-কান্দোন আৰু অইনিঃ তমবোৰৰ বহিঃপ্ৰকাশৰ বাবে নৈ-নিজৰা, নলখাগৰী, পৰ্বত-পাহাৰ, লুইতৰ শুকুলা বালি আদিৰ সহায় লৈ নিঃতম গোৱা শুনা যায়—

"অইযা দেখাচে, চিঃচাং দেখাৰে
পুৰাণি মৌৰুগপী দংৰপ দুঃৰনে।"

"—এনে দুখৰ যাতনা যেন উঠি অহা কোমল দেহাত বন জুইহে জ্বলিছে।" আকৌ পাৰৰ খাগৰী ভৰালৈ চাই কোনোবা দুখ-বেদনাত জৰ্জৰিত মিচিং ডেকা-গাভৰুৱে গায়—

"আচি দাৰী পৰিলা কাগতিদী জিন্‌দুঃৰং
আগম্ দাৰী পৰিলা ওকী আচিন্ জিন্‌দুঃৰং।"

"নৈৰ ধাৰত পৰি পাৰৰ খাগৰিবোৰ তিৰবিৰাই কঁপি উঠিছে। অ' চেনাই, কথাৰ ধাৰত মোৰ মন কঁপিছে।"

ভৰ বাৰিষা আহিলে সোৱণশিৰিৰ গৰাখহনীয়াই মিচিং গাঁওবোৰক বুকুত সাবতি লয়। অথচ তাতো যে মিচিং ডেকা-গাভৰুৱে পায় জীৱনৰ প্ৰতিবিম্ব।

"অইয়া কংকাম্‌পী আনী ৰাগ কংকাম্‌পী
চিচাং আচিনাং কঃচা, দুঃৰনে অইয়া॥"

"পৰা খহনীয়া অহাৰ দৰে চেনাই, মোৰ আশা-আকাঙ্ক্ষা জহি পমি গৈছে।"

"কাজে আজন্ গৃকাংলয়
অদিযেনা তায়ে তাপ
চ্ঃ পাগ্ আৰুগ্ ইপেঃলা
ৰিঃ বি গাছে চুম্গেঃ পা
আলি আয়ে পঃৰাগ্ল
আলি আয়ে পঃৰাগ্ল
গীলেন তইয়া বমনাগী ॥"

"—ব'লা মোৰ মৰমৰ চেনাই পাহাৰৰ ওপৰত গৈ কপাহৰ খেতি কৰোগৈ। এই কপাহৰ পৰা সূতা কাটি বিঃখিগাচেং বৈ আলি আই লিগাং আৰু পঃৰাগ উৎসৱত এই বিঃৰিগাচেং গাত লৈ আনন্দমনে দুয়ো নাচিম। ব'লা মোৰ চেনাই।"

"ৰৰনৈ চুম্লি পূন্দুঃবঃ
পীদং আচি পাঃমালা
ঙক্কী আচিন্ পূন্দুবঃ
অইনক্ অগম পাঃ মালা।"

"—লুইতৰ বালিবোৰ বৰষুণৰ অভাবত শুকাই গৈছে আৰু অনবৰতে তোমালৈ ভাবি আৰু তোমাক কাষত নাপাই মযো শুকান বালিৰ দৰে শুকাই ক্ষীনাই গৈছো বা যাব ধৰিছো।"

এনে গীতসমূহক কেৱল উঠি অহা ডেকা গাভৰুসকলক প্ৰেম-প্ৰীতিৰ আত্মকথা বুলি কলে যুক্তিসংগত নহব। অলপ দকৈ ভাবি চালেই উপলব্ধি কৰিব পৰা যাব যে কেনেকৈ নৈ-নিজৰা, হাবি-বননি, চাপৰি মাজুলীয়ে এটা সমাজক সম্পূৰ্ণৰূপে সামৰি ল'ব পাৰে তাৰেহে নিদৰ্শন আমি অইনিঃতমৰ উপমাবোৰত পাওঁ। সেই একেই কাৰণেই অইনিঃতমসমূহক নৈপৰীয়া মিচিং সংস্কৃতিৰ পৰিচয়-বাহক বুলি আমাৰ দ্বিধাবোধ নাই।

অইনিঃতমত সমাজ জীৱনৰ প্ৰতিচ্ছবি কিদৰে ফুটি উঠে তাৰে এটি নিদৰ্শন তলৰ গীতফাঁকিত আছে ঃ

"ৰা ৰা দৰজুম্‌তেই না-না দৰ্‌জুম্‌তেই
দৰতুম্‌ মাঃমুল বম বাগৌম্‌ গুয়েগী।"

দেউতা আৰু আই যিমান টকা সিকা লাগে সিমান টকা দি হলেও তোমালোকে ছোৱালীজনীক ৰাখা, তাকে যদি নকৰা তেন্তে মই বনবাস খাটিবলৈ যাম।

মিচিং সমাজত ছোৱালীৰ বাবে ল'ৰাৰ ঘৰৰ পৰা গাধন লোৱাৰ প্ৰথা আছে। ল'ৰাৰ বাপেকে যদি এই গাধন দিয়াত অসমৰ্থ হয়, তেতিয়া হয়তো ছোৱালীৰ বাপেকে জোৰ কৰি হলেও ছোৱালীজনীক ওলোটাই নিব পাৰে। এনে অৱস্থাত প্ৰেমৰ প্ৰবল আকৰ্ষণত ডেকাৰ মনৰ সংকোচৰ পাৰ ভাঙি যায়। মাক দেউতাকৰ অসন্তুষ্টিত পৰাকৈ মনৰ কথা কবলৈও দ্বিধাবোধ নকৰে। তেওঁৰ মনৰ কথাই গীত হৈ ওলাই আছে।

# ভৈয়াম-কাৰ্বি গীত-পদৰ ভৰালত এভুমুকি

তীৰ্থ ফুকন

অসমৰ অন্যতম প্ৰাচীন অধিবাসী কাৰ্বিসকল গীতে-মাতে, নাচে-সাজে সমৃদ্ধ। কাৰ্বি আংলং জিলাৰ পাহাৰী অঞ্চলৰ উপৰিও ভৈয়ামৰ কামৰূপ, নগাঁও, শিৱসাগৰ, দৰং আদি জিলাতো বহুজন সংখ্যক কাৰ্বি লোকৰ বাস। এই আলোচনাত ভৈয়ামৰ কাৰ্বি সমাজৰ গীত-পদৰ সৌন্দৰ্য্যৰ বিষয়ে আলচ কৰিবলৈ চেষ্টা কৰা হৈছে। প্ৰসংগতঃ উল্লেখ কৰিব পাৰি যে ভৈয়ামৰ কাৰ্বি সমাজত গঢ়ি উঠিছে এক সুকীয়া সাংস্কৃতিক ধাৰা। এই বিশেষ সাংস্কৃতিক ধাৰাৰ লগত পাৰ্বত্য অঞ্চলৰ কাৰ্বি সকলৰ সাংস্কৃতিক ধাৰাৰ চকুত লগা পাৰ্থক্য দেখা যায়। আনহে নালাগে, ভৈয়াম অঞ্চলৰ কাৰ্বিসকলৰ মাত-কথা পাহাৰৰ কাৰ্বিসকলৰ বুজাত অসুবিধা হয় আৰু পাহাৰৰ কাৰ্বিসকলৰ মাত-কথাও ভৈয়ামৰ কাৰ্বিসকলে বহু সময়ত বুজি নেপায় বুলিয়ে ক'ব পাৰি।

সেইদৰে উৎসৱ-পাৰ্বণৰ ক্ষেত্ৰতো পাৰ্থক্য আছে। উদাহৰণ স্বৰূপে, কাৰ্বি আংলং জিলাৰ কাৰ্বিসকলৰ প্ৰধান উৎসৱ চ'মাংকান। কিন্তু চ'মাংকান উৎসৱ ভৈয়ামৰ কাৰ্বিসকলৰ উৎসৱ নহয়। ভৈয়ামৰ কাৰ্বিসকলৰ প্ৰধান উৎসৱ হ'ল জহং পূজা। এই জহং উৎসৱ পালন কৰে বহাগৰ প্ৰথম দুদিনতে।

ভৈয়ামৰ কাৰ্বি সমাজৰ পৰম্পৰাগত গীত-পদবাজিক আমি ঘাইকৈ চাৰিটা ভাগত ভাগ কৰিছোঁ: উৎসৱ-ভিত্তিক, কৃষি-ভিত্তিক, প্ৰেম-প্ৰণয়-ভিত্তিক আৰু শিশুকেন্দ্ৰিক। উৎসৱ-ভিত্তিক গীত-পদবোৰ বিশেষকৈ উৎসৱৰ সময়ত গোৱা হয় আৰু কৃষি-ভিত্তিক গীতবোৰ শস্যতলিত গোৱা হয়।

ওপৰত কৈ অহা হৈছে, ভৈয়ামৰ কাৰ্বি সমাজৰ প্ৰধান উৎসৱ জহং উৎসৱ। এই সমূহীয়া উৎসৱ তথা পূজা গাঁৱৰ সামাজিক মুৰব্বী বাংথেৰ ঘৰত পালন কৰা হয়। বলি-বিধান আদি পৰম্পৰা-

গত প্ৰথা এই উৎসৱৰ প্ৰধান অংগ। পৰম্পৰাগত বিশ্বাসমতে জহং দেৱতা জপ কৰি পোৱা দেৱতা। আকৌ জহং দেৱতা কাৰ্বি পৰম্পৰাৰ যুদ্ধৰো দেৱতা। প্ৰাচীনকালত যুদ্ধ-যাত্ৰাৰ আগতে যুদ্ধ-দেৱতা জহঙৰ আশীৰ্বাদ বিচাৰি এই উৎসৱ পালন কৰা হৈছিল। আজি-কালিও সেই পৰম্পৰা ৰক্ষা কৰি জহং উৎসৱত শ শ বহুৰীয়া পুৰণি ঢাল-তৰোৱাল লৈ নৃত্য-গীত কৰা হয়। কাৰ্বিসকলৰ ঢোল-সদৃশ বাদ্যযন্ত্ৰক কোৱা হয় চেং আৰু কালিৰ নিচিনা পেঁপাক কোৱা হয় মূৰীপ। চেঙৰ গম্ভীৰ ধ্বনি, মূৰীপৰ মন বিয়াকুল কৰা সুৰ, ঢাল-তৰোৱালৰ জন্‌জননি আৰু নৃত্য-গীত-ৰত ডেকাৰ উপচি পৰা প্ৰাণ-চাঞ্চল্যৰ উন্মুক্ত প্ৰকাশে উৎসৱ-থলী কৰি তোলে এক অনন্য ধাম। সুললিত সুৰে ডেকা-বুঢ়া সকলোৱে নাচি নাচি সমস্বৰে গায় :

এই অহো ৰিয়াহো অহে ৰিজয়াক,
এ অহো ৰিয়াহো অহো ৰিজয়াক।
এ ৰিছ আজহোং ছাফুৰ্ আজহং
এ জহোং আৰ্নাম আৰ্দ্দমচি ইলি চিৰানদ।
এ থাৰাকয়েক ফেৰেয়েক ৰিছ মেঞ্চ হেল,
এ ৰিছ মেঞ্চ চিংকৰে বিপুন ৰাখিনাং।
এ ইৰি খিপুন ইংৰতেনে মাউৰ ইফমান
এ লাচি ইলি ৰংবংহেল বিপুন টিকাঙেক

- - - - - - -

- - - - - - -

(ভাৱাৰ্থ---আহা ঐ, আহা। ওলাই আহা। ডেকা জহং, বুঢ়া জহঙক আমি আটায়ে মিলি পূজা কৰিছোঁ। আমি সকলোৱে একে লগে নাচ-বাগ কৰিছোঁ। অ' ডেকা-গাভৰুহঁত, তোমালোকে লাজ ভয় নকৰিবা। আমি আমাৰ ৰীতি-নীতি ৰক্ষা কৰিব লাগিব। আমাৰ ৰীতি-নীতি এৰিলে পূৰ্বৰ পিতৃ-পিতামহসকলে অভিশাপ দিব।)

জহং উৎসৱৰ মূল অনুষ্ঠান দুদিনীয়াকৈ হৈ যোৱাৰ পিছতে হুঁচৰি গোৱাৰ দৰে ঘৰে ঘৰে নৃত্য-গীত কৰাটোও কাৰ্বি সমাজৰ অন্যতম নিয়ম। চেং-মূৰীপ বজাই, ঢাল-তৰোৱাল লৈ গৃহস্থৰ চোতালত নানা নৃত্য-গীত কৰে ডেয়ামৰ কাৰ্বিসকলে। গৃহস্থই

সমজুৰাক সাদৰ অভ্যৰ্থনা জনায় আৰু সমজুৰাই গৃহস্থক নতুন বছৰৰ কল্যাণ কামনা কৰি আশীৰ্বাদ দিয়ে। হুঁচৰি গোৱাৰ দৰে সমজুৰাসকলে গায় ঃ

ঐ দম দম মাদুলী দম ঐ আই
দম দম মাদুলী দম ঐ আই
দম দম মাদুলী দম দম।

নাংচপ তেন-তেলা দম ঐ আই
কাথিৰাক কাংৰেল দম ঐ আই
আতংতা কাংৰেল দম দম।

হানচিৰি আলাংচ'ৰ দম ঐ আই
ফাৰকংপে আকাংৰী দম ঐ আই
কাং নিং চম কাংৰেল দম দম।

\- - - - - - -

\- - - - - - -

(ভাৱাৰ্থ—ডিডিত মাদলী পিন্ধি হালি-জালি সকলোৱে নাচাহঁক। আমি নতুন বছৰলৈ আদৰণি জনাই আজি নাচ-গান কৰিছোঁ। আহা ভাইহঁত, আমি নাচি-বাগি গীত গাই নতুন দিনটোলৈ সম্ভাষণ জনাওঁ। নাচা, চেং-মুৰীপৰ ছেৱে ছেৱে সকলোৱে নাচা।)

জহং পূজাত ব্যৱহৃত মন্ত্ৰৰ নমুনা এটিও ইয়াত দাঙি ধৰা হ'ল—

তে হেম্ হে-ম,
তে হেম্ হে-ম্ হেম
তে ডেকা আজহং, বুঢ়া আজহং
সৰু ফিংফাং, বুঢ়া ফিং ফাং
দাম্রা হিম্রা, কাংক্রা হিম্রা
কৰংবং পেন কৰংথে পেন
লৱান এপাক চি পি চি
ল'ফান এপাক চি পি চি
মিৰ একোক থে একোক চি পি চি

আৰা-কোৰা* নামৰ এক কৃষিভিত্তিক নৃত্য গীতানুষ্ঠান কাৰ্বিসকলৰ এই জাতীয় উৎসৱসমূহৰ ভিতৰতেই উল্লেখযোগ্য আৰু আকর্ষক। মূলতে এই নৃত্য-গীতৰ অনুষ্ঠানটি ঝুম খেতিৰ লগত জড়িত আছিল আৰু ঝুম খেতিৰ তলিতে ডেকা-গাভৰু সকলোৱে মিলি 'আৰাকোৰা' নৃত্য কৰিছিল। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে ভৈয়ামৰ কাৰ্বিসকলে পানী-খেতি কৰে যদিও ঝুম খেতিৰ সোৱাদ পাহৰা নাই, আৰু বসতি স্থলৰ ওচৰত পাহাৰ থাকিলে এতিয়াও চলায় সেই পৰম্পৰা-সমৃদ্ধ চেষ্টা। আন কিছুমান কৃষিজীৱী জনগোষ্ঠীৰ লগতে কাৰ্বিসকলেও খাদ্য উৎপাদনৰ উদ্দেশ্যে পৃথিৱীক আঘাত দিব-লগীয়া হোৱাৰ বাবে যেন নিজকে দোষী অনুভৱ কৰে—প্ৰকৃতিৰ লগত এনেকুৱা সমাজৰ সম্পৰ্কে ইমানেই নিবিড়। শস্যৰ তলিত হাল-কোৰ জোৰাৰ আগতে কাৰ্বি কৃষকে এইবুলি আন্তৰিক প্ৰাৰ্থনা কৰে,—"হে বসুমতী আই, প্ৰাণৰক্ষাৰ বাবে খেতি কৰিবলৈ তোমাৰ বুকুত হাল-কোৰ বাইছোঁ। তোমাক অনেক কষ্ট দিছোঁ। আমাৰ দায়-দোষ নধৰিবা। শাওপাত নিদিবা।"

'আৰাকোৰা' নৃত্য আৰু গীত কাৰ্বিসকলৰ অতি আদৰৰ। এই গীতৰ ছন্দ আৰু সুৰ অতি চিত্তাকর্ষক। এই পৰম্পৰা-সমৃদ্ধ গীতৰ ৰচনাশৈলীও অতি মনোহৰ ঃ

কুৰ্‌লে ইয়া অ' হ-ই
লাংহে ইয়া অ' হ-ই
কুৰলে ইয়া হই হই হই—
এ উলাং হে হে ইয়া
অ' হায় দেই
অ' উলাং হে হে ইয়া
অ' হায় দেই
উলাং হে হে ইয়া অ' হায় দেই
উলাং হে ইয়া হায়।

* আৰা-কুৰা বুলিও কোৱা হয়।

এ ছেং কান্ আৰতৰ জাল হেং
কে মাপ আখেতি পাংনিক্রে
ক্রে নি জাৰ দৈ আবাং হে

এ ছেং হান্ মাং ৰেং ৰোল
কে দুক্লা মাং ৰেং জ
কে মা পৎ আখেতি পাংনিক্রে
ক্রে নিজাৰ দৈ আবাং হে।

এ উলাং হে হে ইয়া
অ' হায় দেই
অ' উলাং হে হে ইয়া
অ' হায় দেই

উলাং হে হে ইয়া অ' হায় দেই
উলাং হে ইয়া হে হায়।

এ এয়াং লে মাবাং
কে মাগোৰ পে লুং ক্লাল
এ জাৰ দি চি কম লাং
এ নিজাৰ দি আবাং হে

কুৰ্লে ইয়া অ' হ ই
লাংহে ইয়া অ' হই
কুৰ্লে ইয়া হই হই হ-ই।

(ভাবাৰ্থ—আমি ঝুম খেতি কৰিবলৈ জৈছোঁ। হে শস্যৰ অধিষ্ঠাতা দেৱতা, আমাক আশীৰ্বাদ কৰা, যাতে ভালদৰে খেতি কৰিব পাৰোঁ আৰু শস্যেৰে আমাৰ শস্যতলি নদন-বদন হৈ উঠে। আহা ভাইহঁত, আমি সকলোৱে উল্লাহেৰে খেতি কৰোঁ।)

কৃষি-ভিত্তিক তথা উৎসৱ-ভিত্তিক এটি গীত গোৱা হয় ন খোৱাৰ সময়ত। উল্লেখযোগ্য যে অন্যান্য কৃষিজীৱী সমাজৰ দৰেই খেতি চপোৱাৰ পিছত গাঁৱৰ গিয়াতিক নিমন্ত্ৰণ কৰি লগে ভাগে নতুন ধানৰ চাউলেৰে ভাত খোৱা কাৰ্বি সমাজৰ অন্যতম ৰীতি। এই

উপলক্ষে পৰম্পৰাগতভাৱে গাই অহা এটি গীতে কাৰ্বি সংস্কৃতিৰ এটি বিশিষ্ট দিশ দাঙি ধৰে—

অ'- - - - -
প্ৰলে ইয়াং
কলে ইয়াং
অৰা প্ৰলে ইয়াং
প্ৰলে ইয়াং পুকে
কোন চমাৰ জাং প্লাং লাং
প্ৰলে ইয়াং পুলে লই।
প্ৰলে ইয়াং
কলে ইয়াং
অ'- - - - -
বা প্ৰলে ইয়াং
প্ৰলে লাং কি ফ্ৰকে
শুনি বা লাং প্লাং লাং

(ভাৱাৰ্থ---ধান খেতি কৰাৰ ব্যৱস্থা প্ৰথমতে উদ্ভাৱন কৰাজনক আমি শ্ৰদ্ধাৰে সুঁৱৰিছো। এতিয়া আমি হাগলী কাটি সকলোৱে নতুন ধানৰ চাউলেৰে ভাত খাই নাচিম আৰু গাম।)

উৎসৱ-ভিত্তিক আৰু কৃষি-ভিত্তিক গীত-পদ-বোৰৰ দৰেই প্ৰেম-প্ৰণয়-ভিত্তিক গীতবোৰেও কাৰ্বি সমাজৰবৰ্ণাঢ্য জীৱনৰ এটি দিশৰ পৰিচয় দিয়ে। উল্লেখযোগ্য যে শইচৰ তলি সোণালী ধানেৰে ওপচাৰ পৰা কাৰ্বি ডেকাহঁতে পৰম্পৰা-সমৃদ্ধ সাংস্কৃতিক অনুষ্ঠানৰ অনুশীলনো জানে, আৰু জানে মনৰ গাভৰুজনীৰ মন পৰশাকৈ গীতৰ মাজেৰে মনৰ কথাবোৰ ক'ব। সেইদৰে শাওণৰ পথাৰৰ লখিমীস্বৰূপা বোৱনী, আঘোণৰ পথাৰ হাঁহি-কিৰিজিৰে খলক লগোৱা দাৱনী আৰু আকাশত বহল-সনা বাৰে-ৰবণীয়া ফুলৰ দৰে ফুজাম কাপোৰৰ বোৱনী তৈয়ামৰ কাৰ্বি গাভৰুহঁতেও মনৰ ডেকাটোক গীতেৰেই ক'ব খোজা কথাবোৰো ক'ব জানে। কাৰ্বি ডেকাই গাভৰুৰ উদ্দেশ্যে গোৱা এই গীতটোৰ সুৰো ৰব মৰ্মস্পৰ্শী।

ঐ নিহাৰতা কিদজেদ কাংৰেল ঐ লাৰি,
আংদমতা কাংৰেল ঐ লাৰি।
নুহতা কিদতাং হাকপা কিথান
অচতা কিদতাং হাক আই কিথান ॥

ঐ নিহাৰতা কিদজেদ কাংৰেল ঐ লাৰি,
আঃদমতা কাংৰেল ঐ লাৰি।
বৃটিছ প আক'কে নিচাল কাম কিদল'
নহোক থাক কাছুলি কাছুলি ল।
নিহাৰতা কাংৰেল ঐ লাৰি,
নিতাহাং কাৰেল ঐ লাৰি ।

ঐ নিহাৰতা কিদজেদ কাংৰেল ঐ লাৰি
আংদমতা কাংৰেল ঐ লাৰি।
নিচাল কাম কাংৰেল ঐ লাৰি
মাউৰতা নিপুনত ত নিপুনত।
নিহাৰতা কাংৰেল ঐ লাৰি
নিতাহাং কাংৰেল ঐ লাৰি।

ঐ নিহাৰতা কিৰ্দজদ কাংৰেল ঐ লাৰি
আংদমতা কাংৰেল ঐ লাৰি।
ৰাঙেতেনে ৰাঙত লাৰি অৰাং
হমন প অততেনে নিফু মোন।
নিহাৰতা কাংৰেল ঐ লাৰি,
নিতাহাং কাংৰেল ঐ লাৰি ॥

(ভাৱাৰ্থ—অ' মোৰ মৰমীজনী, মোৰ ভাগ্য একেবাৰে নোহোৱা হৈ যোৱা নাই। মোৰ মাতৃষাৰো একেবাৰে শুৱলা নোহোৱা নহয়। সেউতাই তাহানি কৈছিল, মোৰো এজন শহৰ আছে আৰু আয়ে কৈছিল, মোৰ কাৰণে তেওঁ কইনাও চাইছিল। বৃটিছ কোম্পানীৰ আমোলত মোৰ চাকৰিও আছিল, পইচা-পাতিও বহুত আছিল। এতিয়া মোৰ একো নাই আৰু সেই কাৰণে তুমি মোক অৱহেলা কৰিছা। হায় কপাল! তোমাক পাবলৈ মোৰ কপালত লিখা নাই।)

প্ৰিয়জনক উদ্দেশ্য কৰি মনৰ কথা কোৱাৰ উপৰিও কাৰ্বি গাভৰুহঁতে সময় বুজি ধেমেলীয়া কথাকে জোকাবও জানে। গাভৰু-হঁতে ডেকাক জোকাই গোৱা এটি গীত এনে ধৰণৰ ঃ

পলঙা ঐ পলঙা
থেলু ঐ পলঙা প
নাং আপো হললোং
কে কাংকনি আকেং প দেই।
নাং আপো হললোং
কে আকেঙে আবেপাৰ প,
বাংকুৱা পাংদম জেংকে
আং দমে দোংৰে প দেই।
নাং আপো হিলাই দোং
কে আমেনে হললোং প,
হৰবংঙে আলাং হৰ কে
দুৱাৰ লং কি জুন দে প।

(ভাৱাৰ্থ---ঐ মোৰ পাহোৱাল ডেকাটো, তুমি মোক পাবলৈ মন কৰিছা হয়, পিছে তোমাৰ দেউতাৰাৰ কথা-কাণ্ড দেখি মোৰ খুব হাঁহিহে উঠে। তোমাৰ দেউতাজন দেখাত কাকিনী তামোলৰ দৰে। তোমাৰ দেউতাৰাই মোক ধৰিবলৈ অনা মদ-কলহ দেখোন বাটতে খাই শেষ কৰিলে---ঘৰেই নাপালেহি।)

বিহুতলিত ডেকাই গাভৰুৰ ৰূপ বৰ্ণনা কৰি জোৰা গীতৰ নিচিনা গীতো কাৰ্বি লোক-গীতৰ মাজত আছে। তেনে এটি গীত এনে ধৰণৰ ঃ

আৱাই ৰংমালী ঐ
আৱাই ৰংমালী
হেং মুৰীপ আচেও এন এন নে
আংদম পাদয়ে
ছাম্ৰং বাদি আৰ তিং কিকান
কনাক হও নাং
নাংক্লেল নাংক্লেল নালাংতেনে

বহাৰ বাদি নাং ঠেক মান
নাংকেং নাৰি নাজাং ভেনে
ৰবাম বাদি নাং থেক মান ॥
কনাক কিদ কনাক কিৱাং
জাতো নি থান থাক
পেতপত ছমাৰ আৰণ তাৰা
লাবাং ছ নিপুথা।

(ভাৱাৰ্থ---ৰংমালী আইদেউ, ছেং-মূৰীপৰ ছেৱে ছেৱে হালি-জালি ঘূৰি ঘূৰি নাচিবলৈ ক'তনো শিকিলা? তোমাক পিছৰ পৰা চালে বনৰীয়া চৰাই যেন দেখি, তোমাৰ হাত-ভৰিলৈ চালে ম'ৰা চৰাই যেন লাগে। ইমানদিনেবা ক'ত আছিলা? আজিনো কলৈ আহিছিলা? তুমিনো কোন খেলৰ? কথাটো মোক ভাঙি কোৱাচোন।)

শিশু-কেন্দ্ৰিক গীত-পদৰ ভিতৰত আছে নিচুকণি আৰু খেল-ধেমালিৰ গীত। কাৰ্বিসকলৰ নিচুকনি গীতবোৰৰ এক সুকীয়া মাধুৰ্য্য আছে। কান্দি থকা মইনাটিক পিঠিত বান্ধি লৈ কিশোৰী বায়েকহঁতে গোৱা এই নিচুকণি গীত দুটি জনপ্ৰিয় ঃ

(১) ঐ মিনিতা চুকদ মিনাক্তা চুকয়ে
চুকয়েক মুচজাং
অ' অ' অ' অ' অবাং
নাং আপ চিংথ্ৰাপ
কিং চাং আৰং দমেদ
চুকয়েক মুচজাং
আখে আদুম ৱানে তাং
অ' অ' অ' অ' অ' অ'বাং

(২) তিন্তিলিক পে আংচেংকে
ৰৰ প্লাক পে চি হম-দ
থানেক দেই নেং বংজাং
ক্লং ক্লং
চোক থ্ৰেং থ্ৰেং চোক থ্ৰেং থ্ৰেং থ্ৰেং
ভুমুৰা ৰিছ'

ভুমৰা বিছু ৰাঙেতাং
অ' অ'ক পেন আন পাচ'ক
থানেক দেই নেং ৰ জা
ক্লং ক্লং

(ভাৱাৰ্থ---(১) ভাইটি নাকান্দিবা, দেউতা বজাৰলৈ গৈছে। আখৈ-সাড়ু আনিব। ৰংমনে খাবলৈ পাবা। (২) সৌ তেতেলী গছজোপাত বাদুলী চৰায়ে বাহ লৈছে। বৌ, কাকো নকবা দেই, আজি ডিমৰীয়াৰ ৰজা আহিব নহয়, ভালদৰে ৰান্ধি-বাঢ়ি খুৱাব লাগিব ।)

এই আলোচনাৰ শিৰোনামাতেই স্বীকাৰ কৰা হৈছে যে অজস্ৰ গীত-পদেৰে ঠাহ খাই থকা ভৈয়ামৰ কাৰ্বি সমাজৰ লোক-গীতৰ ভঁড়ালত এয়া মাত্ৰ এটি ভুমুকিহে। কিন্তু একে আষাৰে ক'ব প'াৰি, এই গীত-পদৰাজিৰ সৌন্দৰ্য্যাই সঙ্গীত-প্ৰেমী শ্ৰোতাক কৰিব মন্ত্ৰমুগ্ধ, লোক-সংস্কৃতিৰ গৱেষকসকলক দিব হেৰাই যাব খোজা মণি-মৰকতৰ সন্ধান। এই সম্পদৰাজিৰ যথাৰ্থ অনুশীলন আৰু গৱেষণাই অসমৰ তথা ভাৰতৰ লোক-সংস্কৃতিৰ ঐতিহ্যময়ী সমন্বয়ৰ ভেটি শক্তিশালী কৰি তোলাতো বৰঙণি যোগাব বুলি ধাৰণা হয়।

# ভৈয়ামৰ কাৰ্বি সমাজত প্ৰচলিত গীত-মাত

ৰাজেন টাৰ

ভৈয়ামৰ কাৰ্বিসকলৰ মাজত প্ৰচলিত গীত-মাত বিলাকক সাতোটা ভাগত ভগাব পাৰি, (১) ৰেত কিনং আলুনবা আৰাকুৰা গীত, (২) লুন ফাৰৱ বা বনগীত, (৩) আন কিমি কিচ আলুন বা ন-খোৱা গীত, (৪) কুৰ্মী কিকান আলুন বা কুৰ্মী গীত, (৫) দমাহী আলুন বা বিহুগীত, (৬) কিথি কাৰহি আলুন বা মৃতকৰ সৎকাৰ কৰা গীত, আৰু (৭) ফল কি আপ আলুন বা কপাহ ধুনা গীত।

## ১। ৰেত কিনং আলুন

জুম বা আৰা খেতি কৰাৰ সময়ত যিবিলাক গীত গোৱা হয় সেই গীতবিলাকক 'ৰেত কিনং আলুন' বা আৰা কুৰা গীত বোলে। কাৰ্বিসকলে জুম খেতি কৰিবলৈ পাহাৰৰ উৰ্বৰা ঠাই বাছি লৈ তাত থকা হাবি-বন জুৰি কাটি চাফ কৰি লয়। সেই ঠাইডোখৰক কাৰ্বি ভাষাত "ৰেত" বা আৰা বোলে। এই ৰেত বা আৰাত একোটা পৰিয়ালে ৬ বিঘাৰ পৰা ১৫।১৬ বিঘা পৰ্য্যন্ত চাফ কৰি লয়। আৰা কুৰাক 'ৰেত কিনং' আৰু আৰা কুৰোঁতে যি বিলাক গীত গোৱা হয় সেইবিলাকক "ৰেত (আৰা) কিনং (কুৰা) আলুন (গীত)" বোলে।

আৰা কুৰা গীতবিলাক প্ৰাচীন কালৰে পৰা কাৰ্বিসকলৰ মাজত প্ৰচলিত হৈ আহিছে। এই গীতবিলাকৰ ৰচক অজ্ঞাত। এই অজ্ঞাত স্বভাৱ-কবিসকলৰ এই গীতবিলাকৰ সাহিত্যিক মূল্য যথেষ্ট আছে। এই গীতবিলাকৰ জৰিয়তে স্বভাৱ-কবিসকলৰ অতি উচ্চ মনৰ চিন্তাধাৰা, সৌন্দৰ্য্যবোধ, জাতীয়তাবোধ আদিৰ সম্পৰ্কে জানিব পাৰি। এই গীতবিলাক লিপিবদ্ধতাৰ অভাৱত বছৰৰ পৰা বছৰ ধৰি

---

দি বৰুৱা কলেজ আলোচনী, চতুৰ্বিংশ সংখ্যাত, প্ৰকাশিত প্ৰবন্ধৰ একাংশৰ সম্পাদিত ৰূপ।

বিভিন্ন লোকৰ মুখ বাগৰি আহোঁতে মূলৰ লগত কিমান দূৰ যোগসূত্ৰ ৰক্ষা কৰি আহিব পাৰিছে সঠিককৈ কোৱাটো টান।

আবা কুৰা গীতবিলাকৰ কেতবোৰ কাহিনীপ্ৰধান। তাৰে কাহিনী কিছুমান সঁচাকৈয়ে মনোগ্ৰাহী। সেয়ে এই গীতবিলাকক 'বেলাড্' বা কাহিনী-গীতত ধৰিব পাৰি। কাহিনী-গীতত প্ৰাচীন কালৰে পৰা চলি অহা সমাজ ব্যৱস্থা, ৰীতি-নীতি আদিৰ আভাস পোৱাৰ দৰে আবা কুৰা গীতবিলাকতো কাৰ্বি সমাজত চলি অহ সমাজ-ব্যৱস্থা, আচাৰ-নীতি, অত্যাচাৰ-অনাচাৰ আদি কথাৰ গম পোৱা যায়।

বহাগ আৰু জেঠ এই দুই মাহেই আবা খেতি কৰাৰ উপযুক্ত-সময়। এই সময়ত নতুন বৰষুণ পৰিবলৈ ধৰে। বৰষুণৰ টোপাল বোৰ পৃথিৱীত পৰাৰ লগে লগে কাৰ্বিসকলৰ প্ৰাণত আনন্দৰ ঠাই নোহোৱা হয়। এই দুমাহত অন্তৰত প্ৰবল আশা বুকুত বান্ধিবলৈ পাহাৰলৈ চাপলি মেলে। গাঁৱৰ সকলো ৰাইজে পৰস্পৰে পৰস্পৰক সহায় কৰি আবা কুৰা শেষ কৰে। এনেকৈয়ে গোটখাই আবা কুৰাকে কাৰ্বি ভাষাত ৰেত কিনং কাছিৰ্নে বা সাউৰি নিয়া বুলি কয়। সাউ-ৰিলৈ গাঁৱৰ সকলো ডেকা-গাভৰু যাবই লাগিব, নহলে 'দায়' বা জৰিমনা ভৰাব নিয়ম আছে।

আবা কুৰোঁতে মদ আৰু কুকুৰা চৰাই ব্যৱহাৰ কৰা হয়। কুকুৰা-চৰাই (মাইকীহে) প্ৰথমতে বনদেৱতা পৃথিৱী আৰু লক্ষ্মী দেৱীক পূজা কৰি কটা হয়। এই মাইকী কুকুৰাজনীৰ বলিৰ পিছত আবা কুৰাৰ আৰম্ভ হয়। ডেকা-গাভৰু একালে আৰু বুঢ়া-বেথাসকলে আনফালে শাৰী পাতি কুৰা হয়। আবা কুৰোঁতে কেৱল ঢোলহে ব্যৱহাৰ কৰা হয়। ঢোলৰ ছেৱে ছেৱে কোৰ মাৰি যোৱা হয়। ঢুলীয়াই গীত জুৰি দিয়ে আৰু বাকীবিলাকে সেই গীত গাই যায়।

ঢুলীয়াক 'চেংবে' বোলে। আৰম্ভণি গীতিটোত সকলোৱে পৃথিৱীক মাতৃৰূপে লৈ স্তুতি কৰে। তেওঁলোকে বিশ্বাস কৰে যে পৃথিৱীয়েই সকলো মানৱ জাতিৰ মাতৃ। মাতৃয়ে সকলো সন্তানক ৰক্ষা কৰে, পালন কৰে। সন্তানসকল জীয়াই থাকিবৰ কাৰণে আইৰ বুকু

ক্ষত-বিক্ষত কৰে, কিন্তু আয়ে (পৃথিৱীয়ে) জানো দুঃখ নাপায় ? আৰা কুৰা গীতটিত চাওকচোন—

"এয়, এয় ৰাং আ হায় লাং
অৰা দে এয় হায়
লছি অ, আই পৃথিমীপে নাংথাক নাংনুং ছি
লক্ষিমীয়ক দি চুন চুন থাপি য়ক ছি
নৈংছ দহৰেক নোংক্ৰেং ৰাদয়েক।"

অৰ্থাৎ—"হে আই পৃথিৱী! তোমাৰ বুকুত কোৰেৰে ক্ষত-বিক্ষত কৰিছোঁ, লখিমীক থাপনা কৰিবলৈ। তুমি যেন আমাৰ দোষ মৰিষণ কৰিবা আই।"

ইয়াৰ পিছত মূল গীতৰ আৰম্ভ হয়।

পৃথিৱীত বোধহয় আদিম কালৰ পৰাই নাৰীৰ ৰূপ-লাৱণ্যৰ প্ৰতি পুৰুষৰ দুৰ্বলতাও বিদ্যমান হৈ আছিছে। নাৰীৰ ৰূপত পুৰুষ মুগ্ধ হয় আৰু লগে লগে অন্ধও হয়। ফলত বিবেকবিহীন হৈ অকৰ্তব্যত লিপ্ত হয়। আমি সেই কথাকে তলৰ গীতটোত পাওঁ য'ত এজন ককায়েকে ভনীয়েক এজনীৰ ৰূপত মুগ্ধ হৈ পিছত বিয়া কৰাবলৈ ওলাবলৈকো কুণ্ঠাবোধ নকৰিলে। গীতটি চাওক ঃ—

এ ৰাং আহালে অ'ৰাদে অ' হাই হাই।
ঐঃ ছাংক্ৰিল অ'ফাংএ ত্যাৰমে অ'দিংস।
নেছুৰী হামপুৰ আয়ক
মিৰমগ্ৰা গনে দাম নাং।
ছাংক্ৰিল আদুনাদি তাৰমে
ছলিম জক জেলহে। (১)

ঐ হাৰ্চে অ' লাংদাং ছপেন
জখলা বিচাৰ লাং।
মাপত জখলা—ভুলোকা জখলা হে।
লাকে আলন মাতত ত্ত'ক
কাংৰি মাতত ত'ক বেনে। (২)

ঐ জখলা মাৰকাংদাং
তাৰমে অ দিংএ

মিৰমলা গনে য়াংৱ ছাংক্লিল অ' ফাংএ,
জখলা-ৰাংৰাদেন মিৰথেৰে ৰাংচাংৰহে । (৩)

নাং ছালহু লাৰিপেনে, মিৰমলা ৰাংদেং চাংক্লিল
চাংকিল অ' ফাংএপেকে মাপত আদিন মা !
আয় লাকে জখলা ৰাংন্ত্রল মা-ছাংক্লিল আ ফাংএপে
তাৰমে অ দিংএপকে ৰবাক বাক ছালিল মা ? (৪)

ঐ পাৰৰলৈং পাকাৰল্পে মাজুবেন
চাংক্লিল আদুনদি তাৰমে ৰাপ্রান বাংচি'তি লমা ? (৫)
ঐ মানি কুলদুমৰেনে ৰানিম কিদাম হোলকে
মাপত আৰানিম ব
মাপত আৰানিম মা তাৰমে আৰানিম ৰহে । (৬)

ইয়াৰ অৰ্থ এনেকুৱা ঃ—

(১) "মোৰ মৰমৰ ভনীজনী, তোমাৰ কাৰণেই সকলো কৰিবলৈ সাজু আছোঁ" বুলি কৈ 'মিৰমলা' (এবিধ পাহাৰীয়া ফুল) ভনীয়েকৰ বাবে চিঙিবলৈ মান্তি হ'ল ।

(২) গছত উঠিবলৈ ভাতৰ টোপোলা লগত লৈ জখলা বিচাৰি গ'ল । জখলাডাল অতি দীঘল ভলুকা বাঁহৰ আছিল । জখলাডাল গুৰিত কাটি একেবাৰে আগলৈকে ৰাখিলে ।

(৩) (জখলাত্ত উঠি) ভনীয়েকৰ বাবে 'মিৰমলা' চিঙিবলৈ জখলাডাল গছজোপাত লগালে ।

(৪) "আজি আমাৰ কি যে শুভদিন, তোমাৰ চাদৰৰ লগত 'মিৰমলা' ধৰাহি ।" ভনীয়েকে জখলাডাল গছজোপাৰ পৰা টানি দিলে ককায়েকে কব নোৱাৰাকৈ । কাকায়েকে আনন্দ মনেৰে ইটো ঠানিৰ পৰা সিটো ঠানিলৈ বগাই গৈ ফুল চিঙি তললৈ পেলাই থাকিল ।

(৫) ককায়েকে বাচৈটোকা চৰাই নাইবা কেৰ্কেটুৱাৰ দৰে ইটোৰ পিছত সিটো ঠানিলৈ জপিয়ালে ; কিন্তু কোনো ফল নধৰিলে । অৱ-শেষত গছজোপাতে ভনীয়েকৰ বাবে প্ৰাণ দিবলৈ বাধ্য হ'ল ।

(৬) কিছুদিনৰ পিছত তাৰ মৃতদেহটোৰ পৰা কেতেকী ফুল ফুলিলে যেনেকৈ গোন্ধ গোটেই বননি বিয়পি পৰে ঠিক তেনেকৈ গুণোৱা গোন্ধে গোটেই বননিতে বিয়পি পৰিল ।

গীতটিৰ তাৎপৰ্য্য এনেকুৱা ঃ বহুদিনৰ আগতে কাৰ্বি সমাজত এখন ঘৰত এহাল ককায়েক-ভনীয়েক আছিল। ভনীয়েক দিনকদিনে চন্দ্ৰৰ দৰে বাঢ়ি আহিব ধৰিলে। ধুনীয়া ভনীয়েকৰ ৰূপ দেখি ককায়েকৰ লোভ উপজিল। শেষত ককায়েকে ভনীয়েকক বিয়া কৰাবলৈ খিৰাং কৰিলে। ভনীয়েকে উপায়ন্তৰ হৈ এটা চুক্তিত খিয়া কৰাবলৈ সন্মতি প্ৰকাশ কৰিলে। "ককায়েকে যদি তাইক বিয়া কৰাবলৈ খোজে তেতিয়াহলে 'মিৰমলা' ফুল আনি দিব লাগিব।" ('মিৰমলা' এবিধ পাহাৰীয়া ফুল। ই এবিধ অতি ওখ গছত ফুলা ফুল গতিকে দুষ্প্ৰাপ্য)। তথাপি ককায়েকে ভনীয়েকক বিয়া কৰোৱাৰ আশাত 'মিৰমলা' চিঙিবলৈ অতি দীঘল ভলুকা বাঁহৰ জখলা তৈয়াৰ কৰি ললে। ফুলগছ জোপাৰ গুৰিলৈ তাইকো লগত লৈ আহিল। জখলাডাল গছজোপাত লগাই গছৰ একেবাৰে শিখৰলৈ গৈ ফুল চিঙি ভনীয়েকলৈ (মাটিলৈ) ফুল পেলাই দিলে। সি যেতিয়া আনন্দত মতলীয়া হৈ ফুল চিঙাত ব্যস্ত হ'ল তেতিয়া চতুৰ ভনীয়েকে জখলাডাল গছৰ পৰা পেলাই দিলে। ককায়েকে ভনীয়েকৰ ইংগিতমতে নামি আহিব ধৰোঁতে জখলাডাল গছজোপাত নেদেখি নিজৰ ভুলটো ধৰা পৰিল আৰু নামি আহিব নোৱাৰি সেই গছজোপাকে সাৱটি কান্দি কান্দি মৰি থাকিল। কিছুদিনৰ মূৰত তাৰ মৃতদেহটোৰ গোন্ধ গোটেই বননিত বয়পি পৰিল। এইদৰেই ভনীয়েকে দুৰ্দান্ত ককায়েকৰ কবলৰ পৰা নিজৰ সতীত্ব ৰক্ষা কৰি জগতত সুখ্যাতি ৰাখি থৈ গ'ল।

কাৰ্বিসকলৰ মাজত তামোল-পাণৰ ব্যৱহাৰ অতি পুৰণি। তামোল-পাণৰ ব্যৱহাৰ দায়-দণ্ড, বিয়া-বাৰু, মৃতকৰ সৎকাৰ আদিতো পোৱা যায়। দায় কৰিলে দণ্ড দিওতে তামোল-পাণৰ সৈতে ৰাইজক কেনেকৈ সেৱা কৰিব লাগে সেই কথা তলৰ গীতটোৰ জৰিয়তে পাওঁ ঃ

আৰ্কেংপুম ছিৰৰ্কেপ পেনে
ৰিথি জৰ ছিৰৰ্কেপ পেন
ৰংজাৰ গাংচাৰফি আয়ক,

নাংচু জেং ছিৰৰ্কেপ পেন
নাংৰি মুন ছিৰৰ্কেপ পেন
সেৱা ৰাং চি এনত
চৰণ বাং চি' এনত।

অর্থাৎ "তামোল ন-টা আৰু পাণ ন-ষোৰাৰে ৰংজাংগাং গাঁৱৰ বুঢ়াসকলক তোমাৰ চুলি নভালেৰে, নটা আঙুলিৰে সেৱা লোৱাহি, চৰণ লোৱাহি ।"

কাৰ্বিসকলৰ মাজত মোমায়েকৰ জীয়েকক বিয়া কৰাৰ প্ৰথা আছে। যদি কোনো লোকৰ নিজা জী নাথাকে তেনেহলে সম্বন্ধীয় ককায়েক বা ভায়েকৰ জীয়েকক নিজৰ ভাগিনীয়েকলৈ বিয়া দিব লাগে। তেনে এজন ভাগিনীয়েকৰ কাহিনী "ফাকৰ দেবেৰা" নামৰ গীতত পাওঁ। কেনেকৈ এজন ভাগিনীয়েকে এজন মোমায়েকৰ পৰা প্ৰৱঞ্চিত হৈ অৱশেষত নিজৰ প্ৰাণ পৰ্য্যন্ত বিসৰ্জন দিবলগীয়া হ'ল। গীতটিলৈ আহোঁ—

নেৰিকে হানজাং লকাই নেৰকে বেংজাং তেনে
হানজাং আচুক ছ'হে লকাই
পালকেম ৰিবি ফাৰা নেৰিৰ কাংৰেলমা
হানজাং আদুক ছ'বহে। (১)

ৰাং বাং অ.ছতাল লকাই খাং বাং আগানঠি
ৰেমদি বাংছাংমান ছুলি হৈ
চ'ৰং গুৰথীয়া লকাই আনুহ অলেলে
আহলক অলেলহে। (২)

হলক আকাংৰি লকাই অ.নুহ অলেল
ফাকৰ দেবেৰা হেম অ.ছ বহে
ৰনেনে বাদি অনেনে অনেনে তেনে
আদুন দুন বহে। (৩)

পামু পাচিনাম যেন পামুম পজিং তাকবেন
হানজাং আদুক ছ বহে,
মেচ ৰামন দুখ জালদি ৰাংচি'ৰাল
পাৰ্চি অ' হাৰ হাং বহে। (৪)

কমাৰ প লাংদাং ছপেন জালদি বাংছৰান
জালদি ৰাংছিৰালহে
ছৰান পাংদাংমান হানাজং আদুকছু আয়ক
ফাকৰ দেবেৰা হেম আছু' বহে। (৫)

পাচৰান ৰাজি পাজাং পাক্কল পা ইংটি চানিবেন
কিমেতা বেকছ লকাই কাংহতা বেকছ
বাছেন জেত চলিহে লকাই। (৬)

মেল ৰামন দুখ হানজাং আদুকছকে—
চেংচাৰি বাংচি'লা ওহে। (৭)

মানাম ঐ চেফাং চেং চাৰি বাংচিলাং
খেল ৰামন দুখবেনে,
মানাম অ' ঠেংটুত কাংৰি ৰাপ্রান বাংছিতিল

হানজাং আদুকছ বহে। (৮)

গাতটিৰ অৰ্থ এনেকুৱা :

(১) এই পৃথিৱীৰ চেনাইৰ বেজাৰত দিহিঙে-দিপাঙে ঘূৰি ফুৰি-লেও ক'তো দেখোন চেনাই ধনক পোৱা নগ'ল। ক'তো দেখোন কোনো আপোনজন নোলাল।

(২) লোকৰ চোতালে চোতালে, ঘৰে ঘৰে ঘূৰি ফুৰিলেও ক'তো এই গৰখীয়া ল'ৰাটোৰ কোনো মোমায়েক নোলাল।

(৩) অৱশেষত জীয়েকক দিম বুলি "ফাকৰ দেবেৰা"ইঁতৰ পৰিয়ালে চপাই ললে।

(৪) এইদৰে একজনীৰ পিছত আন এজনী দিম দিম বুলি ৰামনক প্ৰৱঞ্চনা কৰিব ধৰিলে।

(৫) ৰামনক দিম বোলা ছোৱালীজনীক আন এজনলৈ বিয়া দি পেলায়। তথাপিও ৰামনে প্ৰতিবাদ কৰিব নোৱাৰে, কৰিলে আন এজনী জীয়েকক দিম বুলি আশা দি থৈ দিয়ে। সিও একো নকয়।

(৬) কিন্তু, কথাটো আপ্ৰাণ চেষ্টা কৰিও সিহঁতে লুকুৱাই ৰাখিব নোৱাৰিলে। কথাটো ৰাইজৰ আগত ধৰা পৰিল।

(৭) ৰামন মনৰ সন্তাপত ৰ'ব নোৱাৰি, ঢোল এটা বিচাৰি ললে আৰু ঢোল বজাই বজাই দুঃখৰ গীত গাবলৈ ধৰিলে।

(৮) ৰামন গান গাই গাই গছৰ মূঢ়াত বহি পৰিল আৰু লগে লগে প্ৰাণ ত্যাগ কৰিলে।

ওপৰৰ গীতটোৰ কাহিনী অংশ এনেকুৱা :

মোম্মায়েকে ভাগিনীয়েকক জীয়েকহঁতক বিয়া দিম বুলি ঘৰ চপাই ললে। সি বহুদিন ধৰি ছোৱালী আশাত থাকিল। কিন্তু যেতিয়া এজনীৰ পিছত সিজনী ছোৱালীও তাৰ ভাগত নপৰিল, তেতিয়া তাৰ মনত অত্যন্ত দুঃখ লাগিল। মনৰ সন্তাপত থাকিব নোৱাৰি ঢোলটোকে সাৰথি কৰিবলৈ ঢোল বজাই বজাই তাৰ নিজৰ দুখৰ কাহিনী ব্যক্ত কৰিলে। ঠিক বেলি মাৰ যোৱাৰ লগে লগে তাৰ গীত শেষ হ'ল। অতি দুখৰ গীত গোৱা কাৰণে তাৰ বুকু ফাটি গ'ল। অৱশেষত তাৰ প্ৰাণবায়ু উৰি গ'ল। সকলো ৰাইজে তাৰ দুখৰ কাহিনী শুনিলে। ৰাইজে ফাকৰ দেবেৰাক ঘৃণা কৰিবলৈ ধৰিলে ।

ইয়াৰ বাহিৰেও "থিলো নংফলাঙ"ৰ গীতত জাতীয়তাবোধ, "আচন কাচিংঠুৰ" গীতত কাৰ্বিসকলৰ জন-কুলৰ খিভাজনৰ কাহিনী, "অক শুকুৰী ৰংহাং" নামৰ গীতত কাৰ্বি সমাজৰ বিচাৰ-পদ্ধতিৰ সম্পৰ্কে, "মাৰ্মে বাৰচৰং" গীতত অতীত কাৰ্বি সমাজত প্ৰচলিত সমাজ ব্যৱস্থা, নানা ধৰণৰ ৰং-ৰহইচ সম্পৰ্কে জানিব পাৰোঁ।

আৰা কুৰা গীতেই কাৰ্বিসকলৰ জাতি হিচাপে পৰিচয় দিবলৈ যথেষ্ট সমল যোগাইছে। এই গীতবিলাকৰ জৰিয়তে আমি কাৰ্বি-সকলৰ অতীত গৌৰৱ, সৌন্দৰ্য্য-সাধনা, একতাবোধ, সমাজ ব্যৱস্থা, সমাজত চলি অহা ৰীতি-নীতি আদি জানিব পাৰোঁ। এই আৰা কুৰা গীতবোৰৰ মাজেৰে কাৰ্বিসকল জীয়াই আছে বুলিলে কোনো ভুল কোৱা নহ'ব। কাৰণ এই গীতবোৰতেই জাতিটোৰ আৱশ্যকীয় সকলো গুণৰ কথা আছে।

## ২। লুন ফাৰাৱ

লুন ফাৰৰ গীতবিলাক বনগীতৰ শ্ৰেণীত ধৰিব পাৰি। এই গীতবিলাক সাধাৰণতে প্ৰেমমূলক। এই প্ৰেম তিনি ভাগত বিভক্ত—

(১) ভগৱৎ প্ৰেম, (২) দেশ প্ৰেম আৰু (৩) যৌন প্ৰেম।

এই গীতবিলাক ডেকা-গাভৰুৱে গায় পাহাৰত ধৰি-লুৰিবলৈ যাওঁতে। গীতৰ মাধ্যমেৰে উভয়ৰে উভয়ক মনৰ কথা কয়।

এজনী প্ৰেমিকাই প্ৰেমিকৰ ভৰিৰ খোজ চিনি পায়, সেই ভৰিৰ খোজেৰে তাই গৈ থাকে, তাইৰ প্ৰেমিকক মনৰ কথা কবলৈ—

নাংকেংৰত নাংকেংৰত নাংদুনচি
বালি চাংতেল নাংহেলঙ
বালি চাংতেল লং ঐ হানজাং
নে দুখৰ আলাম নাংঠান বাং।

"তোমাৰ ভৰিৰ খোজে খোজে তোমাক আমাৰ মৰমৰ নিৰ্জন ঠাইডোখৰত পালোঁ। ইয়াতেই তোমাক মনৰ কথা খুলি কম।"

তেতিয়া প্ৰেমিকাৰ কথা শুনি প্ৰেমিক জানো নীৰৱে বৈ থাকিব?

নায়ক আফানছি অ' হানজাং
মেকছুতা বাঙৰেল
জাৰ ল ইবেং নায়ক নেনেঙ আংদমান
হানজাং কমবাক আদিন দমা

"চেনাই, তোমাৰ কাৰণেই নিশাটো টোপনি নাহে, নিশা পৰে পৰে তোমালৈ মনত পৰে, চেনাই আৰু নো কিমান দিন বাকী?"

ফাগুন মাহত বতৰ খৰাং হয়। পাহাৰত বনজুই লাগে। নিলাজ বতাহজাক বৰ বেগেৰেই বয়। ভয় হয়—সেই বতাহজাকত চেনাই হেৰাই যায় নেকি?

নেকে ফেৰে মান
ঐ কনাক মেৰক আদুক বাদিক,
তমনচ বাদিক ইংজাৰ হুল মেনে
নেনেং আহাগ—হাগমান।

"সোণটি! পচোৱা বতাহজাকত বনজুইৰ ছাইৰ দৰে তুমিও উৰি যাবা নেকি? মোৰ বৰ ভয় লাগিছে কাৰণ ফাগুনত জুই জ্বলে।"

কাৰ্বি ডেকা ল'ৰাবিলাকৰ নিজৰ ঘৰত শোৱাৰ নিয়ম নাই। 'তাৰান আহেম' বা ডেকা চাং বুলি ৰাজহুৱা ঘৰ থাকে। গাঁৱৰ সকলো ডেকা ল'ৰাই তাত শোৱাৰ নিয়ম। এই ঘৰতে থাকি ডেকা-সকলে ৰাতি প্ৰিয়াৰ লগ ধৰি যৌন-জীৱন আৰম্ভ কৰে। নিশা এই ডেকা ল'ৰাবিলাকে গাভৰু ছোৱালীৰ ঘৰে ঘৰে ঘুৰি ফুৰা নিয়ম আছে। এইটো কাৰ্বি সমাজত চলি অহা আদিম নিয়ম।

নিশা প্ৰিয়াক লগ ধৰিবলৈ প্ৰিয়ৰ হিয়া আকুল কৰে। কিন্তু কেতিয়া লগ ধৰিব? এফালে মাক-দেউতাকলৈ ভয়, আনফালে বাঘ-ভালুকলৈ ভয়। তথাপি প্ৰিয়াক লগ ধৰিবই—

কনাক, ৰচক পে চেল ৰ
নেদুকচ আলাম কিঠানয়ক,
তিকে থকৰাম অলেমান
নাংপেন নেপেন কিলাংয়ক নেংহাংমান।

"মৰমী, তোমাক লগ ধৰিবলৈ মোৰ হিয়া আকুল কৰিছে। যাবতো নোৱাৰি—বাঘ-ভালুক ওলায়, সময়ো নাই, হাতীপটিও মাৰ যাবৰ সময় হলহি।"

যৌন বা প্ৰেম সম্বন্ধীয় গীতবিলাকৰ বাহিৰেও এই গীতবিলাকৰ আন এটা ভাগক দেশ প্ৰেমমূলক গীত হিচাপেও পাওঁ। দেশপ্ৰেম-মূলক গীতবিলাকত স্বদেশপ্ৰীতিৰ ভাব অবাৰিতভাৱে নিৰ্গত হৈছে।

"তৰই আচন কাৰ্বিমাৰ
তৰই আচন ৰংৰংমাৰ
ফেৰেয়েক ঠাৰাঙেক
ইৰ্বি ইপুন চিনম নাং।"

"কাৰ্বি ভাইসকল, আমি যদি আমাৰ ঐক্য, সংহতি ৰক্ষা কৰিব খোজোঁ, তেতিয়াহলে আমি ভয় কৰিব নালাগিব।"

কাৰ্বি জাতিক উদ্ধাৰ কৰিছিল তুমুং মাহাৰ আৰু ক্লেংমেকাৰ পে। তেওঁলোকৰ গুণকীৰ্তন গীতবিলাকত আমি পাওঁ।

কোন প-তুমুং মেকাৰ প্লাঙ ৰাং বিলমা,
কোন প-আলংৰি আচন নাংচিংঠুৰ মা?

"কোন তুমুং মাহাৰ আৰু ক্লোং মেকাৰে আমাক উদ্ধাৰ কৰি কোন ঠাইত আমাৰ জাতি বিভাজন হ'ল?"

ইয়াৰ উপৰিও আমি বহু গীতত কাৰ্বিসকলৰ কেঁচামাটিৰ লগত সম্বন্ধ থকাৰ সন্তেদ পাওঁ। এইবোৰ গীত আজিও কাৰ্বিসকলৰ মাজত জীৱন্ত হৈ আছে।

## ৩। আন কিমি কিচ আলুন

ন খোৱা সময়ত যিবিলাক গীত গোৱা হয় সেই গীতবিলাকক "আন কিমি কিচ আলুন" বা ন-খোৱা গীত বুলি কোৱা হয়। ন-ভাত খোৱাৰ দিনা গাঁৱৰ সকলোকে নিমন্ত্রণ কৰা হয়। সেইদিনা গাঁৱৰ ডেকা-গাভৰুসকলে গোটেই ৰাতি গান গাই নাচি-বাগি কটাই দিয়ে। এই গীত গাবলৈ এবিধ সৰু ঢোল আৰু বাঁহী ব্যৱহাৰ কৰা হয়। ডেকা-গাভৰুবোৰে শাৰী পাতি চাপৰি মাৰি মাৰি নাচে আৰু গাঁৱৰ সকলো বুঢ়া-মেথা ল'ৰা-ছোৱালীয়ে এই নাচ উপভোগ কৰে। ন-খোৱা উৎসৱৰ নাচবিলাক যৌন সম্পৰ্কীয় বুলি ধৰিব পাৰি---

শাৰী নাংএনত লকাই
চাপৰি নাংএনত লকাই
আহা লয়, লকাই আহা লয়।

"ডেকা গাভৰুসকল, আহা শাৰী পাতাহি, চাপৰি মাৰাহি।"

ন-খোৱা উৎসৱটো কাৰ্বিসকলৰ ডাঙৰ উৎসৱ। পথাৰৰ পৰা এই সময়ত লখিমীক ঘৰলৈ অনা হয়। এই উৎসৱ লখিমী চপোৱা উৎসৱ বুলি খ্যাত। এই সময়ত ডেকা-গাভৰুসকলৰ গাত তত নাই-কীয়া হয়। তেওঁলোকৰ গোটেই ৰাতি নাচি নাচি কটাই দিবৰ মন যায়।

আজৌ পাংথাং কিকান কিলুম
আদাপ চিকাক নাং
লকাই আহা লয়, আহা লয় লকাই---।

"গোটেই ৰাতিটো নাচি-বাগি ৰাতিপুৱা আমি ভগা-ভগি হম। সকলোৱে প্রাণ খুলি গোৱা আৰু হিয়া উবুৰিয়াই নাচা।"

ৰাতিপুৱাৰ লগে লগে নাচোনবোৰ ওৰ পৰে। সকলোৱে ঘৰা-ঘৰি যায়। কৰ্মব্যস্ত কাৰ্বি ডেকা-গাভৰুৱে আকৌ আগৰ অৱস্থালৈ ঘুৰি আহে।

## ৪। কুৰ্মি কিকান আলুন

কুৰ্মি এবিধ কাৰ্বি সমাজত প্রচলিত উৎসৱ। এই উৎসৱত যিবিলাক গীত গোৱা হয় সেইবিলাকক "কুৰ্মি কিকান আলুন" বা

কুৰ্মি গীত বুলি কোৱা হয়। কুৰ্মি উৎসৱ সাধাৰণতে জেঠ-আহাৰ মাহত হয়। কুৰ্মি-উৎসৱত প্ৰধানকৈ বৰষুণৰ বাবে বৰুণ দেৱতাক স্তুতি কৰা হয়। তেওঁক স্তুতি কৰি গোটেই ৰাতি তেওঁৰ উদ্দেশ্যেৰে নাচ-গান কৰা হয়।

আবহলক ভা লুট কেুও
নাং আবৰে জাংজেল
পৃথিমী পেলং মাৰইত মাৰঅত টান অংও।

"তোমাৰ বৰষুণৰ অভাৱত উঁইবিলাকো পুনৰ মাটিৰ তললৈ গ'ল। পৃথিৱীত দুঃখ-যন্ত্ৰণা নুগুচা হ'ল, তথাপি তোমাৰ বৰষুণ মাটিত নপৰা হ'ল।"

ডেকা-গাভৰুসকলে গোটেই ৰাতি নাচি-বাগি পুৱাই দিয়ে। ৰাতিপুৱা গৰখীয়াক দান কৰা হয়। তেওঁলোকে বিশ্বাস কৰে যে গৰখীয়াৰ পৰা বৰ মাগিলে গোটেই বছৰটো শান্তিময় হয়। এই উৎসৱত ডেকা-গাভৰুসকলে বাঁহৰ ওপৰত নাচ কৰে। ইয়াক "অককৰল কিকান" বুলি কয়।

## ৫। দমাহী আলুন

দমাহী আলুনৰ অৰ্থ বিহুগীত। দমাহী বা বিহুত আমি আলোচনা কৰি অহা "লুন ফাৰৰ" বিলাককে গোৱা হয়। ইয়াত ঢাল-তৰোৱালৰ লগত নাচে। এই নাচত পুৰণি যুদ্ধৰীতি সুস্পষ্টকৈ ধৰা পৰে। নৃত্য-গীতৰ দলটোৱে গৃহস্থ ঘৰ পোৱাৰ লগে লগে গায়---

নেংকান আচেক দমাহী
চিকান চিলুন ব---
আলাং আলাং বান আপ-আপ-বি।

"বছৰৰ বিহু আহিছে, নাচিবলৈ আহিছোঁ, আমাক ভাল ভাল মদখিনি খাবলৈ দিয়া।"

এইদৰে প্ৰায় ১।২ ঘণ্টামান সময় নাচ নাচি গোৱাৰ পিছত গৃহস্থ ঘৰৰ পৰা বিদায় লৈ গুচি আহে। গৃহস্থৰ শুভ কামনা কৰি গোটেই ৰাইজে আশীৰ্বাদ দিয়ে।

## ৬। কাথি কাৰহি আলুন

মৃতকৰ সৎকাৰ কৰোঁতে যিবিলাক গীত গোৱা হয় সেই গীত-বিলাকক "কিথি কাৰহি আলুন" বা মৃতকৰ সৎকাৰ কৰা গীত বুলি কয়। মানুহ মৰিলে সেই মানুহজনক উদ্দেশ্য কৰি গীত গালে হেনো স্বৰ্গত মুক্তি লাভ কৰে। এয়া কাৰ্বিসকলৰ সবল বিশ্বাস। মৃত মানুহজনক আগত লৈ এই গীতবিলাক গোৱা হয়। মানুহ মৰিলে এই গীতবিলাক নাগালে স্বৰ্গত হেনো ঠাই নাপায় আৰু মানৱ জনম সাৰ্থক নহয়। তাৰ ফলত সেই জীৱটো গৈ মানুহৰ দেহৰ ভিতৰত নোসোমাই অন্য জীৱ-জন্তুৰ দেহত প্ৰৱেশ কৰে বুলি বিশ্বাস কৰে। মৃত মানুহজনক উদ্দেশ্য কৰি গোৱা গীতবিলাক অতি দুঃখ-জনক।

নাংমিনছি হামপুৰ মা
আৰ্লেং আপক লং
নাংছিং দাকঙ
পিপত আদুক ছ আনাত মা
চুন চুন আয়ক তিকাংঙ।

"বহুত সাধনাৰ মূৰত তুমি মানৱী জনম লভিলা, কিন্তু তুমি আজি আমাক এৰি থৈ অজান দেশলৈ গুচি গ'লা।"

মানুহ জন্মিলেই মৰিব লাগিব; কিন্তু মানুহৰ দেহৰ ভিতৰত থকা জীৱটো স্বৰ্গত গৈ শান্তি লাভ কৰে।

"আৰ্লক-আলং লংলৰ নাচুন তিনে
লংলৰতা নাংক্লেংমান,
কাত কাতনে দামতিনে লংচেক—
আজু তংবাক মান
লাদিকহ্নি ঐ আলেং আজনমছিমা
তিনি চুন চুন তিকাং হংমান।"

"নিজৰাৰ পানী খৈ আহিলে নিজৰাও শুকাই যায়, দৌৰি দৌৰি গ'লে উজুতি খাই পৰি যায়। ঠিক তেনেকৈ মানুহৰ জীৱনটোও বিভিন্ন কাৰণত ধ্বংসপ্ৰাপ্ত হয়। এই জীৱনটো যেন স্বৰ্গত গৈ শান্তি লাভ কৰে।"

মৃতদেহটো কেনেকৈ অগ্নি দাহন কৰিব লাগে, কেনেকৈ সংকাৰ কৰিব লাগে ইত্যাদি বিষয়েও আমি উক্ত গীতবিলাকত পাওঁ।

## ৭। ফল কি আপ আলুন

কাৰ্বিসকলেও লজ্জা নিবাৰণৰ কাপোৰ ববলৈ কপাহৰ খেতি কৰে। তেওঁলোকৰ তাঁত-শালত বোৱা কাপোৰ অতি বিতোপন। কাৰ্বিসকলৰ মাজত কপাহ ধুনোতে গোৱা এবিধ গীত প্ৰচলিত আছে। সেই গীতবিলাকক কপাহ ধুনা গীত বা "ফল কি আপ আলুন" বুলি কোৱা হয়। এই গীতবিলাক কেৱল মনোৰঞ্জনৰ বাবেহে গোৱা হয়। উদাহৰণ স্বৰূপে—

ধুন ধুন লিটছু ইংৰেংমান
ইলি ফল চিদাত চাল চাল মান
ভাৰবাং চিক্লপে অকাৰণে
ফলচ বাং আপ নাং।

"ধুন ধুন কৰি কপাহ ধুনা ধনুপাত বাজে, আমাৰ কপাহবোৰ বতাহত উৰে। আহা সমনীয়াসকল আমি পোহৰত কপাহ ধুনো।"

এইদৰে গীত গাই গাই কাৰ্বি জীয়ৰী-বোৱাৰীসকলে গোটেই ৰাতি কপাহ ধুনে আৰু সূতা কাটে।

ইয়াৰ উপৰিও কাৰ্বি সমাজত প্ৰচলিত আন কিছুমান গীত আছে। সেই গীতবিলাকৰ কিছুমানৰ অৰ্থ অতি সুন্দৰ। বৰ্ত্তমান ইয়াৰ উপযুক্ত সংৰক্ষণৰ ভাল ব্যৱস্থা হ'ব লাগে, অন্যথায় সেইবোৰ ভবিষ্যতে কাৰ্বি সমাজৰ পৰা একেবাৰে নাইকিয়া হৈ যাব পাৰে। কাৰ্বিসকলৰ উত্তৰ পুৰুষসকলে গীতবোৰ সংগ্ৰহ কৰি লিপিবদ্ধ নকৰিলে ই নিশ্চয় আমাৰ সমাজৰ পৰা লুপ্ত হব। এই গীত-বিলাকৰ বহল প্ৰচাৰ আৰু আলোচনা হ'লে সামূহিকভাবে অসমীয়া সাহিত্যৰ বাবেও গৌৰৱৰ বিষয় হ'ব।

# দেউৰী লোকগীত

সত্যেন্দ্রনাৰায়ণ গোস্বামী

লোক সাহিত্যত অসম অতি চহকী। ভঁৰালৰ চুকত ভাগে ভাগে নানাবিধ আহু, শালি, বাও ধান ভৰপূৰ হৈ গুটি ভঁৰাল টনকিয়াল কৰাৰ দৰে বৰ অসম নানা বৰণীয়া জাতি-উপজাতি মৌ-বৰষা ভিন্ন-সুৰীয়া মাত-কথাৰ গীত-পদেৰে উভৈনদী। সেই গীত-পদৰ গুণ-গৰিমাৰ কথা, সুৰ-ব্যঞ্জনাৰ কথা, লয়-লালিত্যৰ কথা, উপমা-পটন্তৰৰ কথা, চিত্ৰ-আঙ্গিক ৰূপকৰ কথা আৰু সবাৰো উপৰি সমাজ-সংস্কৃতি আৰু অনাখৰী গ্ৰাম্য লোকৰ মনৰ হৰিষ-বিষাদৰ কথা—এই সকলোবোৰ গিজ খাই আছে এইখন বৰ অসমৰ যেনি-তেনি সিঁচৰতি হৈ থকা গীত-পদবিলাকৰ মাজত। কেৱল সেইবোৰ য'ত যেনেভাৱে আছে তেনেভাৱেই গোটোৱাহে কথা। তেতিয়াহে তাক চালি-জাৰি বিষয়ভেদে ভাগ ভাগ কৈ উলিয়াব পৰা যাব, অসমৰ সাংস্কৃতিক ইতিহাস ন-কৈ ৰচনা কৰিব পৰা যাব। সেইয়া কিন্তু ভুকুতে কল পকোৱা কাম নহয়। তাৰ বাবে লাগিব যথেষ্ট সহানুভূতিশীল, পক্ষপাতবিহীন দৃষ্টিভঙ্গীৰ সৎ আৰু নিষ্ঠাবান এদল গৱেষক। তদুপৰি সেই গৱেষণাৰ লক্ষ্যও হ'ব লাগিব এই বৃহৎ ভূখণ্ডৰ বাৰে-বৰণীয়া মাত-কথাৰ জনসাধাৰণৰ মাজত সৌ তাহানিৰ স্কুল-পচাশালি নোহোৱা কালৰে পৰা গঢ়ি উঠা মিলা-প্ৰীতিৰ এনাজৰীৰ বন্ধনটো যাতে কোনো ক্ষয়ক্ষতি নোহোৱাকৈ থাকে, ক'ৰবাত কিবা জট লগা যেন দেখিলে তেওঁলোকেই সেই জটা ভাঙিব লাগিব। তাৰ বাবে লোক-সাহিত্যৰ গভীৰ অধ্যয়ন এক উপাদেয় আলম।

অসমীয়া ভাষা ভিন্ন থলুৱা গীত-মাতৰ কথা ওলালে বড়ো, মিচিং, কাৰবি আদি জনজাতিসকলৰ দৰে দেউৰীসকলৰ কথাও চাটকৈ মনলৈ আহে। পিছে, দিবঙীয়া, বৰগঞা আৰু টেঙাপনীয়া এই তিনিভাগত বিভক্ত দেউৰীসকলৰ নিজৰ ভাষাটো হলে একমাত্ৰ দিবঙীয়াসকলৰ মাজতহে বৰ্তি আছে—আন দুয়োটা থূলৰ মানুহখিনিৰ

অসমীয়া ভাষাটোৱেই মাতৃভাষা, আৰু সেইবাবেই তেওঁলোকৰ গীত-পদৰ ভাষাও অসমীয়া; কিন্তু ভাষা অসমীয়া হ'লেও গীতৰ ভাৱ-আদৰ্শ-কল্পনা আদিত নিজৰ দেউৰী জাতি-ভাইৰ বহু কথা বিৰাজমান। অৱশ্যে যিটো প্ৰয়োজনত তেওঁলোক অসমীয়া ভাষা-ভাষী হৈ পৰিল সেই একেটা কাৰণতেই গীত-পদৰ ওপৰত অসমীয়া ভাষা-ভাষী অন্য লোকৰ ভাৱাদৰ্শাদিৰ প্ৰভাৱো সুস্পষ্ট। আনহাতে দিবঙীয়া সকলৰ মাজত প্ৰচলিত এনেবিধ গীত-পদৰ ভাষা দুবিধ—দেউৰী ভাষা আৰু অসমীয়া ভাষা। দেউৰী ভাষাত ৰচিত ভালেমান লোক-গীত এওঁলোকৰ মাজত আছে, আৰু একে সময়তে অসমীয়া ভাষাতো গীত-পদ ৰচিত হৈছে সেই দিবঙীয়াসকলৰ ৰৰঘৰৰ মজিয়াতেই। এইখিনিতে আৰু এটা কথা মন কৰিবলগীয়া এইয়ে যে, বড়ো, মিচিং, কাৰবিসকলৰ দৰে এওঁলোকৰ গীত-পদ আঙুলি মূৰৰ লেখত কিছু কম। ইয়াৰ মূল কাৰণ সম্ভৱতঃ নিজৰ ভাষাৰ লুপ্তপ্ৰায় অৱস্থা।

দেউৰীসকলৰ লোকগীতৰাজি উৎসৱমুখৰ, তাত কোনো সন্দেহ নাই; ভাষাৰ পিনৰ পৰাও গীতবোৰ অসমীয়া আৰু দেউৰী দুটা ভাষাত প্ৰচলিত। আটাইখিনি গীত মূলতঃ দুই প্ৰকাৰৰ—ধৰ্মীয় আৰু অনাধৰ্মীয়। ধৰ্মীয় গীতখিনিক "আবৰ'ব" গীত বোলে। আবৰ'ব দৰাচলতে দেউৰীসকলৰ উপাস্য দেৱ-দেৱীৰ বন্দনা-গীত, এইখিনি স্তুতিমূলক গীত। এই গীত গোৱাৰ মূল উদ্দেশ্য হ'ল স্বৰ্গৰ দেৱ-দেৱীক গীত-লালিত্যৰে, নাচি-বাগি সন্তুষ্ট কৰি মৰ্ত্যলৈ নমাই অনা, সেইবাবে এই জাতীয় গীতৰ ভাৱ-ভাষা-সুৰ-ব্যঞ্জনাৰ গুৰু-গম্ভীৰ ৰীতি চকুত পৰে। অতি শ্ৰদ্ধা আৰু ভক্তিৰে ধীৰ-স্থিৰভাৱে সমবেত-ভাৱে আবৰ'ব গোৱা হয়। আনকি দেওধনিক আদৰণি জনাবলৈকো গোৱা হয় আবৰ'ব গীত। দেৱ-দেৱীৰ গুণানুকীৰ্তন তথা মাহাত্ম্য, নৈসৰ্গিক সৌন্দৰ্য্যাদিৰ চমৎকাৰ প্ৰকাশ এই গীতৰাজিত চকুত পৰে।

দেউৰীসকল মূলতে শক্তিৰ উপাসক। তাম্ৰেশ্বৰী মন্দিৰত আদিতে এওঁলোকে পূজা-পাতল কৰিছিল আৰু তাত নানা বলি-বিধানৰ ব্যৱস্থাও আছিল। আনকি আহোম স্বৰ্গদেৱ প্ৰতাপসিংহৰ আৰোগ্য কামনা কৰি দেউৰীসকলে এই মন্দিৰত নৰবলি দিয়াৰ কথা জন-শ্ৰুতিৰ মাজত আজিও বৰ্তমান। "এৰাও কৰা" অৰ্থাৎ সমবেত

প্ৰাৰ্থনা দেউৰীসকলৰ বিশেষত্বপূৰ্ণ ব্যৱস্থা, সেইয়া একপ্ৰকাৰ আব-ৰ'ব। দেৱালয়ৰ নিত্য তিনি প্ৰসঙ্গৰ পূজাৰ লগতো দেৱ-দেৱীৰ আৱাহন স্তুতি আৰু বন্দনা গীত জৰিত। সেইদৰে 'ন-ধানৰ পূজা' অৰ্থাৎ লক্ষ্মী পূজাৰো বিবিধ স্তৱ আছে যদিও 'ন-খুউৱা' উৎসৱটোহে অতি মন কৰিবলগীয়া। আহৰ বতৰত ন-ধান আনি, সেই ধানৰ ভাত চুই গাঁৱৰ সকলোৱে সমবেতভাৱে প্ৰাৰ্থনা কৰে, সুৰ ধৰি প্ৰাৰ্থনাৰ গীত গায়। তাৰ উদ্দেশ্য হ'ল সকলো সময়তে যাতে পথাৰৰ লখিমীয়ে গৃহস্থৰ লগ নেৰে। এই আবৰ'ব বিশেষভাৱে জৰিত আবৰ'ব গীতৰ শুৰিতে স্বয়ং গিৰা-গিৰাচিৰ লগত বৃত্তাকাৰে সমবেত হৈ পুৰুষ-মহিলা সকলোৱে ধীৰ শান্তভাৱে পদ চালনা কৰি ঘূৰি ঘূৰি সুন্দৰভাৱে সুৰ ধৰি এই গীত গায়। কেতিয়াবা কেতিয়াবা পুৰুষ-মহিলাৰ গীতৰ সুৰত অমিল হোৱাও দেখা যায়। এইদৰে গীত গাওঁতে পদ চালনাৰ লগত তাল মিলাই হাত চাপৰি বজোৱা দস্তুৰো আছে। মুঠতে আবৰ'ব গোৱাৰ পৰিৱেশ গুৰু-গম্ভীৰ, আৰু তাত কোনো ধৰণৰ চঞ্চলতা নাই। ই মূলতে দুবিধ—হাচতি আবৰ'ব আৰু হুৰাই ৰাওলি আবৰ'ব। তেওঁলোকৰ মাজত প্ৰচলিত হাচতি আবৰ'ব এটি তলত দৃষ্টান্ত হিচাপে উল্লেখ কৰা হ'ল। ইয়াৰ প্ৰথম শাৰীটো 'শুটি' অৰ্থাৎ ঘোষা আৰু 'মালিতা' অংশই হ'ল পদ। যেনে—

শুটি ঃ আবৰ'ব নাহাঙা আবৰ'ব ৰচে।

মালিতা ঃ আবো মোকে নাহাঙা মোৰে শুদাই ;  
গিউ মোকে নাহাঙা মোৰে শুদাই।

পিদিপাল পিহিঙা অৰে বহান ;  
গাৰ চিৰে চিৰঙা চেৰে নিয়ান।  
চিৰে চিৰে চিৰঙা জহি জপান ;  
গায় নিজিয়া নাহাঙা দামুন লাদোন।  
চায় খং নাহাঙা কুণ্ডিয় খঙ ;  
কুণ্ডিয় খঙ নাহাঙা ৰঙ জাৰম।  
চায় মুৰঙ নাহাঙা কুণ্ডিয় মুৰঙ ;  
হাজাৰ দায়না নাহাঙা কুণ্ডিয় কেমি ;  
হাজাৰ দায়না নাহাঙা কুণ্ডিয় মামা কেমি।

গিচ্ছুঁ নাচ্ছু নাহাওঁ অগ্রে ৰৰম ;
সীমা পদু নাহাওঁ হালি জাপান।
দুৰুম কোচি নাহাওঁ লাগো দুপান ;
পেঁপা মুৰি নাহাওঁ লাগো দুপান।
বৰাই কোচি নাহাওঁ লাগো দুপান ;
শৰাই কোচি নাহাওঁ লাগো দুপান।

সেইদৰে 'হুৰাই-ৰাওলি' আবৰ'ৰ দেৱালয় কিম্বা গাঁৱৰ সামাজিক পৰিবেশত সমবেতভাৱে গোৱা হয়। এই গীতৰ মাজে মাজে নাইবা গীতৰ শেষত নচা হয়। এই নাচৰ লগত গীতৰ বিশেষ সম্পৰ্ক নাই যদিও গীতৰ বিৰাম সূচোৱা হয়। এই গীতৰ মূল বিষয়বস্তু সমাজৰ বিভিন্ন কাৰ্য্য, নানা জনৰ আশা আকাংক্ষাআৰু ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি আদিয়েই প্ৰধান। এই গীতবোৰ ঘাইকৈ অসমীয়া ভাষাত ৰচিত। এইবোৰ গীতৰ বিষয়বস্তু আৰু ভাবাদৰ্শ বিবিধ বিষয়ক। যেনে--

আধ্যাত্মিক ভাবাদৰ্শ গীত---

কালৈ সাঁচিলি জপাৰ বৰ কাপোৰ
কালৈ সাঁচিলি ধন,
জপাৰ বৰ কাপোৰ জপাতে পচিব
হাড়তে গজিব বন।
মঙহ খাই যাব পৰুৱা পিপৰাই
হাড়ক খাই যাব মাটি,
মৰা মৰিলে নেকান্দা বৰকৈ
আৰু যে পাবলৈ নাই।
আহোঁতে অকলে যাওঁতে অকলে
লগত যায় দুচলি খৰি।

ঠাইভেদে ছোৱালীৰ স্বভাৱ-চৰিত্ৰৰ ইঙ্গিতসূচক গীত--

শদিয়াৰ জীয়াৰী নানিবি ককাইটি
উধা ঘূৰা হেন ঘূৰে।
গৰুচৰ ৰাজৰ জীয়াৰী নানিবি ককাইটি
লোকৰ ঘৰে ঘৰে ফুৰে।
নামচাওৰ জীয়াৰী আনিবি ককাইটি
খোপাত এতোলা সোণ।

বিবাহিতা ছোৱালী পিতৃ-গৃহলৈ অহাত সকলোৰে অপাৰ আনন্দ। তেনে পৰিবেশত ঘৰখনত সৰুসুৰা উৎসৱৰ আয়োজন হয়। তেনে ভাব প্ৰকাশৰ গীতৰ প্ৰচলন মন কৰিবলগীয়া। যেনে—

আয়ে বুলিছে মোৰ জী আহিছে
চুকৰ মদ শাৰী চাকো না ঐ।
বোপায়ে বুলিছে মোৰ জী আহিছে
চাওৰ বৰপীৰা নমাও না ঐ।
ককায়ে বুলিছে মোৰ ভনী আহিছে
চোতাল-আগৰ কুকুৰা মাৰ না ঐ।
বৌয়ে বুলিছে দাৰুণী আহিছে
মূৰতে তলীয়া পাৰ না ঐ।

দেউৰী সমাজত তাঁতশালৰ কিমান সমাদৰ, পাট-মুগাৰ মেখেলা-ৰিহা-চাদৰৰ কি মৰ্য্যাদা আৰু তাৰ বাবে জীয়ৰী-বোৱাৰীসকলে কিমান কষ্ট কৰে তাৰ আভাষ পোৱা যায় এনেকুৱা কেতবোৰ গীতত। যেনে ঃ

এড়ি পুহিবলৈ এৰেনা ভেৰেনা
মুগা পুহিবলৈ চোমে না ঐ।
লোকৰ ধান বানি বননিয়াই
মুগাৰ ৰিহা-মেখেলা ললো না ঐ।
ধুয়ে আনি মুগাৰ ৰিহা-মেখেলা
জোকাৰি ৰ'দত মেলো না ঐ।
খিয়াল নকৰিবি বুকুৰে বৰবৌ
কটনা কাটিয়ে লোৱা না ঐ।

হাঁচতি আৰু হুৰাই-ৰাঙলি গীতৰ মাজত ভাষা, প্ৰকাশভঙ্গীৰ তাৰতম্য খুব কম। গীত গোৱাৰ পৰিবেশ আৰু ভাবাদৰ্শৰ মাজত ষিকণ পাৰ্থক্য সিয়েই দৰাচলতে এই দুবিধ গীতৰ প্ৰভেদ। অৱশ্যে শিক্ষাৰ প্ৰসাৰৰ লগে লগে এই গীতৰ প্ৰচলনত কিছু বাধাৰ সৃষ্টি হোৱা বুলি বহুতে কব খোজে।

দেউৰী সমাজত বিহুৰ সমাদৰ আৰু বিহু পতাৰ পয়োভৰ বিশেষ মন কৰিবলগীয়া। কাতি, মাঘ আৰু বহাগ তিনিওটা সময়তে বিহু

পাতে। বিহুত গোসাঁনীশালত তেওঁলোকৰ উপাস্য দেৱতা 'কুন্দিমামা' অৰ্থাৎ হৰগৌৰীক পূজা-পাতল দিয়া নিয়ম। কাতি বিহু আৰু মাঘ বিহুৰ তুলনাত বহাগ বিহুৰ আড়ম্বৰ বহু বেছি। বিহু পতা নিয়ম কিছু সুকীয়া, ডেকাসকলৰ বিহু আৰু গাভৰুসকলৰ বিহু একে নহয়, পৃথক পৃথক। বয়সীয়া পুৰুষ আৰু তিৰোতাৰ বিহুও সুকীয়া। সকলোৱে মিলিজুলি একেলগে বিহুতলি ৰচনা নকৰে। সেই একেদৰে হুঁচৰি গোৱাৰ ব্যৱস্থাও বিশেষত্বপূৰ্ণ, এখন গাঁৱৰ মানুহ আন এখন গাঁৱলৈ গৈ হুঁচৰি গোৱাত বাধা-নিষেধ আছে। ডেকাসকলৰ বিহুতলি বা বিহুখোলাত তেওঁলোকে ঢোল, টকা, পেঁপা, গগনা আদি লৈ গীত গায় আৰু নাচেও। সেইদৰে গাভৰুৰ বিহু খোলাত গাভৰুৱে নাচে, গীতো গায়। বিহুৰ সময়ত গাভৰুসকলৰ গোছাক-পৰিচ্ছদ অতি বিশেষত্বপূৰ্ণ ; গাত বনকৰা মুগাৰ মেখেলা,, কেচবছা ৰিহা, ডিঙিত গলপতা, জোনবিৰি, কেৰু, হাতত গামখাৰু কলডিলীয়া বা নেঘেৰী খোপাত কপৌ এপাহ আৰু গাত ডিঙিৰে ওলোমাই কিম্বা কঁকালত সৰুকৈ মেৰাই লোৱা ৰঙা পাৰিৰ এখন চেলেং, আকৌ ওঁঠ দুটা তামোলৰ সেলেঙিৰে বোলোৱা। এইখিনি সাধাৰণভাৱে নাচনীৰ দৰকাৰ। ইজনীয়ে সিজনীৰ হাতৰ আঙুলিত ধৰি সাধাৰণতে বৃত্তাকাৰ হৈ খোজত খোজ মিলাই ঘূৰিবলৈ ধৰে আৰু লগে লগে গীত গায়, গীতৰ মাজে মাজে একোফাকি মালিতাৰ মুৰত উৰুলিও দিয়ে। আকৌ তাৰ মাজতে কঁকাল ভাঙি ভাঙি হালি বৃত্তটোৰ কেন্দ্ৰৰ পিনে মুখ দোঁৱাই একেলগে একেসময়তে বিহু-খোলা ৰজনজনোৱাকৈ উৰুলি দিয়ে। এইদৰে গীত গাই নাচোঁতে হাত চাপৰি মৰাৰ উপৰিও 'মিৰাচী' অৰ্থাৎ বিহু গোৱা ছোৱালীসকলে হাত মেলি মেলি বাহু মাৰি মাৰি ঠেও দি দি নাচে। এই গীত আৰু নৃত্যত প্ৰণয়-প্ৰীতি তথা প্ৰেমৰ গন্ধ জড়িত হৈ থাকে যদিও ৰুচি অতি মাৰ্জিত। এইবিলাক বিহুগীত সাধাৰণতে উপাস্য দেৱ-দেৱীৰ মাহাত্ম্য, প্ৰকৃতিৰ বৰ্ণনা, সামাজিক দায়-দস্তুৰ, ক্ষণস্থায়ী সংসাৰ জীৱন আদিৰ বৰ্ণনা, গঞা ৰাইজৰ মঙ্গল কামনা, দেশৰ শ্ৰীবৃদ্ধি আদি কথাৰ দ্বাৰা সুসমৃদ্ধ। জাতীয় ঐতিহ্যৰ উপৰিও এই গীতবোৰে সদা পৰিচিত সমাজখনৰ বিবিধ চিত্ৰ-প্ৰতিচ্ছবিৰ সুন্দৰ আভাষ দিয়ে।

সমাজৰ ভাল-বেয়া কথাৰ লগতে পুৰুষ-মহিলাৰ মনৰ বিবিধ

আশা-আকাঙ্ক্ষা, হৰ্ষ-বিষাদ, খেদ-হতাশা আদিৰ পৰিচয় দিয়ে। আনকি সেই গীতৰ মাজেদি নব-যৌৱনা গাভৰুৱে বা যুবকে ঠাই বুজি নিজৰ প্ৰণয়-প্ৰীতিৰ ইঙ্গিত দি মনোমত জীৱন লগৰীৰ সম্ভেদ দিয়ে। অৱশ্যে তেনে ইঙ্গিত বা ভাব প্ৰকাশৰ যোগেদি জীৱন লগৰী বাছি লোৱাৰ যি পৰ্ব বহাগ বিহুত অনুষ্ঠিত হয় সি আজিকালিও বতি নথকা নহয়। কিন্তু বিহুগীত আৰু বিহু নাচৰ ক্ষেত্ৰত দেউৰী সমাজ বহু ৰুচি মাৰ্জিত, এইটোৱে তেওঁলোকৰ বিহুৰ বিশেষত্ব।

বিহু গীত-নাচৰ আৰম্ভণিত তেওঁলোকে উপাস্য দেৱতা 'কুন্দি-মামা'ক প্ৰণাম কৰি লয়। যেনে—

য়য় মহামায়া য়য় দয়ামায়া
য়য় মামাৰু মামে।
নিয় উলি পুলি গেচ্ছুহ কুৰহি
ননে ঐ চ্ছেকুহ বামে।

সেইদৰে অন্যান্য দেৱ-দেৱীক স্মৰণ কৰি জাতি গুৰু স্বজনকো প্ৰণাম জনাই লয়। যেনে—

জোনৰে সাৰথি জোনাকি পৰুৱা
সৰগৰ সাৰথি তৰা কিনা
আমাৰে গোসাঁনী আমাৰে সাৰথি
গা ধুই কৰি যাও সেৱা কিনা।
সদিয়াত আছে ঐ চাৰিশাল গোসাঁনী
তালৈ মানি যাওঁ ছাগে কিনা।
সূৰ্য্যক এ সেৱা এসেৱা কৰোঁ
বসুমতীক সেৱা কিনা।
ডালৰ কপৌ মাটিলৈ নামিলে
সৰেচতী মুকলি হয়ে কিনা।
আই সৰেচতী দেৱী পাৰ্বেৱতী
তেওঁলৈ কৰি যাও সেৱা কিনা।
সোণৰে জখলা ৰূপৰ হেঁতামাৰি
আহে সৰচতী নামি কিনা।

হাঁহ ঐ মানি যাও পাৰ ঐ মানি যাও
আৰু মানি যাও ছাগে ঐ কিনা।
পাহৰা নামকে সোঁৱৰাই দি যাবা
জিভাতো ভাঙিবা আউল কিনা।

এইদৰে প্ৰণাম জনোৱাৰ উপৰিও ডেকাসকলে প্ৰেম-প্ৰীতি মুকলি-ভাৱে প্ৰকাশ কৰা জোকোৰা গীত গাবলৈ লোৱাৰ আগতে সমাজৰ বা সমবেত বুঢ়া-মেথাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি লয়। যেনে---

ছাগ চেলাবলৈ ডবুৰা কটাৰী
পহু চেলাবলৈ মিট
গাঁৱৰ বুঢ়া মেথা দায়-দোষ এৰিবা
গাই যাও বতৰৰ গীত॥

বিহুৰ প্ৰতি দেউৰী সমাজৰ কেনে ধাৰণা আছে আৰু তাৰবাবে কিমান উদগ্ৰীৱ হৈ থাকে তাৰ সাক্ষ্য বহন কৰা গীতো আছে। যেনে—

আমচ্ছিতি তিৰন কুলি গুৱা আগাৰন
বহাগীয়ে খিচু কন নিনা।
খিচু ন, হাৰেনন ইচিৰি লাদেৰন
ন বুজি চ্চুৰচ নিনা॥

গাভৰুসকলৰ দৰে দেউৰী ডেকাসকলেও বিহু নাচোঁতে হাতত ধৰাধৰিকৈ বৃত্তাকাৰে ঘূৰে আৰু কেন্দ্ৰৰ পিনে মুখ কৰি হালিজালি হাত চাপৰি মাৰে। ঢোলৰ ছেৱে ছেৱে পেঁপা বজাই গীত গায়। তেওঁলোকৰ নাচন, ভৰিৰ গিৰিপনি, দুপ-দাপ শব্দ, গীতৰ লালিত্য, ঢোল-পেঁপা হাত চাপৰিৰ মধুৰ সমাবেশত বিহুতলিৰ সামগ্ৰিক পৰি-বেশটোৱে মোহময় আৰু মাদকতাপূৰ্ণ হৈ পৰে। অপৰিষ্কাৰ ভাৱ বা অশ্লীলতা প্ৰকাশ নাপালেও বিহুতলিত কিন্তু তেওঁলোকৰ যৌৱনৰ আবেগ অনুভূতি, ভাবোচ্ছ্বাস, আদিৰ অন্তৰালত থকা গভীৰ ব্যঞ্জনা সহজে উপলব্ধি কৰা যায়। যেনে—

চ'তত কান্দিলে চতুৰা চৰাইটি
বহাগত কান্দিলে কুলি ঐ দেহী।
অতি চেনেহৰ বহাগৰ বিহুটি
ধনে দি ৰাখোতা নাই ঐ দেহী।

এইটো গীত ঠিক ওপৰৰ গীতটোৰ সমভাবৰ। সম্ভৱতঃ অসমীয়া ভাষা গ্ৰহণ কৰাৰ কালত এই গীতটিৰ সৃষ্টি হৈছিল দেউৰী সমাজত। এনেবোৰ গীতৰ পৰা দেউৰী সমাজত অসমীয়া ভাষা সংস্কৃতিৰ প্ৰভাৱৰ আতিগুৰি অধ্যয়ন কৰা যাব পাৰে।

ভালেমান বিহুগীত আছে যিবোৰে ডেকা বা গাভৰুৱে প্ৰণয়ৰ পৰাকীলৈ প্ৰেমৰ ইঙ্গিত দিয়াৰ যত্ন কৰে। যেনে—

(১) পৰশুকুন্দমাই কেন দে বুজি পাই
বাবা নাগ আগুনে জুকুন।
বাবাকে ইচিৰি লাদুন দে বুজি পাই
ন দ্ছাং একেবে দুকুন।

অৰ্থাৎ পৰশুকুণ্ডৰ পৰশুবাবাক সাক্ষী কৰি আমি দুয়ো সংসাৰ ৰচিম।

(২) পৰশুকুন্দহে জিম্‌ুকন বুজি দেই
বাবা-নাগ দক্ষিণা লেন।
ননা নিমায়ামাও যয় বাবা নিজিয়ান
লা দেহা লাকিৰে কেন।

অৰ্থাৎ, পৰশুকুণ্ডত স্নান কৰি পৰশু বাবাক সেৱা জনাই তোমাক নোপোৱা বাবে আই-বোপাইকো এৰি তাতে প্ৰাণ এৰিম।

(৩) কুণ্ডিমা আঁগুজন কামাখ্যান আঁগুজন
পুজিয় ইবাঁনা লেন।
চৌৰাশী নৰক কুদুন দে শুমি পাই
আনা যদি লেহেংনা কেন।

অৰ্থাৎ, (তোমাক পাবলৈ) কুন্দিমামা, কামাখ্যাক পূজা দিম, তাতো যদি তোমাৰ চলনা নষ্ট নহয় সিপুৰীত ৰৌ ৰৌ নৰকত পচিবাগৈ।

(৪) ন যদি চাৰমত্ব ইবা ঐ পাৰিজাত
বশিষ্ঠ মুনি চান আঁ।
যয় বাবা ওগাৰন গিয়াতি সিজেনন
ন দ্ছং বলিয়া আঁ।

অর্থাৎ, তুমি পাৰিজাত হলে মই বশিষ্ঠ। তোমাৰ বাবে মোক বলিয়া হোৱা দেখিলে আই বোপাইৰ শোক ৰাইজে দেখিব।

গাভৰুৰ মনৰ গুপুত প্ৰেমৰ ইঙ্গিতসূচক গীতবোৰৰ কল্পনা, ভাবাবেগ অতি মৰ্মস্পৰ্শী। যেনে—

উষা ঐ ওগাৰেম চিত্ৰলেখী আঁকিবেম
অনিৰুদ্ধই মুগাৰেম চ।
নানা আঁকিৰণ মুকুনিজি লোৰণ
নিয়কে মুগাৰণ চ।

অর্থাৎ, চিত্ৰলেখাই অনিৰুদ্ধৰ ছবি আঁকি তেওঁৰ মন সচকিত কৰাৰ দৰে ময়ো তোমাৰ ছবি আঁকি চকুপানী বোৱাই তোমাৰ মন পুলকিত কৰিম।

তিমানেই নহয়, প্ৰেমাস্পদক অতি আপোনভাৱে পাবলৈ প্ৰেমিক প্ৰেমিকাৰ দুৰ্বাৰ হাবিয়াস, আৰু নানাভাৱে কল্পনা কৰিও প্ৰেমিক-প্ৰেমিকাই মনত শান্তি নাপায়। যেনে—

দুৱা ঐ চাংনা জিংনা কেৰংলা
নিয় য়াহ কুদুংলা দুকুন।
মায়া ঐ চাংলা নিয় চহ কুদুংলা
হে বুজি ৰেমচেইবা নিকুন।

অর্থাৎ, চৰাই ৰূপত ঘৰৰ চালত, মায়াৰূপত তোমাৰ গাত সোমাই ৰেমচেইখা বুলি সম্বোধন কৰিম।

সেই একেদৰে নিজৰ মনে বিচৰা জনৰ বাবে প্ৰয়োজন হলে প্ৰেমিকাই বোপাইৰ ঘৰ নিজৰ গাঁও কিয় ভাই-ককাইৰ লগতো সম্বন্ধ চ্ছেদ কৰিব পাৰে। যেনে—

দিচাং নৈ লেহেঙনা কেন দে বুজি পাই
টেঙাপানী লেহেঙনা কেন।
ময় বাবা লেহেৰন গগই কাকাই লেহেৰন
আনা যদি ন্দু মোজা লেন।

অর্থাৎ দিচাং নৈ, টেঙাপানী কিয় নিজৰ ককাই-ভাই আই-বোপাইকো এৰিম যদি তোমাক খাটাং কথা পাওঁ।

দেউৰীসকলৰ মাজত প্ৰচলিত এনেকুৱা বিচিত্ৰ ভাবৰ নানা ধৰণৰ বিহুগীত আছে, সিবোৰ হয় দেউৰী ভাষা কিম্বা অসমীয়া ভাষা অথবা দেউৰী মিশ্ৰিত অসমীয়া ভাষাত ৰচিত। দেউৰী ডেকা-গাভৰুৰ মনৰ নানা কথা, প্ৰেম-পীৰিতিৰ কথা, আশা-আকাংক্ষা আদি কথাৰ লগতে সমসাময়িক সমাজ আৰু দেউৰী সমাজৰ বিবিধ কাৰ্য্যকলাপ, আচাৰ-বিচাৰ, ব্যৱসায় প্ৰথা আদিৰ বহু সম্ভেদ পোৱা যায়। যেনে—

অচ্ছা ইগাবাচ্ছা অচ্ছা দাগাবাচ্ছা
দামদি ইবাঁনা চ্ছনি।
ইচালু লগাৰি গাতিগী লগাৰি
মাকোকে দামিনই জান।

অৰ্থাৎ, চকুত লগাকৈ ফুল বাছি কাপোৰ বৈছা, তাঁতত 'ইচাণ্ড' 'গাতিগী' লগাইছা, মাকোও সৰি সৰি পৰে।

বিহু গীতৰ দৰে দেউৰীসকলৰ মাজত হুচৰি গোৱা প্ৰথাও বৰ্ত-মান। হুচৰিৰ সাজ-পোছাক মন কৰিবলগীয়া। মুৰত মুগা বা পাটৰ পাগুৰি, গাত এণ্ডা চোলা, মুগাৰ চুৰিয়া, ৰূপৰ কৰধ্বনি, ডিঙিত সোণ-ৰূপৰ কণ্ঠমণিৰে সুসজ্জিত পোছাক বিশেষকৈ হুচৰিৰ নামতীৰ দৰকাৰ। ঢোলৰ ছেৱে ছেৱে টকা মাৰিৰে কোবাই পদ চালনাৰ লগত সঙ্গতি ৰাখি হুচৰি গোৱাটো দেউৰীসকলৰ দস্তুৰ। হুচৰি গোৱা এই বিশেষ প্ৰথা তেওঁলোকৰ অতি মনকৰিবলগীয়া কথা। আকৌ হুচৰি গোৱা সময়ত ন দৰা-কইনাই শৰাইত ন-গামোচা, টকা-পইচা-চাউল অলপৰ উপৰিও নতুন চেলেং কাপোৰ এখন দিব লাগে। এইদৰে হুচৰি দলৰ আগত গৃহস্থৰ লোকে আঠু লৈ আশীৰ্বাদ লয়। উদাহৰণ স্বৰূপে এটি হুচৰি গীত উল্লেখ কৰা হ'ল—

গুটি : হুৰে হুৰে ৰাই ডলাত কাপোৰ ঘূৰে।
মালিতা : হুৰে হুৰে নামক কোনে স্ৰজিলে
আইনো সৰেচতী সেয়ে স্ৰজিলে।
হুৰে হুৰে নামক কোনে স্ৰজিলে
আইনো চাৰিশাঙা সেয়ে স্ৰজিলে।
হুৰে হুৰে নামক কোনে স্ৰজিলে

জলগিৰি থলগিৰি সেয়ে স্রজিলে।
ক'ৰ পৰা আহিলি ঐ ক'ত দিলি ভৰি
চোতালখন ফাটি গ'ল চেৰ চেৰ কৰি।
হুৰমি হুৰে ঐ ৰূপনি ঘূৰে
বছৰেকৰ বিহুত ঐ ঘৰে ঘৰে ফুৰে।
এৰেডাল বাঁহৰে তেৰডাল কামি
নিচিন বোপাইহঁত গাঁৱৰে আমি।
শাকত দিলে শুকতি মাহত দিলে গাজি
লৰাবুঢ়া চাপি আহ বিহু কৰো আজি।
মাধে মালতি ফুল চালত শুকাল
টকামাৰি বাওঁতে কঁকাল বিষাল। ইত্যাদি

হুচৰি গীতৰ মালিতাৰ মাজত ধেমেলীয়া উক্তি, আধ্যাত্মিক ভাৱাদৰ্শ, খেতি-বাতিৰ কথা, গ্ৰাম্য চহা জীৱনৰ কথা, পৰিয়ালৰ শহুৰ-শাহু, ককাই-ভাই, স্বামী আদিৰ নানা কথাৰ সম্ভেদ পোৱা যায়।

নেখাও যে আৰু ঐ শালিৰ ভাত ঐ
 বোকাতো নিদিও হাত,
নেৰোঁও যে আৰু ঐ পালি কঠিয়া
 আলিত দলিমাৰি থওঁ।
শহুৰে শপিব শাহুৱে শপিব
 বৰজনাই পাৰিব গালি।
পাটীৰ স্বামীয়ে বিভূতি মাতিব
 মহা কুলক্ষণী বুলি।

সামাজিক চিত্ৰ, লোকাচাৰ আদি হুচৰি গীতত হাস্যপূৰ্ণ পৰিবেশৰ মাজেদি প্ৰকাশ পোৱাও দেখা যায়। দেউধীসকলৰ সহজ-সৰল জীৱন ধাৰাৰ এইবোৰ একেটাইহঁত চমৎকাৰ নিদৰ্শন। যেনে—

গুটি ঃ হিয়ৰি হুঁচৰি হিয়ৰি হুঁচৰি

মালিতা ঃ হে পাই পাই পোহাৰি বাই
 খৰি আনিবি ডাওৰ চাই।
 চোতালৰ আগৰ কুমতি

এইঘৰ মানুহৰ ঘুমটি।
চোতালৰ আগৰ ধানতলাই
গৰু আছে টক্ টকাই।
দদাই দিব ছটকা ধন
আৰু দিব গামোচাখন।
আৰু দিলে কি লবা?
মদ দিলে কুকুৰা খাম।
খুড়ীয়ে চাকিলে মদ খাম
দদাই মাৰিলে কুকুৰা খাম।
খুড়ীয়ে চকা মদ টেঙা
দদাই মৰা কুকুৰা চেঙা।
খুড়ীয়ে চকা মদ নেখাওঁ
দদাই মৰা কুকুৰা নেখাওঁ
দদাই দিয়া ছটকা ধন
গৰখীয়া ল'ৰাৰ বাঢ়ক মন।

হুচৰিৰ লগতে সময় সুবিধা বুজি ঘৰৰ গাভৰু বা তিৰোতা-সকলকো জোকোৱাৰ ছলেৰে গীতৰ পদ বা মালিতা গোৱা হয়। যেনে—

(১) বব নেজান কাটিব নেজান
লোকৰ শালে শালে ফুৰ,
ৰান্ধিব নেজান বাঢ়িব নেজান
খড়ি মুঠা মুঠে পোৰ।

(২) এৰিমুৰী জাপৰী খৰেখাতী ফাপৰী
নেপাইহে আনিলো তোক
সমনীয়া আগত নোলাবি ফাপৰী
খেমালি মাৰিব মোক।

এই বিলাকৰ উপৰিও গৰখীয়া বা মহগুৱালে গোৱা আন এবিধ গীত আছে। সেইবোৰক দেউৰীসকলে "মজে" আখ্যা দিয়ে। এইবোৰ অতি মৰ্মস্পৰ্শী। 'মজেক' ব্যক্তিগত জীৱনৰ হৰ্ষ-বিষাদ, হা-হুমুনিয়াহৰ হিয়া পৰশি যোৱা করুণ আবেগ-অনুভূতি তথা কারুণ্যৰ ৰসসিক্ত সৰল গীত বুলিলেও ভুল কৰা নহয়।

দেউৰীসকলৰ লোকগীতৰ ভঁড়াল, নকলেও হ'ব, বৈচিত্র্যপূর্ণ। গীতবোৰ গোৱা হয় দেৱালয়ত আৰু গাঁৱৰ অন্য ঠাইত। দেৱালয়ৰ গীত সাধাৰণতে আন পৰিবেশত পোৱা নহয়। গীতবোৰ আদিতে আছিল মন্ত্রমূলক। পৰৱৰ্তী কালত অনা-দেউৰী সমাজৰ প্রভাৱ আৰু সন্নীয়া ৰীতি-নীতি তথা জীৱন ধাৰাৰ প্ৰভাৱত গীতবোৰৰ নানা সালসলনি ঘটিল। সেইবুলি মূল ভাৱাদৰ্শৰ বিলোপ সাধন হোৱা নাই। আবৰ'ব, হাঁচতি, হুৰাই ৰাঙলি গীতবোৰত সেই কথাৰ প্ৰমাণ পোৱা যায়। বিহু গীতবোৰৰ বিশেষত্ব মন কৰিব-লগীয়া, ডেকাসকলৰ বিহু গীত, গাভৰুৰ বিহুগীত, মজে বা গৰখীয়া গীত, কাহিনীৰ বা বিশেষ বস্তুৰ বৰ্ণনাৰ আধাৰত ৰচিত হুচৰি আদিয়ে দেউৰী সমাজখনৰ বহু কথা জীয়াই ৰাখিছে। এইবোৰ আজিও সংগ্ৰহ কৰাৰ প্ৰচেষ্টা লোৱা নাই। দৰাচলতে গীতবোৰ য'ত যেনেভাবে শুনা যায়, ঠিক তেনেভাৱে লিপিবদ্ধ কৰিলে তাৰ পৰা দেউৰী ভাষা সমাজ সংস্কৃতিৰ লগতে অসমীয়া ভাষা-ভাষী লোকৰ লগত দেউৰীসকলৰ ঐতিহ্যপূৰ্ণ সহ-অৱস্থান আৰু তাৰদ্বাৰা দেশৰ কিমান উপকাৰ হৈছে, অসমীয়া জাতিটো কিমান মহীয়ান হৈছে সেই সকলোবোৰ কথাৰ পূৰ্ণ পৰিচয় পোৱা যাব। দেউৰী সমাজ, সংস্কৃতি, ভাষা আদিৰ কাম কৰিবলৈ হ'লে শিক্ষিত দেউৰী ডেকা-গাভৰুসকল বিশেষকৈ এটা বিদ্যায়তনিক মনোভাৱেৰে আগ-বাঢ়ি অহা উচিত।

---

# হাজংসকলৰ লোক-গীত

শ্ৰীপৰেশ হাজং

গোৱালপাৰা জিলাৰ লক্ষীপুৰ থানাৰ অন্তৰ্গত চুৱাৰ-কোণা গাঁৱৰ পৰা দক্ষিণে মৈমনসিং জিলাৰ যমকোণালৈকে হাজং জনজাতিৰ প্ৰধান বসতি। বাংলাদেশৰ জন্মৰ পিছত অসমলৈ প্ৰব্ৰজন কৰা হাজং জাতিৰ ভালেখিনি মানুহক এতিয়া অসমৰ বিভিন্ন ঠাইতো পোৱা যায়। তেওঁলোকৰ নিজা কলা-কৃষ্টি আছে। এই প্ৰবন্ধত গোৱালপাৰাৰ লক্ষীপুৰ-মেচপাৰা অঞ্চলৰ হাজং জন-জাতিৰ লোক-সকলৰ গীত-মাতবোৰহে পৰিৱেশন কৰা হৈছে। মেচপাৰাৰ একাংশ মেঘালয়ৰ গাৰো পাহাৰত পৰিছে। ইয়াত হাজং, ৰাভা আৰু কছাৰী সকলৰ নিজা নিজা বেলেগ ভাষা আৰু কলা-কৃষ্টি আছে। কিন্তু ইয়াত থকা হাজং সকলৰ ভাষা আৰু সংস্কৃতিৰ প্ৰায়ে গোৱালপাৰাৰ লোক-সংস্কৃতিৰ লগত খাপখোৱা বিধৰ। সেইদৰে মৈমনসিংহৰ হাজংসকলৰ ওপৰত কিছু বঙলা প্ৰভাব পৰিছে যদিও তেওঁলোকৰ মাত-কথা আৰু আচাৰ অনুষ্ঠান ভালেখিনি গোৱালপৰীয়া উপভাষা আৰু সংস্কৃতিৰ লগত সাদৃশ্যপূৰ্ণ।

## বাঁহ পূজাৰ গীত

বাঁহ পূজা অসম আৰু উত্তৰ বঙ্গৰ আন ভালেমান ঠাইতো আছে যদিও গোৱালপাৰাৰ দক্ষিণাঞ্চলৰ আৰু গাৰো পাহাৰ জিলাৰ হাজংসকলৰ মাজত ব্যাপকভাৱে ইয়াৰ প্ৰচলন থকা দেখা যায়।

এই পূজাৰ দেৱতা মদন-কাম বা গোপাল (শ্ৰীকৃষ্ণ) বুলি কোৱা হয়, যদিও এই পূজা তিনিডাল বাঁহেৰে কৰা হয় কাৰণে তেওঁলোকে ইয়াক 'বাশ (বাঁহ) পূজা' বুলি কয়। দীঘল দীঘল দুটা বাঁহ চাঁচি-চুকুকি পোন কৰি এডালত ৰঙা আৰু এডালত বগা কাপোৰ মেৰিয়াই লৈ ওপৰত চোঁৰৰ বান্ধি দি থিয় কৰাই ৰাখে। তাৰ কাষতে

আন এডাল জেকনি থকা বাঁহ পুতি ওপৰত পুৰণা খালৈ, জাকৈ আৰু ভগা নাঙল আঁৰি দিয়ে। এই পূজাই ঘৰলৈ লক্ষ্মী আনে আৰু ইয়াৰ প্ৰভাৱত কোনো বিপদ-আপদ নহয় বুলি তেওঁলোকে ভাবে। পূজা তিনিদিন ধৰি কৰা হয়। এই তিনিও দিনেই খোল-তাল বজাই গীত গোৱা হয়। গায়কসকলৰ মাজত এজন মূল গায়ক থাকে। তেওঁক গীতাল বুলি কোৱা হয়। গীতালজনে শ্ৰীকৃষ্ণৰ জন্মৰ পৰত মথুৰাৰ কংস ৰজাৰ বধলৈকে পদ গায়। পালিসকলে তেওঁৰ লগত সহযোগ কৰি যায়।

বাঁহ পূজাৰ আৰম্ভণিতে মূল গায়ক বা গীতালে পোন প্ৰথমে মণ্ডপৰ আগত বাঁহ দুডালৰ আগত থিয় হয়। দুয়োফালে দুজন ঢোলবাদক আৰু বৃত্তাকাৰে পালিসকল থিয় হৈ সৰস্বতী, গণেশ, চন্দ্ৰ, সূৰ্য্য, শিৱ, পাৰ্বতী আদিৰ নাম ধৰি বন্দনা গায়; লগতে তেত্ৰিশ কোটি দেৱতা বন্দিলো বুলি কয়। শেষত মূল গীতালে শিক্ষাগুৰুলৈ সেৱা জনাই গায়---

হাত গুৰু, পাও গুৰু বন্দং
দীক্ষা গুৰুৰ পাও,
যেই গুৰু শিখাইছে মোৰে
ডাইনে আৰু বাও।
এতেকে বন্দনা গাইতে
যে চৰাবে ঘাও,
আৰো কিছু কিৰা নাদং
ধৰ্মৰ মাথা খাও॥

সেই সময়ত মূল গীতালৰ সুৰে সুৰে সুৰ মিলাই পালিসকলে দেৱ-দেৱীৰ বন্দনাকে গায়---

সৰস্বতী, লক্ষ্মীদেৱী ও
তোমাৰ চৰণে প্ৰণাম কৰি,
অধম বালকে ডাকে
দয়া কৰ ও মা জননী।

এনেকৈ দুই এটা ধৰ্মমূলক গীত গোৱাৰ পিছত ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতিমূলক গীত-মাতেই বেছিকৈ গায়। তাৰে কেইটামান দিয়া হ'ল—

( ১ )

ওপাৰে শ্যাম ৰাঙাধান ৰে
(মোহন) পাকিয়া হইল ঝুনা
সোণাৰ মুখে চুম্বক দিতে
ভাঙিল নোটেৰ গুনা (মোহনাৰে)

( ২ )

নতুন গাছেৰ ডালিম দেখিয়াৰে
চৰাৰ পাকা-পাকি
কেমনে ৰাখিব ডালিমৰে,
ডালিম কত হালিয়া পৰে ৰসেভৰে
আই মুই কয়া বুজাং তোৰে ॥

( ৩ )

কন্যা ভাবনা কিসে তোৰ
আমি যায় চহৰ,
থাক কন্যা তুই বাপেৰ বাড়ী
এই বাৰ বছৰ।
বাচিয়া যদি থাকি কন্যা
দেখা হব আৰ বছৰ,
ঐৰে থাক কন্যা তুই---
এই বাৰ বছৰ।

( ৪ )

আমি দেখিলাম ঘুৰি
কোনো খানে কন্যা নাই মোৰ,
আছে কাঠলবাড়ী।
পুব-দুৱাৰী বৰ ঘৰখানি
উত্তৰ-দুৱাৰী নাকাৰী
কি দিয়া বিয়া কৰাব সুন্দৰী
হাতে নাই কড়ি ॥

( ৫ )

দাদাৰে দাদা—
বিয়া দে মোৰে,
ভাল কইনাটা নিয়া গেল পৰে।
নাথাকিম মুই ওৰে দাদা
বিয়া নেদেয় ঘৰতে
যাম দাদা মুই শালকচাবলে।

( ৬ )

কাশিয়াৰ তলে তলে
ইলুৱাৰ তলে তলে
মোৰ বন্ধু গছা হৈয়ে যায়,
মইষাল গলীমেৰ বেটী
মাথাতে চৰিয়াছে
মোৰ বন্ধু কমৰ হেলে যায়।

( ৭ )

ঘাগোৱা নদীৰ কুলে কুলে
মাহুতে চড়ায়ৰে হাত,
মাহুতেৰ স্বৰূপ দেখি
ভাল নাৰীটা দিল জাতি
হালাউ হালাউ কৰে দুধেৰ ঘটী।

এনেকৈ বিভিন্ন ধৰণৰ গীত-মাত তিনিদিন ধৰি গায়। শেষৰ দিনা গধূলি পূজামণ্ডপৰ পৰা বাঁহ দুটা উভালি নি নৈত গা ধুৱাবলৈ নিয়ে। ইয়াত একমাত্র প্রাপ্তবয়স্ক লোকৰ বাহিৰে কোনো ল'ৰা-ছোৱালীক যাবলৈ দিয়া নহয়। কাৰণ বাঁহ গা-ধুৱাবৰ সময়ত নৈৰ পাৰত যিবোৰ গীত গোৱা হয় তাত অশ্লীলতাৰ গোন্ধ প্ৰকট। সেইবোৰ গীত ইয়াত তুলি দিব পৰা বিধৰ নহয়।

## কাতিক পূজাৰ গীত

কাতি মাহৰ শেষত কাতিক পূজা কৰা হয়। এই পূজা হাজং-

সকলৰ মাজত ব্যাপকভাৱে প্ৰচলিত। অৱশ্যে অসমৰ পশ্চিম প্ৰান্তৰ আৰু উত্তৰবঙ্গৰ (আৰু কিছুদূৰ পূব বঙ্গৰো) ৰাজবংশীকে ধৰি বিভিন্ন সম্প্ৰদায়ে কাতি পূজা অনুষ্ঠিত কৰে।

হাজংসকলৰ কাতিক পূজাত অকল তিৰোতাসকলেহে অংশ গ্ৰহণ কৰিব পাৰে যদিও পুৰুষসকলে দৰ্শক হৈ চাই থকাত কোনো বাধা নাই। কিন্তু কোনেও কোনো ধৰণৰ অশ্লীলতা প্ৰদৰ্শন কৰিব নোৱাৰে।

ঘৰৰ চোতালৰ মাজত ৰঙা চালি এখন পাতি মাজতে পূজাৰ মণ্ডপ এখন কৰে আৰু তাত ৰূপৰ দেৱতা কাতিকৰ মূৰ্তি স্থাপন কৰা হয়। তাৰে চাৰিওফালে ঘূৰি ঘূৰি বিভিন্ন গাঁৱৰ পৰা অহা গাভৰু ছোৱালীবিলাকে একেলগে মিলি নাচি নাচি গীত গায়। সৰু সৰু ছোৱালী আৰু বুঢ়ী তিৰোতাবিলাকেও এই নাচ-গানত গা চালি নিদি নোৱাৰে।

ইয়াত মেচপাৰা অঞ্চলত প্ৰচলিত হাজংসকলৰ কাতিক পূজাৰ গীত কেইটামান তুলি দিয়া হ'ল।

প্ৰথমতে বুঢ়ী এজনীয়ে কাতিকৰ আগত আঁঠু লৈ বহি কাতিকৰ জন্মৰহস্যৰ গীত লগাই যায়। বাকীবিলাকে আঠু লৈ লগে লগে ধৰি যায়।

এক দিন হয়া চণ্ডী তিন দিন হয়ৰে।
চণ্ডী নাইৰে কুতি গেলৰে
বান্দী দাসী সবে
আসতে লাগিলৰে।
তেলেৰ বাতি টিলায়
আংছা লয়া
গাং সিয়ানে যায়ৰে।
আগে পাছে বান্দী দাসী
মধ্যে যায় চণ্ডীৰে।
কতেক দূৰ যায়াৰে
কতেক লাগল পায়ৰে।
কতেক দূৰ যায়া চণ্ডী

যমুনা গ্রাগল পায়ৰে।
যমুনা ঘাট পায়া চণ্ডী
নামিতে লাগিলৰে।
এইনা খিলা আংছা চণ্ডী
কেশতে বান্ধিলৰে।
কেহ ঘষে কেশ চণ্ডীৰ
কেহ ঘষে গাওৰে।
চন্দন হেনা গাও চণ্ডীৰ
ঘষিতে লাগিলৰে।
পাতা পানা নামিয়া চণ্ডীৰ
পাতা কৰিল শুধ ৰে।
অ' শৰীল হইল চণ্ডীৰে।
হাটু পানী নামিয়া চণ্ডী
হাটু কৰিল শুধ ৰে
অ' শৰীল হইল চণ্ডীৰে।
কোমৰ পানী নামিয়া চণ্ডী
কোমৰ কৰিলে শুধৰে
অ' শৰীল হইল চণ্ডীৰে।
বুক পানী নামিয়া চণ্ডী
বুক কৰিল শুধ ৰে।
অ' শৰীল হইল চণ্ডীৰে।
গলা পানী নামিয়া চণ্ডী
মাৰে পঞ্চ ডুব ৰে।
কেশেৰ ভৰে চণ্ডী
উঠিবাক নাপাৰিল ৰে।
আগে পাছে বান্দী-দাসী
তুলিবাক লাগিলৰে
উপৰ ঘাটে সিনান কৰে চণ্ডী
নামা ঘাটে উঠেৰে।
এইনা পাটেৰ শাৰী চণ্ডী
পিন্ধিতে লাগিল ৰে।

এইনা খাট পালেং চণ্ডী
বাছিতে লাগিলৰে।
এইনা মাথাৰ কেশ চণ্ডী
শুকাইতে লাগিল ৰে।
এইনা মাথাৰ তেল চণ্ডী
মাখিতে লাগিল ৰে।
এইনা মাথাৰ কেশ চণ্ডী
চিৰিতে লাগিলৰে।
এক মাস হয় চণ্ডী
দুই মাস হল ৰে
তিন মাস হয়া চণ্ডী
জানিল স্বামীৰে।
চাৰ মাস হয়া চণ্ডী
লোকে প্ৰচাৰ হল ৰে।
পাঁচ মাস হয়া চণ্ডী
ছয় মাস হলৰে।
সাত মাস হয়া চণ্ডী
সাত ফল খায়ৰে।
আঠ মাস হয়া চণ্ডী
নয় মাস হয়ৰে।
দশ মাস দশ দিনে চণ্ডীৰ
গায়ে দিল জানাৰে।
আসিতে লাগিল বান্দী
ঐনা চণ্ডীৰ কাম্বেৰে।
যাইতে লাগিল বান্দী
ধাই মায়েৰ কাষেৰে।
শাৰীৰ গুমানী ধাইমাও
নাই কাৰে ৰাওৰে।
গুৱা পাণেৰ গুমানী ধাইমাও
নাই কাৰে ৰাও ৰে।
একা শাৰীৰ বাদে ধাইমাও

দুই শাৰী দিমৰে।
এক পোৰ তেলেৰ বদলি
দুই পোৰ দিমৰে।
এক পুৰা সিন্দুৰ বদলি
দুই পুৰা দিমৰে।
এক গুৱা-পাণ বদলি
দিম দুই গোণ্ডাৰে।
সব দান পায়া ধাইমাও
ৰঙ্গ হইল মনেৰে
হাটিয়া লৰিল ধাইমাও
এনা চণ্ডীৰ কাষেৰে।
বসিতে লাগিল ধাইমাও
ঐনা চণ্ডীৰ কাষেৰে।
ঐনা তেলেৰ বাতি ধাইমাও
ঝাৰিতে লাগিলৰে।
ভূমিতে পৰিল কাতি
কান্দে তাহাও তাহাওৰে।
দশ মাস দশ দিনে কাতি
ভূমি দান পাইলৰে।
আখি মেলে চায়ৰে
ভিৰিয়া বসিয়া ধাইমাও
কোলাতে তুলিলৰে।
সাত ডাল সুতা দিয়া ধাইমাও
নাভি বন্ধন কৰেৰে।
সোণাৰ তিচ্‌কুনি দিয়া ধাইমাও
নাভি ছেদন কৰেৰে।
গঙ্গাৰ ধাৰে ধাইমাও
ধুইয়া তুলিলৰে।
ঝালে ধাইমাও
সেকিয়া তুলিলৰে।
নানা গোন্ধেৰ তেল কাতিক

মাখিতে লাগিলৰে।
যাইতে লাগিল কাতিৰ বাপ
নাপিতেৰ বাৰিৰে।
হাতে লাঠি কান্ধে ছাতি
নাপিত আসিতে লাগিলৰে।
বসিতে লাগিল নাপিতে
কাতিৰ সম্মুখেৰে।
পাঁচ পাচেৰ পাচকি চুৱা
নাপিত কামাইতে লাগিলৰে।
জোৰা গুৱা জোৰা পাণ
বিদাকি পাইলৰে।
বিদাকি পায়া নাপিত
চলিয়া গেলৰে।
অচিৰ হইল চণ্ডীৰে॥

কাতিকৰ জন্ম হ'ল। কাতিকৰ জন্মৰ পিছত তেওঁৰ অপৰূপ দেহ সৌন্দৰ্য্য দেখি দেৱ নাৰী সকলোৱে বাউলী হৈ পৰিল। তেনেকৈয়ে আমাৰ আজিৰ গাভৰুজাকেও কাতিকৰ মনোমোহা ৰূপ মাধুৰ্য্যত যেন বিমোহিত হৈ তাৰ বৰ্ণনা এইদৰে দিছে—

কাতি, কাতি, তোৰ নাক বনাইছে
কিসেৰ কাৰণে?
আনুন জনমে শঙ্ক মিলাইছে
চান্দ্ গোপালৰে।
কাতি, কাতি, তোৰ চখু বানাইছে
কিসেৰ কাৰণে?
আনুন জনমে তাৰা মিলাইছে
চান্দ্ গোপালৰে।
কাতি, কাতি, তোৰ মুখ বানাইছে
কিসেৰ কাৰণে?
আনুন জনমে চন্দ্ৰ মিলাইছে
চান্দ্ গোপালৰে।

কাতি, কাতি, তোৰ কাণ বানাইছে
কিসেৰ কাৰণে ?
আনুন জনমে কুন্না মিলাইছে
চান্দ্ গোপালৰে।
কাতি কাতি তোৰ হাত বানাইছে
কিসেৰ কাৰণে ?
আনুন জনমে গাইন মিলাইছে
চান্দ্ গোপালৰে।
কাতি কাতি তোৰ ঠেং বানাইছে
কিসেৰ কাৰণে ?
আনুন জনমে উৰুং মিলাইছে
চান্দ্ গোপালৰে।
কাতি, কাতি, তোৰ পেট বানাইছে
কিসেৰ কাৰণে ?
আনুন জনমে দুলী মিলাইছে
চান্দ্ গোপালৰে।
কাতি, কাতি, তোক জনম দিছে
কিসেৰ কাৰণে ?
আনুন জনমে পিৰিতিৰ লাগি
চান্দ্ গোপালৰে।
কাতি কাতি আমি
জনম দুখিনী
নমো তব চৰণে
কৃপা কৰাহে হৰি
এই অবলাৰে।

গীতটো শেষ হোৱাৰ লগে লগে সকলোৱে মূৰ দোঁৱাই সেৱা কৰি তাৰ পৰা উঠি যায়। কিছু সময় বিৰতিৰ পিছত আকৌ উঠি ঘূৰি ঘূৰি নাচি নাচি আন আন গীত গাবলৈ ধৰে। গীতৰ মাজেৰে তেওঁলোকৰ মাজত প্ৰতিযোগিতা আৰম্ভ হয়। গীতে গীতে তৰ্কও হয়। কিন্তু ৰাতিপুৱা পূজা শেষ হোৱাৰ আগতে পুনৰ মিল হৈ ৰং-ধেমালিৰ গীত কৰে। ইজনীয়ে সিজনীক কোনোবা ডেকা ল'ৰাৰ লগত জোৰাই

দি জোকাই গীত গায়। সেই সময়ত ডেকা ল'ৰাবিলাকে তাৰ পৰা পলাই যায় যদিও চেংেলীয়া মনে নেমানে বাবে কোনো ঠাইৰ পৰা আঁৰ লৈ মনে মনে শুনি থাকে। তাৰে এটা গীত দিয়া হ'ল ঃ

তুলা হেনা বৌৰ বৌৰ
যৌৱন হেনা নদী,
সউক ফুল ফুটিছে
অমুকী পৰিছে ৰঙ্কিৰে
'অমুক' শ্বেৰা হাল বোৱায়
কালা গৰু দিয়া
'অমুকী' শ্বেৰী মাছ মাৰে
আলি কণা দিয়া।
অমুক শ্বেৰা হাল বোৱায়
মাথায় ঝাপি দিয়া
অমুকী শ্বেৰী চায়া থাকে
ঘুৰিয়া ঘুৰিয়া।
অমুক শ্বেৰা গৰু চাৰায়
মুখে মোহন বাশী (বাঁহি)
অমুকী শ্বেৰী ঘাটে যায়
কাকে লয়া কলশী (কলহ)।
সেই ঘাটে যায় শ্বেৰা
ধেনু জল খুৱাইতে
প্রেমেৰ খেলা কৰে মনে
অমুকী শ্বেৰীৰ সাতে।
অমুকী শ্বেৰীৰ লাগি অমুকা
থাকে ভাবি গুণি,
অমুকী শ্বেৰী মাথা চিৰে
মাৰি মধুৰ হাঁসি (হাঁহি)।
অমুক শ্বেৰা ধুতী পিন্ধে
ঠাসিয়া ঠাসিয়া।
অমুকী শ্বেৰী পাও কাচায়
কমৰ হেলেয়া।

অমুক খেৰা পিন্ধিব
পাৱে কাচা জোতা,
অমুকী খেৰী পিন্ধিব
ছিল্‌কেটৰ মেখেলা।
আৰ এক সাতে চলিয়া যাব
কায় বলব দেশেৰ খন্ধুৰে।

'অমুক' আৰু 'অমুকী'ৰ ঠাইত বিশেষ ডেকা-গাভৰুৰ নাম কৈ গীত গোৱা হয়।

ইয়াৰ পিছত সকলোৱে হাতত ধেনু শৰ লৈ ৰভা চালিত আঁৰি থোৱা পকা পকা কলবোৰ হানি হানি তলৰ গীতফাঁকি গাই গাই পূজাৰ আচাৰ অনুষ্ঠান শেষ কৰে।

দূৰ হৈতে আইলামৰে বাদুৰ
কলা খাইবাৰ লাগি
গাছেৰ কলা গাছতে ৰয়
আমাৰ বাদুল মন দেশে যায়।
দূৰ হৈতে আইলামৰে বাদুৰ
কলা খাবাৰ আশায়।
গাছেৰ কলা গাছতে ৰয়
আমাৰ বাদুৰ মন দেশে যায়।

## বিয়াৰ গীত

হাজংসকলৰ বিয়াত বিয়া নাম গাবলৈ একোটা "গীতাল" দল থাকে। তেওঁলোকেহে খোল-তাল বজাই বিয়াৰ গীত গায়। ইয়াত মেচপাৰা অঞ্চলত প্ৰচলিত বিয়াৰ গীত কেইটামান দিয়া হ'ল।

( ১ )

দিহা ॥ নাকান্দ জননী মাও
কান্দন ক্ষেমা কৰ।
তোমাৰ কান্দনে মাও
কান্দিব পাৰা পৰসী।

পদ ॥ ছোট হতে পুহিলুং মাও
দুধ ভাত দিয়া

এখন মাও তুই ছাৰিয়া যায়
বুকে শেল দিয়া।
শাল খাইছে শিঙিৰে খাইছে
আৰ খাইছে কুচিয়া,
ঝিউ খানি বিলিয়া খাইছে
লক্ষ টাকা দিয়া।
বাপক প্ৰণাম কৰি
মাতাক প্ৰণাম কৰি,
যা মাও তুই অন্য ৰাজ্য পাছে ॥
এদূৰ ছাৰিয়া কতেক দূৰ যায়,
কতেক দূৰ যায়া বন্দে লাগল পায়।
আৰ কতেক দূৰ যায়া
গাণ্ডাক লাগল পায়।
লাগল পায়া ৰয়া কথা কয়।
গাণ্ডা বেটাক মাৰিলুং গুলী
ছাৰা হ'ল আঠাৰ কুৰি।
এদূৰ ছাৰিয়া কতেক দূৰ যায়,
কতেক দূৰ যায়া বাঘাক লাগল পায়।
বাঘা বেটাক মাৰিলুং গুলী
গাও হ'ল তাৰ হাত চাৰি।
নেংকুৰ হ'ল তাৰ ন হাত,
মুখ হ'ল তাৰ পুতুলাৰ মত।
এদূৰ ছাৰিয়া কতেক দূৰ যায়,
কতেক দূৰ যায়া শিয়াল লাগল পায়।
শিয়াল বেটাক মাৰিলুং গুলী,
যা মাও তুই বাপেৰ বাড়ি।
নাৰায়ণ দেৱে কয় সুৰস পাঁচালী ॥

( ২ )

দিহা ॥ পিন্ধিয়া পাটৰ শাৰী
বাইৰ হৈল ঋষি বাণী ও
যায় ঋষি কন্যা জুৰিবাৰে।

পদ ॥ এদুৰ ছাৰিয়া কতেক দূৰ যায়
কতেক দূৰ যায়া
ফুল বন্দে লাগল পায়
লাগল পায়া ৰয়া কথা পুছে ।
পন্থ ছাইৰনা তুমি
ডাকিয়া জানাব আমি
হৰি নামে হব জানা জানি।
ওৰে নিলাজ কালা
পন্থ ছাইৰনা তুমি
চল গৃহে যাই আমি।
দুৱাৰি-দুৱালি তুলি
কয় কথা ডাক পাৰি
কাৰ ঘৰেৰ ঝিউ তুমি
আৰ কাৰ ঘৰেৰ বহাৰী।
দক্ষিণ দুৱাৰী বেটী
কেহ কাৰে ৰাও।
কথা কলি বাপু
পান মুখে লৈয়া
হৰ আছি বাপু
কৰিলে জিজ্ঞাসা।
কি কৰে বাপু
নিচিন্তে বসিয়া
বিলাস ফুলেৰ পাত
পৰিল ঝুৰিয়া।
এ থাকিয়া ৰাপু

কৰিল জিজ্ঞাসা
ধীৰে ধীৰে পাও
দিলেন্তো চালাইয়া
নাৰায়ণ দেৱে কয়
সুৰস পাঁচালী ॥

যৌতুক (দান) দিবৰ সময়ত তলৰ গীতফাকি গায়।

দান পৰে আৰে দান পৰে
ছাইবে সুন্দৰী—আৰে ও---
কাৰ কাৰ মনে আছে
দেওৰে আসিয়া
আৰে দান পৰে---।
তাৰ পৰে কৰিল দান
কইনাৰে মাও,
আৰ দান পৰে---।
তাৰ পৰে কৰিল দান
কইনাৰে বাপ,
আৰে দান পৰে- --।
দান নাই দক্ষিণা নাই
বেৰায় ধক্লক্ ধক্লক্
আৰে দান পৰে---
ছাইবে সুন্দৰী ॥

## শিৱ-শিৱো বা থুবো মাগো গীত

কামৰূপ অঞ্চলত প্ৰচলিত মহ-খেদা গীতৰ দৰে দক্ষিণ গোৱাল-পাৰা আৰু গাৰো পাহাৰৰ হাজংবিলাকৰ মাজত 'শিৱ-শিৱো' বা 'থুবো মাগা' গীতৰ প্ৰচলন আছে। মাঘ বিহুৰ কিছুদিন আগৰ পৰা গাঁৱৰ ল'ৰাবিলাকে হাতত একোডালকৈ টোকোন লৈ সেই টোকোনেৰে মাটিত খুন্দিয়াই খুন্দিয়াই মানুহৰ ঘৰে ঘৰে ভিক্ষা কৰি ফুৰে। আৰু ভিক্ষা মাগি পোৱা ধনেৰে উৰুকাৰ দিনাখন মেজি ঘৰৰ আগত লগ-ভাত খায়। ইয়াত মেচপাৰা অঞ্চলত প্ৰচলিত কেইটা-মান শিৱ-শিৱো গীত দিয়া হ'ল।

( ১ )

শিৱ শিৱো ॥
শিৱ শিৱোৰে শিৱো কাছ
কাচ কলাটা ঝুমুৰ বাজ।
বাজক ঝুমুৰ বাজক তাল,
এই মাটিখান যুক্তি মাল।
যুক্তি মালে ৰুনি জুনি,
ঘোনায় বান্দিলুং পাঁচ গুনি।
সোনাৰে ৰাম ছুৰা,
আমাৰ ৰাখল খাল গুৰা।
খাল গুৰাতে নাপাল চূণ,
তাতে গেল বেগাম ফুল।
বেগাম ফুলে যায়াৰে,
হয়ৰেকা হয়ৰে,
গুৰ গুটিয়া সাতেৰে।
শিৱ শিৱো ॥

( ২ )

লাউপাত ধাপা ধাপা
তাতে ফেলালুং ছাই,
হাতী আছে ঘোৰা আছে
পৰমানন্দেৰ ভাই।
পৰমানন্দেৰ ভাইৰে
উৰানি কইতৰ,
উৰিয়া উৰিয়া বেৰায়
ঘোপেৰ ভিতৰ।
যোগ নাই চোপ নাই
সাত খান পিতল,
সাত খান পিতল দিয়া
বানাইছুং নাও,

সেই নাৱে চলে গেল
দুৰ্গাৰ মাও।
দুৰ্গাৰ মাওৰে হাসিছে,
কালা কালা দুইটা খেৰী নাচিছে॥

( ৩ )

এই ঘৰেৰ বুঢ়ীৰে
ঐ ঘৰত যায়,
বাটত পাইছে চিকা ইন্দুৰ
দুই হাতে কিলায়।
কিলায়নাৰে কিলায়নাৰে
আৰ মচৰায় কাণ,
সেই চালা ইন্দুৰে খাইছে
নাতি জাওইলাক ধান।
শিব শিবো॥

## নিচুকণি গীত

হাজং মাতৃয়েও শিশুক শান্ত কৰিবলৈ বা টোপনি নিয়াবলৈ নিচুকণি গীত গায়। এয়া মেচপাৰা অঞ্চলত প্ৰচলিত কেইটামান হাজং নিচুকণি গীতৰ নমুনা ঃ

( ১ )

হলোলৈ লাটা
ভোট বগৰী কাটা
আনিবাক কৈচুং
বাবুলাক মাইয়া
আনচে চপৰে কাটা।

( ২ )

হৈ হৈ হৈ
নাকান্দিবি নাকান্দিবি

বিড়াল - কামৰাৰ,
তোৰ বাবা হাটত গিছে
ঘোৰা আনিব।

( ৩ )

হৈ হৈ হৈ
গামছা বান্ধা দৈ
মিহি ধানেৰ খৈ
তাল দানা মিঠে
আমাৰ বাবু কৈ ?
ভূইয়ত দিছে মৈ
দুফৰ বেলা আসিব
ৰাঙা মুৱা হৈ।

( ৪ )

হো-ল-লৈ চাম্পা ফুল
আমাৰ বাবু অনেক দূৰ
অনেক দূৰে যায়া,
পক্ষীৰাজ ঘোঁৰাত উঠিয়া
আসিব আমাৰ বাবু
মাণিক মুকুতা লয়া।

( ৫ )

কে হোৱা হোৱা
ক'ত গেলৰে শিয়াল গুলা
কাণ খা, কাণ খা।
আমাৰ বাবু আছে কান্দিয়া
কাণ খা আসিয়া
কে হোৱা হোৱা।

হাজং সমাজত কেঁচুৱা ল'ৰাক বাবু আৰু ছোৱালীক 'মাই' বোলা হয়। কেঁচুৱাটি ছোৱালী হলে ওপৰৰ গীতবোৰত 'বাবু'ৰ ঠাইত 'মাই' বুলি গোৱা হয়।

# মইনাহঁতৰ খেল-ধেমালিৰ গীত-মাত

অইন সমাজৰ মইনাহঁতৰ নিচিনাকৈ হাজং মইনাহঁতেও ওমলোঁতে আৰু খেল খেলোঁতে বিভিন্ন ধৰণৰ গীত-মাত গায়। তলত মেচপাৰা অঞ্চলত প্ৰচলিত খেল-ধেমালিৰ গীত-মাত কেইটামান তুলি দিয়া হ'ল।

( ১ )

লগা লাগি ভাই
বুন পিঠা খায়,
বামুন হবেৰ খেৰা খেৰী
বৌ, জুৰিবাক যায়।

( ২ )

সখী ঐ সখী
উজানত মাৰিলুং পখী
ভাটিত মাৰিলুং বেং,
সখী লৈ আনিচুং
মৰা গৰুৰ ঠেং।

( ৩ )

শ্বাম কুড়াৰে ভাই
মাথাই নাই ৰঙা,
আগে আগে নবলাস তুই
বিট্ৰিলীয়া পোঙা।

( ৪ )

এক দুল্ বেক দুল্
বড়ি ফুল ফুটে।
বানিয়াৰ ছাওৱা
দুল দুল কুম্পে
কাম্পা কুম্পা
লাই লফা
নিমেৰ পাত।

( ৫ )

ইকিৰি বিকিৰি
চাম চিকিৰি
গৱৰী ৰাজাই
দিলে পাতি
তাক খায় খায়
মঙ্গল বাতি,
মঙ্গল বাতিটো
লৰে চৰে,
ধাল কাউৰাটো
টকৰ মাৰে।

( ৬ )

আয় চান মামা আয়
বিচি ভাত দিম,
কালাই শাক দিম,
চৰে মসং দিম,
চাং তলতে লুকিয়া থম
কালকা হাতত নিম।

( ৭ )

একং বেকং
চবিছাৰ লেকং
ভেৰা-ভুচা
মেনি গাই,
চাৰি ঠেং আছে
নেংকুৰ নাই।
নলেৰ আগা
ধানেৰ শিষ
কানাই খিপা
উন্নিশ বিশ।

(৮)

চখেয়াৰ চক্
কত ধান খায়?
ধান পাকিলে চিৰা দিম
ডালত বসিয়া খা,
ডাল ভুল ভাঙেয়া
মামা ঘৰত যা।
মামা দিব তাম কলসী
মামী দিব ফুল,
সেই ফুল লয়া যা
হাজাৰ টাকাৰ মূল।

বিঃ দ্ৰঃ এই গীত-মাতবোৰ মেচপাৰা অঞ্চলত প্ৰচলিত বুলি কোৱা হৈছে যদিও আন আন হাজং গাঁওবিলাকতো ইয়াৰে ভালেমান প্ৰচলিত আছে। আকৌ, একে অঞ্চলৰ হাজঙৰ বাহিৰেও আন সম্প্ৰদায়ৰ মাজতো একেধৰণৰ গীত-মাত পোৱা যায়, অৰ্থাৎ কোনো কোনো ক্ষেত্ৰত গীত-পদবোৰ উমৈহতীয়া সাহোন।

# সোণোৱালসকলৰ লোক-গীত

দেৱযানী শইকীয়া (খনিকৰ)

অতীজৰ পৰাই অসমখন বিভিন্ন মঙ্গোলীয় জনগোষ্ঠীৰ বাসভূমি। মঙ্গোলীয় বৃহৎ বড়ো গোষ্ঠীৰ সোণোৱালসকল এক অন্যতম ঠেঙুলি। উজনি অসমৰ লক্ষীমপুৰ, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাত প্ৰধানকৈ সোণোৱালসকল বাস কৰি আছিছে। ইয়াৰ বাহিৰেও অসমৰ বাকীকেইখন জিলাতো সোনোৱালসকল সিঁচৰতিভাৱে আছে।

সোণোৱালসকলে নদীত সোণ কমাব জানিছিল আৰু সোৱণশিৰি নদীত সোণ কমাইছিল। সম্ভৱতঃ সেই কাৰণেই তেওঁলোক সোণোৱাল নামেৰে জনাজাত হ'ল। কোনো কোনোৰ মতে শদিয়ালৈ কছাৰীসকলে ৰাকবাঁহৰ চুঙাত সোণ পৰীক্ষা কৰি আউনীআটীয়া সত্ৰাধিকাৰৰ ওচৰত শৰণ লৈ সোণোৱাল নাম পায়।

বিশ্বাস কৰা হয় যে আদিতে কছাৰীসকল বিষ্ণুভক্ত আছিল। তেওঁলোকৰ শ্ৰেষ্ঠ ৰজা বলিক বামণৰূপী বিষ্ণুৱে ছলনা কৰাৰ ফলত তেওঁলোকে বিষ্ণুৰ প্ৰতি পৰম বৈৰীভাৱ আচৰণ কৰিলে আৰু শিৱক আৰাধ্য দেৱতা ৰূপে মানিলে বুলি প্ৰবাদ আছে।

নৱ বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱত বৈষ্ণৱ ধৰ্ম গ্ৰহণৰ পিছত সোণোৱালসকল দুভাগত বিভক্ত হয়---বেহাৰী আৰু হিন্দুৱীয়া। বেহাৰীসকল শাক্ত আৰু তেওঁলোকে বলি-বিধানেৰে বিভিন্ন দেৱ-দেৱীক পূজা কৰে। হিন্দুৱীয়াসকলে ফল-ফুল, মাহ-প্ৰসাদ আদিৰে দেৱ-দেৱীৰ অৰ্চনা কৰে।

সোণোৱালসকল বৃহত্তৰ কছাৰী গোষ্ঠীৰ অন্তৰ্ভুক্ত আৰু সেয়ে পূৰ্বতে তেওঁলোকৰ ভাষাও নিশ্চয় তিব্বত-বৰ্মী পৰিয়ালৰ আছিল। পিছত এওঁলোকে অসমীয়া ভাষাকে গ্ৰহণ কৰি লয়। সেয়েহে এওঁলোকৰ মৌখিক ভাষাও অসমীয়া। মাথোন বিশেষ কিছুমান গীতত্তহে মাজে মাজে সান-মিহলি ভাষা ব্যৱহৃত হৈ আছে।

সোণোৱালসকলৰ লোকগীতসমূহক আমি কেইটামান ভাগত ভগাব পাৰোঁ। যেনে ঃ

(ক) ধৰ্মীয়-বিশ্বাস আৰু আচাৰ অনুষ্ঠানৰ লগত জড়িত গীত।

(খ) বিহু-হুচৰি আদি সামাজিক আচাৰ-অনুষ্ঠানৰ লগত জড়িত গীত।

(গ) বিবিধ শ্ৰেণীৰ গীত।

ধৰ্মীয় বিশ্বাস আৰু আচাৰ-অনুষ্ঠানৰ গীতৰ ভিতৰত হাইদাং গীত সোণোৱাল লোক-সাহিত্যৰ অতি তাৎপৰ্য্যপূৰ্ণ অঙ্গ। ইয়াৰোপৰি মালিতা, হুচৰি গীত, আইনাম, বিয়ানাম, লখিমী আদৰা গীত, গোসাঁই নাম, অপেশ্বৰী সবাহৰ নাম আদি উল্লেখযোগ্য।

## হাইদাং গীত

ধৰ্মীয় ভাৱাপন্ন এই গীতসমূহত সোণোৱালসকলৰ প্ৰাচীন বিশ্বাস আৰু পুৰা কাহিনী নিহিত আছে। সৃষ্টি কৰ্তাৰ গুণ কীৰ্তনেৰে হাইদাং গীতৰ পাতনি মেলা হয়। হা মানে বিশ্ব, দাং মানে সৃষ্টি আৰু দে মানে হ'ল গীত—অৰ্থাৎ সৃষ্টিকৰ্তাৰ স্তুতি গীত। গীতসমূহ কেইবাটাও অধ্যায়ত বিভক্ত। জগতৰ পিতা নাৰায়ণৰ প্ৰতি প্ৰণাম, সৃষ্টিতত্ত্ব সম্বন্ধে বিচাৰ, বিশ্বৰ জীৱসৃষ্টিৰ মূলতত্ত্ব, ব্ৰহ্মাণ্ডৰ চেতন-অচেতন সকলোৰে শ্ৰেষ্ঠতাৰ বিচাৰ, মানুহৰ ক্ৰমবিবৰ্তন আৰু সোণোৱাল কছাৰী বংশৰ উৎপত্তি, খিৰিং (শিৱ) দেৱতাৰ বিয়াৰ বৰ্ণনা, জগতৰ মঙ্গলৰ বাবে উপাস্য দেৱতা খিৰিং, গজায়, মনায়, বায়ু, বৰুণ, নাক্ৰেং, চাক্ৰেং, ৰাভী, দেলৌ, হেলৌ, কণ কণ ফুলকোঁৱৰ, মণিকোঁৱৰ আদিক প্ৰাৰ্থনা, কৃষিৰ অধিষ্ঠাত্ৰী লখিমীৰ উপাসনা, সদৌ শেষত সৰ্বমঙ্গলময়ৰ ওচৰত অজানিতে হ'ব পৰা দোষ-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা—এইবোৰেই হৈছে হাইদাং গীতৰ বিষয়বস্তু।

হাইদাং গীত "বাইথ" পূজাৰ অন্তত মন্দিৰৰ পৰা গাই গাই আহি বাইথ' ঘৰঘৰৰ চকুহালিৰ বৰচাঙত ('ইন্দ্ৰপুৰী'ত) নাম শোধাই সমাপ্ত কৰে আৰু গীতৰ বাদ্য সামগ্ৰী টকা, বাঁহী, মজিৰা, ময়ুৰ পাখি আদি বৰচাঙৰ পৰা ('ইন্দ্ৰপুৰী') নমাই অনা হয়।

তলৰ হাইদাং গীতত সৃষ্টি বিষয়ক উক্তি আছে ঃ

হা ইয়হ নমো নাৰায়ণ
হা ইয়হ পৃথিবী হেনো সৃজইছে
হা ইয়হ আকাশ হেনো সৃজইছে
হা ইয়হ প্ৰকাশ হেনো সৃজইছে
হা ইয়হ নিমথ হেনো সৃজইছে
হা ইয়হ থল হেনো সৃজইছে
হা ইয়হ অগনি হেনো সৃজইছে
হা ইয়হ বায়ু হেনো সৃজইছে
হা ইয়হ বৰুণ হেনো সৃজইছে
হা ইয়হ উৰণ হেনো সৃজইছে
হা ইয়হ বুৰণ হেনো সৃজইছে
হা ইয়হ গজন হেনো সৃজইছে
হা ইয়হ ভ্ৰমণ হেনো সৃজইছে

\+ + +

হা ইয়হ ৰোম্বা ৰোম্বা হেনো ৰোম্বাইছে।
হা ইয়হ এটা দুটা হেনো জগইছে
হা ইয়হ তিনিটা চাৰিটা হেনো জগইছে
হা ইয়হ পাঁচটা ছটা হেনো জগইছে
হা ইয়হ তাৰে তিনিটা হেনো ঘোলাইছে
হা ইয়হ আদি যুগৰ কছাৰী হাইদাংদে।

\+ + +

হা ইয়হ ডাঙৰ ডাঙৰ কোন ডাঙৰ ?
হা ইয়হ দেৱৰ ডাঙৰ কোন ডাঙৰ ?
হা ইয়হ দেৱৰ ডাঙৰ খিৰিং ৰজা যে।
হা ইয়হ দেৱী ডাঙৰ কোন ডাঙৰ
হা ইয়হ দেৱী ডাঙৰ ভুৰুলী হাবুকী যে

\+ + +

হা ইয়হ গুৰুৰ ডাঙৰ কোন ডাঙৰ

হা ইয়হ গুৰুৰ ভাওৰ পিতৃগুৰু যে
হা ইয়হ সেৱা ভাওৰ কোন ভাওৰ
হা ইয়হ সেৱা ভাওৰ লাইনা নাওৰা চেৱাযে`
হা ইয়হ আদি যুগৰ কছাৰী হাইদাং দে।

প্ৰেম-পৰিণয়-বিবাহ-বান্ধোনেৰে বংশ বৃদ্ধি হয়। ক্ৰমাৎ বাঢ়ি গৈ একোটা ভাওৰ পৰিয়ালত পৰিণত হয়।

হাইদাং গীতৰ চতুৰ্থ অধ্যায়ৰ আৰম্ভণিতেই সেই ভাবটোৱেই প্ৰকট হৈছে।

সদন সদন হেনো লাইজোৰা,
"সচ—সচ—হেনো লাইগোৰা,
লিগৰাই লিগৰাই হেনো লাইজোৰা,
নৰে নৰে হেনো লাঙৈয়া,
নৰে বোৱাৰী হেনো কচাঙ্গি---

কথাখিনিৰ অৰ্থ এনে ধৰণৰ : হস্তি-হস্তিনীৰ যৌন সঙ্গম ঘটিছে, শৰ-ভেলেঙী আৰু হৰিণ-হৰিণীৰ যৌন সঙ্গম ঘটিছে ; জীৱ-জন্তুৰ এই কাম-কেলিৰ দৃশ্য দেখি মানুহে কাম-প্ৰবৃত্তিক চেপি ৰাখিব পৰা নাই। প্ৰবৃত্তিক চৰিতাৰ্থ কৰিবৰ বাবেই পোৱে বোৱাৰী আনিছে। পো-বোৱাৰীৰ মিলনৰ ফলত সন্তান-সন্ততি হৈছে আৰু এইদৰেই ক্ৰমাৎ বাঢ়ি গৈ সৰু সৰু পৰিয়াল একোটা ভাওৰ পৰিয়ালত পৰিণত হৈছে। (দ্ৰষ্টব্য : 'সোণোৱাল কছাৰী জাতি, হেমন্তকুমাৰ সোণোৱাল)

এই বিশ্ব-ব্ৰহ্মাণ্ডৰ চেতন-অচেতন সকলোৰে শ্ৰেষ্ঠতাৰ বিচাৰ কৰিবলৈ গোৱা হয়---

দেৱৰ ভাওৰ কোন ভাওৰ ?
দেৱৰ ভাওৰ খিৰিং ৰজা যে।
দেৱীৰ ভাওৰ কোন ভাওৰ ?
দেৱীৰ ভাওৰ ভুৰুলী হাবুকী যে।
জলৰ ভাওৰ কোন ভাওৰ ?
জলৰ ভাওৰ ভোগাই পানী যে।
কুলৰ ভাওৰ কোন ভাওৰ ?
কুলৰ ভাওৰ লাই মিক্ৰি যে।

মানুহ ডাঙৰ কোন ডাঙৰ ?
মানুহ ডাঙৰ বাউনা-বাউনী যে।
মাতৰ ডাঙৰ কোন ডাঙৰ ?
মাতৰ ডাঙৰ ধূলাই মেঘ যে।

+ + +

দেৱতাৰ ভিতৰত ডাঙৰ খিৰিং ৰজা, অৰ্থাৎ দেৱাদিদেৱ মহাদেৱ দেবীৰ ডাঙৰ কামাখ্যা, জলৰ ডাঙৰ ডোঙা পানী, কুলৰ ডাঙৰ মেকুৰী, (মেকুৰীয়ে কোনো জাত-কুলৰ বিচাৰ নকৰি যাৰে তাৰে ঘৰত সোমাই খাই ফুৰে বাবে কুলৰ ভিতৰত মেকুৰী ডাঙৰ)। ভগৱান বিষ্ণুৱে বামন ৰূপ ধৰি কছাৰীসকলৰ পূৰ্বপুৰুষ বলি ৰজাক ছলনা কৰিছিল। গতিকে মানুহৰ ডাঙৰ বাউনা-বাউনী বুলি কোৱা হৈছে।

বিয়া এখনৰ সামাজিক চিত্ৰ হাইদাং গীতৰ মাজেৰে প্ৰকাশ পায়। দৰা ওলাওঁতে গায়—

কোন ৰজা ওলাইছে ?
খিৰিং ৰজা ওলাইছে।
বায়ু ৰজা ওলাইছে।
দিলৌ ৰজা ওলাইছে।
হেলোঙ ৰজা ওলাইছে।
বাণ্ডী ৰজা ওলাইছে।

ভগৱানৰ প্ৰতি ক্ষমা প্ৰাৰ্থনাৰে হায়দাং গীতৰ শেষৰ অধ্যায়টিৰ মোখনি মৰা হৈছে—-হে দেৱতা, আমি নোগোৱা গাইছোঁ, নকৰা কৰিছোঁ, আমি অবোধ বালক, আমি গৰু পশুৰ লগৰ, আমাৰ সকলো দায়-দোষ ক্ষমা কৰিবা।'

"সকলো দায়-দোষ ক্ষমিবা দেউতা,
নোগোৱা গাইছোঁং, নকৰা কৰিছোঁং
আমি আতও বালক ঐ দেউতা।
খাওঁ গৰু যেন, শোওঁ পশু যেন,
আমি আতও প্ৰাণী ঐ দেউতা।

হাইঠা শিমলু লেং ঠাই ঠাই
সকলো দায় দোষ একে ঠাই
জামুকৰ খুটাতে দিছোং ঠাই।

হাইদাং গীতৰ বাহিৰেও লখিমী আদৰা গীত, গোসাঁই নাম, আই নাম আদি ধৰ্মীয় আচাৰ-বিশ্বাসৰ লগত জড়িত গীত আছে। সোণোৱালসকল কৃষিজীৱী। উৎসৱ পাৰ্বনেৰে পৰিপূৰ্ণ এওঁলোকৰ সামাজিক জীৱন। জীৱনৰ ৰং-ৰহইচ, আৱেগ-অনুভূতি আদিও প্ৰকাশিত হয় বিভিন্ন গীতৰ মাজেদি।

কৃষি তথা কৃষক ৰাইজৰ মঙ্গলৰ হকে সোণোৱালসকলে সৰগদেউ পূজা কৰে। পূজাৰ শেষত ঘৰৰ গৃহিনীয়ে পূজাৰ থলীৰ পৰা ঘৰ ঘৰলৈ লখিমী আদৰি আনে গীত গাই গাই—

লখিমী আই অ' লখিমী বাই
লখিমীক আনিছো খোজত ভৰাই।
সোমবৰী আহিছে, বুধবৰী আহিছে
লখিমী আই অ' ------ খোজত ভৰাই।
মঙ্গলবৰী আহিছে, বুধবৰী আহিছে,
লখিমী আই অ' -------খোজত ভৰাই।
হাক্লাদে আহিছে ফাক্লাদে আহিছে
লখিমী আই অ' ------খোজত ভৰাই।
বিস্তিবৰী আহিছে, শুকুৰবৰী আহিছে
লখিমী আই অ' ------ খোজত ভৰাই।
হায়েংদে আহিছে, বায়েংদে আহিছে
লখিমী আই অ' ----- খোজত ভৰাই।
কোনে বা ৰাখিছে বাটে হেই
লখিমী আনিছে খোজত ভৰা কৰি
লখিমী আই অ' -----খোজত ভৰাই।
লখিমী আহিছে যাৰে পাছে পাছে
লখিমী আই অ' খোজত ভৰাই।
সোমবৰী ঘৰতে সোমায়ে হেই
আহিছে সম্পূৰ্ণ ঘৰতে হেই
লখিমী আই অ' ----- খোপাত ভৰাই

তেবে ঐ দুৱাৰ মেল দুৱৰী—২
তেবে ঐ অৰ্জুনৰ কোঁৱৰ—২
তেবে ঐ ভৰি ধোওঁ পানী আন—২
তেবে ঐ অৰ্জুনৰ কুঁৱৰী—২
তেবে ঐ লখিমী খোপাত ভৰাই—২
তেবে ঐ ঘুনুচা দুৱাৰ মেল।

## হুচৰি গীত

সোণোৱালসকলৰ হুচৰি গীতৰ বৈশিষ্ট্য সুকীয়া। এই হুচৰি গীতবোৰৰ তিনিটা ভাগ আছে। সেইবোৰ হ'ল—পাহাৰী গীত, থিয়গীত আৰু বৰগীত।

কিম্বদন্তী অনুসৰি সৰগৰ দেৱী এগৰাকী নিজ অপৰাধৰ বাবে দণ্ডিত হৈ পৃথিৱীলৈ নিৰ্বাসিতা হ'ল। বসন্ত কাল আহিল, গছে গছে নতুন কুঁহিপাতে দেখা দিলে। ইফালে নিৰ্বাসিতা দেৱীয়ে মৰ্ত্যত অতি দুখে কষ্টই দিন নিয়াবলৈ ধৰিলে। তেওঁৰ দুখ দেখি সৰগৰ দেৱ-দেৱী সকলৰ পুতৌ জন্মিল—যিহেতু এসময়ত তেওঁ তেওঁলোকৰ লগৰে আছিল। যিকোনো প্ৰকাৰে নিৰ্বাসিতা দেৱীক উদ্ধাৰ কৰিবলৈ সৰগৰ দেৱ-দেৱীসকলে চেষ্টা কৰিলে। সেই উদ্দেশ্যেই তেওঁলোকে শিৱ-পাৰ্বতীৰ ওচৰত নৃত্য-গীতৰ শিক্ষা ল'লে আৰু ঘৰে ঘৰে গৈ নাচি-বাগি কাপোৰ-কানি আদি সংগ্ৰহ কৰিলে। সেই কাপোৰ-কানিকে পিন্ধাই নিৰ্বাসিতা দেৱীক মৰ্ত্যৰ পৰা সৰগলৈ আদৰি নিলে। হুচৰিৰ উৎপত্তিমূলক এই সাধুকথাটি সোণোৱাল সকলে বিশ্বাস কৰে।

সেয়ে হুচৰি গীতৰ আৰম্ভনিতে গায়—

"হুৰে হুৰে বাই জেলেপ কাপোৰ উৰে
হুৰে হুৰে বাই গীতক কোনে সৰজায়।
মহাদেউ পাৰ্বতী সিও সৰজায়
খিৰিং ৰজা দেউতা সিও সৰজায়।
গজায় মনায় সিও সৰজায়।"

মহাদেৱক সোণোৱালসকলে খিৰিং ৰজা বুলি আখ্যা দিয়ে।

খিৰিং ৰজাৰ কথা গীত সমূহত সঘনে উল্লেখ আছে। এই ধৰণৰ আখ্যান সম্বলিত গীতত কাহিনী গীতৰ সমল আছে।

গায়নৰ গুৰুঘাটৰ মালিতাতো কাহিনীৰ আভাস পোৱা যায়।

"জগতকে স্রজা প্রভু আদি নিৰঞ্জন।
অনন্ত শয্যাত প্রভু কৰিলা শয়ণ॥
চেতন লভিয়া প্রভু উঠিয়া বহিলা।
চেতনক প্রতি ৰাজা সিংহাসন দিলা॥
ৰাগ ভৈল তাল ৰাগিণী মৃদং খোলতাল।
আন্টুলা গীতক লাগি শুনিবাক ভাল॥

\+ \+ \+

অপেশ্বৰী নাচে গন্ধৰ্বই গায়
তাক লৈয়া গৰুণ্ডে আনিলে নমাই
সুবচনী কন্যাই আনিলে আগবঢ়াই
ছয়ত্রিশ কোটি বাজনক দিলে বিলাই।

\+ \+ \+

সাগৰ শুকাল মানিক লুকাল।
বগে ধৰি খালে মাছ॥
তাল বাজে মৃদং বাজে ঈশ্বৰক স্মৰি।
মাৰো গুৰু ঘাট॥

হুচৰি গীতৰ কোনো কোনো অংশত দেহ বিচাৰৰ গীতৰো আভাস আছে—

"দেহৰ জোৰা গাঁঠি সুলকি পৰিব
যেন টঙালৰে গাঁঠি॥

\+ \+ \+

"কালৈ সাঁচিলা জপাৰ বৰ কাপোৰ
কালৈ সাঁচিলা ধন,
জপাৰ বৰকাপোৰ জপাতে পচিব
হাড়তো গজিব বন।"

\+ \+ \+

শিপিনীৰ পৈণত হাতৰ শিল্প পৰিচয় লোকগীতৰ কোঁহে কোঁহে বিৰাজমান।

“হাঁচতি হাঁচতি কৰ সমনীয়া,
হাঁচতি থৈছো বৈ।
হাঁচতি পালো শৰাইতে থলোঁ
চাৰি চুকে পদুমৰ ফুল
আগতে বাচিলে আদমে কদমে
ৰাইজে বেড়ি বেড়ি চায়—।
আগে বাড়িলে বাঘে ভালুকে
মানুহ ধৰি ধৰি খায়
তাতে বাচিলে গুটি ফুল বাৰৰি
সেই ফুল দেশতো নাই।
এখন না হাচতি বৈনা থৈছে
হৈ হাং মকৰা জাল
গাতে নুৰিবা বতাহে ফালিব
মুঠিত লৈ ফুৰিব ভাল।”

\+ \+ \+

## পোহাৰী গীত

এই গীতত কৃষিজীৱী, সমাজপ্ৰিয় সোণোৱাল সকলৰ পৰস্পৰৰ সম্প্ৰীতিৰ ভাব মূৰ্ত হৈছে ঃ

নৰাঅনিৰ কুচিয়া তৰাঅনিত চৰে
নেজত ধৰি পালে কেৰমেৰ কৰে
নৰা শালিধান, তৰা আহুধান

শালিধান কমকৈ পালে আহুধানৰ খেতি কৰি বছৰটো পেট প্ৰৱৰ্ত্তাবলৈ দিয়া উপদেশ। কুচিয়া যেনেকৈ নেজত ধৰিলে ৰাখিব নোৱাৰি, মূৰত ধৰিলেহে পাৰি, তেনেকৈ খেতিও নেজত বা শেষত ধৰিলে ভাল ফল পোৱা নাযায়। আগতীয়াকৈ কৰিলেহে ভাল ফল পাব পাৰি।

পোহাৰী গীতৰ মাজেদি চিৰন্তন ঘটনা কিছুমান প্ৰকৃতিৰ লগত তুলনা কৰি প্ৰকাশ কৰা পৰিলক্ষিত হয়।

উদাহৰণস্বৰূপে, অসমীয়া বোৱাৰী সকলো কামতে পাকৈত হ'ব লাগে। যি বোৱাৰী ইয়াৰ ব্যতিক্ৰম তেওঁ সমাজত হেয় প্ৰতিপন্ন হ'ব লগা হয়। তেনে ভাব গীতত এইদৰে প্ৰকাশিত হৈছে—

"চোতাল আগৰ বগৰী পাতে বোমা জোমা।
ভাল বুলি বোৱাৰী আনিলে হুদুৰে খোৱা চুমা॥
চোতালৰ আগৰ বগৰী পাত খেবেং বেং।
দিব থব পাম বুলি কৰে ঝেং ঝেং॥"

\+ + +

একো চৰাই নাকান্দিলে কান্দিলেক হুদু।
বোৱাৰীয়ে ধান বানে চাউল কৰে খুদু॥
একো চৰাই নাকান্দিলে কান্দিলেক ফেঁচা।
ন-বোৱাৰীয়ে ভাত ৰান্ধে চাউল কৰে কেঁচা॥"

\+ + +

ভাঙি যাব খোজা সমাজখনক পুনৰ সংগঠন কৰাৰ ইঙ্গিত পোহাৰী গীতত পোৱা যায়।

"ক'ৰ পৰা আহিলা, ক'ত দিলা ভৰি।
চোতাল ফাটি গ'ল চিৰাচিৰ কৰি॥
পাণ লৈ আন, তামোল লৈ আন।
কাটি খাই যাওঁ।"
বেজী লৈ আন বতীয়া লৈ আন,
চোতাল সী যাওঁ।

জনা-বুজা লোকৰ মতে ইয়াত ফাটি যাব খোজা সমাজখনক পুনৰ সংযোজন কৰাৰ কথাকে বুজোৱা হৈছে।

## থিয় গীত

সামাজিক ৰীতি-নীতি, দুঃখ-বেজাৰৰ চিত্ৰৰে থিয় গীত কাহিনী গীত—

"চতাই পৰ্বতে ধূৰলী কুঁৰলী কোনে ভাতে ৰান্ধি খায়।
মাক নাই মাউৰা, তিৰী নাই বৰলা হাতী ধৰিবলৈ যায় ॥
হাতীও হেৰালে লিহিৰি বনতে, ঘোঁৰাও হেৰালে ৰণত।
পাই হেকৰালো সৰগৰ মুকুতা চোতালৰ দুবৰি বনত ॥
হাতীও নেপালে ঘোঁৰাও নাপালে আছে হৰিমালা পাই।
পাথৰী কুকুৰাই নিলে খেদা মাৰি দিলে হৰিমালা পেলাই ॥
আই আই বুলি নাহৰে মাতিলে মাকৰ মুখলৈ চাই।
কেলৈ মাতিলি নাহৰ চেনীমুৰা চকতো পঁইতা নাই ॥
লোকে মহঙ্গীয়াই যায় মহঙ্গলৈ মইনো মহঙ্গলৈ যাওঁ।
মহঙ্গক নেযাবি নেযাবি ককাইদেউ নাখাওঁ দুখীয়া লোণ।
চপৰা হেতায় মাৰিব ককাইদেউ মোৰ লগত কান্দিব কোন।

\+ \+ \+

হাতত কাৰফাই ল হেৰ' দদাই।
মাৰ ঐ মাৰ বালি চৰাই ॥
কাঁড়ৰা ককায়েৰে কাড় খেল খেলিলে মাৰ ঐ বালি চৰাই
কাঁড়ো নাহিলে ককাইয়ো নাহিলে মাৰ ঐ বালি চৰাই
থেকেৰা দুটিকে পাই শৰীলৰে মাৰ ঐ বালি চৰাই
ৰজাই গৈছিল পহু মাৰিবলে মাৰ ঐ বালি চৰাই
চোঙতে গধুলি হ'ল শৰীলৰে মাৰ ঐ বালি চৰাই
সমনীয়াই সুধিলে কমে কি বুলি মাৰ ঐ বালি চৰাই
জাল ফালি হৰিণা গ'ল শৰীলৰে মাৰ ঐ বালি চৰাই
ৰজা গৈছিল মৃগ মাৰিবলৈ মাৰ ঐ বালি চৰাই
কুঁৱৰীৰ মনতে ৰং শৰীলৰে মাৰ ঐ বালি চৰাই
কাণত পিন্ধিলে নৰা জাংফাই মাৰ ঐ বালি চৰাই
মূৰত পিন্ধিলে বাবৰী বাং শৰীলৰে মাৰ ঐ বালি চৰাই
হাতত কাৰফাই ল হেৰ' দদাই
মাৰ ঐ বালি চৰাই।"

## বৰগীত

পৰিবেশনৰ ধৰণ-কৰণ বেলেগ হ'লেও হুচৰি গীতৰ বৰগীতক হাইদাং গীতৰ ৰূপান্তৰ বুলিব পাৰি। বৰগীত হৈছে প্ৰাৰ্থনা গীত।

গৰখীয়াহঁতে বলিৰজাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল নানান বস্তু বিচাৰি। লগতে দুখৰ কাহিনীও বৰ্ণনা কৰিছিল বলি ৰজাৰ ওচৰত। গৰখীয়াহঁতৰ লগতেই আছিল বামণৰূপী বটু। অহঙ্কাৰী বলি ৰজাই গৌৰৱতে যি প্ৰাৰ্থনা গৰখীয়াহঁতে কৰিছিল তাকে দি শেষত সুতলত ঠাই ল'ব লগা হ'ল। বৰগীততেই বলি ৰজাৰ জন্ম কাহিনীও বৰ্ণনা দিয়া আছে।

"গৰু লৰ মাৰিলে ভাঙিলে হল মাৰি
গাহৰি ভাঙিলে গৰাল
এটা মতা চৰাই কণীটো পাৰিলে
এটা উধানৰ সমান।"

বলি ৰজা শ্ৰীকৃষ্ণৰ বাহুৰ পৰা জন্ম হোৱা বুলি সোণোৱালসকলৰ মাজত বিশ্বাস প্ৰচলিত আছে। মতা চৰাই হ'ল কৃষ্ণ, কণী হ'ল বলি ৰজা, উধান হৈছে তিনি ত্ৰৈলোক্য। বলি ৰজাই তিনি-ত্ৰৈলোক্য শাসন কৰিছিল।

বৰগীততেই সোণোৱালসকলৰ খেলবংশৰো উল্লেখ পোৱা যায়।

"শদিয়াত উপজে শদিয়াখোৱা দেউতা
মহঙত উপজে লোণ।
শামুকৰ পেটতে মাণিক উপজে
মৰি মৰি উপজে জোন।
শদিয়াৰ সিপাৰৰ মেচাঙী মেচেঙা
এহাত চাৰি আঙুল তেল।
শদিয়াৰ পৰা নদিয়া পালেহি
নদিয়াৰ ইপাৰে ঘৰ।
শদিয়াৰ পৰা নদীয়া পালেহি
লেং মাৰি লাখুটি লৈ।
চালেমান চাৰিৰা মাৰিৰা পচলা
দি যাম খেৰেমত ভৰি।"

খিৰিং ৰজাক শিৱৰ শেহতীয়া উত্তৰাধিকাৰী বুলি ধৰা হয়। খিৰিং ৰজা আদৰ্শ ৰজা; সেয়ে সোণোৱাল নাৰীয়ে বিচাৰে নিজৰ পুত্ৰ সন্তান খিৰিং ৰজাৰ দৰে হওক।

"মোৰ চেনাই ডাঙৰ হ'ব
পঢ়ি-শুনি জ্ঞানী হ'ব
খিৰিং ৰজা হ'ব।"

চুতীয়া জীয়ৰী জনাগাভৰু আইদেউ কছাৰী ডেকা দুতিৰামৰ প্ৰণয় পাশত আৱদ্ধ হ'ল। পিতাক এই ক্ষেত্ৰত অন্তৰায় হৈ থিয় দিলে। পিতাকৰ সকলো বাধা নেওচি জনা আইদেউ কছাৰী ৰাজ্যলৈ গুচি আহিল।

সোণোৱালসকলে হুচৰি গীতত এইদৰে গাইছে—

"হাবিৰে অমৰা দুতিৰাম দমৰা
জনাদৈ চেঁউৰী গাই
ৰাখিব পাৰোঁ মই, বান্ধিব নোৱাৰোঁ
পঘা চিঙি চিঙি যায়।"

সোণোৱালসকল শান্তিপ্ৰিয়, স্বভাৱতে নম্ৰ। এওঁলোকৰ আনন্দৰ মুহূৰ্তৰ সুযোগ লৈ দলে-বলে আক্ৰমণ কৰি আহোমে শদিয়া এওঁ-লোকৰ পৰা কাঢ়ি লয়।

হুচৰি গীতত গাইছে—

"দম দম অগনি জ্বলিছে চৌদিশে
লঠৰাই ভাঙিলে গাওঁ।
দেশৰ ল'ৰা বুঢ়া হ'ব কি গতি
কলৈবা মাৰিব লৰ।"

এইবিলাকৰ উপৰিও আইনাম, বিহুনাম, ধাইনাম, গোসাঁই নাম, চোমনিৰ গীত, ধাননি ৰখা গীত আদিৰে সোণোৱালসকলৰ লোক গীতৰ সম্ভাৰ সমৃদ্ধ। তাৰে কিছু কিছু নমুনা তলত দিয়া হ'ল ঃ

## আই নাম ঃ

কৈলাশৰ গোপিনী আহিছে
আপুনি অ' আই
পাতিছে হৰি মণ্ডলী,
নাজানো অধমে মাতিব তোমাকে অ' আই—
সেৱিছো চৰণ দুখানি ॥

## গোসাঁই নাম ঃ

ওলাই আহে ৰঙা কেলি
বলাই আহে বা।
ওলাই আহে গোবিন ঠাকুৰ
জুৰাই আহে গা॥
কৈক্ত পাইলা ধনজন
কৈত পাইলা ভাই।
বিৰিখৰে লতা হেন
আছিলা মেৰাই॥

+ + +

জানিলো তোমাক জগতৰ ঈশ্বৰ
তুমি সনাতন হৰি।
সমস্ত গোটৰ তুমি প্ৰাণ হৈয়া
আছা জগতক ধৰি॥

+ + +

বৈকুণ্ঠৰ পৰা গোসাঁই নামি আহে
মুখে হৰি নাম লৈ।
দুহাতে দুমুঠি হৰিনাম আনিছে
আমাৰ ই সংসাৰলৈ॥

## বিহু নাম ঃ

বিহু আৰু বিহুৱানে সোণোৱালসকলৰ জনজীৱনতো ৰেখাপাত কৰিছে।

"নতুন এটা চেৰেকি,
নতুন এটা চেৰেকি,
সৰু সূতা ববলৈ নতুন এটা চেৰেকি,
মাঃকোটো যে ফুটনি কোঠি কাঠৰ জুটনি।
গামোছা মই বৈছিলোঁ,
দিম বুলি কৈছিলোঁ,
দিবলৈ যে নাপালোঁ
মাকোটো যে ফুটনি কোঠি কাঠৰ জুটনি॥"

+ + +

ৰবালি মাছুৰ টোটোলা,
তোমাক দেখি মোকলা,
লেকি লেবাং লেকি লেবাং,
তোমাক দেখি মেললৈ যাওঁ।
ৰবালি মাছুৰ কণী পাই,
বান্ধেৰ ডিঙিত মণি নাই,
ৰেতি ৰেবাং ৰেতি ৰেবাং,
আইটি মাকৰ ঘৰলৈ যাওঁ॥

## ধাই নাম ঃ

কেঁচুৱা শুৱাওঁতে সোণোৱাল মাতৃয়ে গায় ঃ—

“আমাৰে বাপুটি সৰু এ
বাৰীতে ৰাখিব গৰু এ
লোকৰ ধানে খাব কিলায়ে মাৰিব
লকৱাই আনিব গৰু এ
বাৰীতে আছিলে চোকা নেমু টেঙা
তাকে দি ওমলাম ল’ৰা এ
আমাৰ বোপাই সৰু এ।”

## চোমণিৰ গীত ঃ

মুগা চোমণিত টঙি সাজি ডেকা-বুঢ়া সকলোৱে মুগা ৰখে। টঙিত বহি কোঁনোৱে গায় ঃ

“চকৰি এ চকৰা, আহ আহ
চকৰি আছে জোৰা মেলাই
চকৰা অছে গা ঘেলাই
চকৰি এ আহ আহ
চকৰা এ আহ আহ।”

## ধাননী ৰখা গীত ঃ

কৃষিজীৱী সোণোৱালসকলে ধাননি পথাৰ ৰখোতে গায় ঃ

টুন টুন টুনি চৰাই
মোৰ ধান নেখাবি
তোক দিম লোটা কৰাই।

হায় অ' হায়,
ধানো খাম চাউলো খাম
চম্পাৱতীক বিয়া কৰি ঘৰলৈ যাম।"

উল্লেখযোগ্য যে এই গীতফাঁকি চম্পাৱতীৰ সাধুকথাৰ অন্তৰ্গত।

## তোলনী বিয়াৰ গীত ঃ

ছোৱালীয়ে কুমাৰী অৱস্থাৰ পৰা পুষ্পিতা অৱস্থা লাভ কৰিলেই এই তোলনীয়া বিয়া পতা হয়। ই এক আনন্দৰ উৎসৱ। ইয়াত পুৰুষৰ প্ৰৱেশ নিষেধ। গাভৰু বোৱাৰী সকলোৱে হাত চাপৰি বজাই নাচি নাচি আনন্দতে গায়---

"চৰাই চিৰিকতি পহু পতং,
ক'লা বুঢ়ী নাচিলে জপং জপং।
হৰি এ লতৰ পতৰ,
বামজোকে কামোৰে কতৰ্ কতৰ্।
আগ তিতা তিতাক তিতা কলি,
মই বুঢ়ী নাচিমে কেনে কৰি।
বনমুলা গছলৈ মাৰিলো দা,
সৰকি পৰিলে খৰা খুলি দা।
ধেইতাক মালি বান্দৰ পোৱালি।
বুঢ়ীমাকে নচুৱাই টিকা জোকাৰি।
বাৰীতে আছিলে ভেকুলী বেং,
তাৰে নিচিনা চাৰিটা ঠেং।
হৰি এ লতৰ পতৰ,
বামজোকে কামোৰে কতৰ্ কতৰ্।"

সোণোৱালসকলৰ লোকগীতৰ ভঁড়াল অতি চহকী। লোক-গীতসমূহৰ মাজেৰে তেওঁলোকৰ সামাজিক জীৱনধাৰা পৰিস্ফুট হৈছে। হাইদাং গীতত মাজে মাজে থকা ভাষাগত বৈশিষ্ট্য সত্ত্বেও সোণোৱালসকলৰ গীতমাতসমূহ অসমীয়া লোক-সাহিত্যৰেই আপুৰুগীয়া সম্পদ। অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠীৰ লগতে সোণোৱাল-সকলেও অসমৰ লোক-সংস্কৃতিৰ সমৃদ্ধ ধাৰাটো বৰ্তমানলৈকে নিৰৱচ্ছিন্ন ভাৱে বোৱাই ৰখাত তাৎপৰ্য্যপূৰ্ণ বৰঙণি আগবঢ়াইছে।

# পৰিশিষ্ট

## অসমৰ জনজাতীয় গোষ্ঠীসমূহৰ লোক-গীতৰ লগত ব্যৱহৃত বাদ্যযন্ত্ৰৰ তালিকা

### ॥ বড়ো ॥

খাম : খাম হ'ল বড়োসকলৰ বিশেষ ধৰণৰ ঢোল। ই আকাৰত যথেষ্ট ডাঙৰ।

জথা : ই সৰু আকাৰৰ মন্দিৰাজাতীয় তাল।

চিফুং : এইটোৱেই বড়োসকলৰ বিখ্যাত বাঁহী। পাঁচবিন্ধাৰ চিফুঙত তোলা বড়ো সুৰৰ অদ্ভুত মাদকতা আছে।

চেৰ্জা : ই এবিধ বেপি বজোৱা তাঁৰৰ যন্ত্ৰ। চাবিন্দা বা চাবেংদাৰ এইখনেই। যন্ত্ৰটো তাঁৰৰ যদিও সাধাৰণতে অসমত মুগা সুতাৰহে ব্যৱহাৰ হয়।

থৰ্‌কা : বাঁহৰ টকাটোৱেই বড়ো নাম থৰ্‌কা।

### ॥ তিৱা ॥

থ্ৰাম : তিৱাসকলৰ বিশেষ ধৰণৰ ঢোল। ইয়াৰ বিভিন্ন প্ৰকাৰ আৰু নাম আছে, যেনে—থ্ৰাম লুৱা, থ্ৰাম দুদাং, থ্ৰাম বাৰ', থ্ৰাম পন্থাই, থ্ৰাম চা ইত্যাদি।

কালিয়া : তিৱাসকলে কালিক কালিয়া বা কাহালি বুলি কয়।

পাংছি : তিৱাসকলে ব্যৱহাৰ কৰা বাঁহী।

থুৰাং : ই তিৱাসকলৰ বিশেষ ধৰণৰ দীঘল বাঁহী—বড়োসকলৰ চিফুঙৰ লেখীয়া।

চৰাইলেও : এডাল মাৰিৰ ওপৰত কাঠ আৰু বাঁহেৰে সজা পুতলা-চৰাইৰ সৈতে সজা এবিধ যন্ত্ৰ। জৰীৰ সহায়ত চৰাইৰ

ভেউকা মেলা-জপোৱা কৰাৰ লগতে তালে তালে শব্দ কৰিব পাৰে। ৰবত পূজাৰ লগত অনুষ্ঠিত নৃত্য-গীতত ইয়াৰ ব্যৱহাৰ হয়।

## ॥ ৰাভা ॥

হেম/খাম ঃ ৰাভা ঢাক বা মাদল। দীঘলীয়া গঢ়ৰ এই ঢোলটো প্ৰায় সকলো নৃত্য-গীততে লাগে।

ব্ৰাংছি ঃ ৰাভা ব্ৰাংছি বা বাঁহী কেইবা প্ৰকাৰৰো। দুই, তিনি বা ততোধিক বিন্ধাযুক্ত ৰাভাসকলৰ বিভিন্ন বাঁহী বিভিন্ন ৰাভা সুৰ তোলাৰ বাবে বিশেষ উপযোগী।

লাখৰ বাঁহী ঃ লাখৰ শব্দৰ অৰ্থ গৰখীয়া। লাখৰ বাঁহী গৰখীয়া ল'ৰাই বজোৱা বিশেষ ধৰণৰ বাঁহী।

কাড়া নল বা খাৰা ব্ৰাংছি ঃ কাড়া নল দীঘল নলবাঁহৰ ভিতৰৰ গাঁথি কৌশলেৰে ফুটাই সজা এক অদ্ভুত ধৰণৰ বাঁহী বা পেঁপা। ই দীঘলে ৭।৮ ফুটলৈ হয়। ইয়াৰ গাত কোনো বিন্ধা নাথাকে, ফুঁ দি বতাহ নিয়ন্ত্ৰণ কৰি ইয়াত সুৰ উলিওৱা হয়।

জাপ খাৰা বাঁহী ঃ কেইবা পাবো বাঁহৰ চুঙা জোৰা লগাই সজা কাড়াৰ দৰে দীঘল বাঁহী।

বুবুৰেঙা ঃ টাঙা নামৰ এবিধ ঘাঁহৰ পৰা তৈয়াৰী বিশেষ ধৰণৰ ফু দি বজোৱা বাদ্যযন্ত্ৰ।

ছিঙা ঃ ম'হৰ শিঙৰ শিঙাটো'ৰেই হ'ল ৰাভাসকলৰ ছিঙা।

দায়দি বা কাসি ঃ দায়দি বা কাসি হ'ল কাঁহ। ৰাভা সঙ্গীতত ইয়াৰ ব্যৱহাৰ যথেষ্ট পৰিমাণে হয়।

মাকেলেঙ্কা ঃ এডাল মাৰিত কাঠেৰে সজা চৰাইৰ সৈতে (মাকেলেঙ্কা-মাছৰোকা) তাঁতশালৰ নাচনীৰ দৰে জৰীৰে টানি ওপৰ-তল কৰি শব্দ উলিওৱা এবিধ জনপ্ৰিয় যন্ত্ৰ। ইয়াৰ সহায়ত তাল ৰখা হয়। সাধাৰণতে নাচৰ লগত ইয়াৰ ব্যৱহাৰ হয়।

খাদুং দুম্পা বা বাগোডুং ঃ বাঁহেৰে সজা ততসদৃশ বাদ্যযন্ত্ৰ। এপাব বাঁহৰপৰা চাৰিডাল তাঁৰৰ দৰে আঁহ বাঁহপাবৰ গাত লাগি

থকাকৈ উলিয়াই লোৱা হয়। বাঁহ পাবৰ একাংশ চাঁচি সেই আঁহকেইডালক তাঁৰৰ দৰে টান কৰি লৈ মাৰিৰে কোবাই সুৰৰ তালে তালে সঙ্গতি ৰাখি বজোৱা হয়।

ইয়াৰ উপৰিও গমেনা (গগণা), গুগুমেন্স, গংম্লেং (মাটিৰে সজা পেঁপা) আদি বাদ্যযন্ত্ৰ ৰাভাসকলে ব্যৱহাৰ কৰে।

## ॥ মিচিং ॥

দুম্দুম্ ঃ দুম্দুম্ বা ঢোল মিচিংসকলৰ অতি প্ৰিয় বাদ্যযন্ত্ৰ। দুই-এবিধৰ বাহিৰে প্ৰায় সকলো মিচিং নৃত্য-গীততে দুম্দুম্ নহ'লে নচলে। বিশ্বাস কৰা হয় যে এই বাদ্য মিচিংসকলে ভৈয়ামলৈ অহাৰ পিছত কোনো এসময়ত গ্ৰহণ কৰে আৰু ইয়েই তেওঁলোকৰ আমোদ-প্ৰমোদৰ প্ৰধান সহচৰ হৈ পৰে।

তক্তক্ ঃ বাঁহৰ টকা। গীত আৰু ঢোলৰ ছেৱৰ লগত তাল ৰাখিবলৈ ইয়াক প্ৰধানকৈ ব্যৱহাৰ কৰা হয়।

গুংগাং ঃ গগনাক মিচিংসকলে গুংগাং বা গোংগাং বোলে। ই এসময়ত মিচিং ডেকা-গাভৰুৰ অতি প্ৰিয় বাদ্য আছিল আৰু ইয়াৰ সহায়ত প্ৰণয়-বিনিময় চলিছিল।

পেম্পা ঃ এইটো হ'ল ম'হৰ শিঙৰ পেঁপা। মিচিং পেঁপাৰ গঢ়ৰ অলপ বিশেষত্ব আছে। পেঁপা-জাতীয় আন এবিধ বাদ্য হ'ল তুলু।

অজুক (এজুক) তাপং ঃ সাপ-বাজীকৰৰ পেঁপাৰ দৰে তিতা লাওৰ পৰা সজা এবিধ পেঁপা। আজিকালি লুপ্তপ্ৰায়।

দেন্দুন্ ঃ ই এবিধ টোকাৰীজাতীয় বাদ্য। আগৰ দিনত মিচিং ডেকাসকলে দীঘল পাবৰ বাঁহৰ পৰা ইয়াক সাজি লৈছিল।

দুম্পাক্ ঃ কুমলীয়া বাঁহৰপাৰা সজা এবিধ বাদ্য। সাধাৰণতে গৰখীয়া ল'ৰাই ভাদমহীয়া ইয়াক সাজি লৈ বজায়।

কেকুং (বীণ) আৰু টোকাৰী ঃ এই দুবিধ যন্ত্ৰ পিছত সোমোৱা যদিও মিচিং সমাজত নিজস্ব হৈ পৰিছে।

লুপি ঃ তালক মিচিং ভাষাত লুপি বোলে। ঢোলৰ ছেৱৰ লগত সঙ্গতি ৰাখি তাল বজোৱা হয়।

লেনং ঃ কাঁহজাতীয় বাদ্যক মিচিং ভাষাত লেনং বোলা হয়। লেনং তিনি প্ৰকাৰৰ—মাৰ্বং, ল'লং আৰু বালি।

দেও ঘন্টা ঃ ই সৰু টিলিঙাৰ দৰে। বিশেষ ধৰণৰ ধৰ্মীয় গীত গাওঁতে বজোৱা হয়।

কুৰুলি পুলি ঃ মিচিং বাঁহী। কুৰুলি দুবিধ ঃ পথালিকৈ বজোৱা (কেতপং) আৰু থিয়কৈ বজোৱা (তুতক)।

## ॥ দেউৰী কাৰবি ॥

চেং ঃ বিশেষ ধৰণৰ কাৰবি ঢোল।
মুৰীপ ঃ কালিৰ লেখীয়া বাঁহৰ পেঁপা।
সাধাৰণ ঢোল, বাঁহী আদিও জনপ্ৰিয়।

## ॥ অন্যান্য গোষ্ঠী ॥

সোণোৱাল আৰু দেউৰীসকলে উজনি অসমত সাধাৰণভাৱে প্ৰচলিত খোল-তাল, ঢোল, টোকাৰী, পেঁপা আদিকেই ব্যৱহাৰ কৰে। হাজংসকলৰ প্ৰধান বাদ্যযন্ত্ৰ খোল, তাল, দোতাৰা।

# ॥ আমাৰ প্ৰবন্ধ-লেখকসকল ॥

**ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী** ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ ৰীডাৰ। অসমৰ বিদ্যায়তনিক আৰু সাংস্কৃতিক মহলত সুপ্ৰতিষ্ঠিত ডঃ গোস্বামীয়ে কেইবাটাও জনজাতীয় ভাষা-গোষ্ঠীৰ ভাষা আৰু সংস্কৃতিৰ বিষয়ে তথ্যপূৰ্ণ আৰু সুচিন্তিত প্ৰবন্ধ-পাতি ৰচনা কৰিছে।

**শ্ৰীৰাজেন ৰাভা** ঃ প্ৰবীণ সাহিত্যিক আৰু সাহিত্য-কৰ্মী। অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি। বিশেষকৈ ৰাভা জনজাতিৰ সাহিত্য সংস্কৃতিৰ বিষয়ে এখেতৰ গৱেষণা-প্ৰসূত ৰচনাৰাজিৰ মূল্য সুস্বীকৃত। এখেত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক।

**শ্ৰীইদ্ৰিছ আলী** ঃ নগাওঁ ছোৱালী মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰীআলি কবি/গীতিকাৰ আৰু প্ৰবন্ধকাৰ হিচাপে সুস্বীকৃত। নৱ্য সাক্ষৰৰ বাবে লেখা এখেতৰ একাধিক ৰচনাই ৰাষ্ট্ৰীয় পুৰস্কাৰ পাইছে। সম্প্ৰতি তিৱা সমাজ আৰু সংস্কৃতিৰ বিষয়ে গৱেষণা কৰি আছে।

**শ্ৰীতীৰ্থ ফুকন** ঃ অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগত নিযুক্ত শ্ৰীফুকন এগৰাকী অভিজ্ঞ লেখক আৰু সম্পাদক। ডিমাসৰ কাৰবি সমাজৰ সংস্কৃতি এখেতে নিষ্ঠাৰে অধ্যয়ন কৰিছে।

**শ্ৰীপাৰেশ হাজং** ঃ অসমীয়া সংস্কৃতিৰ অঙ্গ হিচাপে হাজং লোক-সংস্কৃতিৰ সমলৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাৰ ক্ষেত্ৰত অগ্ৰণী ব্যক্তি। হাজং লোক-সংস্কৃতি সম্পৰ্কে এখেতৰ ভালেমান প্ৰবন্ধ-পাতি প্ৰকাশ পাইছে।

**শ্ৰীমধু ৰাম বড়ো** ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাষাতত্ত্ব বিভাগৰ প্ৰবক্তা। অসমীয়া আৰু বড়ো উভয় ভাষাতে ভালেমান প্ৰবন্ধপাতি ৰচনা কৰিছে। বিশেষকৈ বড়ো ভাষাৰ বিদ্যায়তনিক প্ৰসাৰৰ দিশত উল্লেখযোগ্য কাম কৰিছে। সম্প্ৰতি বড়ো ভাষা সম্বন্ধে গৱেষণাত নিযুক্ত আছে।

**শ্ৰীগণেশ পেগু ঃ** জোনাই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা শ্ৰীপেগু এজন নিষ্ঠাবান সাহিত্যকৰ্মী আৰু সচেতন লেখক। মিচিং লোক-সংস্কৃতিৰ বিভিন্ন দিশত তালেমান প্ৰবন্ধ-পাতি ৰচনা কৰিছে।

**শ্ৰীৰাজেন টাম ঃ** বি. বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। এসময়ত ভৈয়ামৰ কাৰবি সমাজৰ বিষয়ে লেখা-মেলা কৰি দৃষ্টি আকৰ্ষণ কৰিছিল।

**শ্ৰীমতী দেৱযানী শইকীয়া (ধনিকৰ) ঃ** নৃতত্ত্ব বিষয়ৰ এম. এ.। বিশ্ববিদ্যালয় অনুদান আয়োগৰ এটি গৱেষণা আঁচনিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া আৰু লোক-সংস্কৃতি বিভাগৰ যোগেদি সোণোৱাল কছাৰী লোক-সাহিত্য সম্পৰ্কে ক্ষেত্ৰ অধ্যয়ন কৰিছে। সম্প্ৰতি লোক-সংস্কৃতি জড়িত এটি বিষয়ত গৱেষণা কৰি আছে।

---

**সহকাৰী সম্পাদক ঃ শ্ৰীদিলীপ কুমাৰ কলিতা ঃ** ইংৰাজী বিষয়ৰ এম. এ.। বিশ্ববিদ্যালয় অনুদান আয়োগৰ এটি গৱেষণা আঁচনিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু লোক-সংস্কৃতি গৱেষণা বিভাগৰ লগত যুক্ত। লোক-সংস্কৃতি বিভাগত নিজাববীয়াকৈও গৱেষণা কৰি আছে।

**সম্পাদক ঃ ড° বীৰেন্দ্ৰনাথ দত্ত ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি গৱেষণা বিভাগৰ অধ্যাপক আৰু বিভাগীয় প্ৰধান।

---

—শুদ্ধৰণি—

| পৃষ্ঠা শাৰী | আছে | হ'ব লাগে |
|---|---|---|
| ৫১—১৯ | আহ | আহা |
| ৫২—১২/১৩ | গাটুৰে | হাটুৰে |
| ৫২—২৮ | আকাৰো | আকাৰে |
| ৫৮—২৫ | চৰাই পাখিৰ | চৰাইৰ পাখি |
| ৬৫—২ | ৰন্দনা | বন্দনা |
| ৬৬—৯ | মখেৰ | মুখেৰ |
| ৬৬—১১ | পৰীয়া বামৰে | পৰীয়া বাঁসেৰ |
| ৬৬—১৩ | কুকৰা | কুকুৰা |
| ৬৭—২ | ভৰতে | দৰতে |
| ৬৭—৩ | নালাতো | নালাগে |
| ৬৭—১৯ | চাপা | চাপাৰ |
| ৬৮—১১ | থুওল | যুওল |
| ৬৮—১৮ | খাটি | মাটি |
| ৬৯—৪ | ফেৰা | কেৰা |
| ৭৩—১১ | বিছৰকম | বিছকৰম |
| ৭৯—১৬ | নিবন্ধাৰ | নিৰন্ধৰ |
| ৭৯—১৯ | দেওধাইয়ে | দেওধাইয়ে গোৰা |
| ৮৮—৮ | তাবাং | আবাং |
| ৯২—২৯ | বুলি | বোলাত |
| ৯৭—১৭ | চিন্তাকৰ্ষক | চিন্তাকৰ্ষক |
| ১০৫—৬ | আভাসা | আভাস |
| ১০৫—৭ | অহ | অহা |
| ১১১—২৪ | ফাৰাৰ | ফাৰৰ |
| ১২৯—১৪ | ভাবাদৰ্শ | ভাবাদৰ্শৰ |
| ১৪২—১৭ | বাঁহি | বাঁহী |